BIKALI COLLEGE DHUPDHARA ESTD : 1982

১২

# বিকালিয়ান

# BIKALIAN





## বিকালী মহাবিদ্যালয়, ধূপধৰা

আলোচনী সম্পাদকদ্বয়
প্ৰদ্যুম্ন দাস আৰু মিঠু ৰয়




ONE DAY WORKSHOP
ON
TRANSLATION: THEORY AND PRACTICE
&
PERFORMING ARTS
Resource Person: Prof. Prafulla Kr. Nath
Prrofessor in Assamese, Gauhati University
Dr. Dipamoni Baruah Das
Asstt. Professor in Assamese, Gauhati University
Organised by
Department of Assamese, Bikali College, Dhupdhara
Venue: New Conference Hall


বিদায় সম্ভাষণ সভা


GPS Map Camera
Dighali Pt-II, Assam, India
X383+W6M, Dhupdhara Railway Station Rd, Dighali Pt-II, Assam 783123, India
Lat 25.967379°
Long 91.053034°


Closing Ceremony
Cyber Security Training


বিকালী মহাবিদ্যালয়, ধুপধৰা


SILVER JUBILEE CELEBRATION



# বিকালিয়ান

আলোচনী

বিকালী মহাবিদ্যালয়

দ্বাদশ সংখ্যা

২০২০-২১ আৰু ২০২১-২০২২ শিক্ষাবৰ্ষ

তত্ত্বাবধায়ক
দ্বিপশিখা ভৰদ্বাজ

সম্পাদকদ্বয়
মিঠু ৰয়
প্ৰদ্যুম্ন দাস

# BIKALIAN

*The megazine of Bikali College, Dhupdhara, Published by Bikali College Student' Union, Edited by Mithu Roy and Pradyumna Das.*

---

## সম্পাদনা কক্ষ

| | | |
|---|---|---|
| উপদেষ্টা | ঃ | স্বৰ্ণলতা দাস, সহকাৰী অধ্যাপিকা, শিক্ষা বিভাগ। |
| সভাপতি | ঃ | ড° মনোজ গগৈ, অধ্যক্ষ, বিকালী মহাবিদ্যালয়, ধূপধৰা। |
| তত্বাবধায়ক | ঃ | দ্বিপশিখা ভৰদ্বাজ, সহকাৰী অধ্যাপিকা, শিক্ষা বিভাগ। |
| শিক্ষক সদস্য/সদস্যা | ঃ | পংকজ ৰাভা, অমল ৰাভা, ড° সীমাশ্ৰী দৈমাৰী |
| সম্পাদকদ্বয় | ঃ | মিঠু ৰয় আৰু প্ৰদ্যুম্ন দাস |
| বেটুপাত | ঃ | কুলধৰ কলিতা |
| অক্ষৰ বিন্যাস | ঃ | অসীম কছাৰী |

মুদ্ৰণ ঃ দৃষ্টি অফ্ছেট প্ৰেছ, ডালক ৰোড্, আগিয়া, গোৱালপাৰা।
দূৰভাষ - ৭০০২৮৮৬০৬৬

# শ্ৰদ্ধাঞ্জলি

ধূপধৰা অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান

বিকালী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ আঁৰত থকা

প্ৰতিগৰাকী পূণ্যাত্মাৰ স্মৃতিত

**বিকালিয়ানৰ**

দ্বাদশ সংখ্যা উৎসৰ্গা কৰিলোঁ।

# MASSAGE

Dear Students, Faculty, and Readers

It is with great pleasure that our college magazine BIKALIAN, a testament to the creativity of our academic community. The past few years have been challenging, with the COVID-19 pandemic reshaping our lives and education system. However, through perseverance and adaptability, we have emerged stronger, embracing new learning methods and a renewed spirit of togetherness.

This magazine reflects the unwavering determination of our students and faculty, capturing their academic achievements, artistic expressions, and innovative ideas. The post-COVID era has taught us valuable lessons about adaptability, mental well-being, and the importance of digital transformation in education. As we move forward, let us continue to uphold the values of knowledge, empathy, and collaboration.

I extend my heartfelt appreciation to the editorial team, contributors, and everyone who made this publication possible. May this magazine inspire and motivate us all to strive for excellence in academics and beyond. Let us work together to create a brighter, healthier, and more progressive future.

Best wishes

**Dr. Monoj Gogoi**
Principal
Bikali College, Dhupdhara

# MESSAGE

It gives me immense pleasure to present this edition of our **Bikali College** magazine **Bikalian**, a platform that reflects the creativity, achievements, and thoughts of our students and faculty. A college magazine is more than just a collection of articles — it is a testament to the intellectual and artistic spirit of our institution.

Through this magazine, we aim to encourage students to express themselves, share their ideas, and showcase their talents in literature, art, and innovation. Each article, poem, and creative piece included here represents the dedication and enthusiasm of our students, offering a glimpse into their aspirations and perspectives.

This edition also highlights the various academic and extracurricular accomplishments of our institution, capturing moments of pride and success. I extend my heartfelt gratitude to our editorial team, faculty members, and students who have contributed to making this magazine a reality. Your hard work and commitment have made this publication a true reflection of our vibrant college community.

I hope this magazine inspires and engages every reader, and I look forward to even more enthusiastic participation in the future.

**Deepshikha Bharadwaz**
Magazine In-Charge
Assistant Professor
Department of Education

# প্ৰতিবেদন
## আলোচনী সম্পাদক

প্ৰতিবেদনৰ আৰম্ভণিতে বিকালী মহাবিদ্যালয়ৰ প্ৰতিস্থাপক অগ্ৰজসকলক সুঁৱৰিব লাগিব নহ'লে তেওঁলোকক কৃতজ্ঞতা জনোৱাৰ সুকীয়া লিখনি হয়টো লিখাৰ সুবিধা নাপাম এয়া নিজৰ লেখা-মেলাৰ আৰু অধ্যয়নপুষ্ট মনটোৰ জোৰ নথকাৰ বাবেওঁ হ'ব পাৰে।

বিকালী মহাবিদ্যালয়খনত পঢ়াৰ ইচ্ছা স্কুলীয়া জীৱনৰ পৰাই আছিল। যেতিয়া মহাবিদ্যালয়খনত পঢ়াৰ সুবিধাকণ পালোঁ, ছাত্ৰ-একতা সভাৰ প্ৰতি তীব্ৰ আকৰ্ষণ জাগিল ইয়াৰ মূলতঃ আলোচনী সম্পাদক হোৱাৰ ইচ্ছাটো অধিক হোৱাৰ বাবে। সময়ত সেয়াওঁ বাস্তৱ হ'ল, কিন্তু যেতিয়াই আলোচনী সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ কৰিলোঁ, বুজিলোঁ যে আলোচনী সম্পাদক হোৱা কম কথা নহয়। লগতে কিছুমান সময়ৰ অপচয়ৰ মাজেৰে এবছৰকাল বিভিন্ন অভিজ্ঞতা লাভ কৰিলোঁ। যাৰ বাবে তেতিয়া সময়ৰ অপচয় লগাবোৰ এতিয়া সেয়াই মধুৰ স্মৃতি হৈ পৰিল। আলোচনী সম্পাদকৰ অকল মহাবিদ্যালয়ৰ আলোচনীখনেই নহয় সাহিত্য বিভাগৰ সমস্ত দায়িত্বৰ ভাৰ ল'ব লগা হ'ল। যিমান দূৰ সম্ভৱ এনেধৰণৰ নিজস্ব দায়িত্বখিনি সুচাৰুৰূপে আৰু সততাৰে সমাপন কৰিব পাৰিছোঁ তাৰ বাবে মই ছাত্ৰ একতা সভাৰ সভাপতি মিন্টু সূত্ৰধৰ, সাধাৰণ সম্পাদক ড্ৰীমজিৎ ৰাভা, উপ-সভানেত্ৰী দিশা ৰাভা আৰু সহঃ সাধাৰণ সম্পাদক অনুপম ৰয় আদিৰ লগতে প্ৰাক্তন আলোচনী সম্পাদক মিঠু ৰয় আৰু প্ৰাক্তন সাংস্কৃতিক সম্পাদক হৰফুল্ল ৰাভাক মই বিশেষভাৱে ধন্যবাদ জনাবই লাগিব। সন্মানীয় উপদেষ্টা স্বৰ্ণলতা দাস বাইদেউ, তত্বাবধায়িকা দ্বীপশিখা ভৰদ্বাজ বাইদেউ আৰু তুনুকা ৰাভা বাইদেউৰ লগতে মহাবিদ্যালয়ৰ আন আন সন্মানীয় অধ্যাপক-অধ্যাপিকা সমস্তকে ব্যক্তিগতভাৱে কৃতজ্ঞতা আৰু আন্তৰিক ধন্যবাদ জনালোঁ। তেওঁলোক সকলৰে সহায়-সহযোগিতা অবিহনে মই হয়টো দায়িত্বভাৰ সুকলমে চলাই নিয়াত ব্যৰ্থ প্ৰমাণিত হ'লোহেঁতেন।

আমি প্ৰতিভাৰ বিকাশৰ অৰ্থে গুৱাহাটী বিশ্ববিদালয়ৰ তৰফৰ পৰা পতা 'আন্তঃমহাবিদ্যালয় যুৱমহোৎসৱ'ৰ দৰে এখন ডাঙৰ মঞ্চত বিকালী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক লৈ যাব পৰাটো আমাৰ ছাত্ৰ একতা সভাৰ লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় আৰু অধ্যাপক-অধ্যাপিকা সকলৰ এক ডাঙৰ কৃতকাৰ্য সম্পন্ন হৈছে বুলি আমি ভাৱো।

এই 'যুৱ মহোৎসৱ'ত ভাগ লোৱাৰ সফলতাত সহায় কৰা বিশেষভাৱে সন্মানীয় অধ্যক্ষ মহোদয় ড° মনোজ গগৈ ছাৰ, অধ্যাপিকা অপৰাজিতা বাইদেউ আৰু অন্যান্য অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ একতা সভাৰ সভাপতি,সাধাৰণ সম্পাদক, সাংস্কৃতিক সম্পাদিকা,উপ-সভানেত্ৰী, সহঃসাধাৰণ সম্পাদক, আদি সকলোৱে নিশ্চয়কৈ ধন্যবাদৰ পাত্ৰ হৈ থাকিব । এনেধৰণৰ প্ৰতিভাৰ বিকাশৰ বাবে ন ন কাৰ্য্যসূচী আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে হাতত লোৱাৰ মনোভাৱ ভৱিষ্যতলৈও অটুত থাকে যেন।

শেষত বিকালী মহাবিদ্যালয়ৰ চৰণত অজানিতে কৰি অহা কিবা ভূল-ভ্ৰান্তিৰ ক্ষমা বিচাৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ ।

ধন্যবাদেৰে -

**প্ৰদ্যুম্ন দাস**
আলোচনী সম্পাদক

# সূচীপত্ৰ

## প্ৰবন্ধ, গল্প ইত্যাদি


| | | |
|---|---|---|
| ◆ মানৱ জীৱনত গণিতৰ প্ৰয়োজনীয়তা | আফচানা চুলতানা | ০১ |
| ◆ মানসিক স্বাস্থ্য ৰক্ষা কৰাত বিদ্যালয়ৰ ভূমিকা | দীপামণি ৰাভা | ০৩ |
| ◆ **Mathematics for All** | Swarna Lata Das | ০৫ |
| ◆ বহু সাংস্কৃতিক শিক্ষা আৰু সমাজত ইয়াৰ প্ৰভাৱ | যোচিতা বড়ো | ০৮ |
| ◆ মানৱ সম্পদৰ বিকাশত শিক্ষাৰ ভূমিকা | দ্বীপশিখা চৌধুৰী | ১১ |
| ◆ **Supernaturalism and Human behaviour with reference to three stories from 'Burhi Air Xadhu' by Lakshmi Nath Bezbaruah** | Rajlakshmi Hazarika | ১৩ |
| ◆ ৱিকি (Wiki) ৰ মৌলিক পৰিচয় আৰু অসমীয়া ৱিকিপিডিয়া | চন্দ্ৰিমা ৰাভা | ১৬ |
| ◆ **Youth Unrest: Impact on Present Society** | Deepshikha Bharadwaz | ২০ |
| ◆ মহাত্মা গান্ধীৰ সমাজ আৰু সৰ্বোদয়ৰ সমাজৰ ধাৰণা | চন্দাশ্ৰী ব্ৰহ্ম | ২৩ |
| ◆ শাস্ত্ৰ শিক্ষা আৰু ইয়াৰ প্ৰয়োজনীয়তা | কুলধৰ কলিতা | ২৫ |
| ◆ **LIVELIHOOD &SUSTAINABILITY DEVELOPMENT** | Jeuty Talukdar | ২৭ |
| ◆ অসমৰ প্ৰাচীন লোকনাট্যানুষ্ঠান 'ওজাপালি' | ড ঃ প্ৰণীতা মহন্ত | ৩১ |
| ◆ বৰ্তমান সময়ত বিশ্বায়নৰ প্ৰভাৱ | জাহানাৰা বেগম | ৩৪ |
| ◆ **CHOICE BASED CREDIT SYSTEM (CBCS) A BRIEF ANALITICAL STUDY** | Bikash Ray | ৩৭ |
| ◆ ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ এটি চমু অৱলোকন | অৰ্পনা ৰাভা | ৪১ |
| ◆ ৰাষ্ট্ৰীয় ছাত্ৰ সেনাবাহিনীৰ পৰা উত্তৰ প্ৰদেশলৈ মোৰ এক অভিনৱ যাত্ৰা 'ভ্ৰমণ কাহিনী' | ৰিপন নাথ | ৪৩ |
| ◆ বিহগী কবি ৰঘুনাথ চৌধাৰী | মণিমা আহমেদ | ৪৭ |
| ◆ সুস্থ জীৱন গঢ়ি তোলাত যোগৰ ভূমিকা | কংকন নাথ | ৪৮ |
| ◆ মূল্যবোধ শিক্ষা আৰু ইয়াৰ প্ৰয়োজনীয়তা | হুছমা খাতুন | ৫০ |
| ◆ সন্তোষৰ হাঁহি | বৰষা ৰাভা | ৫২ |
| ◆ গান্ধীজীৰ সত্যান্বেষণ | ভাগ্যশ্ৰী ৰয় | ৫৪ |
| ◆ **Taste of Nagaland** | Bornali Boro | ৫৬ |
| ◆ বিজ্ঞানৰ অৱদানৰ মৌলিক প্ৰভাৱ | ৰাজমুল আহমেদ | ৫৮ |
| ◆ ছাত্ৰ সমাজৰ লক্ষ্য | মণিমা আহমেদ | ৫৯ |
| ◆ কুলি চৰাই | চুলতানা নাছৰিন | ৬১ |
| ◆ স্মৃতিৰ এখিলা পাত | ছাজিনবি ৰাভা | ৬২ |
| ◆ ইচ্ছাশক্তি | ছাজীনাবী ৰাভা | ৬৫ |

| | | |
|---|---|---|
| ◆ নাৰীবাদ | সংগীতা দাস | ৬৭ |
| ◆ নাৰী আৰু আমাৰ সমাজ | ভানুপ্ৰিয়া কলিতা | ৬৯ |
| ◆ বিশেষ আকৰ্ষণ ৰূপম দত্ত | বন্দিতা দাস | ৭১ |
| ◆ ভাৰত ৰত্ন | নাছৰিন চুলতানা | ৭৩ |
| ◆ এজন সৈনিকৰ জীৱন কাহিনী | ৰিপন নাথ | ৭৪ |
| ◆ বন্ধু - মোৰ অনুভৱ | সুমন কুমাৰ | ৭৬ |
| ◆ সৰা পাতৰ শব্দ | অংকনা চক্ৰৱৰ্তী | ৭৭ |
| ◆ জিন্তী নামৰ ছোৱালীজনী | নিশিতা কলিতা | ৭৯ |
| ◆ তোমাৰ আজিও খং কমা নাই নেকি? | প্ৰিয়ংকা বনিক্য | ৮০ |
| ◆ বিষাদৰ আঁৰৰ সাফল্য "চুটি গল্প" | মিতুল দাস | ৮১ |
| ◆ হাঁহিমুখীয়া মানুহ জন | জুৰিমা দাস | ৮৫ |


## কবিতা


| | | |
|---|---|---|
| ◆ উশাহবোৰ জী আছে | মৌমিতা ৰয় | ৮৭ |
| ◆ ভাৰতৰ সেনা | দ্বীপান্বিতা দাস | ৮৭ |
| ◆ আধৰুৱা | পবিতা ৰাভা | ৮৮ |
| ◆ ল'ৰালি | অংকিতা সূত্ৰধৰ | ৮৯ |
| ◆ নিস্তব্ধ নিশা | লখিমী বেগম | ৮৯ |
| ◆ নাৰী | ধীতামনি কলিতা | ৯০ |
| ◆ শৰতৰ সুবাস | অনুপম দৈমাৰী | ৯০ |
| ◆ স্মৃতি | দিশা ৰাভা | ৯১ |
| ◆ বতাহ | ভাৰ্গৱ পাটগিৰী | ৯১ |
| ◆ শৰৎ | সাগৰিকা নাথ | ৯২ |
| ◆ শাওনৰ অস্তিত্ব | অন্তিমা ৰাভা | ৯২ |
| ◆ বিশ্বাস | আখতাৰা বেগম | ৯৩ |
| ◆ গাভৰু বিকালী | প্ৰদ্যুম্ন দাস | ৯৪ |
| ◆ EXAMINATION FEVER | Deepshikha Khakhalary | ৯৫ |
| ◆ Life | Priyanka Das | ৯৫ |
| ◆ Nature's Beauty | Gopesh Nath | ৯৬ |


## बड़ो प्रबन्ध


| | | |
|---|---|---|
| ◆ दैखंखोला रावसानि रहुगा खुगा रावनि सोदोब बिहुंखौ यानथाय गोनां रावजों रुजुनाय | अपराजिता बसुमतारी | ९७ |
| ◆ दैखंखोला बर' रावसानि रिंसारखान्थिखौ मानथाय गोनां रावजों रुजुनाय | अनामिका खाख'लारी | १०१ |
| ◆ बर' रावनि जोनोम आरो जौगानाय | जुलि दैमारी | १०५ |
| ◆ रंदिनि फाग्लिनि दाउ-संबायनाय सुंद' सल'आव आंनि दान्दिसे नोजोर | पंकज खाखलारी | १०८ |

# মানৱ জীৱনত গণিতৰ প্ৰয়োজনীয়তা

**আফচানা চুলতানা**
স্নাতক মহলাৰ দ্বিতীয় সান্মাষিক

গণিত মানৱ জীৱনৰ এটি এৰাব নোৱাৰা বিষয়। গণিতৰ মৌলিক পদ্ধতিৰ ব্যৱহাৰৰ অবিহনে এজন মানুহে তেওঁৰ দৈনন্দিন জীৱনত একো কৰিব নোৱাৰে। লিখা-পঢ়া নিশিকাকৈ মানুহ ভালদৰে চলি যাব পাৰে কিন্তু হিচাপ বা গণনা নজনাকৈ মানুহে চলিব নোৱাৰে। বৰ্তমান গণিতৰ মৌলিক পদ্ধতি আৰু ইয়াৰ ব্যৱহাৰিক জ্ঞান সমাজৰ বাবে এক প্ৰাথমিক প্ৰয়োজন হৈ পৰিছে। দিন হাজিৰা কৰা বনুৱাৰ পৰা আৰম্ভ কৰি বিত্তশালী সকলো লোকৰে গণিতৰ প্ৰয়োজন অপৰিহাৰ্য। ব্যক্তিৰ আয়ৰ সৈতে ব্যয়ৰ ভাৰ-সাম্যতা বজাই ৰাখিবলৈও গণিতৰ প্ৰয়োজন। সাধাৰণভাৱে ক'বলৈ হ'লে গণনাৰ যোগ, বিয়োগ, পূৰণ,হৰণ আদি গণিতৰ মৌলিক পদ্ধতিবোৰৰ বাস্তৱ আৰু ব্যৱহাৰিক মূল্য আছে।

বিভিন্ন ধৰণৰ জীৱিকা যেনে বেংকৰ কৰ্মচাৰী, দৰ্জী, কাঠমিস্ত্ৰী, জীৱন বিমাৰ কৰ্মী, ডাক সেৱাৰ কৰ্মী আদি জীৱিকা নিৰ্বাহী লোকৰ প্ৰয়োজনবোৰ গণিতৰ প্ৰত্যক্ষ আৰু পৰোক্ষ ব্যৱহাৰৰ দ্বাৰা পূৰণ কৰে। অৰ্থনৈতিক সংস্থাবোৰৰ সফল ৰূপায়নৰ বাবে গণিতৰ প্ৰয়োজন। আমি ৰাতিপুৱা টোপনিৰ পৰা উঠাৰ সময়ৰ পৰা ৰাতি টোপনি যোৱালৈ প্ৰত্যেকটো কামতে গণিতৰ ব্যৱহাৰ কৰোঁ। ব্যক্তিগত বা সামূহিক আঁচনি সমূহত পৰিচালকৰ গণিতৰ জ্ঞান নথকাৰ বাবে অকৃতকাৰ্য হোৱা দেখা যায়। এনে ক্ষেত্ৰত এজন সুদক্ষ পৰিচালকৰ প্ৰয়োজন যাৰ গাণিতিক জ্ঞান থকাৰ উপৰিও আঁচনি সম্পৰ্কীয় জ্ঞান অটুট থাকে, যাৰ বাবে তেনে অৰ্হতা সম্পন্নলোকৰ আঁচনি বিফল হোৱাৰ সম্ভাৱনা কম হয়। এখন দেশৰ নেতৃত্ব দিয়া ব্যক্তিৰ গণিত আৰু অৰ্থনীতিৰ অজ্ঞতাই দেশখনৰ প্ৰগতিৰ অন্তৰায় হৈ থিয় হ'ব পাৰে। গণিতৰ সঠিক অনুসন্ধানৰ অভাৱত এজন সাধাৰণ মানুহৰ দৰে বিত্তশালী মানুহ এজনেও জীৱনত সকলো হেৰুৱাই বাটৰ ভিক্ষাৰীত পৰিনত হ'বলগীয়া হয়। দেশ এখনৰ ক্ষেত্ৰতো একে কথাই খাটে। দেশক নেতৃত্ব প্ৰদান কৰা লোকৰ গাণিতিক অজ্ঞতাৰ ফলতেই দেশ এখনৰ অৰ্থনীতি মন্দাত পতিত হৈ দেশখনৰ সৰ্বনাশ সংঘটিত হ'ব পাৰে। আজিকালিৰ জগত বিজ্ঞানৰ দ্বাৰা পৰিচালিত হয়। প্ৰতিদিনে বিজ্ঞানৰ সহায়ত নানাবিধ যন্ত্ৰপাতি বিবিধ বস্তু আদিৰ উদ্ভৱ হৈ আছে। এই উদ্ভাৱন হোৱা প্ৰতিটো আহিলাৰ আঁৰত আছে বিভিন্ন সূত্ৰ-পাতি আৰু তীক্ষ্ণ গাণিতিক মগজু। এই তীক্ষ্ণ গাণিতিক মগজুৰ ফলত মানুহে নানা তৰহৰ যন্ত্ৰ-পাতি আদি আৱিষ্কাৰ কৰিব পাৰিছে। অসম্ভৱ কামক সম্ভৱ কৰি তুলিছে। সমাজৰ প্ৰত্যেকটো বস্তু বা কাম গণিতৰ লগত জড়িত।আমি জনা-নজনাকৈ কৰা প্ৰতিটো কামত গণিতৰ ব্যৱহাৰ কৰি আছোঁ। গণিতৰ সূত্ৰ অবিহনে একো কাম কৰিব নোৱাৰোঁ। আমি ৰাতিপুৱা টোপনিৰ পৰা উঠি প্ৰথমতে ঘড়ীটোলৈ চাওঁ, তাতো আমাৰ গণিত ব্যৱহাৰ হয়। মুখ-হাত ধুই চাহ খাবলৈ গলে তাত গণিত ব্যৱহাৰ হয়। ৰাতিপুৱা উঠিয়ে আমি দিনটোত কিমানখিনি কাম কৰিম সেই বিষয়ে ভাবি লওঁ, তাতো আমি গণিতৰ ব্যৱহাৰ কৰোঁ। গণিত আমাৰ জীৱনৰ এক অপৰিহাৰ্য অংগ। গণিতৰ জগতখন খুবেই নিখুঁত। ৰান্ধনী ঘৰৰ পৰা আৰম্ভ কৰি ৰাসায়নিক গৱেষণাগাৰলৈকে সকলোতে গাণিতিক সূত্ৰ ব্যৱহৃত হৈ আছে। গণিত শাস্ত্ৰক সভ্যতাৰ মাপকাঠি বুলি কোৱা

হয়। প্ৰতিটো সভ্যতাৰ গতি-প্ৰগতিৰ বিকাশ-বিস্তাৰ, ধ্যান-ধাৰণা আদিৰ মাপক হ'ল গণিতৰ জ্ঞান। আমি গণিতৰ ইতিহাস চালে গম পাওঁ কিদৰে প্ৰয়োজনৰ ফলত বিজ্ঞানী সকলে, গণিতজ্ঞ সকলে গণিতৰ সূত্ৰ উদ্ভাৱন কৰিছিল। গণনা শক্তিৰ ফলত আজি আমি সকলো কাম সময়ত কৰিব পাৰোঁ। ব্যৱসায়-বাণিজ্য, গৱেষণাগাৰ, শিক্ষানুষ্ঠান, সভা-সমিতি, ৰান্ধনী ঘৰ আদি সকলোতে গণিতৰ ব্যৱহাৰ হয়। গণিতৰ সূত্ৰৰ ফলত আজি আমাৰ সমাজখন ইমান গতিশীল হ'ব পাৰিছে। ■

# মানসিক স্বাস্থ্য ৰক্ষা কৰাত বিদ্যালয়ৰ ভূমিকা

দীপামণি ৰাভা
স্নাতক ষষ্ঠ ষান্মাষিক

সাধাৰণতে স্বাস্থ্যই শাৰিৰীক আৰু মানসিক দুয়োটা দিশকে সামৰি লয় আৰু দুয়োটা দিশেই সমানেই গুৰুত্বপূৰ্ণ। বিশ্ব স্বাস্থ্য সংস্থা (WHO) ই প্ৰদান কৰা সংজ্ঞা অনুসৰি স্বাস্থ্য মানে হ'ল শাৰীৰিক, মানসিক আৰু সামাজিক কল্যাণৰ বাবে এক সম্পূৰ্ণ ব্যৱস্থা আৰু কেৱল বেমাৰ বা দুৰ্বলতা অনুপস্থিতি নহয়। স্বাস্থ্যৰ এক অতি গুৰুত্বপূৰ্ণ আৰু সৰ্বাত্মক উপাদান হ'ল মানসিক স্বাস্থ্য। মানসিক স্বাস্থ্যৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি WHO য়ে কৈছিল যে "মানসিক স্বাস্থ্য অবিহনে কোনো স্বাস্থ্য নাই"।

মানসিক স্বাস্থ্য হৈছে মনৰ এক ভাৰসাম্যপূৰ্ণ অৱস্থা। এগৰাকী লোকৰ নিৰোগী মানসিক অৱস্থা এটাকে মানসিক স্বাস্থ্য বুলি কোৱা হয়, আনহাতে এগৰাকী ব্যক্তিৰ বেমাৰ আজাৰহীন বা আঘাতহীন মানসিক অৱস্থাকে মানসিক স্বাস্থ্য বুলি কোৱা হয়। মানসিকভাৱে স্বাস্থ্যৱান লোক এজনে স্বাভাৱিক প্ৰদৰ্শন কৰিব পাৰে। তদুপৰি মানসিকভাৱে স্বাস্থ্যৱান লোক এজনে সহজে পৰিৱেশৰ লগত সমযোজন কৰিব পাৰে। মনোবিদ হিলগাৰ্ডে মানসিক স্বাস্থ্য কি সেই বিষয়ে সংজ্ঞা আগবঢ়াইছে। হিলগাৰ্ডৰ মতে, "মানসিক স্বাস্থ্য হ'ল মানসিক ৰোগৰ অনুপস্থিতি মূলক এক অৱস্থা, অধিক সদৰ্থকভাৱে ই এক অৱস্থা যি সমাযোজন, ফলদায়ক অভিবিন্যাস আৰু অভিৰুচি বৈশিষ্ট্যপূৰ্ণ।"

মানসিক স্বাস্থ্যৰ লগত জড়িত আন এক ধাৰণা হ'ল যোগ। যোগ হৈছে সুস্থ জীৱন-যাপনৰ এক পথ। যোগ হৈছে একমাত্ৰ বিজ্ঞান যিয়ে ব্যক্তিৰ শৰীৰ, মন আৰু আত্মাৰে যে উৎকৰ্ষ সাধন কৰে এনেকুৱা নহয়। ই মানুহৰ আচৰণ আৰু চৰিত্ৰৰো বিকাশ কৰে কাৰণ মানুহে পালন কৰা যম, নিয়মৰ দ্বাৰা তেওঁৰ গাত থকা সকলো বেয়া দিশবোৰ আতঁৰোৱা হয়। এই যোগে মানুহৰ শাৰীৰিক, মানসিক, বৌদ্ধিক আৰু আধ্যাত্মিক দিশৰ উন্নতি সাধন কৰি ব্যক্তিক এক শক্তিশালী নৈতিক চৰিত্ৰৰ ভেঁটি গঢ় দি প্ৰকৃত পুৰুষ আৰু মহিলা হিচাপে প্ৰতিষ্ঠিত কৰাত সহায় কৰে।

শিশু জীৱনৰ বিকাশৰ সকলোতকৈ সম্ভাৱনাপূৰ্ণ দীৰ্ঘ সময়ছোৱা হৈছে বিদ্যালয়ৰ সময়ছোৱা। ঘৰখন, পৰিয়ালটো হ'ল শিশু জীৱনৰ সৰ্বপ্ৰথম সামাজিক অনুষ্ঠান, য'ত শিশুৰ সৰ্বতোপ্ৰকাৰৰ বিকাশৰ বীজ অংকুৰিত হয় আৰু সেই বীজটোক পূৰ্ণতা প্ৰদান কৰে বিদ্যালয়। বিদ্যালয় হ'ল সমাজৰ ক্ষুদ্ৰতম সংস্কৰণ। জাতি, ধৰ্ম, বৰ্ণ বিভিন্ন মানসিক সামৰ্থ্যৰ ল'ৰা-ছোৱালীৰ লগত ইজনে সিজনৰ সৈতে খেলিবলৈ, ভাব বিনিময় কৰিবলৈ সুবিধা পায় বিদ্যালয়ত আৰু পাঠ্যক্ৰমৰ বহল পৰিসৰত শিশুৱে নানা ধৰণৰ অভিজ্ঞতাৰে আগবাঢ়ি যোৱাৰ সুবিধা লাভ কৰে য'ত সমাজৰ আৰু ব্যক্তিগত আশা-আকাংক্ষাক, আদৰ্শ, সংস্কৃতি প্ৰতিফলিত হয়। বিদ্যালয়ৰপৰা লাভ কৰা শিক্ষাৰ নীতি নিয়ম আৰু কৰ্মসূচীয়ে শিশুক ভৱিষ্যতে সৎ, সংযমী, পৰিশ্ৰমী, নিয়মানুৱৰ্তী আৰু শৃংখলাবদ্ধ কৰি তোলে। বিদ্যালয়ে শিশুক সমাজৰ সংস্কৃতিৰ উৎকৃষ্ট উপাদানসমূহৰ সংৰক্ষণ আৰু বিকাশ সাধনত সহায় কৰে। বিভিন্ন

পৰিৱেশৰ লগত খাপ খুৱাই বিদ্যালয়ে এক পৰিপূৰ্ণ আৰু সুখী জীৱন-যাপনৰ বাবে শিশুক প্ৰস্তুত কৰে, যি সুস্থ মানসিক স্বাস্থ্যৰ বাবে অতিকৈ প্ৰয়োজন। শিশুৰ ব্যক্তিসত্তাৰ সমস্ত দিশৰ বাঞ্ছিত বিকাশ সাধন কৰি এখন সুস্থ সমাজ গঢ়ি তোলাটো বিদ্যালয়ৰ প্ৰধান উদ্দেশ্য। বাস্তৱ জীৱনৰ সমস্যা সমাধান আৰু জীৱন ধাৰণৰ মানদণ্ড উন্নতকৰণৰ উপযোগী নতুন জ্ঞান কৌশল মনোভাৱ আৰু মূল্যবোধ আদিও যাতে শিশুৱে আহৰণ কৰিব পাৰে তাৰ ব্যৱস্থা কৰণো বিদ্যালয়ৰ কৰ্তব্যৰ অন্তৰ্গত। শিশুৰ সৃষ্টি প্ৰতিভা আৰু সম্ভাৱনীয়তাসমূহ চিনাক্ত কৰণ কৰি সেইসমূহৰ উপযুক্ত প্ৰকাশ আৰু বিকাশৰ গধুৰ দায়িত্ব হ'ল বিদ্যালয়ৰ।

শিক্ষাৰ্থীৰ মানসিক স্বাস্থ্য ৰক্ষাৰ ক্ষেত্ৰত বিদ্যালয়ে তলত দিয়া ভূমিকাসমূহ পালন কৰিব লাগে -

১। মানসিক জীৱনৰ সমস্যাবোৰ জনাৰ ক্ষেত্ৰত সহায় কৰা।
২। সুস্থ মানসিক স্বাস্থ্যৰ মূল্য উপলব্ধিত সহায় কৰা।
৩। বিদ্যালয়ে মানৱ শিশুক মনোদৈহিক শক্তি সামৰ্থ আৰু গুণাৱলীৰ বিকাশৰ ক্ষেত্ৰত সহায় আগবঢ়োৱা।
৪। ব্যক্তিত্বৰ গুণাৱলীৰ আৰু শক্তি সামৰ্থৰ বিকাশত সহায় কৰা।
৫। সকলো লোককে আৱেগিকভাৱে শক্তিশালী কৰি তোলাত সহায় আগবঢ়োৱা। ■

**গ্ৰন্থপঞ্জী ঃ**

কলিতা, উৎপল, বৰুৱা, জাহ্নৱী লহকৰ, বৰ্মন, সুমন - মানসিক স্বাস্থ্য আৰু স্বাস্থ্য বিজ্ঞান।
Website - https://assamweb.in/class-12-education-chapter-7/

# Mathematics for All

**Swarna Lata Das**
Asst. Professor
Dept. of Education

Introduction : "Mathematics has a glorious history of human civilization from the very beginning of human activity. People knowingly or unknowingly use mathematical knowledge in developing human civilization. At present mathematics can very well be called a universal language of civilization, because mathematics is the languages of morden science and technology. The human beings are envelopes by science and technology.

Mathematics provides a way of viewing and making sense of the world. It is used to analyse and communicate information and ideas and to tackle a range of real life tasks and real life problems. It can develop among the students the following broad categories of development.

Knowing (Realization of knowledge)
Feeling (Thinking)
Doing (Both task - mental and physical)

Mathematics developed from counting, calculation, measurement and the systematic study of the shapes and motions of physical objects. Practical mathematics has been a human activity for as far back as written records exist.

Mathematics is the science of measurement, quantity and magnitude. In 1990 the world conference on education for All ( WCEFA) Was convened by the world Bank . UNESCO, UNICF and UNDP. In this conference 1500 individuals representing governments, intergovernmental bodies, non government organisations, institutes and Foundations took place. The conference unanimously adopted two texts that signified the world community's renewal of its all people to education and knowledge, the World Declaration on Education for All " and a " Framework for Action to meet Basic Learning needs.

In our society every person a child, youth and adult all need mathematics. The basic learning content knowledge, skills, values attitude are included in mathematics. Because mathematics is a way to settle in the mind a habit of reasoning. The reasoning in mathematics is of peculiar kind and possesses a number of characteristics such as simplicity.

**What Mathematics for All?**

Clearly, a prime aim of school mathematics must be to provide all students with that mathematics required by today's thinking citizen. What exactly, I that? Two recent attempts to define this merit a mention. One was in a section of the third England did not participate. It was a test on mathematical and scientific literacy set to students in their last year of secondary school whether or not they were still studying mathematics. The items were all posed in "real - life" contexts and covered topics on arithmetic ( including estimation), data handling (including graphic representation), geometry ( including mensuration) and ( informal) probability. The resulting data were of considerable interest in indicating the extent to which countries has prepared their students to deal

with the kind of mathematics they would meet in the street or the press (More recently the Organization for Economic Cooperation and Development (OECD) carried out a somewhat similar study on 15 year olds. This was very much in the nature of pilot study, however, and did not test all aspects of mathematics literacy.

Another, significant offering is a report, Mathematics and Democracy. The case for Quantitative Literecy, published by the National Council on Education and the Discipline (NCED, 2001), that seck a Complete reorientation of the tranditional U.S. School mathematics syllabus. This report distinguishes between what it term quantitative

**The importance and Needs of Mathematics:**

The application of mathematics in human society may be broadly categorised as follows: "Mathematics in Science and Technology". "Mathematics in Psychology". "Mathematics in day-to-day live." Mathematics in Arts and Cultures. "The application of mathematics in science & technology is worth mentioning. The development of all science depends on technology. Technology takes the help of mathematics in formulating and measuring accurate skill and knowledge. The mordern people are enjoying all sorts of scientific invention which is influenced by mathematical application. Exploration of space, video conferencing, Tele conference, remote sensing and lot of scientific aspects lead to mathematical application.

Modern teaching technologies without successful teaching learning process can not be reached without mathematics. Micro teaching, programme learning brain - storming etc are some popular methods of modern teaching. All types of skill application is very frequent phenomenon in these methods of teaching.

Statistics and mathematics are inter related. The use of statistics for all branches of knowledge tends to apply mathematics. "Every branch of knowledge first started as philosophy. Philosophy gave birth birth to theories. Theories of knowledge beased on true application of mathematics. All social sciences, humanistic and other disciplines are included to mathematics.

Mathematics has application in psychological principles also. Various human mental activities such as intellectual ability, memorization, imagination, thinking, reasoning, judgment, can not involve in accurate process without known and unknown application of mathematics, In this context we may mention some notable psychological experiments developed by classical and modern psychologists. As for example Spearmen's two factor theory of intelligence, Binet-Simon inteligence scale, Rorschak Ink Blot Test for measuring personility, Experiment made by Netschjeff and Lobsien on measuring personality. Experiment made by Netschjeff and Lobsien on measuring are some notable examples in mental testing movement. These movement turned to a successful end with the help of mathematics application. Lastly I.O. (Intelligence quotient) the most popular term of the day is the result of Methematical application.

In our Day-to-day activities mathematics is applied to a greater extent. Frankly speaking the development of human society will stop without mathematics. Some important daily activities such as cooking, marketing, walking, travelling, driving, talking with other, timing all calls for knowledge of mathematics. A farmer, a businessman, requirew knowledge of mathematics.

Use of mathematics arts and culture in worth mentioning. The rhythmic motion of the song is measured by mathematical knowledge. Example of eminent psychologist Siesor who made experiment on individual musical aptitude is notable mentioning in this regard. In order to measure individual's musical aptitude he adopted the challenging effort of 22 elements with the help of mathematical skill. In bird's eye view the relation between literatures and mathematic is something like East and West. Yet nobody can deny the impact of mathematics in the development of literature. A real mathematics needs true sentiment of literature. Famous Indian mathematician

had major contribution to Indian literature also. Mathematics is necessary in painting, drama and accurate measurement

**Conclusion and Suggestion:**

From the above discussion we may conclude that mathematics is an inevitable part of human life. But it is a matter of serious regret that our students are very much afraid of mathematics. Factors responsible for students unexpected fear in mathematic are unhealthy training in home, developing wrong attitude to the subject, traditional method of teaching, lack of experienced teachers etc.

It is an admitted fact that teaching is an art. So our respected teachers should develope their teaching skills by adopting modern method. They should involve in making the subject most popular by adopting modern technique and device. A legitimate interest should be created among the students and thus students phycho-fearsis should be removed by dint of teacher's moral responsibility. Our respected parents may involve in making student understand the reality of mathematics in life. The following points may be enumerated to make mathematics popular.

* Frequent seminar and workshop and popular talk on mathematics should be organized by universities, colleges and schools.
* Interchange of mathematics teacher among feeder schools should be organised.
* Expert from the discipline should be invited for discussion problems at school level.
* Student reasoning and judgment capacities should be developed by modern techniques.
* Summer time course on mathematics can be organized in school and colleges.

**We are to summarize our write up by the following popular views :**

* Mathematics should be taught as alphabet in elementary level.
* It should be taught as a complete sentence in secondary level.
* It should be taught as story at higher level. ■

**Reference**


1. Dev Sarma B Dey and Sarma Hitendra Nath +2 Mathematics for H.S Assam Higher Secondary Council.
2. Forgasz. Hand Ledger G (1996) : Mathematics Class Room , Gender and effect Mathematics Education Research Journal 8 ( 1) : 153-173
3. Fennama, E; Peterson, P. and Carpenter, T.1990' Teacher ' Attribution and Beliefs about girls, boys and mathematics, Educational studies in mathematics.

# বহু সাংস্কৃতিক
# শিক্ষা আৰু সমাজত ইয়াৰ প্ৰভাৱ

যোচিতা বড়ো
স্নাতক চতুৰ্থ ষাণ্মাসিক

**আৰাম্ভণি ঃ**

সময় গতিশীল। এই গতিশীল সময়ৰ লগত সমাজ জীৱনৰো ব্যাপক পৰিৱৰ্তন হৈছে। ব্যক্তি আৰু সমাজৰ সমসাময়িক চাহিদাবোৰ পূৰণ কৰাৰ বাবদ এনে পৰিৱৰ্তন স্বাভাৱিক বুলিব পাৰি। সম্প্ৰতি বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দ্ৰুত আগ্ৰাসনৰ ফলত গোটেই পৃথিৱী খন এখন গোলকীয় গাঁওলৈ ৰূপান্তৰিত হৈছে। সমান্তৰাল ভাৱে একেখন পৃথিৱীৰ বাসিন্দা হিচাপে মানুহৰ মাজত এক বিশ্ব এক সংস্কৃতিৰ ধাৰণাই বিস্তাৰ লাভ কৰিছে। সংকীৰ্ণ মানসিকতা আৰু উগ্ৰ সাংস্কৃতিক চেতনা পৰিহাৰ কৰি মানুহে বিশ্ব সংস্কৃতিৰ প্ৰতি আকৰ্ষিত হৈছে। এক প্ৰেক্ষাপটত প্ৰতিজন মানুহৰ মাজৰ সমন্বয়ৰ স্পৃহা শক্তিশালী কৰি তোলাটো বৰ্তমান সময়ৰ দাবী স্বৰূপ হৈ পৰিছে। প্ৰকৃতাৰ্থত এখন শিক্ষিত সমাজ গঢ়ি সকলো মানুহকে জ্ঞান সমাজৰ যোগ্য প্ৰতিনিধি কৰি গঢ়ি তুলিবলৈ হ'লে শিক্ষাক সহজলভ্য কৰাটো জৰুৰী। আনুষ্ঠানিক শিক্ষাৰ পৰিপূৰক হিচাপে বিকল্প শিক্ষাৰ মাধ্যমেদি শিক্ষাক জনমুখী কৰাৰ ব্যাপক প্ৰয়োজনীয়তা অনুভৱ কৰা হয়। সেয়েহে, সম্প্ৰতি শিক্ষাৰ ক্ষেত্ৰত উন্মেষিত বিভিন্ন বিষয়সমূহৰ ভিতৰত বহু সাংস্কৃতিক শিক্ষা আৰু বিকল্প শিক্ষা হৈছে বহু প্ৰত্যাশিত আৰু সময়োপযোগী ।

**বহু সাংস্কৃতিক শিক্ষাৰ ধাৰণা ঃ**

বহু সাংস্কৃতিক শিক্ষাৰ অৰ্থ গভীৰ ভাৱে উপলব্ধি কৰিবলৈ হ'লে প্ৰথমতে বহু সাংস্কৃতিবাদ সম্পৰ্কে স্পষ্ট ধাৰণাৰ প্ৰয়োজন। সহজভাৱে ক'বলৈ হ'লে বহু সাংস্কৃতিবাদ এখন দেশৰ সাংস্কৃতিক বিচিত্ৰতা বা বিভিন্ন সংস্কৃতি আৰু উপ-সংস্কৃতিৰ উপস্থিৰ কথাকে বুজায় য'ত প্ৰতিটো সাংস্কৃতিক গোটক সুৰক্ষা প্ৰদানৰ কথা জড়িত হৈ থাকে। অৰ্থাৎ প্ৰতিটো সংস্কৃতিৰ স্বকীয়তা অক্ষুণ্ণ ৰখাৰ লগতে আন সংস্কৃতিৰ প্ৰতি সহনশীল হোৱা আৰু সন্মানসূচক মনোভাৱ পোষণ কৰাই হ'ল বহু সাংস্কৃতিবাদৰ মূল মন্ত্ৰ । ২০০১ চনৰ UNESCO ৰ প্ৰতিবেদনে "universal cultural diversity" ৰ ১ম অনুচ্ছেদত উল্লেখ কৰে যে সাংস্কৃতিক বিচিত্ৰতা হ'ল মনুষ্য জাতিৰ বাবে উমৈহতীয়া পৰম্পৰা স্বৰূপ ইয়াৰোপৰি Standard Dictionary Of Philosophy এ প্ৰকাশ কৰা মতে বহু সাংস্কৃতিবাদ হ'ল সাংস্কৃতিক আৰু ধৰ্মীয় বিচিত্ৰতাক সুৰক্ষা দিয়াৰ বাবে ভূমিষ্ট হোৱা ৰাজনৈতিক চিন্তাধাৰা। বহু সাংস্কৃতিক শিক্ষাক বিচিত্ৰতা ৰক্ষা কৰাৰ এক উপায় বা মাধ্যম বুলিও ক'ব পাৰি। এখন দেশৰ বিভিন্ন সংস্কৃতি বা উপ-সংস্কৃতিৰ মানুহৰ মাজত আন্তঃ সাংস্কৃতিক যোগাযোগ, সাংস্কৃতিক বিনিময়, পৰস্পৰৰ সংস্কৃতিৰ প্ৰতি সন্মানসূচক দৃষ্টিভংগী আৰু সাংস্কৃতিক সুৰক্ষাৰ মাজেৰে সাংস্কৃতিক সংহতি, স্থাপন কৰাৰ বিদ্যায়তনিক প্ৰচেষ্টাকে চমুকৈ বহু সাংস্কৃতিক শিক্ষা বুলি কোৱা হয়। স্বাধীনতা, সমতা, ন্যায়, মানৱীয় মৰ্য্যদা, আদিৰ দৰে গণতান্ত্ৰিক প্ৰমূল্যবোৰ বৰ্তাই ৰখাটো হ'ল বহু সাংস্কৃতিক শিক্ষাৰ দাৰ্শনিক ভিত্তি অৰ্থাৎ বহু সাংস্কৃতিক শিক্ষাই গণতান্ত্ৰিক দেশ এখনত বসবাস কৰা বিভিন্ন ধৰ্মাৱলম্বী, ভাষা-ভাষী,

লিংগ, বৰ্ণ ইত্যাদি লোকসকলৰ সুৰক্ষাৰ নিশ্চিতি প্ৰদান কৰে।

**বহু সাংস্কৃতিক শিক্ষাৰ সংজ্ঞা ঃ**

বহু সাংস্কৃতিক শিক্ষাৰ ধাৰণাটো আমাৰ মনত স্পষ্ট কৰি তুলিবৰ বাবে তলত দিয়া সংজ্ঞা বোৰ মন কৰিবলগীয়া। জমছ এ বেংকচ ১৯৯৭ মতে — "বহু সাংস্কৃতিক শিক্ষা হ'ল এক ধাৰণা, শৈক্ষিক ক্ষেত্ৰৰ এক সংস্কাৰমুখী আন্দোলন আৰু এক প্ৰক্ৰিয়া"। পাল গৰস্কি ২০১০ মতে, "বহু সাংস্কৃতিক শিক্ষা হ'ল এক প্ৰগতিশীল পন্থা যিয়ে শিক্ষাৰ ৰূপান্তৰ কৰণৰ বাবে শিক্ষাৰ ক্ষেত্ৰত থকা বৈষম্যমূক নীতি সমূহ আৰু কাৰ্যসমূহক সমালোচনা কৰে আৰু সেইমৰ্মে প্ৰতিক্ৰিয়া প্ৰদান কৰে"।

উক্ত সংজ্ঞাৰ পৰা এই কথা সহজে অনুমেয় যে ব্যক্তিভেদে বহু সাংস্কৃতিক শিক্ষাৰ ধাৰণা কিছু বেলেগ বেলেগ, এই শিক্ষাৰ অন্তৰ্নিহিত ভিন্ন দিশ আৰু মানৱ সমাজৰ বাস্তৱ পৰিস্থিতি অনুযায়ী বহু সাংস্কৃতিক শিক্ষাৰ ক্ষেত্ৰত নতুন নতুন দৃষ্টিভংগীৰ উন্মেষ ঘটিছে। সেয়েহে কোনো এক নিৰ্দিষ্ট সংজ্ঞাৰ মাজত ইয়াৰ সামগ্ৰীক ধাৰণাক আবদ্ধ কৰি ৰখাটো খুবেই জটিল। বহু সাংস্কৃতিক শিক্ষা হ'ল এনে এক শিক্ষা প্ৰক্ৰিয়া যিয়ে সাংস্কৃতিক বিচিত্ৰতা, ভাষীক ভিন্নতা, লিংগ পাৰ্থক্য, ধৰ্মীয় বিশ্বাস, জাতি, বৰ্ণ, সামাজিক পৃষ্ঠভূমি ইত্যাদি সকলো দিশে সামৰি মানৱীয় মৰ্য্যদা অটুট ৰাখি গণতান্ত্ৰিক প্ৰমূল্যবোৰ সফল ৰূপায়ন কৰাৰ এক সামগ্ৰীক প্ৰকৃতিৰ শিক্ষা বুলিব পাৰি।

**বহু সাংস্কৃতিক শিক্ষাৰ প্ৰয়োজনীয়তা ঃ**

বৰ্তমান সমাজখন হৈছে এখন বহুধা বিভক্ত। জাতি, বৰ্ন, ধৰ্ম, ভাষা, লিংগ, সাংস্কৃতিক পটভূমি ইত্যাদি বিভিন্ন দৃষ্টিকোণৰ পৰা বৰ্ধিত ভাঙোনমুখী চিন্তাধাৰা প্ৰগতিৰ পথত প্ৰধান হেঙাৰ স্বৰূপ। ভাৰতৰ দৰে এখন ধৰ্মনিৰপেক্ষ গণতান্ত্ৰিক দেশত এনেধৰণৰ সংকীৰ্ন চেতনাই মানৱীয় সংযোগ দুৰ্বল কৰাৰ লগতে দেশৰ ঐতিহ্য আৰু স্বাভিমানৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিব। সেয়েহে অনাগত সময়ত দেশৰ মানুহৰ মাজত সমূহীয়া পৰিচিতি হিচাপে ভাৰতীয় সত্বা জীয়াই ৰখাৰ স্বাৰ্থত শিক্ষাক মূল অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিব লাগে। জাতীয় জীৱনৰ এনে সন্ধিক্ষনত সমূহীয়া বিকাশৰ বাবে শিক্ষাৰ ক্ষেত্ৰত বহু সাংস্কৃতিক শিক্ষাৰ সংযোজন সময়ৰ আহ্বান স্বৰূপে বিবেচনা কৰিব পাৰি। তলত বহু সাংস্কৃতিক শিক্ষাৰ প্ৰয়োজনীয়তা আৰু প্ৰাসংগিকতাৰ মূল দিশবোৰ উল্লেখ কৰা হ'ল ঃ

**১। গণতান্ত্ৰিক আদৰ্শ ঃ** ভাৰতবৰ্ষ হৈছে এখন গণতান্ত্ৰিক দেশ। গণতান্ত্ৰিক দেশ এখনৰ কৃতকাৰ্যতা দেশখনৰ জনগণৰ শিক্ষাৰ ওপৰত বহুলভাৱে নিৰ্ভৰ কৰে। কাৰণ শিক্ষিত জনগণে নিজৰ অধিকাৰবোৰ উপভোগ কৰাৰ লগতে নাগৰিকৰ কৰ্তব্যবোৰৰ প্ৰতিও সংবেদনশীল হয়। সেয়েহে জাতি, বৰ্ণ, ধৰ্ম, লিংগ আদি নিৰ্বিশেষে সকলোকে শৈক্ষিক সুবিধাবোৰ প্ৰদান কৰি দেশৰ গণতান্ত্ৰিক আদৰ্শক বাস্তৱায়িত কৰাৰ বাবে বহু সাংস্কৃতিক শিক্ষা প্ৰয়োজনীয় কাৰণ সুবিধাৰ সমবিতৰণ হৈছে গণতান্ত্ৰিক সমাজৰ জীৱনৰ চাৰিত্ৰিক বিশেষত্ব।

**২। সাংস্কৃতিক সমন্বয় ঃ** "অনৈক্যৰ মাজত ঐক্যতা" হৈছে ভাৰতীয় সভ্যতাৰ বুনিয়াদ স্বৰূপ। ভাৰতবৰ্ষ হৈছে বিভিন্ন সংস্কৃতিৰ মানুহৰ এক মিলনভূমি। সেয়েহে মানুহৰ সাংস্কৃতিক বিনিময়ৰ মাজেৰে সাংস্কৃতিক সমন্বয় ৰক্ষা কৰাত বহু সাংস্কৃতিক শিক্ষা বিশেষভাৱে সহায়কাৰী।

**৩। শক্তিশালী নেতৃত্ব ঃ** বহু সাংস্কৃতিক শিক্ষাই ছাত্ৰ-ছাত্ৰীক ভৱিষ্যতে সকলো সম্প্ৰদায়ৰ লোকৰ আশা আকাংক্ষাক প্ৰতিফলিত কৰিব পৰা সবল নেতৃত্ব তৈয়াৰ কৰাৰ অনুশীলন কৰায়। কাৰণ বহু সাংস্কৃতিক শিক্ষাই সদায় সংকীৰ্ন মানসিকতা আৰু বিভেদকামী চিন্তাৰ পৰিবৰ্তে সমন্বয়ৰ বাৰ্তাহে প্ৰেৰণ কৰে।

**৪। সামাজিক ন্যায় ঃ** বহু সাংস্কৃতিক শিক্ষাৰ আন এক প্ৰয়োজনীয়তা হ'ল সামাজিক ন্যায় প্ৰতিষ্ঠা কৰা। সামাজিক ন্যায় অবিহনে সামাজিক শান্তি কেতিয়াও সম্ভৱ নহয়। সেয়েহে বহু সাংস্কৃতিক শিক্ষাই সকলো নাগৰিকৰ অধিকাৰকে নায্যতা প্ৰদান কৰে। সমাজত ন্যায় প্ৰতিষ্ঠা কৰিবলৈ হ'লে আইনৰ সৰ্বোচ্চ দলিল স্বৰূপে সংবিধানখনৰ প্ৰতি শ্ৰদ্ধাশীল হ'ব লাগিব আৰু সময় সাপেক্ষে অন্যায় আৰু অবিচাৰৰ বিপক্ষে মাত মাতিব লাগিব। সেয়েহে বহু সাংস্কৃতিক শিক্ষাই জ্ঞানৰ ভঁৰাল চহকী কৰাৰ উপৰিও সমাজত ন্যায় প্ৰতিষ্ঠাৰ হকে কাম কৰাৰ বাবে সাহসীকতাৰ বীজ ৰোপন কৰে।

**৫। মানৱীয় মূল্যবোধ ঃ** মানৱীয় প্ৰমূল্যবোৰ হ'ল মানুহৰ বাবে অলংকাৰ স্বৰূপ যাৰ যোগেদি মানৱ ব্যক্তিত্বৰ সৌন্দৰ্য প্ৰকাশ পায়। সেয়েহে সমতা, ভাতৃত্ববোধ, সহিষ্ণুতা, দায়িত্বশীলতা আদিৰ দৰে মানৱীয় প্ৰমূল্য সমূহ ছাত্ৰ-ছাত্ৰী সকলৰ ব্যক্তিত্বত কৰ্ষণ কৰি এখন মানৱ দৰদী সমাজ গঢ়াৰ দিশত বহু সাংস্কৃতিক শিক্ষাই পথ প্ৰদৰ্শকৰ ভূমিকা গ্ৰহণ কৰে।

**৬। সমাযোজন যোগ্যতা ঃ** পৰিৱেশৰ অনুকূল প্ৰতিকূল

পৰিস্থিতিৰ লগত নিজকে মোকামিলা কৰি আগবাঢ়ি যাব পৰা দক্ষতাই হ'ল সমাযোজন যোগ্যতা। শিক্ষাৰ জড়িয়তে মানুহে এই দক্ষতা বোৰ আহৰণ কৰে। শৈক্ষিক অনুষ্ঠানবোৰ এনে এক সামাজিক সংগঠন যত বৃহত্তৰ সমাজক প্রতিনিধি কৰা বিভিন্ন ভাষা ভাষী, ধৰ্মাৱলম্বী, সাংস্কৃতিক গোষ্ঠীৰ লোকে একেলগে শিক্ষা গ্রহণ কৰে। বহু সাংস্কৃতিক শিক্ষাই ভিন্ন সম্প্রদায়ৰ, ভাষা-ভাষীৰ, ধৰ্মৰ লোকসকলৰ মাজত পাৰস্পৰিক যোগাযোগ বৃদ্ধি কৰাৰ লগতে আনৰ সংস্কৃতিৰ প্রতি শ্রদ্ধা আৰু সহিষ্ণুতাৰ মনোভাৱ পোষণ কৰি সমাযোজিত হোৱাত সহায় কৰে।

৭। **বিশ্ব নাগৰিকত্ব ঃ** বৰ্তমান বিশ্বায়নৰ যুগত এক বিশ্ব এক সংস্কৃতি ধ্বনিৰে জগত মুখৰিত হৈছে। সেয়েহে দেশৰ প্রতিজন সচেতন নাগৰিকে বহল দৃষ্টিত নিজ দেশৰ লগতে বিশ্ব নাগৰিক হিচাপে গৌৰৱ অনুভৱ কৰিবলৈ আৰম্ভ কৰিছে। এনেদৰে গোলকীয় চিন্তাৰ মাজেৰে শান্তি প্রতিষ্ঠা কৰাৰ বাবে বহু সাংস্কৃতিক শিক্ষা এক আদৰনীয় পদক্ষেপ। বহু সাংস্কৃতিক শিক্ষাই বিভিন্ন দিশত প্ৰভাৱ বিস্তাৰ কৰিছে। সামাজিক দিশটো বহু সাংস্কৃতিক শিক্ষাৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়। সমাজৰ ক্ষেত্রত বহু সাংস্কৃতিক শিক্ষাৰ ইতিবাচক আৰু নেতিবাচক দুয়োটা দিশ তলত আলোচনা কৰা হ'ল —

**ইতিবাচক দিশ ঃ**

১) বহু সাংস্কৃতিক শিক্ষা হৈছে আমাৰ বহুধা বিভক্ত সমাজখনৰ মাজত থকা একতাৰ ভেটি শক্তিশালী কৰি ৰখাৰ এক শিক্ষা ব্যৱস্থা।

২) বহু সাংস্কৃতিক শিক্ষাই জাতীয় দৃষ্টিকোণৰ ফালৰপৰা ছাত্র-ছাত্রীক আপোন দেশখনৰ বৈচিত্ৰময় পৰিৱেশক জানিবলৈ, বুজিবলৈ আৰু অনুভৱ কৰিবলৈ শিকায়।

৩) বহু সাংস্কৃতিক শিক্ষাই সংস্কৃতি বিনিময়ৰ মধুৰ সম্পৰ্কৰ মাজেৰে সাংস্কৃতিক ঐক্যতা প্রতিষ্ঠা কৰিব বিচাৰে।

৪) স্বাধীনতা, সমতা আৰু সামাজিক ন্যায় হ'ল বহু সাংস্কৃতিক শিক্ষাৰ তিনিটা গুৰুত্বপূৰ্ণ দিশ।

৫) বহু সাংস্কৃতিক শিক্ষা হৈছে ব্যাপক প্রকৃতিৰ।

**নেতিবাচক দিশ ঃ**

১) বহু সাংস্কৃতিক শিক্ষাই সংখ্যালঘু আৰু অন্যান্য অনগ্ৰসৰ সকলৰ বাবে নিৰাপত্তা আৰু বিকাশৰ সুবিধা প্ৰদান কৰিব পৰা নাই।

২) শিক্ষাৰ্থীসকলৰ মাজত থকা মত পাৰ্থক্য, সাংস্কৃতিক বিচিত্ৰতাক মৰ্য্যদা সম্পন্নভাৱে গ্ৰহণ কৰি দেশৰ গণতান্ত্ৰিক পৰম্পৰা অক্ষুণ্ণ ৰখাটো বহু সাংস্কৃতিক শিক্ষাৰ বাবে হেঙাৰ।

৩) সমাজৰ প্ৰতিজন ব্যক্তিক বহু সাংস্কৃতিক শিক্ষাই প্ৰভাৱিত কৰিব পৰা নাই।

৪) সমাজৰ অভিভাৱকে তেওঁলোকৰ উচ্চাত্মিক মনোভাৱৰ বাবে নিজৰ ল'ৰা-ছোৱালীক আন ধৰ্মৰ, জাতৰ বা গৰীৱ ল'ৰা-ছোৱালীৰ সৈতে একেখন স্কুলত একেলগে অধ্যয়ন কৰাটো লাজৰ বিষয় বুলি ভাবে।

৫) সামাজিক ব্যৱস্থাত শিক্ষক সকলে প্রতিগৰাকী শিক্ষাৰ্থীৰে সাংস্কৃতিক পৃষ্ঠভূমি বুজি শিক্ষাদান কৰা আৰু শিক্ষা প্ৰশাসনে সাংস্কৃতিক সমন্বয়ৰ এক অনুকূল পৰিৱেশ ৰচনা কৰাটো বাস্তৱিকতে ইমান সহজ নহয়।

**সামৰণি ঃ**

ওপৰৰ আলোচনাৰ পৰা শেষত এইখিনি ক'ব পাৰি যে বহু সাংস্কৃতিক শিক্ষাই বৰ্তমান সমাজ ব্যৱস্থাত যথেষ্টখিনি বৰঙণি আগবঢ়াইছে। বহু সাংস্কৃতিক শিক্ষাৰ জড়িয়তে শিক্ষাৰ্থীয়ে বিভিন্ন ধৰণৰ জ্ঞান লাভ কৰিব পাৰিছে। বহু সাংস্কৃতিক শিক্ষাৰ বাবে ভাৰতবৰ্ষৰ লগতে বিশ্বৰ বিভিন্ন জাতি-জনজাতিৰ কৃষ্টি সংস্কৃতি, ভাষা, পৰম্পৰা আদিৰ বিষয়ে বহুলভাৱে জানিব পাৰিছো। বহু সাংস্কৃতিক শিক্ষাই ব্যক্তিক সমাজত সমাযোজন কৰি চলিবৰ বাবে শিক্ষা প্ৰদান কৰিব পাৰে। ■

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

কলিতা, ড° উৎপল,
কলিতা সমীৰণ,
বৰ্মন সুমন ঃ শিক্ষাত উন্মেষিত বিচাৰ্য বিষয়।

# মানৱ সম্পদৰ বিকাশত শিক্ষাৰ ভূমিকা

দ্বীপশিখা চৌধুৰী
স্নাতক ষষ্ঠ ষান্মাষিক

আৰম্ভণি ঃ

মানৱ সম্পদ হ'ল কোনো এখন দেশৰ গুৰুত্বপূৰ্ণ সম্পদ। সু-স্বাস্থ্যৰ অধিকাৰী হৈ যি ব্যক্তিয়ে শিক্ষা আৰু দক্ষতা সম্পন্ন হৈ উৎপাদন মূলক কামত নিজকে জড়িত কৰে তেওঁকেই মানৱ সম্পদ স্বৰূপে বিবেচনা কৰা নহয় । যি সকল লোকে দেশৰ হকে কৰ্ম সম্পাদন কৰে তেনে ব্যক্তিকহে মানৱ স্বৰূপে বিবেচনা কৰা হয়।

আমেৰিকাৰ প্ৰতিষ্ঠানিক অৰ্থনীতিবিদ জন আৰ. কমন্সে ১৮৯৩ চনত প্ৰকাশ কৰা তেখেতৰ গ্ৰন্থ 'The distribution of wealth' ত প্ৰথমবাৰৰ বাবে 'মানৱ সম্পদ' শব্দটো প্ৰয়োগ কৰিছিল। ১৯৭০ চনত লিওনাৰ্ড নেডলাৰৰ দ্বাৰা প্ৰকাশিত 'Developing Human Resource' গ্ৰন্থত 'মানৱ সম্পদ বিকাশ' শব্দটো ব্যৱহাৰ কৰা হৈছিল। চীনা সকলৰ মতামত অনুসৰি এবছৰৰ পৰিকল্পনা কৰিলে গুটি সিঁচিব লাগে, দহ বছৰৰ পৰিকল্পনা কৰিলে গছ ৰোপন কৰিব লাগে আৰু এশ বছৰৰ পৰিকল্পনা কৰিলে মানুহৰ বিকাশ সাধন কৰিব লাগে। মানৱ সম্পদ বিকাশৰ ধাৰণা দেশ অনুসৰি বেলেগ বেলেগ দেখা যায়। ইটালী আৰু কানাডাৰ দৰে উন্নত দেশ সমূহত মানৱ সম্পদৰ বিকাশ মানে হ'ল জনসংখ্যা কেনেকৈ বৃদ্ধি কৰিব পাৰি। ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল দেশসমূহত মানৱ সম্পদ হ'ল এক প্ৰক্ৰিয়া যাৰ যোগেদি সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ জ্ঞান, দক্ষতা, আৰু সামৰ্থতা বৃদ্ধি কৰা হয়।

শশী আগৰৱালৰ মতে, "মানৱ সম্পদ বিকাশে ব্যক্তি এজনৰ লগত সমাজৰ সম্বন্ধক বুজায়। মানৱ সম্পদ বিকাশে ব্যক্তিৰ কাৰকক বুজায় যিয়ে ব্যক্তিত্ব, মনোভাৱ আৰু বৃত্তীয় দক্ষতা নিৰ্ধাৰণ কৰে"।

পিটাৰ ড্ৰাকাৰৰ মতে, "মানুহ সম্পদ নহয়, কেৱল প্ৰশিক্ষন প্ৰাপ্ত, উন্নত আৰু উৎপাদনশীল কৰ্মত নিয়োজিত হ'লেহে ই সম্পদ হৈ পৰিব"।

মানৱ সম্পদ বিকাশৰ বৈশিষ্ট্য সমূহ তলত উল্লেখ কৰা হ'ল :

- মানৱ সম্পদৰ নিজস্ব চিন্তা শক্তি আছে।
- স্বাস্থ্য, উপযুক্ত শিক্ষা আৰু প্ৰশিক্ষণৰ দ্বাৰা মানৱ সম্পদ গঢ়িব পাৰি।
- বৃত্তিমূলক শিক্ষাই মানৱ সম্পদ উন্নয়নত বিশেষ সহায় কৰে।
- মানৱ সম্পদেই হৈছে বেছিভাগ সম্পদৰ সৃষ্টি কৰ্তা আৰু ব্যৱহাৰ কৰোঁতা।
- অৰ্থনৈতিক উন্নয়ন ঃ মানৱ সম্পদ বিকাশৰ ধাৰণা অৰ্থনৈতিক উন্নয়নৰ লগত জড়িত। দেশ এখনে অৰ্থনৈতিক দিশেৰে বিকাশ লাভ কৰিবলৈ হ'লে সেই দেশৰ মানৱ সম্পদৰ বিকাশ অপৰিহাৰ্য।
- মানৱ সম্পদৰ বিকাশ শিক্ষাৰ লগত সম্বন্ধিত।

**মানৱ সম্পদ বিকাশৰ উদ্দেশ্য সমূহ তলত আলোচনা কৰা হ'ল ঃ**

- ব্যাপক পৰিসৰৰ সংৰচনা মানৱ সম্পদ বিকাশৰ বাবে প্ৰদান কৰা।
- সৃজনশীল ক্ষমতা আৰু প্ৰতিভাৰ বিকাশ সাধন কৰা।
- উচ্চ স্তৰৰ বৃত্তিৰ বাবে ব্যক্তি সকলক প্ৰস্তুত কৰি তোলা।
- সম্পূৰ্ণ গুণগত ব্যৱস্থাপনাত সহায় আগবঢ়োৱা।
- মানৱ সম্পদৰ বিকাশৰ দক্ষতা আৰু জ্ঞান নতুনকৈ প্ৰৱেশ

কৰা কৰ্মচাৰী সকলক প্ৰদান কৰা।

মানৱ সম্পদ বিকাশৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব তলত উল্লেখ কৰা হ'ল ঃ

- প্ৰশিক্ষিত আৰু দক্ষতাপূৰ্ণ মানৱ শক্তিস্বৰূপ মানৱ সম্পদ হ'ল যিকোনো অৰ্থনৈতিক প্ৰয়াসৰ আটাইতকৈ গুৰুত্ব পূৰ্ণ কাৰক।
- এখন দেশৰ আকাংক্ষাৰ উপলব্ধিৰ বাবেও মানৱ সম্পদ বিকাশৰ অতি প্ৰয়োজন।
- এখন দেশৰ অৰ্থনৈতিক বিকাশত বৰঙণি আগবঢ়োৱা জনমুৰি আয় বৃদ্ধি কৰাৰ ক্ষেত্ৰতো মানৱ সম্পদৰ বিকাশে মূখ্য ভূমিকা গ্ৰহণ কৰে।
- কোনো এক প্ৰতিষ্ঠানৰ লক্ষ্যত উপনীত হ'বৰ বাবে দক্ষতাৰ অবিৰত বিকাশ অপৰিহাৰ্য।
- মানৱ সম্পদ বিকাশৰ আমাক অতিকৈ প্ৰয়োজন কিয়নো বিকাশৰ প্ৰক্ৰিয়াত বহন ক্ষমতা অনাৰ ই এক গুৰুত্বপূৰ্ণ কাৰক।

মানৱ সম্পদ বিকাশত শিক্ষাৰ ভূমিকা সমূহ তলত উল্লেখ কৰা হ'ল ঃ

- মানৱ সম্পদ বিকাশৰ এক গুৰুত্বপূৰ্ণ আৰু শক্তিশালী আহিলা হ'ল শিক্ষা।
- শিক্ষাই মানুহক নতুন নতুন বস্তু সমূহৰ লগত চিনাকী কৰাই দিয়ে।
- ব্যক্তি সামৰ্থ বিকাশৰ এক উপায় হ'ল শিক্ষা। শিক্ষা অবিহনে মানৱ ব্যক্তিত্বৰ বিকাশ সম্ভৱ নহয়।
- শিক্ষাই মানুহক মানৱ শক্তিলৈ ৰূপান্তৰিত কৰে।
- শিক্ষাৰ যোগেদি মানৱ মূলধনৰ পৰা দেশৰ অৰ্থনৈতিক উৎপাদনশীলতা বৃদ্ধি কৰিব পাৰি।

**সামৰণি ঃ**

শেষত ক'ব পাৰি যে মানৱ সম্পদৰ বিকাশৰ সকলো দেশৰ বাবে অতি প্ৰয়োজনীয়। মানৱ উন্নয়নৰ অবিহনে দেশ এখনৰ উন্নয়ন সম্ভৱ নহয়। মহিলা সকলক কৰ্মত নিযুক্তি দি এখন দেশৰ উন্নয়নত যথেষ্ট সহায় কৰে। আকৌ সমাজৰ বহুতো দৰিদ্ৰ লোকে খাবলৈ নাপাই অপুষ্টিত ভোগাৰ লগতে বহুতো ধনৰ অভাৱত উপযুক্ত চিকিৎসা কৰিব নোৱাৰি মৃত্যুক আঁকোৱালি লয়। স্বাস্থ্য, শিক্ষা আৰু সম্পদ পৰিক্ৰমাৰ লগত জড়িত হোৱা সুবিধা সমূহৰ উন্নয়নে যিদৰে মানৱ উন্নয়নক সূচায় সেইদৰে এইবোৰে দেশ এখন উন্নয়নতো বিশেষ ভূমিকা গ্ৰহণ কৰে। মানুহ হ'ল বিশ্বৰ আটাইতকৈ শক্তিশালী প্ৰাকৃতিক সম্পদ। মানুহে এবিধ শক্তিশালী সঁজুলিৰ সহায়ত নতুন পৃথিৱী সৃষ্টি কৰিব পাৰে যাৰ নাম হ'ল শিক্ষা। ■

# Supernaturalism and Human behaviour with reference to three stories from 'Burhi Air Xadhu' by Lakshmi Nath Bezbaruah

**Rajlakshmi Hazarika**
Associate Professor
Dept. of English

Since ages, supernaturalism and human experiences have been seen to be deeply intertwined. Supernatural beliefs and beliefs play a significant role in shaping various dimensions of human life. Supernaturalism includes elements beyond the natural world-phenomena such as magic, spirits, deities or any other that defies rational explanation. These unnatural phenomena abound in myths, folklores and religious practices and reflect humanity's quest to understand the unknown and to make sense of the world.

Stories like 'Tejimola', 'Champabati', 'Teja aru Tula' make excessive use of supernaturalism for various reasons. Almost all three of them teach moral lessons. Supernatural events in most cases function as tools of moral justice, reinforcing societal values and ethical norms. The supernatural forces rewarding virtue and punishing vices is the most common belief.

Supernaturalism in 'Tejimola' serves to convey moral lessons, explore themes of suffering and redemption, and reflect cultural beliefs about justice and the natural order. 'Tejimola' is the story of a young girl who suffers in the hands of her stepmother ultimately ending with her death. The stepmother is jealous of Tejimola as she herself is childless. Her repeated torture of Tejimola ended with the killing and then successfully burying of her body. But Tejimola miraculously transforms into different forms of life, such as a flower, a fruit and lastly into a bird, each time telling about her suffering until she is finally reborn and reunited with her father. Tejimola's coming back to life in different forms symbolize strength, purity and ability to overcome evil. The idea that goodness and truth cannot be permanently suppressed is time and again shown in the tale. In showing Tejimola's ability to make her presence known despite physical death, Bezbaruah, makes use of the phenomenon of supernaturalism to emphasize on the persistence of justice and the inevitability that truth ultimately comes to light. It only strengthens the moral order of the universe. Tejimola's subsequent transformations into natural elements (flower, fruit and

bird) only highlight the connection between humans and nature. Supernatural forces in the shape of natural elements help in restoring balance and justice. The supernatural elements in 'Tejimola' also serve to impart the lesson that evil actions are ultimately always exposed and punished. This vindication on reinforces societal values. The description of human experiences enduring hardships and emerging stronger offer a message of hope and redemption as can be seen in Tejimola's repeated return to life in different forms.

Bezbaruah's blending of supernaturalism with profound human experiences can be seen in another of his tale, 'Champavati'. 'Champavati' weaves a story of love, loss and redemption with the intervention of supernatural elements. The narrative follows the journey of Champavati as she navigates the challenges posed by both human and supernatural forces. The setting of 'Champavati' is permeated with an atmosphere that is mystical. The natural and the supernatural is shown to coexist without any boundaries. The lush forest, rivers and rural landscapes with its sense of enchantment create the backdrop where supernatural happenings seem plausible. Champavati is married to a husband in animal form who transforms into a human being. But like most of the tales in 'Burhi Air Xadhu' there is the presence of an evil stepmother who unable to digest the happiness of the stepdaughter, gets her own daughter married to another snake ultimately losing her to it.

Through the interactions between humans and supernatural entities, Bezbaruah comments on societal norms, traditions and the human condition. The story is set in a society where patriarchal norms dominate. The concept of family honour and reputation plays a significant role. Marriage is portrayed as a central institution where personal choice is not of importance. The struggle between good and evil are portrayed through the experiences of the characters and importance of social justice and moral integrity are some of the issues that are explored in this tale. These issues challenge the reader to reflect on their own supernatural beliefs and values.

Yet another of Lakshminath Bezbaruah's tale by the name of 'Teja aru Tula' abounds in supernatural elements. Here too, it is the stepmother who resorts to drastic action. The younger wife of the family pushes the elder wife into the pond to die only because of jealousy. The elder wife however, turns into a tortoise, and takes care of her children who were neglected by their stepmother. Like 'Tejimola', here also, the mother had to be reborn time and again first as a tortoise, then as two trees bearing flowers and fruits of excellent nature, only to take care of her children. Her transforming into a flower only secures a secured life for her daughter. In a patriarchal society 'women' are considered as weak and had to be taken care of. But even after her marriage 'Teja' had to suffer in the hands of her stepmother. The evil stepmother growing more and more jealous of Teja's happiness resorts to the use of black magic to turn Teja into a bird. However truth cannot be hidden for long and soon it comes to light resulting in the death of the stepsister Tula showing that justice was ultimately delivered.

Lakshminath Bezbaruah in his 'Burhi Air Xadhu' is seen to delve deep into the emotional and psychological state of his characters, showing how supernatural experiences affect the inner lives of his characters. Fear, guilt, redemption and other emotions are explored through their supernatural encounters. The supernatural often acts as a catalyst. It brings underlying tensions to the surface revealing the complexities of human relationships. In his tales, the division between the supernatural and reality is hazy suggesting that the supernatural is an integral part of human experience. Themes such as justice,

recompense and its consequences on human actions are dealt with in his stories. The stories of 'Burhi Air Xadhu' reflect on moral and ethical questions, societal norms making the supernatural an integral part of understanding and exploring human nature. ■

**Bibliography:**


Bettelheim, Bruno. *The Uses of Enchantment: The Meaning and Importance of Fairy Tales, wonder tale, magic tale.* New York: Vintage Books, 1987.

Barua.J. *Folk Tales of Assam*. Gauhati, Assam: Lawyer's Book Stall. 1954

Bezbaruah, Lakshminath. *Burhi Air Xadhu*. Banalata Prakashan. 1911

Franz, Marie Louise von. *An Introduction to the Psychology of Fairytales*. Zurich: Spring Publications. 1970

Tatar, Maria. *The Annotated Classic Fairy Tales*. W.W. Norton & Company. 2002.

Thompson, Stith. *The Folktale*. University of California Press. 1977.

Zipes Jack. *The Brothers Grimm: From Enchanted Forests to the Modern World.* Palgrave Macmillan. 2002.

Zipes Jack. *When Dreams Came True: Classical Fairy Tales and Their Tradition.* Routledge. 2007.

# ৱিকি (Wiki)ৰ মৌলিক পৰিচয় আৰু অসমীয়া ৱিকিপিডিয়া

চন্দ্রিমা ৰাভা
স্নাতক দ্বিতীয় ষান্মাসিক

মানুহ প্রজ্ঞান্বেষী। অনুসন্ধিৎসু হোৱা বাবেই মানুহে আদিম অৱস্থাৰ পৰা বৰ্তমানৰ সভ্যতাত উপনীত হ'ব পাৰিছে। আদিম যুগত মানুহৰ জ্ঞান আছিল অভিজ্ঞতা সৰ্ব্বোচ্চ। লাহে লাহে তেওঁলোকে নিজৰ অভিজ্ঞতা তথা কাৰ্যকলাপসমূহক চিত্ৰাকাৰে প্ৰকাশ কৰিবলৈ শিকিলে। আজিও অজন্তা-ইলোৰাৰ গুহাসমূহত ইয়াৰ নিদৰ্শন বিৰাজমান। মানুহে স্বেচ্ছাই বাগেন্দ্ৰীয়ৰ সহায়ত উচ্চাৰণ কৰা সু-সংগঠিত, সু-পৰিকল্পিত আৰু যাদৃচ্ছিক ধ্বনিৰ অৰ্থবহতাৰে পৰম্পৰে পৰস্পৰৰ মাজত মনৰ ভাৱ বিনিময় কৰাৰ পদ্ধতি আয়ত্ত কৰি ল'লে, যাক আমি ভাষা বুলি কওঁ।

ক্ৰমবিকাশৰ ধাৰাই মানুহক চিন্তা শক্তিৰ লগতে লিখিব পৰা ক্ষমতাও প্ৰদান কৰিলে। এনেকৈয়ে ক্ৰমবিৱৰ্তনৰ ফলত মানুহে নিজৰ চিন্তা ধাৰা তথা অভিজ্ঞতাক লিপিবদ্ধ কৰি কিতাপৰ সৃষ্টি কৰিলে। প্ৰজ্ঞাৰ সাধনাত কিতাপসমূহ ৰজাৰ পৰা সাধাৰণ প্ৰজালৈকে সকলোৰে সহায়ক হৈ পৰিল। মহা মহা মনিষীৰ ভাৱাদৰ্শ সন্নিৱিষ্ট কিতাপসমূহ বিশ্বত জাগৰণৰ সৃষ্টি কৰিলে। বৰ্তমানেও জ্ঞানৰ সাধনাত কিতাপসমূহে অগ্ৰণী ভূমিকা পালন কৰি মানুহৰ বাবে এক মহৌষধ স্বৰূপে কাৰ্য সম্পাদন কৰি আহিছে। আজিকালি নজনা কথা জানিবলৈ মানুহে কৰা প্ৰচেষ্টাত সহায়ক হিচাপে মোবাইল বা কম্পিউটাৰৰ দৰে সহজলভ্য ইণ্টাৰনেট সংযুক্ত মাধ্যমে অন্য এক মাত্ৰা প্ৰদান কৰিছে । কোনো এক বিষয়বস্তুৰ বিষয়ে জানিবলৈ আমি সাধাৰণতে গুগল (Google) নাইবা তেনে কোনো অনুসন্ধান যন্ত্ৰ (Search engine)ত বিচাৰোঁ। ইয়াৰ ফলশ্ৰুতিত বিষয়বস্তুটোৰ বিষয়ে বিৱৰণ দাঙি ধৰা ৱেবছাইট (website) সমূহ মোবাইল বা কম্পিউটাৰৰ পৰ্দাত ভাস্বৰ হৈ উঠে। এই ৱেবছাইটসমূহৰ ভিতৰত বিষয়বস্তুৰ বিশুদ্ধ তথ্য দাঙি ধৰা ৱিকিপিডিয়া (Wikipedia) অন্যতম। অব্যৱসায়িক প্ৰতিষ্ঠান ৱিকিমিডিয়া ফাউণ্ডেশ্যনৰ দ্বাৰা পৰিচালিত ৱিকিপিডিয়া হৈছে এক মুক্ত বিশ্বকোষ। পৃথিৱীত ডিজিটেল প্ৰযুক্তিৰ আগমন ঘটাত বিশ্বকোষক কিতাপ ছপা ৰূপৰ বাহিৰেও তাৎক্ষণিক অন্য এক ৰূপত লৈ যোৱাৰ প্ৰয়োজনীয়তা আহি পৰে। এনে এক তাড়নাতে ৱিকিপিডিয়াৰ জন্ম হয়। ইয়াৰ পূৰ্বে ন্যুপিডিয়া (Nupedia) বুলি ১৯৯৯ চনত অনলাইন বিশ্বকোষ প্ৰণয়নৰ উদ্দেশ্য আগত ৰাখি এটা ৱেবছাইট মুকলি কৰা হৈছিল। ইয়াক মুকলি কৰিছিল আমেৰিকাৰ উদ্যোগী জিম্মি ৱেলছৰ অংশীদাৰিত্ব থকা 'Bomis.com' কোম্পানীটোৱে। উল্লেখযোগ্য যে ন্যুপিডিয়াৰ আগত ১৯৯৯ চনতেই 'G Nupedia' নামে এক অনলাইন বিনামূলীয়া ছফ্টৱেৰৰ বিশ্বকোষৰ প্ৰস্তাৱ ৰিচাৰ্ড ষ্টলমেন (Richard Stallman) নামৰ ব্যক্তি এগৰাকীয়ে আগবঢ়াইছিল।

ন্যুপিডিয়াত প্ৰৱন্ধ এটা প্ৰকাশ কৰাটো ইমান উজু প্ৰক্ৰিয়া নাছিল। সেইবাবে ইয়াত বিশ্বকোষ হিচাপে যিমানখিনি তথ্য সংযোগ ঘটিব লাগে সিমান খিনি সম্ভৱপৰ হৈ উঠা নাছিল। সেয়েহে জিম্মি ৱেলছে (Jimmy Wales) আৰু তেওঁৰ সহযোগী লেৰী ছেংগাৰ (Larry Sanger) এ ইয়াৰ বিকল্পৰ সন্ধান কৰাত তেওঁলোকে ইতিমধ্যে আৱিষ্কৃত 'wiki' প্ৰগ্ৰেমৰ কথা গম পায় । তেওঁলোকে 'wiki' পদ্ধতিক অন্য এক নতুন ৱেবছাইটৰ সৈতে

সংযোগ কৰি ২০০১ চনৰ ১৫ জানুৱাৰীত ইংৰাজী ভাষাত 'wikipedia.com'ৰ জন্ম দিয়ে। অনলাইন বিশ্বকোষ প্ৰণয়নৰ এই অভিলাষী যাত্ৰাত 'wiki' প্ৰগ্ৰেমৰ সংযোগক যুগান্তকাৰী বুলিব পাৰি । ন্যুপিডিয়াৰ জটিলতাক ৱিকিপিডিয়াই হ্ৰাস কৰিলে। ইয়াত প্ৰবন্ধ প্ৰকাশ কৰিবলৈ সহজ। ৱিকিপিডিয়াত প্ৰবন্ধ প্ৰকাশ কৰিবলৈ বা সম্পাদনা কৰিবলৈ প্ৰথমে ৱেবছাইটত গৈ নিজা একাউণ্ট এটা খুলিব লাগে। ইয়াত প্ৰবন্ধ প্ৰকাশ কৰা বা সম্পাদনা কৰা লোকক সম্পাদক আখ্যা দিয়া হয়। যিকোনো শিক্ষাগত অৰ্হতাৰ লোকে ইয়াত কাম কৰিব পাৰে । ইয়াত প্ৰবন্ধ প্ৰকাশ কৰিবলৈ কোনো বিষয়ৰ বিশেষজ্ঞ হোৱাৰ প্ৰয়োজন নাই। কোনো এজন সম্পাদকে যদি ইয়াত কোনো বিষয়বস্তুৰ ওপৰত কিছু কথা প্ৰকাশ কৰি থয় তেতিয়া সেইখিনিক অন্য এজনে বহলাই দিব পাৰে বা সম্পাদনা কৰিব পাৰে। কিন্তু প্ৰবন্ধ এটা প্ৰকাশ কৰোতে বা সম্পাদনা কৰি নতুন তথ্য সংযোগ কৰোঁতে তাত থকা বিষয়বস্তুৰ তথ্যৰ সত্যতা অটুত ৰাখিবলৈ সম্পাদকে তথ্যসূত্ৰ দিয়াটো বাঞ্চনীয়, লগতে নিৰপেক্ষ স্থিতি অৱলম্বন কৰাটোও বাধ্যতামূলক। ৱিকিপিডিয়াত বিষয়বস্তুৰ সত্যতাৰ ওপৰত অতিশয় গুৰুত্ব আৰোপ কৰা হয় যে। ইয়াত কাম কৰাৰ বাবদ কোনেও কোনোধৰণৰ মাননি বা পাৰিশ্ৰমিক লাভ নকৰে । কিন্তু এজন সম্পাদকে কৰা প্ৰত্যেকটো সম্পাদনা ৱিকিপিডিয়াৰ সম্পাদনা ৱিকিপিডিয়াৰ সম্পাদনাৰ ইতিহাস পৃষ্ঠাত তেওঁৰ নামতেই চিৰদিনলৈ লিপিবদ্ধ হৈ থাকিব। ক'ব পাৰি যে ৱিকিপিডিয়া হৈছে সাধাৰণ জনগণৰ দ্বাৰাই বিশ্ববাসীৰ বাবে সংকলিত এক মুক্ত গণ বিশ্বকোষ। ২০০১ চনৰ ১৫ জানুৱাৰীত আৰম্ভ হোৱা ৱিকিপিডিয়াত সেইটো চনৰে ২২ ফেব্ৰুৱাৰীত ১,০০০ টা প্ৰৱন্ধ সংকলিত হয়। ২০২৩ চনৰ ৯ মাৰ্চলৈকে ইয়াত সংকলিত প্ৰৱন্ধৰ সংখ্যা হয়গৈ ৬,৬২৭,৯৪৫ টা। বৰ্তমান পঞ্জীভূত সদস্যৰ সংখ্যা ৪৫,১৫৬,৭১৬ জন ৯ মাৰ্চ, ২০২৩ লৈকে।

**ৱিকি (Wiki) ৰ মৌলক পৰিচয় ঃ**

ৱিকি (wiki) হৈছে এক ছফ্‌টৱেৰ। ইয়াৰ স্ৰষ্টা হ'ল আমেৰিকান কম্পিউটাৰ প্ৰগ্ৰেমাৰ ৱাৰ্ড কানিংহাম (Ward Cunningham)। তেখেতে ইয়াক ১৯৯৪ চনত তৈয়াৰ কৰি উলিয়ায় আৰু ১৯৯৫ চনত ২৫ মাৰ্চৰ দিনা C2.com ৰ জৰিয়তে মুকলি কৰে। ইয়াক 'Wiki Wiki Web' বুলিও জনা যায়। 'Wiki' শব্দটো হাৱাই দেশীয় বাক্যাংশ (Phrase) 'Wiki Wiki' ৰ পৰা আহিছে, যাৰ অৰ্থ হ'ল তৎক্ষণাত। ৱিকিক বৰ্তমান যুগৰ সম্ভৱতঃ ব্যৱহাৰযোগ্য সৰলতম আন্তঃজাল (Inter- net-work) তথ্যসূচী বুলিব পাৰি ।

ৱিকি ছফ্‌টৱেৰৰ মূলতঃ তিনিধৰণৰ ব্যৱহাৰ দেখা যায় -

১) পাঠক সম্পাদকৰ সাম্ভাব্য বৃহৎ সম্প্ৰদায়ৰ ৰাজহুৱা ৱিকি । যেনে- 'Media Wiki', 'Pm Wiki' আদি ।

২) নিগম বা কোনো সংস্থাৰ তথ্য ব্যৱস্থাপনাৰ্থে ব্যৱহৃত উদ্যোগিক ৱিকি । যেনে - 'X Wiki', 'Fos Wiki', 'T Wiki', আদি ।

৩) ব্যক্তিগত ব্যৱহাৰযোগ্য ৱিকি । যেনে - 'Moin Moin', 'Tiddly Wiki' আদি ।

ৱিকিপিডিয়াই নিজৰ ৱেবছাইটটোৰ বাবে 'Media Wiki' নামৰ ৰাজহুৱা ৱিকি চফ্‌টৱেৰ ব্যৱহাৰ কৰে।

**অসমীয়া ৱিকিপিডিয়া ঃ**

২০০১ চনত জন্ম হোৱা প্ৰথমটো ৱিকিপিডিয়া আছিল ইংৰাজী ভাষাত। ইয়াৰ পিছতে ৱিকিপিডিয়াক আন্তঃৰ্জাতিক প্ৰেক্ষাপটত এক মুক্ত জ্ঞানৰ ভঁড়াল ৰূপে সফলভাৱে প্ৰতিষ্ঠা কৰাৰ প্ৰচেষ্টা চলিল। এককথাত কবলৈ গ'লে এই প্ৰচেষ্টা সফলো হয়। পিছলৈ জাৰ্মান, ফৰাছী, স্পেনিছ, জাপানী আদি ভাষাত ৱিকিপিডিয়া মুকলি কৰা হয়। বৰ্তমানলৈকে সংস্কৃত আৰু পালিকে ধৰি ২৪টা ভাৰতীয় ভাষাত ৱিকিপিডিয়ৰ উপ-ডমেইন মুকলি কৰা হৈছে। ২০০২ চনৰ জুন মাহত অসমীয়া ভাষাও ৱিকিপিডিয়াৰউপ-ডমেইন (as.wikipedia.org ) ৰ প্ৰাৰম্ভণি ঘটে। কিন্তু ডমেইন লাভ কৰাৰ লগে লগে ইয়াৰ কাম কাজে খৰতকীয়া গতি লাভ কৰা নাছিল। ২০০৬ চনৰ পৰা ইয়াৰ কাম-কাজ আৰম্ভ হয়। ২০১১ চনৰ পৰাহে অসমীয়া ৱিকিপিডিয়া সক্ৰিয় হৈ উঠে। ২০১০ চনৰ ফেব্ৰুৱাৰী মাহলৈকে অসমীয়া ৱিকিপিডিয়াত প্ৰবন্ধৰ সংখ্যা আছিল ২৫০ টা। অসমীয়া ৱিকিপিডিয়াৰ কথা খুব কম সংখ্যক অসমীয়া লোকেহে জানিছিল। কেইদিনমানৰ আগলৈকে মোৰ নিজৰো ৱিকিপিডিয়াৰ বিষয়ে কোনো স্পষ্ট ধাৰণা নাছিল। যি কি নহওঁক মন্থৰ গতিত হ'লেও অসমীয়া ৱিকিপিডিয়াত বৰঙণি আগবঢ়োৱা স্বেচ্ছাসেৱক তথা প্ৰবন্ধৰ সংখ্যা বৃদ্ধি হ'বলৈ ধৰে। বৰ্তমান ইয়াৰ পঞ্জীভূত সদস্যৰ সংখ্যা ৩৬,৬২০ জন (৮ মাৰ্চ, ২০২৩ লৈকে) । ইয়াৰে সক্ৰিয় সদস্যৰ

সংখ্যা ১০২ জন (বিগত মাহটোত কমেও এটা সম্পাদনা কৰা লোক)। ৱিকিপিডিয়াত সূচাৰুৰূপে কাম-কাজসমূহ চলাই নিবলৈ কেইজনমান প্ৰশাসক (Admin) নিযুক্ত হৈ থাকে। অসমীয়া ৱিকিপিডিয়াত বৰ্তমান নিযুক্ত হৈ থকা প্ৰশাসক চাৰিজন হ'ল - বিষ্ণু শইকীয়া, ডাঃ গীতাৰ্থ বৰদলৈ, দিব্য দত্ত আৰু চাণক্য কুমাৰ দাস। ২০২২ চনৰ ফেব্ৰুৱাৰী মাহত অসমীয়া ৱিকিপিডিয়াত সংকলিত প্ৰৱন্ধই ১০,০০০ ৰ সংখ্যা অতিক্ৰম কৰে। যোৱা ৮ মাৰ্চ ২০২৩ লৈকে ইয়াত প্ৰৱন্ধৰ সংখ্যা হয়গৈ ১১,২৩১ টা। মন কৰিবলগীয়া যে অসমীয়া ৱিকিপিডিয়াৰ পিছত ২০০৪ চনত মুকলি হোৱা বঙালী ভাষাৰ ৱিকিপিডিয়াত বৰ্তমান (৮ মাৰ্চ, ২০২৩ লৈকে) ৪১০,৯২৮ জন সদস্যৰে মুঠ ১৩৫,৪৬৩ টা প্ৰৱন্ধ সংকলিত হৈছে ।

ৱিকিমিডিয়া ফাউণ্ডেশ্যনে পৰিচালনা কৰা 'wikisource', 'wikiquote', আৰু 'wikitionary' নামৰ ৱিকিপিডিয়াৰ ভগ্নী প্ৰকল্পকেইটাৰ ২০০৩ চনত অসমীয়া ভাষাত উপ-ডমেইন মুকলি কৰা হয় আৰু ক্ৰমে নাম দিয়া হয় -'ৱিকিউৎস', 'ৱিকি উদ্ধৃতি' আৰু 'ৱিকিঅভিধান'। কিন্তু উপ-ডমেইন মুকলি কৰিলেও স্বেচ্ছাসেৱকৰ অভাৱত দীৰ্ঘ নিষ্ক্ৰিয়তাৰ বাবে এইসমূহ এটা সময়ত বন্ধ কৰি দিয়া হয়। পিছলৈ কিছু গুণী-জ্ঞানী অসমীয়া ব্যক্তিয়ে এই প্ৰকল্পসমূহৰ প্ৰয়োজনীয়তালৈ লক্ষ্য ৰাখি সক্ৰিয়ভাৱে কাম কৰি এই সমূহক উদ্ধাৰৰ প্ৰচেষ্টা চলায়। এই প্ৰচেষ্টাৰ ফলশ্ৰুতিত ২০১৩ চনৰ ৪ জানুৱাৰীত ৱিকিউৎসই পুনৰ নিজা ডমেইন 'as.wikisource.org' লাভ কৰে আৰু ইয়াৰ ঠিক দহ বছৰ পিছত অৰ্থাৎ ২০২৩ চনৰ ৪ জানুৱাৰীত অসমীয়া ৱিকিউদ্ধৃতিয়ে নিজা উপ-ডমেইন 'as.wikiquote.org' লাভ কৰে। অৱশ্যে ৱিকিঅভিধানখন এতিয়াও উদ্ধাৰ কৰিব পৰা হোৱা নাই। এইখিনিতে উল্লেখনীয় যে ৱিকিউৎসত কপিৰাইট উকলি যোৱা গ্ৰন্থসমূহ সকলোৱে পঢ়িব পৰাকৈ মুক্তভাৱে সংৰক্ষণৰ ব্যৱস্থা কৰা হয়। আনহাতে ৱিকিউদ্ধৃতিত মহৎলোকৰ বাণী, ডাকৰ বচন, সাঁথৰ, ফকৰা যোজনা, জিভা কেঁকুৰি (Tongue twisted), প্ৰবাদ- প্ৰবচন; চলচ্চিত্ৰ, কিতাপ, নাটক আদিৰ উক্তিসমূহ সংগ্ৰহ কৰা হয়। ২০১২ চনৰ ২৯ জানুৱাৰীত ৱিকিমিডিয়া ফাউণ্ডেশ্যনৰ ভাৰত শাখাৰ পৰামৰ্শদাতা চিজু এলে আৰু ২৫ জন অসমীয়া ৱিকিমিডিয়ানৰ উপস্থিতিত অসমীয়া ৱিকিপিডিয়া সম্পৰ্কে সজাগতা সৃষ্টিৰ উদ্দেশ্যৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ কম্পিউটাৰ বিজ্ঞান বিভাগত অসমীয়া ৱিকিপিডিয়াৰ প্ৰথমখন কৰ্মশালা অনুষ্ঠিত হয়। ইয়াৰ দুদিন পিছত তেজপুৰ বিশ্ববিদ্যালয়ৰ কম্পিউটাৰ বিজ্ঞান বিভাগত দ্বিতীয়খন কৰ্মশালা অনুষ্ঠিত হয়। ২০১২ চনৰ ২ জুনত অসমীয়া ৱিকিপিডিয়াৰ দশম বৰ্ষপূৰ্তি উপলক্ষে কটন বিশ্ববিদ্যালয়ৰ ছুডমাৰ্ছন হ'লত সেই বছৰৰে ১০ জুনত এখন সন্মিলন আয়োজন কৰা হয়। অসমৰ বাহিৰত প্ৰথমবাৰৰ বাবে ২০১৩ চনৰ ১ ডিচেম্বৰত বেংগালুৰুত এখন কৰ্মশালা অনুষ্ঠিত হয়। শেহতীয়াকৈ ২২ জুন, ২০২২ত 'ৱিকিউৎস'ৰ ওপৰত এখন উচ্চ পৰ্যায়ৰ আৱাসিক কৰ্মশালা গুৱাহাটীত হৈ যায়। কৰ্মশালাখনৰ সমল ব্যক্তি জয়ন্ত নাথৰ উপস্থিতিত স্কেনাৰ প্ৰকল্প , GLAM (Galleries , Libraries, Archive and Museums ) প্ৰকল্প, গ্ৰন্থ সংগ্ৰহ আদি অভিলাষী প্ৰচেষ্টা সমূহৰ জৰিয়তে কিদৰে অসমীয়া ৱিকিউৎসক সমৃদ্ধ কৰিব পাৰি তাৰ ওপৰত কৰ্মশালাখনত আলোকপাত কৰা হয়।

এতিয়া সততে এটা প্ৰশ্ন উঠিব পাৰে -

'ৱিকিপিডিয়া, ৱিকিউৎস বা ৱিকিউদ্ধৃতিত কিয় কাম কৰিব লাগে, য'ত কোনোধৰণৰ মাননি বা পাৰিশ্ৰমিক পোৱা নাযায়?

ইয়াৰ উত্তৰত ক'ব পাৰি যে ইয়াত কাম কৰাত এক আৱেগ জড়িত হৈ আছে। তথ্য প্ৰযুক্তিৰ যুগটোৰ সৈতে খোজ মিলাই আগবাঢ়ি যাবলৈ মাতৃভাষাত এখন অনলাইন বিশ্বকোষৰ প্ৰয়োজনীয়তা অপৰিসীম।

আমাৰ অসমখনৰ বেছিভাগ মানুহে গাঁৱত বাস কৰে। তাৰ ভিতৰত আকৌ জনজাতীয় লোকসকলৰ সংখ্যা অধিক। গতিকে নিজ মাতৃভাষা অসমীয়াৰ বাহিৰে ইংৰাজী বা অন্য কোনো বিদেশী ভাষা নজনা অসমৰ এই লোকসকলৰ বাবে অসমীয়া ভাষাত উপলব্ধ কিতাপ-পত্ৰ বা লেখাসমূহেই জ্ঞান সাধনাৰ সমল তথা পৰিসীমা। এনেক্ষেত্ৰত অসমীয়া ভাষাটোয়ে এক সীমাবদ্ধতা আনি নিদিয়া নহয়। কিয়নো বৰ্তমান বিশ্বত সৃষ্টি হোৱা উচ্চমান সম্পন্ন তথ্য-প্ৰযুক্তি তথা সাহিত্য-কলাৰ কিতাপ, বুকাৰ বটা পোৱা গ্ৰন্থ বা ন'বেল বটা পোৱা লেখকৰ গৱেষণা গ্ৰন্থ লগতে অন্য ভাষাৰ তথ্যপূৰ্ণ কিতাপ অসমীয়া ভাষাত অনুদিত কিমানখন উপলব্ধ সেয়া লক্ষণীয়। এইসমূহৰ বেছিভাগৰে নামবিলাক বিদেশীমূলীয় হোৱা বাবে ভালদৰে উচ্চাৰণো কৰিব নোৱাৰে। গতিকে মোৰ দৰে অসমীয়াৰ বাহিৰে ইংৰাজী বা অন্য ভাষা ভালদৰে নজনা ল'ৰা-

ছোৱালীৰ বাবে অসমীয়া ভাষা এক আৱেগৰ লগতে বাধ্যবাধকতাও। অসমীয়া ৱিকিপিডিয়াই এই সমস্যাৰ সমাধানৰ প্ৰচেষ্টা চলাই আহিছে। অসমীয়া ভাষাত এখন বিশ্বকোষ প্ৰণয়ন কৰি অসমীয়াসকলো যাতে বিশ্ববাসীৰ সমকক্ষ জ্ঞানৰ অধিকাৰী হ'ব পাৰে তাৰ বাবেই ই এক গণ-আন্দোলন। নিজৰ আইৰ মুখৰ পৰা শিকা ভাষাটোৰ হিতাৰ্থে যৎকিঞ্চিত কৰিব পাৰিলে তাত আত্মসন্তুষ্টি আছে, এই আত্মসন্তুষ্টি মাননিতকৈ ওপৰত। তাৰেই প্ৰমাণ ৱিকিপিডিয়াত জড়িত হৈ থকা, নিৰৱে-নিৰন্তৰে নিজ বৰঙণি আগবঢ়াই থকা স্বেচ্ছাসেৱকসকলে দাঙি ধৰিছে। এচাম লোকে জাতি-মাটি-ভেটিৰ নামত আন্দোলন কৰি নেতা হৈ সিংহাসন আহৰণৰ পথ প্ৰশস্ত কৰে। যাৰ পৰিপ্ৰেক্ষিটত ডেকা তেজেৰে ৰাঙলী হৈ পৰে মাতৃভূমি। ফলশ্ৰুতিত কিবা জানো পৰিবৰ্তন হৈছে? সমাজ এখনৰ ধ্বনাত্মক দিশত পৰিৱৰ্তনাৰ্থে আন্দোলনৰ প্ৰয়োজন। কিন্তু সেই আন্দোলন হ'ব লাগিব বৌদ্ধিক, শৈক্ষিক জাগৰণাৰ্থে। অসমীয়া ৱিকিপিডিয়াৰ জৰিয়তে অসমীয়া ভাষা তথা অসমৰ কৃষ্টি-সংস্কৃতিক অঙ্কীয় পৃথিৱী ( Digital world) ৰ মানসপটত সবলভাৱে প্ৰতিষ্টা কৰাৰ যি প্ৰচেষ্টা, সেয়া সাফল্যমণ্ডিত হওঁক। ইয়াক সাফল্যমণ্ডিত কৰাত আমিও হাত উজান দিব পাৰোঁ। ■


**তথ্যৰ উৎস ঃ**

১) প্ৰচ্ছদ কাহিনী - অসমীয়া ৱিকিপিডিয়া - ডাঃ গীতাৰ্থ বৰদলৈ, প্ৰকাশ - গৰিয়সী, আগষ্ট সংখ্যা, ২০২২

২) প্ৰবন্ধ - অসমীয়া ৱিকিপিডিয়া - নয়নজ্যোতি নাথ, প্ৰকাশ - দৈনিক অসম, ২৭ ছেপ্তেম্বৰ ২০২২

৩) প্ৰবন্ধ - ৱিকিপিডিয়ানৰ মনৰ কথা - ঈশান কাশ্যপ হাজৰিকা, প্ৰকাশ - দৈনিক অসম, ২২ অক্টোবৰ ২০২২

৪) প্ৰবন্ধ - ইন্টাৰনেত অসম - অঞ্জল বৰা, প্ৰকাশ - প্ৰান্তিক, ১ আগষ্ট ২০২২

Websites- as.wikipedia.org - Assamese wikipedia statistics

# Youth Unrest: Impact on Present Society

**Deepshikha Bharadwaz**
Assistant Professor
Department of Education, Bikali College

Youth unrest is a social phenomenon where discontent and dissatisfaction among young individuals manifest as protests, demonstrations, or rebellion. This unrest often stems from a combination of political, economic, cultural, and psychological factors. In the modern context, the energy of youth, when channelled effectively, can drive progress. However, unmanaged or misdirected unrest can destabilize societies.

Youth unrest arises from a complex interplay of economic, political, social, and psychological factors. One significant cause is **unemployment and economic inequality**, where a lack of opportunities and widening wealth gaps breed frustration and discontent among young individuals. Many young people feel alienated when their aspirations remain unfulfilled, leading to resentment. Additionally, **educational challenges**, including an outdated curriculum and limited access to quality education, create a gap between academic achievements and job market demands, leaving students feeling unprepared for future careers.

**Political discontent** further fuels unrest, as youth often perceive governance systems as corrupt, exclusionary, or indifferent to their needs. The absence of meaningful platforms for political participation amplifies their sense of powerlessness. Moreover, **cultural and social tensions**, especially those arising from rapid globalization and exposure to contrasting values, create identity crises and intergenerational conflicts. Issues like discrimination based on caste, ethnicity, or gender also contribute, pushing marginalized youth to demand justice and equality through protests or activism.

Collectively, these causes highlight the urgent need for societal reforms to address the aspirations and grievances of young people constructively.

**Examples of Youth Unrest in Assam:**

**1. Protests Against CAA (Citizenship Amendment Act)**: The Citizenship Amendment Act of 2019 sparked widespread protests in Assam, with students and young professionals at the forefront. Youth felt the Act threatened Assam's unique cultural identity by allowing an influx of immigrants, jeopardizing the Assamese language and traditions. Institutions like Cotton University and Gauhati University became centers of youth-led demonstrations.

**2. Unemployment and Job-related Agitations**: Assam has faced rising unemployment, leading to frequent protests by job aspirants. For instance, delays and irregularities in recruitment exams for government posts have triggered outrage among the youth. The leak of exam papers for recruitment tests, such as the 2022 Sub-Inspector examination, led to significant protests.

**3. Ethnic and Land Conflicts**: Issues related to land rights and ethnic identity have also fueled youth unrest. Clashes over evictions in disputed areas or protests for greater autonomy by indigenous groups often see the active involvement of young people. These incidents underline a deep-seated frustration with systemic neglect.

**4. Demand for Educational Reforms**: Students frequently agitate for improvements in education quality, infrastructure, and curriculum relevance. For example, protests demanding the inclusion of Assamese history and culture in educational curricula emphasize the youth's desire to preserve their heritage.

**Contributing Factors:**

**Economic Challenges**: Lack of quality job opportunities and economic disparities drive frustration.

**Identity and Cultural Preservation**: Many young people in Assam are deeply concerned about preserving their ethnic and linguistic heritage amidst perceived threats from external influences.

**Political Discontent**: A sense of exclusion from decision-making processes, coupled with mistrust in governance, motivates youth-led movements.

**Globalization and Modernity**: The tension between traditional values and modern influences creates cultural and social rifts, especially among young people navigating these changes.

**Is there any role the students' community has in solving this problem?**

Yes, definitely. the student community has a significant role in addressing and mitigating youth unrest. Students, as an influential and active group of young people, can contribute meaningfully through various strategies:

**1. Promoting Awareness and Dialogue**

**Understanding Issues**: Students can research and analyze the root causes of youth unrest, such as unemployment, identity conflicts, or systemic inequalities, to raise awareness.

**Organizing Debates and Discussions**: Educational institutions can host platforms where students discuss societal challenges and propose solutions.

**Encouraging Inclusivity**: By promoting inclusivity and cultural respect, students can bridge gaps among diverse communities.

**2. Engaging in Constructive Movements**

**Non-Violent Protests**: Students can lead peaceful demonstrations to voice legitimate grievances and advocate for systemic reforms.

**Policy Advocacy**: Collaborating with NGOs or policymakers to propose actionable solutions to issues like unemployment or education reform can help create long-term change.

**3. Volunteering and Community Service**

**Skill Development Initiatives**: Students can organize workshops or training programs to help peers and local youth develop employable skills.

**Community Engagement**: Participating in activities like literacy drives, environmental conservation, or public health campaigns helps address grassroots issues.

**4. Fostering Ethical Leadership**

**Leadership Roles**: Students in leadership positions in schools, colleges, or community organizations can set an example by promoting

fairness, inclusion, and dialogue.

**Mentoring Peers**: Senior students can mentor younger peers, encouraging positive thinking and constructive action rather than frustration or violence.

**5. Using Technology for Social Good**

**Social Media Campaigns**: Students can use social media platforms to spread awareness about the consequences of youth unrest and possible solutions.

**Creating Online Communities**: Virtual platforms can connect students to exchange ideas and collaborate on projects aimed at solving social problems.

**Conclusion:**

Students can be for positive change in society by actively engaging in activities that promote understanding, unity, and progress. By channeling their energy into constructive actions and fostering a sense of responsibility, the student community can play a pivotal role in addressing youth unrest and building a more harmonious society. ■

# মহাত্মা গান্ধীৰ সমাজ আৰু সৰ্বোদয়ৰ সমাজৰ ধাৰণা

চন্দাশ্ৰী ব্ৰহ্ম
স্নাতক ষষ্ঠ ষান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

প্ৰকৃততে মহাত্মা গান্ধীৰ গান্ধীবাদ সত্য আৰু অহিংসা, মানৱ জাতিয়ে সন্মুখীন হোৱা সমস্যাৰ বিকল্প সমাধান, পৃথিৱীৰ সকলো মুখ্য ৰাজনৈতিক আদৰ্শৰ সমন্বয়ৰ ৰাজনৈতিক দৰ্শন। গান্ধীবাদ অকল ৰাজনীতি, অৰ্থনীতি, ধৰ্ম, কাৰ্য কৌশলৰ তত্ত্বই নহয় বৰঞ্চ সমাজৰো তত্ত্ব। তাৰোপৰি, গান্ধীজীৰ গোটেই সামাজিক দৰ্শন হৈছে সমতাৰ দৰ্শন। সমতাই আচলতে কেৱল চৰম সমতাক নুবুজায় অথচ মানুহ হিচাপে সকলো সমান সেইটোও সূচায়। সমতাৰ ভিত্তিত প্ৰতিষ্ঠিত সমাজে গান্ধীজীৰ মতে সকলো প্ৰকাৰৰ ভেদাভেদ নামানে। তেওঁৰ মতে- জাতি, বৰ্ণ, গোষ্ঠী, লিংগ, অঞ্চল নিৰ্বিশেষে সকলো সমান। তেওঁৰ মতে আমি সকলোৱে হিন্দু বা মুছলমান বা আন ধৰ্মাৱলম্বী নহয় বৰঞ্চ আমি সকলোৱে মানুহ। আমি কোনেও দলিত বা উচ্চ শ্ৰেণীত জন্মগ্ৰহণ কৰা নাই। গান্ধীজীয়ে সকলো ধৰণৰ বিভেদৰ বিৰোধিতা কৰিছিল। তেওঁৰ কাৰণে এক জাতি, এক বংশ, এক শ্ৰেণী লগতে এটা ধৰ্মই হৈছে মানৱতা। প্ৰকৃতাৰ্থত তেওঁ দুৰ্বলীসকলৰ উন্নতি অৰ্থাৎ পুৰুষৰ সমানে মহিলাক তুলনা, সমাজৰ দুৰ্বল শ্ৰেণীৰ উন্নতি হৰিজন আৰু উচ্চ শ্ৰেণীৰ বা দলিত শ্ৰেণীৰ ওপৰত গুৰুত্ব দিছিল। তেওঁ সকলোকে সমান পৰ্যায়লৈ উন্নীত কৰিবলৈ বিচাৰিছিল। তেওঁ সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক অধিক্ৰমত সমতা প্ৰতিষ্ঠাৰ বাবে সমৰ্থন কৰিছিল। তেওঁ জনসাধাৰণৰ মাজত দূৰত্ব বৃদ্ধি পোৱাটো বিচৰা নাছিল। প্ৰকৃততে, গান্ধীজীৰ সৰ্বোদয় সমাজৰ ধাৰণাই তেওঁৰ সপোনৰ সমাজৰ প্ৰতিফলন ঘটাইছে। সৰ্বোদয়ৰ মূলতে হৈছে সকলোৰে কল্যাণ। সৰ্বোদয় সমাজৰ এজন ব্যক্তিৰ লগতে সকলো ব্যক্তিৰ কল্যাণ সাধনৰ কথা সূচাইছিল। প্ৰকৃতাৰ্থত, গান্ধীজীৰ সৰ্বোদয়, সমাজৰ কল্যানৰ ধাৰণা কেৱল একমাত্ৰ বস্তুবাদীয়ে নহয় বৰঞ্চ ই নৈতিক আৰু আধ্যাত্মিক। সৰ্বোদয় সমাজৰ ধাৰণাই বিশেষকৈ ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ ওপৰতো গুৰুত্ব দিছিল। গান্ধীজীৰ সৰ্বোদয়ৰ ধাৰণাৰ কেইবাটাও মূল নীতি আছিল। যেনে - ব্যক্তিবিশেষে নিজৰ কৰ্মদক্ষতা, আত্মবিশ্বাসেৰে নিজৰ লগতে সমাজৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে অৱদান আগবঢ়াব, সমাজত কোনো প্ৰকাৰৰ শক্তিয়ে ক্ষমতাৰ অপব্যৱহাৰ নকৰিব, সামাজিক, অৰ্থনৈতিক, নৈতিক সকলো ক্ষেত্ৰতে সমাজৰ প্ৰত্যেকজন লোকে সামৰ্থ অনুযায়ী সৎ উপায়ে সম্পাদন কৰা কামৰ মৰ্য্যদা সমান হ'ব আদি। আচলতে তেওঁ গাঁও সমূহত গ্ৰাম্য স্বৰাজৰ সংৰচনা কৰিছিল। কিয়নো গান্ধীজীৰ সময়ছোৱাত ভাৰতবৰ্ষৰ প্ৰায়ভাগ লোক কৃষিৰ লগত ওতঃ প্ৰোতভাৱে জড়িত আছিল। সেয়ে গান্ধীজীয়ে গাঁৱৰ জনসাধাৰণৰ উন্নয়নৰ বাবে হস্তশিল্প, কুটীৰ শিল্পৰ বাবে বিভিন্ন আঁচনি প্ৰৱৰ্তন কৰিছিল। এই আচঁনিত বিশেষকৈ খাদী উদ্যোগ আৰু গো-পালন উদ্যোগো জড়িত আছিল। আচলতে, সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকৰ বিকাশৰ বাবে

গান্ধীজীয়ে লোৱা আঁচনিসমূহো সৰ্বোদয় সমাজৰে অংশ আছিল। গান্ধীজীয়ে সমাজত বসবাস কৰা সৰু-ডাঙৰ সকলোৱে যাতে শিক্ষা, স্বাস্থ্য আৰু জীৱন নিৰ্বাহৰ বাবে থকা সুবিধাবোৰ উপভোগ বা প্ৰদান কৰি ব্যক্তিগত বিকাশৰ লগতে দেশৰ উন্নয়নো যাতে সাধন কৰিব পাৰে তাৰ ওপৰত গুৰুত্ব দিছিল। এইক্ষেত্ৰত সৰ্বোদয় সমাজৰ ধাৰণাটোক বাস্তৱত ৰূপান্তৰিত কৰাত বিনোৱাজীৰ ভূ-দান আন্দোলনেও বিশেষ ভূমিকা প্ৰদান কৰিছিল। এক কথাত ক'বলৈ গ'লে, গান্ধীজীৰ সৰ্বোদয় সমাজৰ কল্যানৰ ধাৰণা কেৱল একমাত্ৰ বস্তুবাদীয়ে নহয় বৰঞ্চ নৈতিক লগতে আধ্যাত্মিক।

প্ৰকৃতাৰ্থত বৰ্তমান দেশত অৰাজকতাই সমাজত বিশেষ প্ৰভাৱ পেলাইছে। গতিকে বৰ্তমান সময়ছোৱাত পুনৰাই এখন সুন্দৰ সমাজ সংৰচনাৰ দিশত সৰ্বোদয় সমাজৰ ধাৰণাটোক অৱলম্বন কৰাটো অতিকৈ আৱশ্যকীয় হৈ পৰিছে। সেয়েহে বৰ্তমান প্ৰত্যেক ব্যক্তিসমষ্টিয়ে নিজস্ব বিকাশৰ লগতে আনৰো সমবিকাশ সাধনৰ বাবে চিন্তা-চৰ্চা কৰা উচিত।

# শাস্ত্র শিক্ষা আৰু ইয়াৰ প্ৰয়োজনীয়তা

**কুলধৰ কলিতা**
প্ৰাক্তন ছাত্ৰ, বিকালী মহাবিদ্যালয়

মানুহ সামাজিক জীৱ। সমাজ এখনত বসবাস কৰিবৰ বাবে সেই সমাজত প্ৰচলিত নীতি কথা আৰু শাস্ত্ৰ জ্ঞান থকাটো নিত্যন্তই আৱশ্যক। সেই হেতুকে পুৰণি কালৰে পৰাই সমাজত শাস্ত্ৰ শিক্ষা তথা শাস্ত্ৰ জ্ঞানৰ সু-ব্যৱস্থা প্ৰচলিত হৈ আছে। প্ৰকৃততে ধৰ্মশাস্ত্ৰ জ্ঞানে মানুহক এজন পুৰ্ণাংগ মানৱ সৃষ্টিত সহায় কৰে। গতিকে শাস্ত্ৰ শিক্ষা সমাজৰ আপুৰুগীয়া সম্পদ। শাস্ত্ৰ শিক্ষা সন্দৰ্ভত মাত মতাৰ আগতে প্ৰাচীন ভাৰতীয় শিক্ষা ব্যৱস্থা সম্পৰ্কে কিছু জনাতো আৱশ্যক। প্ৰাচীন ভাৰতত তক্ষশীলা, শ্ৰী ধান্যকটক, নালন্দা, উদান্তপুৰী, বিক্ৰমশীলা আৰু উজ্জয়িনী নামৰ ছয়খন বিশ্ববিদ্যালয় থকাৰ প্ৰমাণ পোৱা যায় য'ত ভাৰতৰ উপৰিও চীন তথা চুবুৰীয়া ৰাজ্য সমূহৰ পৰা শিক্ষাৰ্থী আহি শাস্ত্ৰজ্ঞান লাভ কৰিছিল। আনহাতে ধৰ্মশাস্ত্ৰত চকু ফুৰালেওঁ ঋষি মুণিৰ আশ্ৰমত থাকি শিষ্য সকলে শাস্ত্ৰ অধ্যায়ন কৰা উদাহৰণ পোৱা যায়। বাৰ, তেৰ, চৈধ্য শতিকালৈকে ছাত্ৰ সকল শিক্ষা গুৰুৰ টোলত (টোল-শিক্ষাগুৰু গৃহ, পঢ়াঘৰ) থাকি শাস্ত্ৰ অধ্যয়ন কৰিছিল। সেই সময়ৰ শিক্ষানুৰাগী ৰজা সকলেও শাস্ত্ৰ আলোচনা তথা শাস্ত্ৰ অনুবাদ কৰা হেতু বিদ্বান পুৰুষ সকলক ৰাজদৰবাৰত ঠাই দিছিল। ৰাজ পৃষ্ঠপোষকতাতে মাধৱ কন্দলী, হেম সৰস্বতী, ৰাম সৰস্বতী আদি বিদ্বান পুৰুষ সকলে শাস্ত্ৰ অনুবাদ আৰু নানা কাব্য, উপাখ্যান ৰচনা কৰিছিল। চৈধ্য শতিকাৰ শেষ ভাগৰ পৰা শংকৰদেৱ প্ৰতিস্থাপিত সত্ৰ সমূহত শাস্ত্ৰ আলোচনা লগতে ধৰ্ম্ম তথা ভক্তি ৰসত জুবুৰিওৱা অংকীয়া নাট, ভাওনা আদিৰ আখৰা চলিছিল। প্ৰকৃততে সেই সময়ত সত্ৰ সমূহ আছিল শাস্ত্ৰ শিক্ষাৰ ঘাই ভেটি। ওঠৰ শতিকাত দেশ ইংৰাজৰ তলতীয়া হ'ল। তথাপি শেষ ভাগত খ্ৰীষ্টান মিছনেৰী সকল তথা দুই-চাৰি জাতীয় পুৰুষে ধৰ্ম শাস্ত্ৰ সম্পৰ্কে লিখা-মেলা কৰিছিল। কিন্তু বৰ্তমান সময়ত বিজ্ঞানৰ খোজত খোজ মিলাই আজিৰ প্ৰজন্মই শাস্ত্ৰ শিক্ষাৰ আসক্তিৰ পৰা এৰাই চলা পৰিলক্ষিত হয়। কথাষাৰ দ'কৈ ভাবি চালে চকুত পৰে বৰ্তমানৰ প্ৰজন্মৰ পশ্চিমীয়া সংস্কৃতিৰ প্ৰতিহে আসক্তি প্ৰখৰ। বৰ্তমান সমাজত ইয়াৰ বিশেষ প্ৰভাৱ নপৰিলেও অদুৰ ভৱিষ্যতে যে ই মহামাৰীৰ ৰূপ ল'ব সেইয়া প্ৰায় নিশ্চিত।

আপুনি কিছুবছৰ আগুৱাই যাওঁক। তেতিয়া ওপৰোক্ত কথাখিনিৰ মৰ্ম বুজি পাব। সেই সময়ৰ কথা মনত পেলাওঁক সন্ধিয়া চোতালত ঢাৰি এখন পাৰি ককা-আইতাই কোৱা সাধুবোৰৰ কথা। ৰামায়ণৰ সাধু, মহাভাৰতৰ সাধু, কুৰুক্ষেত্ৰৰ ৰণ। আইতাই কৈ যোৱা সেই একলব্যৰ কথা, শুক্ৰাচাৰ্য্যৰ কথা। সেই সময়ত সাধুৰ আকাৰতে বুঢ়া-বুঢ়ী সকলে নাতি-পোৱালীক শাস্ত্ৰ জ্ঞান দিছিল। সৰুৰে পৰাই নাতি পোৱালী কেইটাই ভগৱান শ্ৰীৰাম চন্দ্ৰক লগ পাইছিল। শ্ৰীকৃষ্ণৰ নিচিনাকৈ কাণখোৱাৰ ভয়ত টোপনি আহিছিল। সৰুতে বিশ্বাস সুমুৱাই দিছিল ভগৱানৰ প্ৰতি। চিনি পাইছিল গান্ধীৱধাৰী অৰ্জুনক, পিতাম্বৰক, নিলকণ্ঠক। কিন্তু এতিয়া উঠি অহা প্ৰজন্মৰ দশাৱতাৰৰ নাম মনত নাথাকে, এতিয়াৰ প্ৰজন্মই পাহৰিছে ৰামচন্দ্ৰৰ মাকৰ নাম, কিম্বা উষা অনিৰুদ্ধৰ প্ৰীতি।

বৰ্তমান শাস্ত্ৰ শিক্ষাৰ নাজল-নাথল অৱস্থা। ভালদৰে অনুধাৱন কৰিলে দেখা পাব ইয়াৰ বাবে মূল দায়ী আমিয়েই অভিভাৱক সকল। জ্ঞানহীন মানুহ অন্ধতুল্য। শাস্ত্ৰ জ্ঞানহীন এখন অন্ধ সমাজ আমি নিশ্চয় কামনা নকৰোঁ। গতিকে এয়াই সময়। নহ'লে কিছুকাল পিছত ৰামৰ দেউতাকৰ নাম বিছাৰি ৰামায়ণ হাতত ল'ব লাগিব তথা নামঘৰ, সত্ৰৰ পদূলিত দুৱৰি গজাটো ধ্ৰুপ।

বৰ্তমান সমাজক সু-সংবদ্ধ কৰিবলৈ শাস্ত্ৰ অধ্যায়ন তথা শাস্ত্ৰ শিক্ষাৰ অতি প্ৰয়োজন। এই সন্দৰ্ভত বৰ্তমানৰ শিক্ষা ব্যৱস্থাৰ আসোঁৱাহ নোহোৱা নহয়। আপুনিও হয়তো মানি ল'ব কেৱল বৈজ্ঞানিক দৃষ্টিভংগীৰে এজন মানুহ জ্ঞানী হ'ব নোৱাৰে। আজিৰ উঠি অহা চামেই কাইলৈ আমাৰ জাতিৰ ভৱিষ্যত। সিহঁতক পৈণত কৰাৰ দায়িত্বও আমাৰ। যেনে ধৰণে- শিষ্টাচাৰ, ডাঙৰৰ প্ৰতি শ্ৰদ্ধা, সৰুৰ প্ৰতি মৰম ইত্যাদি শিকোৱাটো অভিভাৱকৰ কৰ্তব্য ঠিক তেনেধৰণে ল'ৰা-ছোৱালীক শাস্ত্ৰানুৰাগী কৰি তোলাটো অভিভাৱকৰে দায়িত্ব। অন্তৰত ঈশ্বৰ প্ৰতি আস্থা আৰু বিশ্বাস থাকিলেহে তেওঁলোকে পাপ কৰ্মৰ পৰা আতৰত থাকিব।

বৰ্তমান সমাজত চলি থকা নানা ধৰণৰ শিহৰণকাৰী ঘটনাবোৰৰ বাবে শাস্ত্ৰ শিক্ষাৰ অপৰাগতাও বিশেষ ভাৱে দায়ী। ঈশ্বৰ শক্তিক বিশ্বাস কৰা অথবা পাপক জয় কৰা মানুহে হত্যাকাণ্ড, চুৰি ডকাইতি ইত্যাদি ঘৃণনীয় কামৰ ওচৰ চপাৰ সাহস বৰ কম। উঠি অহা চামক ঈশ্বৰ বিশ্বাসী আৰু পাপ কৰ্মৰ পৰা আতৰত ৰখাৰ শাস্ত্ৰ শিক্ষাই উপযুক্ত মাধ্যম। মনত ৰাখিবা দস্যু ৰত্নাকৰো শাস্ত্ৰ স্পৰ্শত বাল্মিকী হৈছিল। এখন স্বচ্ছ সমাজ গঢ়ি তোলাৰ স্বাৰ্থত যিকোনো উপায়েৰে শাস্ত্ৰ শিক্ষাক প্ৰাধান্য দিয়াটো দৰকাৰ। অন্যথা আমাৰ ভৱিষ্যত বংশধৰ, আগন্তুক পৃথিৱী পালনকৰ্তা হত্যা, লুণ্ঠনকাৰী ইত্যাদি পথ অৱলম্বন কৰিব আৰু তেনে হ'বলৈ পালে মানৱ জাতিৰ পতন হোৱাটো অনিবাৰ্য। ■

# LIVELIHOOD &SUSTAINABILITY DEVELOPMENT

**Jeuty Talukdar**
Asst.Prof.
Dept.of Mathematics

**Introduction :**

Livelihood defines simply as earning to sustain life in the society. Every individual has to earn something for survival livelihood upto their own living standard. There are so many classes of people in the society maintaining different kinds of life styles of varied earning sources to run their families. To define sustainable livelihood it can be stated as the maintenance of long term resources without hampering future generations of their needs. Nature is like our God who provides full resources not to use them in a luxurious level but to fulfill our necessity in our need level of life. In this regards there is a far and foremost necessity of possesing livelihood strategies to sustain own lives. The people who are conscious to use the environment inputs provided by the nature only can escape the resources for future generations needs. Although very often people are using God gift resources in a neglected as well as expansive way .Many people are seen that without knowing their needs they are following a costly and luxurious life having no earning skill of development and having no knowledge of sustainable livelihood. They are not however concerned about what they need and how they are to follow their lives. The main non-renewable resources which are provided by the nature as for example water, air, soil and forest resources are consumed by the people to maintain up-to-date level of human lifestyle. Nowadays it is observed that every societal individual are in a competitive level of lifestyle ignoring their sustainable ivelihood criteria. Assam is one of the richest state in the North East region which is full of environmental resources that all people can enjoy their necessity in their own existence level of lives.To speak the truth sustainability means the enhancement of productivity of resources on a long term life basis. The process through which the quality of human lives improve is known as the development. There are three important aspects of development process mainly

*Raising people living levels and consumption level, level of food , medical services and education through relevant growth processes.

*Creating conditions for conductive growth of people's self esteem through the establishment of social, political systems and institutions which promotes human dignity and respect.

*increasing peoples freedom to choose by enlarging the range of their choice variables as for examples

varieties of goods and services.

**Legal Framework in Livelihood Planning :**

Besides resultant policy as the main legal framework some regulations and sets should be considered as the legal bindings for instituting the livelihood plan. The Minimum Wages Act,1948 : The employer are supposed to pay not less than the Minimum wages fixed by appropriate government as per provisions of the Act. The Modernity Benefit Act,1961:The Act provides for leave and some other benefits to women employees in case of confinement or miscarriage etc. The Equal Remuneration Act,1976 : The Act provides for payment of equal wages for equal work without discriminating on gender basis. The Child Labour Prohibition and Regulation Act,1986 : The Act prohibits employment of children below 14 years of age in certain occupations and processes and provides for regulation of employment of children in all other occupations and processes. Employment of Child labour is prohibited in building and construction industry. The building and other Construction Workers : (Regulation of Employment and conditions of services) Act, 1996 : All the establishment who carry in a building or other construction work and employs 10 or more workers are covered under this Act, The employer of the establishment is required to provide safety and other welfare measures such as canteens, first aid facilities, ambulance, housing accommodation for workers near the workplace.

Payment of Gratuity Act,1972 : Gratuity is payable to an employee under the Act on satisfaction of certain conditions on separation if an employee has completed 5 years. Payment of Bonus Act, 1965 : The Act provides for payments of annual bonus subject to a minimum of 8.33% of wages and maximum of 20% of wages. Trade Unions Act, 1926: The Act lays down the procedure for registration of trade unions of workers and employers .The trade unions registered under the Act have been given certain politician from civil and criminal liabilities.

**Contact Labour : (Regulations and abolition) Act, 1970 :**

The Act provides for certain welfare measures to be provided by the contractor to contract labour.

Workmen's Compensation Act,1923 : The Act provides for Compensation in case of injury by accident arising out of and during the course of employment.

Factories Act, 1948 : The Act lays down the procedure for approval of plans before setting up a factory, health and safety provisions, welfare provisions working hours and rendering information regarding accidents or dangerous occurrences to designed authorities.

Review of Literature : The sustainable livelihood approach (SLA) analyses the livelihood resources used, the livelihood activities that takes place under the influence of external contents and the impact of institutions and policies at the same time consider the livelihood outcomes achieved, severe representative sustainable livelihood frameworks have been developed by Scoones (1998). After all the sustainable livlihood approach describes how people access control and use their inherent resources to improve livelihood and reduce vulnerability to natural shocks, climate or the shock of ill health or un-employment livelihood resources (including 5 categories : human resources, natural resources, financial resources; physical resources and social esources) and access to these resources have a great impact on sustainable livelihood outcomes (Birkmann 2006).

At the local level, climate change vulnerability assessment helps people understand how climate change affects the lives and livelihoods are particularly vulnerable to the increasing impact of climate

change,Gibbs(2020)argues that the rate of adaptation of people is slower than the rate at which climate risks appear.

**Objectives of Study :**

* To discuss about the concept of livelihood and sustainability process in details.
* To explain how livelihood strategies and opportunities possesses in the rural backward areas.
* To assess the issues in development & what are the legal framework in livelihood planning.
* To discuss about the environmental challenges caused by poverty including health hazards degradation, deforestation, loss of biodiversity and global warming.

Methodology: For the present study of livelihood and sustainability development, there is collected no primary data by the investigation but the secondary data collected through some books mainly in the Environmental Science and also go through some pdf of relevant topics and study some website journals from internet.

**Research Questions :**

* What is livlihood as well as sustainable livlihood meant ?
* Why the study of sustainability development is the urgent point to be discussed in the present situation ?
* How livlihood strategies can protect human society from environmental challenges and can made a proper exhaustive lifestyle ?

Discussion: As a first framework, the three pillars of sustainable development are commonly ncluding environmental factor, 9sociocultural and economic factors which is the most popular representation of sustainability.




Fig.1 : The three pillars of sustainability mainly Environmental, Economic and Sociocultural viz. fig.1




Fig.2.Prism of sustainability

In response of the three pillars of sustainable development the prism of sustainability represents the 2nd framework which adds the Institutional aspects involving in operationalizing sustainable development initiatives. The key to the framework is nothing but connection between the three pillars of sustainability and institutional imperatives as a fourth dimension which is necessary to mediate sustainable development efforts. The economic dimension recognizes human need for material welfare and meaningful employment that is environmentally sustainable. (Spangenberg & Valentin, 1999.

Development and Environmental sustainability are two most important elements in the development planning. At present day erosion, earthquake, global warming, cyclone , climate change, Ozone layer depletion, pollution and the number of floods are caused the environmental destruction which can directly affects the economic process of world and create a bad effect on people's lives. The main causes and consequences of all these environmental challenges are indicating the green signals of destroying environment and the natural resources provided by the earth. To discuss about the types of sustainable development opportunities which includes the subsistence ways of living such as farming agricultural crops and fishing to generate income through environmental sustainable and for culturally appropriate management of the natural resources. According to United Nations Declaration states that the indigenous people have their right to self determination.

Conclusion: Through the overall up-to-date consumption level every individual are to be acquainted with their necessity of environmental productivity provided by the nature for maintaining own lifestyle. Livelihood strategies made by every societal people to sustain life only the way of protecting environment productivity especially for need of future generations. Today's conscious people only can save further generations and their life pattern. ■

References :

*http:/egyankosh .ac.in/bitstream/123456789/39206/3/Unit 13/pdfacecessed on March 2020.

*TodaroMitchael P and Smith Stephen C(2015)Economic Development 12th Edition, Pearson, Network.

*Bryant Coralie& White Loise G(1982)Managing Development in the third world,Boulder.Co.Westview The International journal of sustainability policy & practice sustainable development and sustainable livelihood Framework Theory and practices in volunteer tourism.

*https//tncvoiceaction.org

Pillar 4 : Sustainable livelihood opportunities.

# অসমৰ প্ৰাচীন লোকনাট্যানুষ্ঠান 'ওজাপালি'

ড ঃ প্ৰণীতা মহন্ত
সহকাৰী অধ্যাপিকা
বিকালী মহাবিদ্যালয়, ধূপধৰা, গোৱালপাৰা

**প্ৰস্তাৱনা ঃ**

'ওজাপালি' অসমৰ এটা অতি পুৰণি অৰ্ধনাটকীয় সমল বিশিষ্ট লোকনাট্যানুষ্ঠান। অসমৰ লোকনাট্যানুষ্ঠান সমূহৰ ভিতৰত 'ওজাপালি' অনুষ্ঠানে এখন সুকীয়া আসন অধিকাৰ কৰি আছে। এই অনুষ্ঠানটো অসমৰ প্ৰাচীন পৰম্পৰাগত দৃশ্য-শ্ৰব্য কলাশৈলী। অসমৰ শাস্ত্ৰীয় সংগীত আৰু নৃত্যত ইয়াৰ সুকীয়া স্থান আছে। গীত, নৃত্য আৰু অভিনয় এই তিনিওটা উপাদানে ইয়াৰ লগত জড়িত হৈ আছে। ওজাপালিৰ অসমৰ সমাজ সংস্কৃতিৰ জীৱনত বিশেষ স্থান আছে।

**আলোচনা ঃ**

ওজাপালি অনুষ্ঠানে লোকনৃত্যৰ দিশত বিশেষ ভূমিকা পালন কৰি আহিছে। এই ওজাপালিৰ গঠন ৰীতি অতি বৈশিষ্ট্যমূলক। ওজাপালি আচলতে এটা নৃত্য-গীতৰ দল। এই দলটি সাধাৰণতে পাঁচজন লোকেৰে গঠিত হয়। এই পাঁচজনৰ বিশিষ্ট দলপতিজনক বোলা হয় 'ওজা'। ওজাৰ প্ৰধান সহায়কজনক বোলা হয় 'দাইনাপালি' আৰু বাকীকেইজনক বোলা হয় পালি। ওজাই গীতৰ মাধ্যমেৰে কাহিনীভাগ বৰ্ণনা কৰে। দাইনা পালিজনে পদ ভাঙনিৰে লোকসমাজক আকৃষ্ট কৰে। সাধাৰণ পালিকেইজনে ওজাই লগাই দিয়া দিহাবোৰ পুনঃ পুনঃ আবৃত্তি কৰে। পালিকেইজনে একোযোৰা খুঁটিতাল সোঁহাতত মেৰিয়াই লৈ গীতৰ লয় ৰাখি বুজায়। ভাৰতত অতি পুৰণি কালৰে পৰাই ওজাপালি সদৃশ অনেক অনুষ্ঠানৰ প্ৰচলন বৰ্তমানো দেখা যায়। যেনে ঃ বংগৰ পাঞ্চালীগান আৰু পালাগান, কৰ্ণাটকৰ যক্ষগান, মহাৰাষ্ট্ৰৰ পাৱড়া, উত্তৰ ভাৰতৰ ৰামলীলা, গোৱালপাৰাৰ ভাৰীগান আৰু কুশান গান ইত্যাদি।

অসমত ওজাপালিৰ গঠন আৰু বিকাশত আৰ্য সংস্কৃতিৰ সমলৰ লগতে আৰ্য ভিন্ন সাংস্কৃতিক সমলেও স্থান লাভ কৰিবলৈ সক্ষম হৈছে। সেয়ে সৰ্বভাৰতীয় কথকতা পৰম্পৰা, থলুৱা সমল আৰু আৰ্যভিন্ন সাংস্কৃতিক সমলৰ প্ৰভাৱৰ ত্ৰিবেণী সংগমত ওজাপালি অনুষ্ঠানৰ বিকাশ ঘটি এক শক্তিশালী পৰম্পৰাৰ সৃষ্টি কৰিছে বুলি ক'ব পাৰি।
ওজাপালিক দুটা ভাগত ভগাব পাৰি ঃ (১) মহাকাব্য আশ্ৰয়ী ওজাপালি আৰু (২) মহাকাব্য অনাশ্ৰয়ী ওজাপালি।

**মহাকাব্য আশ্ৰয়ী ওজাপালি ঃ**

মহাকাব্য আশ্ৰয়ী ওজাপালিয়ে প্ৰধানকৈ মহাভাৰত আৰু ৰামায়ণ মহাকাব্যৰ লগতে বিভিন্ন পুৰাণৰ কাহিনীৰ লগত জড়িত গীত-পদ গায়। এই ওজাপালিয়ে কেতিয়াও মনসা বা পদ্মা কথাবৃত্তৰ পৰা গীত-পদ আবৃত্তি নকৰে। মহাকাব্য আশ্ৰয়ী ওজাপালিয়ে বিশেষ ভাৱে বাসুদেৱ পূজা আৰু জাগৰ পূজাত গীত-পদ পৰিৱেশন কৰে। এই ওজাপালিৰ পৰম্পৰা বৰ্ত্তমানো দৰং, কামৰূপ আদিতপ্ৰচলিত। মহাকাব্য আশ্ৰয়ী ওজাপালিৰো আকৌ কেইটামান উপভাগ আছে। সেই উপবিভাগকেইটা হৈছে—

(ক) ব্যাস সংগীত বা বিয়াহগোৱা ওজাপালি বা বিয়াহৰ ওজাপালি বা সভা গোৱা ওজাপালি

(খ) ৰামায়ণ সংগীত বা ৰামায়ণ গোৱা ওজাপালি বা ৰাইমন

ওজাপালি
(গ) ভাউৰা ওজাপালি বা ভাউৰীয়া ওজাপালি বা ভাইৰা ওজাপালি
(ঘ) দুৰ্গাবৰী ওজাপালি
(ঙ) সত্ৰীয়া ওজাপালি বা বিয়হীয়া ওজাপালি
(চ) পাঞ্চালী ওজাপালি আৰু
(ছ) দুলড়ী ওজাপালি।

**মহাকাব্য অনাশ্ৰয়ী ওজাপালি ঃ**

যি ওজাপালিয়ে সাধাৰণতে ৰামায়ণ-মহাভাৰত বা পুৰাণৰ বিষয়বস্তুৰ ওপৰত আশ্ৰিয় গীত-পদ আবৃত্তি নকৰে আৰু যি ওজাপালিয়ে সাধাৰণতে সৰ্পৰ দেৱী মনসা বা পদ্মা বা বিষহৰী-পূজাৰ লগত জড়িত গীত-পদ গায় সেই ওজাপালিয়ে হৈছে মহাকাব্য অনাশ্ৰয়ী ওজাপালি। এই ওজাপালিয়ে গোৱা গীতবোৰক মনসা সংগীত বুলিও বহুতে ক'ব খোজে। মহাকাব্য অনাশ্ৰয়ী ওজাপালিৰো কেইটামান উপভাগ হৈছে। সেই উপভাগবোৰ হৈছে —

(ক) সুকন্নানি ওজাপালি বা ৰংগোৱা ওজাপালি
(খ) বিষহৰিৰ গান বা বিষহৰিৰ গীত গোৱা ওজাপালি
(গ) মাৰে গান বা মাৰে পূজাৰ গান গোৱা ওজাপালি
(ঘ) পদ্মপুৰাণৰ গান বা পদ্মপুৰাণৰ গান গোৱা ওজাপালি আৰু
(ঙ) তুকুৰীয়া ওজাপালি

**ওজাপালিৰ আধুনিক ৰূপ আপী ওজাপালি ঃ**

মহাকাব্য আশ্ৰয়ী ওজাপালি আৰু মহাকাব্য অনাশ্ৰয়ী ওজাপালি এই দুয়োপ্ৰকাৰৰ ওজাপালিৰ উপৰিও ওজাপালিৰ আধুনিক ৰূপ এটাও দেখা যায়। সেই ৰূপটো হৈছে-আপী ওজাপালি। এই ওজাপালি ৰূপক দৰং জিলাত লিকিৰী বা লিগিৰী ওজাপালি বুলি জনা যায়। পৰম্পৰাগত ওজাপালিৰ আৰ্হিত মাইকী মানুহৰ মাজত এইবিধ ওজাপালি গঢ় লৈ উঠিছে। পৰম্পৰাগত ওজাপালিৰ আৰ্হিত এই ওজাপালি দলতো এজনী ওজা, এজনী দাইনাপালি আৰু কেইজনীমান পালি থাকে। বিষয়বস্তুৰ ফালৰ পৰা এই ওজাপালীয়ে বিয়াহ্‌গোৱা ওজাপালিৰ নিচিনা মহাকাব্য আৰু পুৰাণৰ পৰাই গীত পৰিৱেশন কৰে।

**ওজাপালি অনুষ্ঠানৰ বাদ্যযন্ত্ৰ ঃ**

ওজাপালি অনুষ্ঠানত ব্যৱহৃত বাদ্যযন্ত্ৰৰ ভিতৰত তাল, আৰু নুপুৰেই প্ৰধান। ব্যাহগোৱা ওজাপালিয়ে কেৱল ঘনযন্ত্ৰ তাল আৰু নুপুৰহে ব্যৱহাৰ কৰে। এই ওজাপালিৰ পালিকেইজনে দুয়োহাতে কৰতাল বজায়। ওজাজনে তাল নবজায়। নুপুৰ কেৱল ওজাজনেহে ভৰিত পিন্ধে। ওজাই দুয়োখন ভৰিতে নুপুৰ পিন্ধে আৰু ইয়াৰ দ্বাৰা সংগীতৰ তাল ৰক্ষা কৰে। তদুপৰি ওজাই অষ্টধাতুৰে নিৰ্মিত মুদ্ৰাযন্ত্ৰ ব্যৱহাৰ কৰে। এই মুদ্ৰাযন্ত্ৰৰ কোনো সাংগিতীক ধ্বনি বা তাল নাই। এই যন্ত্ৰ কেৱল এটা প্ৰতীকহে। ব্যাসৰ ওজাই ইয়াক ইষ্টদেৱতা হিচাপে পুজা কৰে।

**কথকতাৰ পৰম্পৰা আৰু ওজাপালি ঃ**

ওজাপালি যথাৰ্থতে সৰ্বভাৰতীয় কথকথা পৰম্পৰাৰ প্ৰত্যক্ষ ধাৰক আৰু বাহক। কথকৰ দ্বাৰা প্ৰদৰ্শিত অনুষ্ঠানেই কথকতা। কথকসকলে কোনো ধৰ্মীয় উৎসৱ-অনুষ্ঠানৰ অনুষংগত ৰামায়ণ, মহাভাৰত আৰু পুৰাণৰ কাহিনী পৰম্পৰাগত কাহিনী কওতাৰ নিচিনাকৈ গীত অথবা আবৃত্তিৰ সহায়ত শ্ৰোতা- দৰ্শকৰ সন্মুখত ব্যাখ্যা কৰে ।কথকতাৰ সৈতে অভিনয়ৰ সমলো জড়িত হৈ থাকে। কথকতা অনুষ্ঠানত কথকে গদ্য আৰু পদ্য উভয়তে মহাকাব্য বা পুৰাণৰ বিষয়বস্তুৰ ব্যাখ্যা আগবঢ়াই। কথক দুটা ভাগত বিভক্তঃ পাঠক আৰু ধাৰক। পাঠকে মূল বিষয়বস্তু আবৃত্তি কৰে আৰু ধাৰকে সেই আবৃত্তিৰ বিষয়বস্তু গদ্যত দৰ্শকক বুজাই দিয়ে। কথকতা পৰম্পৰাৰ লগত ওজাপালি অনুষ্ঠানৰ পৰিৱেশন শৈলীৰ সাদৃশ্য থকা দেখা যায়। কথকতা পৰম্পৰাত কথকে যেনেদৰে ৰামায়ণ, মহাভাৰত, পুৰাণ আদিৰ পৰা কাহিনী পদ্য আৰু গদ্যত আবৃত্তি কৰে ঠিক তেনেদৰে ওজাপালি অনুষ্ঠানতো ওজা আৰু পালিসকলে মহাকাব্য নাইবা পুৰাণ-উপপুৰাণৰ কাহিনী পদ্য আৰু গদ্য উভয়তে আবৃত্তি কৰে। তদুপৰি কথকতা পৰম্পৰাৰ ধাৰকৰ দৰে ওজাপালিৰ দাইনা পালিয়ে আবৃত্ত বিষয়বস্তু সৰল গদ্যত দৰ্শকক বুজাই দিয়ে। কথকতা পৰম্পৰাত দৰ্শক আৰু শ্ৰোতাৰ উপস্থিতিত গীত-নৃত্য আৰু বাদ্যযন্ত্ৰৰ সহায়ত বিষয়বস্তু আগবঢ়াই নিয়ে ঠিক তেনেকৈ ওজাপালি অনুষ্ঠানো দৰ্শক আৰু শ্ৰোতাৰ উপস্থিতিত গীত-নৃত্য আৰু বাদ্যযন্ত্ৰৰ সহায়ত ওজা আৰু পালিসকলে আগবঢ়াই লৈ যায়। আকৌ কথকতা পৰম্পৰা ধৰ্মীয় প্ৰসংগৰ লগত সম্পৃক্ত হোৱাৰ দৰে ওজাপালি অনুষ্ঠানো ধৰ্মীয় প্ৰসংগৰ লগত সম্পৃক্ত। মুঠতে কথকতা পৰম্পৰাৰ সৈতে ওজাপালি অনুষ্ঠানৰ বহুখিনি সাদৃশ্য দেখা যায়। ওজাপালি অনুষ্ঠানৰ মূল উৎস সৰ্বভাৰতীয় কথাকতা পৰম্পৰা বুলি

অনুমান কৰা হয়।

**সামৰণি ঃ**

অসমৰ 'ওজাপালি' অনুষ্ঠানে অসমৰ লোকসংস্কৃতিৰ পথাৰখন চিৰ সেউজ কৰি ৰখাত বিশেষ অৰিহণা যোগায় আহিছে। ওজাপালিয়ে পূজা-পাৰ্বনসমূহত মহাকাব্য আৰু পুৰাণৰ পৰা যিবোৰ গীত পৰিৱেশন কৰে সেইবোৰে সৰ্বসাধাৰণ শ্ৰোতাক জ্ঞান দিয়ে। একীকৰণ আৰু সাংস্কৃতিকৰণৰ ক্ষেত্ৰতো ওজাপালিৰ বিশিষ্ট ভূমিকা আছে। ওজাপালিয়ে অসমৰ পৰম্পৰাগত সংগীতৰ ধাৰাটো বহন কৰি আছে। বিশ্বায়ন আৰু আধুনিকীকৰণৰ ভয়ংকৰ আক্ৰমণৰ ফলত অন্যান্য পৰম্পৰাৰ দৰে ওজাপালি অনুষ্ঠানৰো কিছু ক্ষতি হৈছে। বিশেষকৈ ইয়াৰ কিছুমান প্ৰদৰ্শনীয় গুণ লোপ পাই আহিব ধৰিছে। সেয়ে এই আপুৰুগীয়া অনুষ্ঠানটো সময় জীৱন্ত কৰি ৰখাৰ প্ৰয়োজন আহি পৰিছে। ■


**গ্ৰন্থ পঞ্জীঃ**

দাস, দীপামণি (সম্পা)ঃ অসমৰ লোক পৰিৱেশ্য কলা,প্ৰথম খণ্ড, পূৰ্বায়ণ প্ৰকাশন, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০১৮

শৰ্মা, নবীন চন্দ্ৰ ঃ অসমীয়া লোকসংস্কৃতিৰ আভাস, বাণী প্ৰকাশ, পাণবজাৰ, গুৱাহাটী,প্ৰথম প্ৰকাশ, ১৯৮৯

শৰ্মা, নবীন চন্দ্ৰ ঃ ভাৰতৰ পূৰ্বাঞ্চলৰ পৰিৱেশ্য কলা, বনলতা, পাণবজাৰ,গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০০৯

শৰ্মা, নবীন চন্দ্ৰ ঃ অসমৰ পৰিৱেশ্য কলা ওজাপালি , বাণীপ্ৰকাশ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ১৯৯৬

# বৰ্তমান সময়ত বিশ্বায়নৰ প্ৰভাৱ

জাহানাৰা বেগম
স্নাতক ষষ্ঠ ষান্মাষিক

**আৰম্ভণি ঃ**

বৰ্তমান সময় হ'ল বিশ্বায়নৰ যুগ। বিশ্বায়ন নতুন ধাৰণা নহয়। ই প্ৰাচীন কালৰে পৰা চলি অহা এক অবিৰত বিশ্ব প্ৰক্ৰিয়া। বিশ্বায়নে পৃথিবীৰ বিভিন্ন দেশৰ মাজত সামাজিক সদিচ্ছা তথা পাৰস্পৰিক নিৰ্ভৰতা বৰ্তাই ৰখাৰ প্ৰয়াস কৰে। এন্থনী গ্ৰিডেনচনৰ মতে বিশ্বায়ন হ'ল এনে প্ৰক্ৰিয়া যিটোৱে পৃথিবীৰ সকলো মানুহৰ মাজত এটা সামাজিক সম্পৰ্ক স্থাপনৰ চেষ্টা চলায়। ব্যৱসায় আৰু বাণিজ্যত বিশ্বায়নৰ প্ৰভাৱ প্ৰতিফলন স্বৰূপে দেখা যায়। ঠিক একেদৰে শিক্ষা, সংস্কৃতি আৰু প্ৰযুক্তিতো বিশ্বায়নৰ প্ৰভাৱ পৰিছে। মানুহৰ সামাজিক, ৰাজনৈতিক আৰু আৰ্থিক জীৱনত বিশ্বায়নৰ ইতিবাচক প্ৰভাৱ সু-স্পষ্টতাই প্ৰকৃতাৰ্থত 'বিশ্বায়ন'। অভিধাটোৱে বিশ্বৰ অৰ্থনৈতিক গতিবিধিৰ সৈতে বিশেষ সম্পৰ্ক আছে। বহুতেই ইয়াক 'সীমাহীন বিশ্ব' বুলি অভিহিত কৰে। বিশ্বায়নৰ বাবেই এখন দেশত উৎপাদিত সামগ্ৰী আন দেশলৈ আমদানি নাইবা ৰপ্তানি কৰিব পৰা যায়।

আধুনিক অৰ্থনীতিৰ জনক আডাম স্মিথে তেখেতৰ ১৭৭৬ চনত প্ৰকাশিত গ্ৰন্থ "Wealth of Nations" ত বিশ্বায়নৰ ধাৰণাটো প্ৰথম উপস্থাপন কৰিছিল। আনকি অতীজৰে পৰা ইংলেণ্ড, চীন আৰু ভাৰতৰ দৰে দেশসমূহৰ লোকসকল গোলকীয় বাণিজ্যৰ লগত জড়িত আছিল। অৱশ্যে বিংশ শতিকাৰ শেষৰ পৰাহে গোলকীয় বা বিশ্বায়নৰ বতাহজাক বলিবলৈ আৰম্ভ কৰে। বিজ্ঞান আৰু প্ৰযুক্তিবিজ্ঞানৰ দ্ৰুত উন্নয়নে সময় আৰু দূৰত্বৰ ব্যৱধান হ্ৰাস কৰি বিভিন্ন ৰাষ্ট্ৰৰ মাজত তাৎক্ষণিক যোগাযোগ সম্ভৱপৰ কৰি তুলিছে। কৃত্ৰিম উপগ্ৰহ আৰু দূৰ সংযোগ ব্যৱস্থাৰ উদ্ভাৱন বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰৰ মাজত থকা আন্তৰ্জাতিক সীমা প্ৰায় নাইকীয়া কৰি পেলাই পৃথিৱীখন এখন গোলকীয় গাওঁত পৰিণত কৰিছে।

**বিশ্বায়নৰ প্ৰয়োজনীয়তা বা গুৰুত্ব ঃ**

বৰ্তমান সময়ত বিজ্ঞান, প্ৰযুক্তিবিদ্যাৰ বিকাশ, জ্ঞানৰ বিস্ফোৰণ, জনসংখ্যাৰ বিস্ফোৰণ ঘটিছে। জীৱনত জটিলতা আনিছে গতিকে জীৱনৰ জটিলতাৰ লগত মুখামুখি হ'বৰ বাবে, জীৱন সহজ-সৰল কৰাৰ বাবে আমি আমাৰ চিন্তন শক্তি সলনি কৰিব লাগে, চিন্তনৰ পৰিৱৰ্তনেই বিশ্বায়নত অৰিহণা যোগায়।

- যাতায়তৰ আৰু যোগাযোগৰ ক্ষেত্ৰত পথ সুচল কৰি দিছে বিশ্বায়নে।
- বিশ্বায়নৰ যোগেদি গণ মাধ্যম, বাতৰি কাকত, ৰেডিঅ', দূৰদৰ্শনৰ জৰিয়তে বিশ্বৰ সকলো দেশতেই ওচৰ চাপি আহিছে।
- আন্তৰ্জাতিক বুজাপৰা বিকশাই তুলিবৰ বাবেও বিশ্বায়নৰ অতি গুৰুত্বপূৰ্ণ।
- বৰ্ধিত উৎপাদন আৰু এইবোৰ গুণ মান বজাই ৰাখিবৰ বাবে বিজ্ঞান আৰু প্ৰযুক্তিবিজ্ঞানৰ গুৰুত্ব অপৰিসীম। বিশ্বায়নে এয়া সম্ভৱ কৰি তোলে।

**বিশ্বায়নৰ কাৰণ ঃ**

**শিক্ষা ঃ** শিক্ষাক বিশ্বায়নৰ এক প্ৰধান কাৰণ স্বৰূপে বিবেচনা কৰা হয়। প্ৰাথমিকৰ পৰা উচ্চ শিক্ষা পৰ্যায়লৈ প্ৰস্তুত কৰা বিজ্ঞানসন্মত বিভিন্ন বিষয়ৰ পাঠ্যক্ৰমে যুৱক-যুৱতীসকলৰ যিকোনো পৰিৱেশত সমাযোজন কৰা কৌশল বৃদ্ধিৰ যোগেদি

বিশ্বায়নত অৰিহণা যোগায়।

**যাতায়ত আৰু যোগাযোগ প্ৰক্ৰিয়া** - সমাজৰ প্ৰগতি বহু পৰিমাণে যাতায়ত আৰু যোগাযোগৰ উপায়ৰ ওপৰতো নিৰ্ভৰশীল। যাতায়ত আৰু যোগাযোগৰ উপায়ে সামাজিক আন্তঃক্ৰিয়া বৃদ্ধি কৰে আৰু দ্ৰুত গতিত আধুনিক ধাৰণাৰ সম্প্ৰসাৰণ ঘটায়। যাতায়তৰ ফলপ্ৰসূতা আন্তঃগাথঁনিৰ নতুনত্ব আৰু প্ৰগতিৰ বাবে বৃদ্ধি পাইছে। সমগ্ৰ বিশ্বতে ভ্ৰমণ ব্যৱস্থাৰ দ্ৰুতবেগী উন্নতিয়ে বেপাৰ-বাণিজ্য, প্ৰব্ৰজন আৰু জন প্ৰবাহত যথেষ্ট সহায়ক হৈ উঠিছে।

**সমাজ পৰিবৰ্তন ঃ** দ্ৰুত সামাজিক পৰিৱৰ্তনেও বিশ্বায়নৰ সৃষ্টিত অৰিহণা যোগায়। বিভিন্ন কাৰক যেনে - শিক্ষা, ঔদ্যোগীকৰণ, নতুন অৰ্থনৈতিক নীতি আৰু নিয়ম আদিয়ে সমাজত দ্ৰুত পৰিৱৰ্তন সাধন কৰে।

**বিশ্বায়নৰ দিশ ঃ** বিশ্বায়ন হৈছে এক প্ৰক্ৰিয়া য'ত বিভিন্ন সমাজৰ মাজত উত্তৰোত্তৰ সংযোগ স্থাপিত হয়, যাৰ ফলত বিশ্বৰ কোনো এক অংশৰ কোনো ঘটনাই বহু দূৰৰ পৰা জনসাধাৰণ অথবা সমাজৰ ওপৰত প্ৰভাৱ পেলায়। এক প্ৰক্ৰিয়া হিচাপে বিশ্বায়নক তিনিটা দিশত আলোচনা কৰা হ'ল-

**ক) ৰাজনৈতিক বিশ্বায়ন ঃ** ৰাজনৈতিক বিশ্বায়নে সমগ্ৰ বিশ্বৰূপী ৰাজনৈতিক আন্তঃসম্পৰ্কৰ তীব্ৰতৰকৰণ আৰু বিস্তাৰিত কৰণ বুজায়। ৰাজনৈতিক বিশ্বায়নে আন্তঃৰাষ্ট্ৰীয় ব্যৱস্থাত ৰাষ্ট্ৰ যে প্ৰধান নায়ক সেই ধাৰণা আৰু ৰাষ্ট্ৰীয় ক্ষেত্ৰত তাৰ অৱসান হোৱাৰ কথা বুজায়। ই এনে এক গোলকীয় নাগৰিক সমাজ (Civil society) ৰ পোষকতা কৰে য'ত স্থানীয় নাগৰিক সমাজ বিলাক প্ৰত্যক্ষ ভাৱে আৰু ৰাষ্ট্ৰসংঘৰ জৰিয়তে সম্পৰ্ক ৰক্ষা কৰি চলিব পাৰে।

**খ) অৰ্থনৈতিক বিশ্বায়ন ঃ** বিশ্বায়নক বহু চিন্তাবিদে মূলতঃ এক অৰ্থনৈতিক ধাৰণা হিচাপে অভিহিত কৰিব খোজে। অৱশ্যে বিশ্বায়নৰ বহুবিলাক কথা যে মূলতঃ অৰ্থনৈতিক ধাৰণা কেন্দ্ৰিক সেয়া কোনেও পধ্যেই নুই কৰিব নোৱাৰি। অৰ্থনৈতিক বিশ্বায়নে সমগ্ৰ বিশ্ব ব্যাপী ৰাষ্ট্ৰবোৰৰ মাজৰ অৰ্থনৈতিক সম্পৰ্কৰ তীব্ৰতৰকৰণ আৰু সম্প্ৰসাৰণ সূচায়। ১৯৪৪ চনত ব্ৰেটেন উডছ সন্মিলনৰ ফলশ্ৰুতিত সৃষ্টি হোৱা আন্তৰাষ্ট্ৰীয় মুদ্ৰাবিধি আৰু বিশ্ব বাণিজ্য সংস্থা আদি সংস্থাসমূহে সমগ্ৰ বিশ্বৰ অৰ্থনৈতিক নীতি নিৰ্ধাৰণ প্ৰক্ৰিয়াত বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

**গ) সাংস্কৃতিক বিশ্বায়ন ঃ** বিশ্বায়নৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক দিশ দুটাৰ বাহিৰেও সাংস্কৃতিক দিশ পৰিলক্ষিত হয়। 'সংস্কৃতি' অৱধাৰণাটো অতিশয় অৰ্থবহ। মানৱ জীৱনৰ সকলো দিশকে সামগ্ৰিক ভাৱে 'সংস্কৃতি' পদটোৱে সাঙুৰি লয়। মানৱ জীৱনৰ নুন্যতম প্ৰয়োজন সমূহৰ পৰা আৰম্ভ কৰি পৰিয়ালৰ মাজৰ ব্যৱহাৰ সামাজিক আচৰণ, ভাষা, ধৰ্ম, সাহিত্য-কলা, সংগীত, নৃত্য, বাদ্য আদি সকলোবিলাকেই বিশ্বায়নৰ সাংস্কৃতিক দিশটোৰ আওতাৰ ভিতৰত পৰে।

**ঘ) বিশ্বায়নৰ প্ৰভাৱ ঃ** বৰ্তমান সময়ত বিশ্বায়নে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। বিশ্বায়নৰ যোগেদি এখন দেশৰ লগত আন এখন দেশে যোগাযোগ কৰিব পাৰে, আমদানি-ৰপ্তানি কৰিব পাৰে, শিক্ষাৰ মানদণ্ড উন্নত কৰিছে ইত্যাদি। গতিকে বৰ্তমান বিশ্বত বিশ্বায়নৰ প্ৰভাৱ তলত উল্লেখ কৰা হ'ল-

**উন্নয়নশীল ৰাষ্ট্ৰসমূহৰ বাবে লাভজনক ঃ**

বিশ্বায়নে বহু উন্নয়নশীল ৰাষ্ট্ৰৰ দৰিদ্ৰতা নিৰ্মূল কৰি ৰাষ্ট্ৰবিলাকৰ ঘৰুৱা অৰ্থনীতিৰ সৰলীকৰণৰ ক্ষেত্ৰত অৱদান যোগাইছে। দুখীয়া ৰাষ্ট্ৰবিলাকৰ অৰ্থনীতিৰ লগত উন্নত ৰাষ্ট্ৰবোৰৰ অৰ্থনীতি একেভূতকৰণে দুখীয়া ৰাষ্ট্ৰবিলাকৰ জনগনৰ জীৱন নিৰ্বাহৰ মানদণ্ড উন্নীত কৰাৰ সুযোগ প্ৰদান কৰিছে। চীন, ভাৰত, মেক্সিকো আৰু হাংগেৰী আদি বহু ৰাষ্ট্ৰই যাতে জনমূৰি আয় বৃদ্ধি কৰিব পাৰে তাৰ বাবে বিশ্ব বজাৰৰ পৰা যাৱতীয় সুবিধা লাভ কৰিব পৰাকৈ বিশ্ব বজাৰৰ নীতি-নিৰ্দেশনাৰ লগত সামঞ্জস্য ৰাখি ৰাষ্ট্ৰীয় নীতি, আঁচনি আৰু সংগঠন আদি প্ৰস্তুত কৰি লৈছে।

**বৈদেশিক মূলধনৰ প্ৰবাহ ঃ** বিশ্বৰ উন্নত ৰাষ্ট্ৰসমূহৰ পৰা অনুন্নত ৰাষ্ট্ৰসমূহে বৈদেশিক প্ৰত্যক্ষ বিনিয়োগ (FDI) ৰ ৰূপত বৈদেশিক মূলধনৰ বিনিয়োগৰ ফলস্বৰূপে উন্নত ৰাষ্ট্ৰবিলাকে লাভান্বিত হোৱাৰ সমান্তৰাল ভাৱে অনুন্নত ৰাষ্ট্ৰবিলাকৰ ক্ষেত্ৰত উৎপাদন মুখী কাৰ্যকলাপত বিনিয়োগৰ পৰিমাণ বৃদ্ধি পায়। ইয়াৰ ফলত উন্নয়নশীল ৰাষ্ট্ৰসমূহৰ উৎপাদনৰ মাত্ৰা ক্ৰমান্বয়ে বৃদ্ধি পোৱা পৰিলক্ষিত হয়, যি ৰাষ্ট্ৰখনৰ জনমূৰি আয় বৃদ্ধিৰ ক্ষেত্ৰতো সহায় কৰে।

**জ্ঞানৰ সম্প্ৰসাৰণ ঃ** বিশ্বায়নে উন্নয়নশীল ৰাষ্ট্ৰসমূহে বৰ্ধিত শিক্ষাৰ জৰিয়তে অধিক প্ৰগতিৰ পথত আগবাঢ়ি যোৱাৰ বাবে এক নতুন সক্ষমতা প্ৰদান কৰিছে এই শিক্ষাৰ বিস্ফোৰণে কাৰিকৰী আৰু প্ৰযুক্তিগত শিক্ষা ব্যৱস্থা কৰিছে, শিক্ষাৰ ক্ষেত্ৰত

এক আমূল পৰিৱৰ্তন আনিছে। বিশ্বায়নৰ যোগেদি এখন দেশৰ পৰা আন দেশলৈ শিক্ষা আহৰণ কৰিবৰ বাবে যাব পাৰে।

আন্তঃৰাষ্ট্ৰীয় - বিশ্বায়নে আন্তঃৰাষ্ট্ৰীয় ব্যৱসায় আৰু বাণিজ্যৰ বিকাশৰ পথ প্ৰশস্ত কৰি তুলিছে। ৰাষ্ট্ৰসমূহৰ মাজত মুক্ত প্ৰতিযোগিতামূলক বজাৰৰ আবিৰ্ভাৱ হৈছে। ৰাষ্ট্ৰবিলাকে নিজা অৰ্থনৈতিক স্বাৰ্থ সুৰক্ষিত কৰিবৰ কাৰণে আমদানি আৰু ৰপ্তানিৰ ক্ষেত্ৰত উদাৰ নীতি গ্ৰহণ কৰিছে। তদুপৰি বিশ্বায়নৰ ফলতেই ৰাষ্ট্ৰসমূহ অধিক বজাৰ দখলৰ হকে গুণগত দ্ৰব্য সামগ্ৰী উৎপাদন কৰিবলৈ আগ্ৰহী হোৱা পৰিলক্ষিত হৈছে। ■

**গ্ৰন্থ পঞ্জী ঃ**


কলিতা উৎপল,

কলিতা সমীৰণ,

বৰ্মন সুমন ঃ শিক্ষাত উন্মেষিত বিচাৰ্য বিষয়, ২০২

# CHOICE BASED CREDIT SYSTEM (CBCS) A BRIEF ANALITICAL STUDY

**Bikash Ray**
Alumni
Dept. of Education

**INTRODUCTION:**

Ministry of Human Resource Development has started the process of developing new education policy (NEP) in our country to bring out reforms in Indian education system. With UGC having more active preparation, it has already initiated several steps to bring equity, efficiency and academic excellence in National Higher Education System. The important ones include innovations, curricula, introduction of paradigm shift in learning and teaching pedagogy, examination and education system.

There has been complete lack of relationship between education, employment and skill development in education system. The present alarming situation necessitates transformation or redesigning of education system, not only by introducing innovations but also developing learner centric approach in the entire education delivery mechanism and globally followed evaluation system as well. Majority of Indian higher education institutions have been following marks or percentage based evaluation system, which obstructs the their choice and their mobility to different institutions. There is need to allow the flexibility in education system, so that student depending upon their interests and aims can choose interdisciplinary, intra-disciplinary and skill based course.

This can be only possible when choice based credit system (CBCS), an internationally acknowledged system, is adopted. The choice based credit system not only offers opportunities and avenues to learn core subjects but also explores additional avenues of learning beyond the core subjects for development of an individual.

The CBCS Provides an opportunity for the students to choose course from the prescribed courses comprising core, elective/minor or skill based courses. The courses can be evaluated in terms of various grading system which is considered to be better than the conventional marks system. Therefore, it is necessary to introduce uniform grading system in the entire higher education in India. This will benefit the students to move across institutions within India to begin with and across countries. The uniform grading system will also enable potential employers in assessing the performance of the candidates, in

computing of the cumulative grade point average (CGPA) based on student performance in examinations.

**VISION OF CBCS SYSTEM :**

The main vision of CBCS system in Higher education in India is:

1. To evolve a higher education system that is suitability blended with provision for knowledge values and skill practice where every student learn in without sacrificing his/her creativity.
2. To develop curricula that would facilitate student centric learning.
3. To develop examination reforms in higher education system in India.
4. To reform in higher education, so that student develop thinking as well as analytical ability which is the ultimate vision.

**BACHELOR COURSES UNDER CBCS IN INDIA :**

**ARTS AND HUMANITIES**

1. Hindi
2. Sanskrit
3.Modern Indian Language
4. English
5. Sociology
6. Public Administration
7. Defense and Strategic studies
8. History
9. Geography
10. Economics
11. Philosophy
12. Political Science
13. Music
14. Journalism
15. Psychology16.Mathematics
17. Home Science
18. Education
19. History and Tourism

**COMMERCE AND MANAGEMENT**

1. Business Economics
2. Commerce
3. Banking
4. Accounting
5. Financial Mark sheets
6. Company and compensation Law
7. Business Administration
8. Labor Management
9. Tourism and Travel Management

**SCIENCE**

1. B.Sc. Medical / Life Science
2. Chemistry
3. Physics
4. Botany
5. Zoology
6. Biotechnology
7. Microbiology
8. Biochemistry
9. Com. Science
10. Environment Science
11. Food Technology
12. Forest Science
13. Biomedical Science
14. Physical Science
15. Operational Research
16. Statistics
17. Anthropology

**OTHERS**

1. L.L.B
2. BCA
3. B.Lab
4. B.ed
5. B.El.Ed
6. Multimedia and Communication
7. Fine Arts
8. Performing Arts
9. Physical Education and Health

10. Foreign Language

**OUTLINE OF CHOICE BASED CREDIT SYSTEM :**

1. Core Course : A course which should compulsorily be studied by a candidate as a core requirement is termed as a core course.
2. Elective Course : Generally a course which can be chosen from a part of course and which may be very- specific or specialized or advanced or supportive to the discipline/subject of study or which provides an extended scope or which enable an exposure to some- other discipline or nurture the candidates proficiency is called an Elective Course.
3. Discipline Specific Elective (DSE) Courses : Elective course may be offered by the main discipline/subject of study is referred to as Discipline Specific Elective. The university may also offer discipline related elective courses of inter discipline nature.
4. Dissertation/Project : An elective course designed to acquire special/advanced knowledge, such as supplement study/support study to a project work and a candidate studies such of course on his own with an advisory support by a teacher/faculty member is called dissertation/project.
5. Generic Elective (GE) : An elective course chosen generally from an unrelated discipline/subject, with an intention to seek exposure is called a generic elective.
6. Ability Enhancement Course (AEC) : This may be of two kinds : Ability Enhancement compulsory courses (AECC) and skill enhancement courses based upon- the content that leads to knowledge enhancement; skill enhancement courses (SEC): These Courses may be chosen from a pool of courses designed to provide value based and/or skill based knowledge.

**Letter Grades and Grade Points :**

a) Two methods- relative grading or absolute grading have been in vogue for awarding in a course. The relative grading is based on the distribution (usually normal distribution) of mark obtained by the students of the course and the grades are awarded based on a cut-of-marks or percentile. Under the absolute grading, the marks are converted to grades based on Pre-determined class intervals. To implement the following grading system, the colleges and university can use any one of the above methods.

b) The UGC recommends a 10 point grading system with the following letter grades as given bellow :

Grades and Grades points :

| LETTER GRADE | GRADE POINT |
|---|---|
| O (Outstanding) | 10 |
| A+ (Excellent) | 9 |
| A (very good) | 8 |
| B+ (good) | 7 |
| B (above average) | 6 |
| C (average) | 5 |
| P (pass) | 4 |
| F (fail) | 0 |
| AB (Absent) | 0 |

c) A student obtaining Grade F shall be considered failed and will be required to reappear in the examination.

d) For non credit courses 'satisfactory' or 'unsatisfactory' shall be indicated instead of the letter grade and this will not be counted for the computation of SGPA/CGPA.

e) The university can decide on the Grade or Percentage of marks required to pass in a courses and also the CGPA required to qualify for a degree taking into consideration the recommendations of the statutory professional council such as AICTE,

MCI, BCI, NCTE etc.

**Conclusion :**

The choice based credit system (CBCS) can be improvised by adopting the system of European credit and Transfer system (ECTS). The shift to a learner centered, flexible, interdisciplinary and multifaceted system of education under CBCS is a herculean task, that UGC has taken up. This will require ownership, co-operat on and collaboration from every stake holders of education system in India.

CBCS is a dynamic method of evaluation in which a student can opt. a particular courses of his choice and earn credit in other subjects. It is a reform in education which maximizes student participation and provides a uniform method of evaluating the students' overall achievement. ■

**References :**


1. U.G.C. guidelines on Adaptation of choice based credit system university grants commission Bahadurshah Zafar Marg, New Delhi. 11002.

2. U.G.C (2008) From chairman of Examination Reforms. D.O. NO.F.1-2/2008(XI Plan for Academic and Administrative Reforms.

3. Moving Towards choice Based credit system (CBCS) in UG and PG programmes; A road map. http:/ hpuniv.nic.in/pdf/ CBCS-IQAC13.Pdf.

4. Journal of Educational and Practice, ISSN2222-1735 (paper), ISSN2222-288x (online), VOI-6, N025, 2015.

5. 2018, IJRAR-International Journal of research and Analytical Reviews' volumes5, ISSUE3 JULY-SEPT-2018, EISSN2348-1269, Print ISSN2349-5138.

6. IJRAR-International Journal of Research and Analytical Reviews1367x Volume5, ISSUE3 JULY-SEPT 2018, EISSN2348-1269, PRINT ISSA2349-5138.

7. An International Peer Reviews and Referred. Scholarly Research Journal for humanity Science and English Language. SJIF2016:4.44 ISSN:2348-3083.

8. Pedagogy of learning, VOL.3(I) January 2017,27-35, pedagogy of Learning (POL). International Referred Journal of Education, E-ISSN:2395-7344, P-ISSN:2320-9526. UGC (India) Approved Journal, (UGC Journal No-44913, Education 1029).

9. 'Choice Based Credit System' : A critical review of Literature. The scholar : volume-1, ISSUE:4, January-December-2017, ISSN NO.2454-521X.

10. 'International Journal of Research Journal' E-ISSN:2454-9916, VOLUME:8, ISSUE:2, Feb2022.

11. Madaan, KVS. ISBN:978-93-534-3953-8, First impression 2019, Fourth impression, Published by person India Education services Pvt.Ltd, LIN:U72200TN2005PTC057128.

# ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ এটি চমু অৱলোকন

অৰ্পনা ৰাভা
স্নাতক পঞ্চম ষান্মাসিক

দাৰ্শনিক পণ্ডিত ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্ম হয় ১৮৮৮ চনৰ ৫ চেপ্তেম্বৰ তাৰিখে মাদ্ৰাজ চেন্নাইৰ হিন্দুৰ পবিত্ৰ তীৰ্থভূমি তিৰুতানি নামৰ এখন সৰু গাঁৱত। তেওঁ এজন ব্ৰাহ্মণ সম্প্ৰদায়ৰ লোক আছিল। তেওঁ শৈশৱ কালছোৱা তিৰুপতি আৰু তিৰুতানিতে কটাইছিল। সৰুৰে পৰা তেওঁ চোকা বুদ্ধিৰ আছিল।

তেওঁ স্কুলীয়া জীৱন তিৰুপতি নগৰৰ এখন মিছনেৰী স্কুলৰ পৰাই লাভ কৰিছিল। তাৰ পিছত তেওঁ সুখ্যাতিৰে এন্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হয়। তাৰ পৰাই তেওঁ আই.অ. আৰু ১৯০৭ চনত বি.এ. পৰীক্ষাত উত্তীৰ্ণ হয়। আনকি তেওঁ এই পৰীক্ষাত বিশ্ববিদ্যালয়ৰ পৰা সৰ্বোচ্চ স্থান লাভ কৰিবলৈ সক্ষম হয়।

এম.এ. পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছতে তেওঁ মাদ্ৰাজৰ প্ৰেছিডেন্সি কলেজত দৰ্শনৰ অধ্যাপক হিচাপে নিযুক্ত হয়। পাণ্ডিত্য আৰু ইংৰাজী কোৱাৰ পাৰদৰ্শিতাৰ গুণে ছাত্ৰ সমাজত তেওঁ প্ৰিয় পাত্ৰ হৈ উঠিছিল। আনকি এই কথাও শুনা যায় যে তেওঁ যেতিয়া শ্ৰেণীত বক্তৃতা আৰম্ভ কৰিছিল তেতিয়া তেওঁৰ মুখৰ শুৱলা ইংৰাজী শুনিবলৈ আন আন শ্ৰেণীৰ ছাত্ৰবোৰে বাৰাণ্ডা আৰু শ্ৰেণীৰ কাষৰ মুকলি ঠাইবোৰ ভৰি পৰিছিল।

দৰ্শন বিষয়ত তেওঁ ভালেমান মূল্যৱান প্ৰবন্ধ ৰচনা কৰিছিল। সেই মৌলিক প্ৰৱন্ধবোৰ ইউৰোপ আৰু আমেৰিকাৰ বিভিন্ন আলোচনী যোগে প্ৰচাৰিত হয়। লগে লগে তেওঁৰ খ্যাতি সেইবোৰ দেশতো বিয়পি পৰে। তেওঁৰ প্ৰৱন্ধৰ মুখ্য বিষয়বস্তু আছিল হিন্দু ধৰ্ম আৰু হিন্দু দৰ্শন। মানৱতাবোধেই হৈছে প্ৰৱন্ধবোৰৰ ঘাই উৎস। হিন্দু দৰ্শনৰ প্ৰতি তেওঁৰ এই আকৰ্ষণ কলেজীয়া জীৱনৰ পৰাই জন্মে। বিশেষকৈ কলেজীয়া ছাত্ৰ হৈ থাকোঁতে স্বামী বিবেকানন্দৰ লেখাই হিন্দু দৰ্শনৰ প্ৰতি তেওঁক ঘাইকৈ প্ৰভাৱান্বিত কৰে।

তেওঁ ৰবীন্দ্ৰনাথ ঠাকুৰৰ দাৰ্শনিক চিন্তাধাৰাৰ ওপৰত 'ৰবীন্দ্ৰনাথৰ দৰ্শন' নামৰ এখন অমূল্য গ্ৰন্থ ৰচনা কৰে। ১৯১৮ চনত তেওঁ মহীশুৰ বিশ্ববিদ্যালয়ত তিনিবছৰৰ কাৰণে অধ্যাপনা কৰে। ইয়াৰ পিছত কলিকতা বিশ্ববিদ্যালয়ৰ ভাইচ চেন্সেলৰ ছাৰ আশুতোষ মুখোপধ্যায়ে ১৯২১ চনত তেওঁক দৰ্শনৰ অধ্যাপক পদত নিযুক্তি দিয়ে। অন্ধ্ৰ বিশ্ববিদ্যালয়ে তেওঁক ডক্টৰেট উপাধিও প্ৰদান কৰে।

১৯২৯ চনত অক্সফৰ্ড মানচেষ্টাৰ কলেজত দৰ্শনৰ অধ্যাপক পদত নিযুক্ত হয়। ইয়াতে বছৰেকীয়া বৃটিছ একাডেমীত তেওঁ গৌতম বুদ্ধৰ ওপৰত ভাষণ দি বিশ্ব দৰবাৰত জনাজাত হয়। মহামানৱ মহাত্মা গান্ধীৰ ওপৰত নিৰ্যাতন আৰু বিপ্লৱৰ ৰীতিৰ ওপৰতো তেওঁ ভাষণ দাঙি ধৰে আৰু তাৰেই সংকলিত ৰূপ হয় 'ইষ্টাৰ্ন ৰিলিজন এণ্ড ৱেষ্টাৰ্ন থট্' গ্ৰন্থ। তেওঁক ইংলেণ্ড ফেলশ্বিপ অৱ ব্ৰিটিছ একাডেমী পদেৰে বিভূষিত কৰে। ১৯২৭ চনত তেখেতৰ প্ৰকাশিত 'দ্য হিন্দু ভিউ অফ লাইফ'

আৰু ১৯৩২ চনত প্ৰকাশিত 'এন আইডিয়েলিষ্টিক ভিউ অৱ লাইফ' দুখন উল্লেখযোগ্য গ্ৰন্থ।

১৯৪৭ চনত তেওঁ চীনলৈ যায়। তাত গৈ তেওঁ যি বক্তৃতা ৰাখিছিল তাৰেই সংকলিত ৰূপ হৈছে 'ইণ্ডিয়া এণ্ড চাইনা' গ্ৰন্থ। ১৯৪৮-৪৯ চনত পেৰিচলৈ গৈ তেওঁ আন্তঃৰাষ্ট্ৰীয় সংস্থা ইউনেস্কোত ভাৰতীয় প্ৰতিনিধি হিচাপে যোগদান কৰিছিল। ৰাধাকৃষ্ণণ স্বাধীন ভাৰতৰ সংবিধান ৰচনা কৰা গণ পৰিষদৰো এগৰাকী অন্যতম ব্যক্তি আছিল।

স্বভাৱত ৰাধাকৃষ্ণণ আছিল লাজকুৰীয়া, দয়াশীল, মৰমীয়াল, নম্ৰ, আত্ম প্ৰশংসাৰ প্ৰতি বিমুখ। পিন্ধনত এখন মিহি ধুতি, এটা দীঘল কোট আৰু মূৰত পাগুৰি। ৰাছিয়াৰ ৰাষ্ট্ৰদূত হিচাপেও তেওঁৰ সাজপাৰ একেই আছিল। তেওঁ সাংসাৰিক মানুহৰ দৰেই জীৱন-যাপন কৰিছিল।

১৯৫১ চনত ভাৰতৰ উপ-ৰাষ্ট্ৰপতি ৰূপে নিৰ্বাচিত হয় আৰু ১৯৬২ চনত ৰাষ্ট্ৰপতিৰ পদতো তেওঁ নিৰ্বাচিত হয় আৰু ১৯৬৭ চনৰ ১৩ মে'ৰ দিনাখন এই পদৰ পৰা অৱসৰ লয়। অৱসৰ লৈ তেওঁ নিজা ঘৰত থাকি পঢ়া-শুনাৰ মাজতে সময় কটাইছিল।

এই মহান ব্যক্তি গৰাকীৰ জীৱনৰ অৱসান ঘটে ১৯৭৫ চনৰ ১৭ এপ্ৰিলত। আজি তেখেত নাই যদিও এই মহান চিন্তাবিদ ৰাজনীতিজ্ঞ ব্যক্তিজনৰ প্ৰতি শ্ৰদ্ধা জনাই তেখেতৰ জন্মদিন ৫ চেপ্তেম্বৰ তাৰিখটো 'শিক্ষক দিৱস' হিচাপে পালন কৰি তেখেতক ভাৰতবাসীয়ে নিজৰ অন্তৰত জীয়াই ৰাখিছে। ■

# ৰাষ্ট্ৰীয় ছাত্ৰ সেনাবাহিনীৰ পৰা উত্তৰ প্ৰদেশলৈ মোৰ এক অভিনৱ যাত্ৰা 'ভ্ৰমণ কাহিনী'

বিপন নাথ
স্নাতক তৃতীয় ষান্মাসিক

সৰুৰে পৰা মোৰ NCC ত যোগদান কৰিবলৈ প্ৰবল ইচ্ছা আছিল। সেয়ে ২০২০ বৰ্ষৰ ১২ ডিচেম্বৰ তাৰিখে মই 30 ASSAM BN NCC ত বিকালী মহাবিদ্যালয়ৰ জৰিয়তে যোগদান কৰিবলৈ সুযোগ লাভ কৰিছিলোঁ। সঁচাকৈ সেই দিনটো মোৰ বাবে এক স্মৰণীয় দিন কিয়নো সেইদিনাখনেই মোৰ NCC ত যোগদান হোৱাৰ সপোন পূৰ্ণ হৈছিল। আৰু এজন NCC CADET হিচাপে মই অন্তৰ্ভুক্ত হৈছিলোঁ। এই সংগঠনত জড়িত হোৱাৰে পৰা মই বহুতো নজনা কথা, আচাৰ-ব্যৱহাৰ, ড্ৰীল, ফায়াৰিং আদি কৰি বহুতো অভিজ্ঞতা লাভ কৰিবলৈ সক্ষম হৈছোঁ। NCC ত প্ৰথম ভৰ্তি হৈ CADET RANK লাভ কৰিছিলোঁ আৰু কেইটিমান মাহৰ পিছত মই UO অৰ্থাৎ UNDER OFFICER RANK লৈ প্ৰমোচন হৈছিলোঁ আৰু ২০২১ বৰ্ষৰ অক্টোবৰ মাহত NCC UNIT বিকালী মহাবিদ্যালয়ৰ পৰা আমি আঠজন সদস্য ক্ৰমে মই, ধনমণি, মিন্টু, ধ্ৰুপদ, মৃণাল, চিন্ময়, চিৰঞ্জিত আৰু লক্ষীয়ে ট্ৰেকিং কেম্প উত্তৰ প্ৰদেশৰ বলোৰামপুৰত যোৱাৰ সুবিধা লাভ কৰিছিলোঁ।

অক্টোবৰ মাহৰ সাত ২০২১ তাৰিখে ৮ জন সতীৰ্থই কলেজৰ অধ্যক্ষ ছাৰ, চি.টি.অ. ছাৰ আৰু বন্ধুবৰ্গক লগ কৰি প্ৰায় ১০.৪০ ত ধূপধৰা বাছ ষ্টেচনৰ পৰা জালুকবাৰী উৰুনীয়া সেতুলৈ গ'লো আৰু তাৰ পৰা প্ৰায় ৫ কিলোমিটাৰ নিলগত থকা অৰ্থাৎ অসম অভিযান্ত্ৰিক কলেজৰ ওচৰত অৱস্থিত 30 ASSAM BN NCC FROM GUWAHATI HQ ত উপস্থিত হ'লো আৰু ট্ৰেকিংৰ বাবে প্ৰয়োজনীয় সা-সামগ্ৰী তথা সাজ-পোছাকবোৰ ভৰাই লৈ যোৱা বেগবোৰ সকলোৱে হেড কোৱাৰ্টাৰত থ'লো আৰু কিছুসময় জিৰণি ল'লো গছৰ তলত। কিছুসময় জিৰণি লোৱাৰ পিছত জে.চি.অ' ছাৰ ক ডকুমেণ্ট বোৰ দেখুৱালো আৰু ভেৰিফিকেশ্বন কৰিলোঁ। ছাৰে জনাই দিলে যে ৰাতি দহ বজাত ট্ৰেইন বুলি, সেয়েহে সকলোকে সন্ধিয়াতে খাই লৈ আজৰি হ'বলৈ ক'লে । ছাৰৰ কথামতে আমি সকলোৱে নিজৰ ইচ্ছা অনুসাৰে ওচৰতে থকা কেণ্টিনত সন্ধিয়া খাই ল'লো আৰু প্ৰায় ৭:৩০ মান বজাত HQ ৰ গাড়ীখনত আন আন কলেজৰ সদস্য আৰু আমি একেলগে বেগবোৰ গাড়ীত উঠালোঁ তাৰপিছত সকলোকে একেলগে এবাৰ কাউণ্টিং কৰি গাড়ীত উঠিবলৈ অনুমতি দিলে আৰু প্ৰায় ৮:১০ মান বজাত আমি কামাখ্যা ষ্টেচনলৈ ৰাওনা হ'লোঁ। প্ৰায় ন মান বজাত ষ্টেচন উপস্থিত হৈ গাড়ীৰ পৰা বেগবোৰ নমালো। ছাৰহঁতৰ লগত বেগবোৰৰ লগতে কেডেটসকলক আকৌ এবাৰ কাউণ্টিং কৰা হোৱাৰ পিছত ছাৰহঁতে সকলোকে শৃংখলিতভাৱে থিয় হ'বলৈ ক'লে। তাৰপিছত কিছু কথা জে.চি.অ. ছাৰ আৰু গিৰি ছাৰেওঁ বুজালে। কিছুসময়ৰ অপেক্ষাৰ অন্ততঃ আমাৰ ট্ৰেইন আহি পালে আৰু সকলোৱে ট্ৰেইনত

উঠি চিটবোৰ বিচাৰি লৈ চিটৰ তলত বেগবোৰ সোমোৱাই থৈ বহি ল'লো। এনেকৈয়ে আমাৰ যাত্ৰা চলি থাকিল। এনেদৰে যাত্ৰা কৰি কৰি আমি ০৯-১০-২০২১ ইং তাৰিখে ইউ.পি. গোণ্ডা ৰেইলৱে ষ্টেচনত প্ৰায় ২:৩০ বজাত উপস্থিত হওঁ। ৰেলৰ পৰা নামি সকলোৱে নিজৰ নিজৰ বেগবোৰ একেলগে ষ্টেচনত থ'লো আৰু অলপ মুখ হাত ধুই ষ্টেচনতে টোপনি মাৰিলোঁ। পুৱা ৬ মান বজাত ষ্টেচনত থকা দোকানবোৰৰ পৰা কিবা কিবি কিনি লৈ খালোঁ আৰু সাত বজাত গোণ্ডা ষ্টেচনৰ ·ৰা বলোৰামপুৰলৈ যাত্ৰা আৰম্ভ কৰিলোঁ আৰু প্ৰায় ১০.৩০ বজাত বলোৰামপুৰ ষ্টেচন পালো আৰু বেগবোৰৰ লগতে কেডেট সকলকো কাউণ্টিং কৰিলোঁ। আমাৰ বিকালী কলেজৰ লগত দুখন কলেজ ক্ৰমে গৰেশ্বৰ কলেজৰ সাত জন আৰু শালবাৰী কলেজৰ তিনিজনৰ সৈতে আমি মুঠ ওঁঠৰ জন সদস্য আৰু এজন PI Shefe একেলগে যাত্ৰা কৰি বলোৰামপুৰ ষ্টেচনলৈ গ'লো। ষ্টেচনত আমাক সকলোকে ব্ৰেকফাষ্ট দিলে আৰু সকলোৱে খাই লৈ কেম্পৰ পৰা নিবলৈ অহা স্কুল বাছত বেগবোৰ আমিবোৰ সকলোৱে বাছত উঠিলোঁ আৰু কেম্পলৈ বুলি যাত্ৰা কৰিলোঁ আৰু প্ৰায় ৩.৩০ মান বজাত কেম্প গৈ পালোঁ। কেম্পৰ গেটৰ সন্মুখত লিখা আছিল 51 UP TREK SHRVASTI। কেম্পৰ গেটত থকা আৰ্মীৰ ছাৰজনে সকলোকে এজন এজন কৈ ছেক কৰিলে আৰু ভিতৰলৈ সোমাব অনুমতি দিলে। তাৰপিছত কেম্পৰ ভিতৰত সকলোকে বেগবোৰ আগত লৈ থিয় হ'ব দিলে আৰু বেগৰ সকলোবোৰ বস্তু উলিয়াই দেখুৱাব দিলে এনেদৰে সকলোবোৰ ছেকিং শেষ হোৱাৰ পিছত বেগবোৰ আমাৰ ৰুমত থ'বলৈ দিলে আৰু আমি সকলোৱে বেগবোৰ থৈ চাহ খাবলৈ গ'লোঁ আৰু তাতে কেম্প ছিনিয়ৰ আকাশ মিশ্ৰক লগ পাই তেওঁৰ লগত কিছু কথা পাতিলোঁ। পিছত ৰুমলৈ আহি ড্ৰেচ সলনি কৰি অলপ জিৰণি ল'লো আৰু কিছু সময় পিছত মুখ-হাত ধুই ড্ৰেচ পৰিধান কৰি সাজু হ'লোঁ।

সকলোকে ৰুমৰ ভিতৰত বহুৱাই বিক্ৰম ছাৰে কিছু কথা ক'লে, প্ৰথমতে আমাৰ DIRECTOR ৰ নামটো ক'লে NER DIRECTOR, অৰ্থাৎ NORTH EAST REGION. তাৰপিছত আমাৰ গ্ৰুপটোৰ নাম ক'লে 'THARU'। বুজাই ক'লে যে 'THARU' হৈছে এটা জনজাতিৰ নাম তেওঁলোকে সাধাৰণতে উত্তৰ-প্ৰদেশৰ কিছু কিছু অংশত বাস কৰে। তাৰ পিছত আমাৰ গ্ৰুপ ছিনিয়ৰ উজ্জ্বল শইকীয়াৰ লগত চিনাকি কৰাই দিলে আৰু মই আমাৰ কলেজৰ ছিনিয়ৰ হিচাপে ছিনিয়ৰৰ লগত কথা পাতিলোঁ কেম্পৰ নিয়ম-নীতি সমূহৰ বিষয়ে। সময়তে প্ৰায় সন্ধিয়া ৫:৩০ মান বজাত কেম্পৰ ভিতৰত থকা খালী ঠাই অৰ্থাৎ এখন সৰু ফিল্ডত সকলো ডিৰেক্টৰ কেডেটবোৰক গ্ৰুপ ওৱাইচ বহিবলৈ অনুমতি দিলে আৰু আমি সকলোৱে শৃংখলাবদ্ধভাৱে বহি ল'লোঁ। তাত আৰ্মীৰ COMMANDING OFFICER ৰ লগতে আৰু বহুকেইজন ছাৰে বুজাই দিলে যে প্ৰকৃততে ট্ৰেকিংৰ উদ্দেশ্য কি? ছাৰে কোৱা বক্তব্য - लेफटेनेन्ट विवेक कुमार सिंह ने बताया कि नदी पार करने, कठिन मारग पर चलने, पहाड़ो पर चड़ने एवं लक्ष्य तक पहुँचने का प्रशिक्षण मिला। আৰু চুবেদাৰ ছাৰে ক'লে কেম্পত মুঠ ৬ খন জিলা ক্ৰমে UP, B.J. SHRAVASTI, DELHI, GUJARAT, MP CG, NER। NER টো হ'ল আমাৰ অৰ্থাৎ 'THARU' Group। এনেদৰে বহুতো কথা বুজালে আৰু আমিওঁ বহুত Other state ৰ বন্ধু বৰ্গৰ সৈতে মনৰ কথা পাতিলোঁ আৰু প্ৰায় ৯ বজাত সকলোৱে নিজৰ নিজৰ ৰুমত গ'লো।

হাতত কাঁহী আৰু পানী বটলটো লৈ ৰাতিৰ আহাৰ খাবলৈ লাইনত থিয় হ'লো প্ৰায় ১৫০ জন মানৰ পিছত এনেদৰে আহাৰ খাই লৈ ১০:৩০ মান বজাত শুলো।

১০-১০-২০২১ ইং তাৰিখে মই আৰু ধনমণি ৩.১০ বজাত উঠিলো আৰু হাতত ব্ৰাছডাল লৈ ফ্ৰেছ হ'বলৈ গ'লো তাৰ পৰা আহি অলপ ৰুমত আকৌ টোপনি মাৰিলোঁ। ৫ বজাত চাহ খাবলৈ গ'লো, চাহ খাই উঠি বিছনাবোৰ পৰিপাটী কৰি থ'লো আৰু ট্ৰেকিং ৰ বাবে বেগত পানী বটল, অ.আৰ.এক্স. আদি লৈ আৰু ড্ৰেছ পাটি কৰি আমি সকলো ৰাতিপুৱাৰ আহাৰ খাবলৈ গ'লো আৰু ট্ৰেকিংৰ বাবে পেকেট লাঞ্চ লৈ NER গ্ৰুপৰ সকলোৱে লাইনত থিয় হ'লো আৰু কাউণ্টিং কৰিলোঁ। তাৰপিছত বাছত উঠিবৰ বাবে শাৰী পাটি লাইন ধৰিলোঁ। NER গ্ৰুপৰ মুঠ সদস্য ৫৪ জন আৰু ৩ জন ছাৰ দুখন বাছত উঠি আমি সকলোৱে শ্ৰাৱস্তী লৈ যাত্ৰা আৰম্ভ কৰিলোঁ। প্ৰথমতে পুৰণি ইতিহাস প্ৰসিদ্ধ 'KATSI KUTSI' আৰু 'ANGLIMUR' ভালদৰে দৰ্শন কৰিলোঁ। আৰু তাত থকা Security Guard বোৰৰ পৰা কিছু কথা জানিলোঁ। তাৰপিছত আমি সম্ভৱনাথ ৰ জনমভূমি ভালদৰে চালো আৰু

ছাৰহঁতৰ লগত কিছু আলোচনা কৰিলোঁ। ইয়াৰ পিছত কিছু নিলগত থকা সকলতকৈ ভাল লগা আৰু দেখিবলৈ ধুনীয়া 'মহামংগলজয় মন্দিৰ' চাবলৈ গ'লো কিন্তু দুৰ্ভাগ্যবশতঃ মন্দিৰৰ ভিতৰত সোমাব নিদিলে। গেট বন্ধ কভিড-১৯ ৰ বাবে। যি নহওঁক বাহিৰৰ পৰাই চালোঁ যিমানখিনি দেখা যায়। তাৰ পিছত ৰাস্তাৰ কাষতে থকা 'ছাউথ জেতবন'ত সোমালোঁ। য'ত ৩৫ টন ওজনৰ এটা টিলিঙা ওলমাই থোৱা আছে। সেইটো বজাবৰ বাবে এডাল গছৰ টুকুৰা ওলমাই থোৱা আছে। অৱশেষত আমি কেম্পলৈ ঘূৰি আহিলোঁ। কেম্পৰ গেটত আকৌ কাউন্টিং কৰাৰ পিছত সোমাব দিলে। আমি সকলোৱে ৰুমৰ ভিতৰত বেগবোৰ থ'লো আৰু গা-ধুব গ'লোঁ। অলপ জিৰণি লৈ সন্ধিয়া প্ৰগ্ৰেমৰ বাবে কেম্পৰ মাজৰ ফিল্ডখনত বহি ল'লো। তাৰ পিছত আগদিনাৰ দৰে খাই লৈ শুলোঁ।

১২-১০-২০২১ ইং তাৰিখে, অইন দিনাৰ দৰে সাজু হৈ ট্ৰেকিং লৈ ওলালোঁ। সেই দিনাখন আমি ইণ্ডো-নেপাল সীমালৈ গ'লোঁ আৰু পাহাৰৰ মাজে মাজে সৰু সৰু ৰাস্তাৰে গৈ নেপালৰ প্ৰায় তিনি কিলোমিটাৰ ভিতৰত সোমালোঁ। নেপালৰ গাৱলীয়া পৰিৱেশ কিছু উপভোগ কৰি SSP কেম্পত আহি দুপৰীয়াৰ আহাৰ খালোঁ। তাৰপিছত আকৌ কেম্পলৈ উভতিলোঁ।

১৩-১০-২০২২ ইং, সেইদিনাখন ৰাতিপুৱা শুই উঠোতে দেৰি হ'ল। মই প্ৰায় ৪.১০ মান বজাত ফ্ৰেচ হ'লোঁ। চাহ খাই লৈ বিছনা থিক কৰিলোঁ আৰু বেগখনত ধনমণি, মই পানীৰ বটল আৰু লাগতিয়াল কিবা কিবি বস্তু ভৰাই সাজু হ'লোঁ। পিছত কাঁহীখন লৈ পুৱাৰ আহাৰ খালোঁ। আহাৰ খাই উঠি বেগত পেকেট লান্স লৈ সাজু হ'লোঁ লাইনত। ছাৰহঁতে বাৰে বাৰে সুধি আছিল কাৰোবাৰ গা বেয়া যদি যাব নালাগে কাৰণ সেইদিনাৰ ট্ৰেকিং বহুত কষ্টদায়ক হ'ব। যিকি নহওঁক আমি কেম্পৰ পৰা প্ৰায় ৪:৫০ বজাত ট্ৰেকিং আৰম্ভ কৰিলোঁ। প্ৰায় ২৮ কিঃমিঃ খোজ কাঢ়িলোঁ, পাহাৰৰ মাজে মাজে সৰু সৰু ৰাস্তাৰে। ভৰি পিচলে বহুত কষ্টদায়ক। মাজে মাজে আকৌ একেটা নদীকে ২-৩ বাৰ পাৰ হ'ব লাগে এজনে আনজনক পিঠিত কঢ়িয়াই। ২৮ কিঃমিঃ খোজ কঢ়াৰ পিছত আকৌ কেম্পলৈ ১০ কিঃমিঃ বাকী, সেই ১০ কিলোমিটাৰৰে ৩ কিলোমিটাৰ ৰানিং, ১ কিলোমিটাৰ বডী পেয়াৰক পিঠিত লৈ ৰানিং কৰাৰ পিছত আকৌ বেন পজিচন ৰাস্তাত ধূলিৰ ওপৰত। ছাৰে কয়, 'হাউচ দ্য জ্যশ'? আমি কওঁ 'হাই ছাৰ'।
ছাৰে আকৌ কয় - 'ঔৰ যাড়া চাহিএ'? আমি কওঁ - 'ঔৰ যাড়া চাহিএ?', সৰ জী কা ডাইলগ – জিতনা যাড়া উতনা যোড়া। হয় সঁচাকৈ সেই দিনটো জীৱনত চাগে পাহৰিব নোৱৰিম। বাকি খিনি গাড়ীৰে পাণ জপা দি লৈ আহিল আৰু আমি গা-পা ধুই চাহ খাই মোৰ খাকী পোছাকযোৰ পিন্ধি লৈ প্ৰায় ফিল্ডৰ মাজত ৫ ঘণ্টা সময় বহি থাকিলোঁ ছাৰহঁতৰ ভাষণ শুনি শুনি। তাৰপিছত অলপ সময়ৰ ভিতৰতে খাকী পোছাকযোৰ খুলি থৈ ট্ৰেক পিন্ধি ল'লোঁ কাৰণ হাফপেণ্ট পিন্ধি, চেণ্ডেল আদি পিন্ধি গ'লে ভাত নিদিয়ে তাৰ সলনি পানিশ্চমেণ্ট দিয়ে। সেয়ে সম্পূৰ্ণ নিয়মানুসৰি পিন্ধি হাতত কাঁহী লৈ ভাত খালোঁ। অলপ সময় জিৰণি লৈ ফিল্ডত সকলো গ্ৰুপৰ কেডেটবোৰে একেলগে অলপ এনজয় কৰিলোঁ। তাৰপিছত ৰাতি প্ৰায় ৰৰ মান বজাত বিছনাত পৰিলোঁ আৰু গমকে নাপালোঁ কেতিয়া টোপনি আহিল কাৰণ বহুত ভাগৰ লাগিছিল।

১৫-১০-২০২১ ইং তাৰিখে দিনত খেল ধেমালি পতা হ'ল আৰু সমগ্ৰ ভাৰতবৰ্ষৰ ভিতৰত আমাৰ 'NER' গ্ৰুপটোৱে ভলীবলত 'M.P. Gujrat Delhi' ক হৰুৱাই প্ৰথম হ'বলৈ সক্ষম হ'লো। লগতে পৰিস্কাৰ পৰিচ্ছন্নতা আৰু আচাৰ ব্যৱহাৰত আমি অৰ্থাৎ 'NER' গ্ৰুপে সেই ৫ টা গ্ৰুপৰ ভিতৰত প্ৰথম হ'লো। সেয়ে কেম্পত থকা সকলোবোৰ ছাৰে দিনত ৰুমতো এবাৰ হ'লেও চাব আহে আৰু দিল্লী, গুজৰাট, এম.পি. ৰ ছিনিয়ৰবোৰেও নকল কৰিব আহে, কিন্তু কাম নহ'ল আমাৰ লগত প্ৰতিদ্বন্দিতা কৰিব নোৱাৰিলে।

সন্ধিয়া কালচাৰেল প্ৰগ্ৰেম আৰম্ভ হ'ল। আমাৰ গ্ৰুপক ক'লে বিহু, অসমীয়া গীত, বড়ো গান আৰু বড়ো নৃত্য কৰিবলৈ। মই কেইজনমানৰ লগত ম'হহো নাচিলোঁ। এনেদৰে আমাৰ সাংস্কৃতিক অনুষ্ঠান শেষ হ'ল। তাৰপিছত আমি খাই লৈ আন আন ৰাজ্যৰ বন্ধুবোৰৰ লগত মনৰ কথা পাতিলোঁ, কিছুমানৰ ফোন নম্বৰ ল'লো আৰু সিহঁতেও ল'লে। সেইদিনাখন মই কিছু আৱেগিক হৈছিলোঁ কাৰণ সেইদিনাই আমাৰ শেষৰটো দিন আছিল।

১৬-১০-২০২১ ইং তাৰিখে কেম্পৰ পৰা গোণ্ডা ষ্টেচনৰ লৈ যাত্ৰা আৰম্ভ কৰিলোঁ আৰু তাৰ পৰা কামাখ্যা ষ্টেচনলৈ আহিলো প্ৰায় ৰাতি দহটা বজাত। ষ্টেচনৰ পৰা পিঠিত এখন

আৰু হাতত এখন বেগ লৈ ASSAM ENGINEERING COLLEGE ৰ হোষ্টেললৈ আহিলোঁ খোজ কাঢ়ি। বেগৰ ওজন প্ৰায়বোৰ ৪৫-৫০ কেজি মান হ'ব। প্ৰায় ৫-৬ কিলোমিটাৰ খোজ কাঢ়ি অৱস্থা বেয়া। হোষ্টেলৰ ওচৰত থকা দোকানত বিৰিয়ানি খালোঁ। ৰাতি হোষ্টেলত গা-ধুই উঠি মই, ধনমণি, চিন্ময়, মিণ্টু শুই থাকিলোঁ। পুৱা সোনকালে উঠি ফ্ৰেচ্ হৈ লাইনত থিয় হ'লো আৰু চি.অ. পৱন কুমাৰ আৰু বাকী ছাৰ কেইজনে কিছু কথা ক'লে। তাৰপিছত 30 ASSAM ৰ গাড়ীখনে জালুকবাৰীলৈকে থ'লে আৰু আমি ৮ জন একেলগে ধূপধৰালৈকে আহিলো। ১৮-১০-২০২১ ইং তাৰিখে ঘৰ আহি পালোঁ।

সঁচাকে সেইদিনবোৰ মোৰ বাবে স্মৃতি হৈ থাকিব লগতে ছাৰহঁতৰ মৰম, আশীৰ্বাদ চিৰস্মৰণীয় হৈ থাকিব। বহুত মনত পৰে ছাৰ আৰু বন্ধুবৰ্গক।

শেষত, মোৰ এনেদৰে ভ্ৰমণ কাহিনী লিখাৰ অভিজ্ঞতা নাই। তথাপি নিজৰ অভিজ্ঞতাৰ পৰা লিখিব চেষ্টা কৰিছোঁ। পঢ়ুৱৈসকলে ভুল-ভ্ৰান্তি হ'লে ক্ষমা কৰিব। ■

# বিহগী কবি ৰঘুনাথ চৌধাৰী

**মণিমা আহমেদ**
**উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ**

কামৰূপ জিলাৰ প্ৰসিদ্ধ পুৰণি গাওঁ লাওপাৰা। বৰ্তমান লাওপাৰা গাঁও ব্ৰহ্মপুত্ৰত জাহ গৈছে। এই গাঁৱতে ১৮৭৯ চনত এটি সম্ভ্ৰান্ত পৰিয়ালত ৰঘুনাথ চৌধাৰীৰ জন্ম হয়। তেখেতৰ পিতৃৰ নাম আছিল ভোলানাথ চৌধাৰী আৰু মাতৃৰ নাম আছিল দয়ালতা চৌধাৰী। ৰঘুনাথ ভোলানাথৰ তৃতীয় সন্তান আৰু শেষ সন্তান। ৰঘুনাথৰ জীৱন কিন্তু সুগম নাছিল, বৰং সৰুৰে পৰাই তেওঁ এশ এবুৰি বিপৰ্যয়ৰ মাজেৰে জীৱন অতিবাহিত কৰিছিল। নিচেই সৰু কালতে তেওঁ ভৰিত দুখ পাই চিৰদিনৰ বাবে ঘুনীয়া হয়। ছয় বছৰ বয়সত ৰঘুনাথ চৌধুৰীয়ে গাঁৱৰ কাশীনাথ নামৰ এজন শিক্ষকৰ ওচৰত বিদ্যা আৰম্ভ কৰে। তাৰ পিছত সম্পৰ্কীয় ককায়েকে গুৱাহাটীলৈ আনি বাংলা প্ৰাথমিক বিদ্যালয়ত নাম লগাই দিয়ে। ১৮৯৬ চনত ছাত্ৰ বৃত্তি পৰীক্ষা পাছ কৰি উঠাৰ পিছত তেওঁক হাইস্কুলত নাম লগাই দিয়া হয় যদিও অষ্টম শ্ৰেণীলৈকে পঢ়ি শিক্ষকৰ কঠোৰ শাসনৰ কাৰণে স্কুল এৰিব লগা হয়। ৰঘুনাথ চৌধাৰী সৰুৰে পৰা অতি প্ৰখৰ বুদ্ধিৰ লোক আছিল। তেওঁ গুৱাহাটীৰ পৰা প্ৰকাশ পোৱা 'জোনাকী' কাকতৰ সহকাৰী সম্পাদক আছিল আৰু 'সুৰভি' আৰু 'জয়ন্তী' নামৰ অধুনালুপ্ত কাকত দুখনৰ সম্পাদক আছিল। বিবিধ সভা-সমিতিতো তেখেতে সভাপতি স্বৰূপে বিভিন্ন ভাষণ দিছিল। 'জোনাকী' কাকততে তেওঁৰ প্ৰথম কবিতা প্ৰকাশ পায়। তেখেতৰ কবিতা সমূহ মূলত প্ৰকৃতি বিষয়ক। প্ৰধানকৈ ফুল আৰু চৰাই সম্পৰ্কীয়। এইজনা কবিৰ ৰচনা সমূহ হ'ল - 'সাদৰী' (১৯১০), 'কেতেকী' (১৯১৮), 'কাৰবালা'(১৯২৩), 'দহিকতৰা' (১৯৩১) আৰু 'নৱমল্লিকা' (১৯৫৮)। চৌধুৰীয়ে প্ৰথম স্তৱত ৰচনা কৰা কবিতা সমূহ 'সাদৰী'ত সন্নিৱিষ্ট হৈছে। তেখেতৰ প্ৰকৃতি বিষয়ক কবিতা সমূহৰ ভিতৰত গোলাপ, দহিকতৰা, কেতেকী আদি কবিতা উল্লেখযোগ্য। 'কাৰবালা' কাৰবালাৰ কৰুণ কাহিনীক লৈ ৰচনা কৰা এখন বিখ্যাত কাব্যগ্ৰন্থ। ন্যায়াধীশ হলিৰাম ডেকাই তেখেতক "বিহগী কবি" আখ্যা দিয়ে আৰু কামৰূপ সঞ্জীৱনী সভাই তেখেতক "কবিৰত্ন" উপাধিৰে বিভূষিত কৰে। ১৯৩৫ চনৰ এপ্ৰিলত তেজপুৰত হোৱা অসম সাহিত্য সভাৰ ষষ্ঠদশ অধিবেশনৰ তেওঁ সভাপতি আছিল। তেখেতে কলিকতাত অনুষ্ঠিত "বিশ্ব শান্তি সন্মিলন"ত অংশগ্ৰহণ কৰিছিল। ১৯৫২ চনত তেওঁ সৰ্বভাৰতীয় শান্তি পৰিষদৰ কলিকতাত অনুষ্ঠিত হোৱা অধিবেশনৰ কৃষ্টি শাখাৰ সভাপতি আছিল। ১৯৬০ চনত ভাষা আন্দোলনৰ সময়তো তেখেতে অংশগ্ৰহণ কৰি শ্বিলঙলৈ গৈ মন্ত্ৰীসকলক লগ ধৰি অসমীয়া ভাষাক ৰাজ্যিক ভাষাৰূপে ঘোষণা কৰিবলৈ দাবী উত্থাপন কৰিছিল। ১৯৬৭ চনত এইজনা "বিহগী কবি"ৰ মৃত্যু ঘটে। আজীৱন সাহিত্য সাধনাত লাগি থাকি তেখেতে ঘৰ-সংসাৰ নকৰিলে। তেখেতে তেখেতৰ মানস পুত্ৰ বা পত্ৰিকা সমূহৰ দ্বাৰা চিৰকাল অমৰ হৈ ৰ'ল। ■

# সুস্থ জীৱন গঢ়ি তোলাত যোগৰ ভূমিকা

**কংকন নাথ**
শিক্ষা বিভাগ, ষষ্ঠ ষাণ্মাসিক

স্বাস্থ্য আৰু সুস্থতা হৈছে জীৱনৰ এক অতি গুৰুত্বপূৰ্ণ দিশ। য'ত শাৰীৰিক আৰু মানসিক ভাৱে সুস্থ শৰীৰ থকাটো অন্তৰ্ভূক্ত থাকে। নিয়মীয়া যোগ-ব্যায়ামৰ সহায়ত এজন ব্যক্তিয়ে তেওঁৰ জীৱনত সুস্থ স্বাস্থ্য গঢ়ি তুলিব পাৰে। প্ৰকৃততে যোগ হ'ল আমাৰ জীৱনৰ সুস্থতা গঢ়ি তোলা এক পথ। এই যোগ শাৰীৰিক সুস্থতাৰ ক্ষেত্ৰত বহুতো উপকাৰ সাধন কৰে।

অতীজৰ পৰাই যোগ দৰ্শন ভাৰতবৰ্ষত প্ৰচলন হোৱা দেখা যায়। প্ৰাক্-বৈদিক যুগতো যোগৰ প্ৰচলন হোৱা বুলি জানিব পৰা যায়। যিহেতু পতঞ্জলি মুনিয়ে যোগ দৰ্শন ৰচনা কৰিছিল, গতিকে পতঞ্জলিক প্ৰধান হিচাপে ইয়াক পতঞ্জলি দৰ্শন বোলে। বৰ্তমান যুগত যোগ দৰ্শন মহৰ্ষি পতঞ্জলি নামেৰে জনা যায়। যোগ দৰ্শনৰ ওপৰত প্ৰথম পুথি হৈছে যোগ শাস্ত্ৰ।

যোগ শব্দটো সংস্কৃত শব্দ 'যোজ' ৰ পৰা আহিছে। ইয়াৰ অৰ্থ হৈছে 'জোৰা লগোৱা' অথবা 'সংযোগ কৰা'। আধ্যাত্মিক ফালৰ পৰা এই শব্দটো আত্মা আৰু পৰমাত্মাৰ মিলনৰ বিধি ৰূপে প্ৰয়োগ কৰা হয়। আত্মাটো শৰীৰৰ ভিতৰতেই সীমাবদ্ধ। যেতিয়াই এই সীমা অতিক্ৰম কৰি পৰমাত্মাক লগ পায়, তেতিয়াই শৰীৰৰ পৰা পৃথক হৈ পৰে। সাংসাৰিক তথা শাৰীৰিক দুয়োটা দৃষ্টিৰে যোগ মহত্বপূৰ্ণ। যোগ সাধনাৰ দ্বাৰা মনুষ্যত্বৰ অন্তৰ্নিহিত শক্তি সমূহ জাগ্ৰত হয়। যোগ সাধনাত আৰম্ভণি মূখ্যতঃ মনক নিয়ন্ত্ৰণ কৰাৰ প্ৰক্ৰিয়াৰে আৰম্ভ হয়। এই মনেই হৈছে মানুহৰ সমস্ত গতি বিধিৰ কেন্দ্ৰ আৰু বৰ্হিবিশ্বৰ পৰা আভ্যান্তৰীণ বিশ্বত প্ৰৱেশ কৰাই হ'ল 'ধ্যান'। মানুহ এজনৰ জীৱনটো সুস্থতা ৰাখিবলৈ তথা শৰীৰ সুস্থ, ৰোগমুক্ত, শক্তিশালী, উজ্বল আৰু সক্ৰিয় কৰি ৰাখিবৰ বাবে যোগাসন হ'ল আটাইতকৈ উত্তম বিধি। এই যোগাসনৰ দ্বাৰা শৰীৰৰ অংগৰ ব্যায়াম হয়। যিয়ে শৰীৰক শিথিল আৰু সক্ৰিয় কৰি তোলে ই কোষ্ঠ-কাঠিন্যতা নিৰাময় কৰে।

মানুহ এজনৰ জীৱনত শৰীৰৰ বাবে যোগাসনৰ মহত্ব যিমান, প্ৰাণায়ামো সিমানেই মহত্বপূৰ্ণ। যোগাসনৰ দ্বাৰা শৰীৰৰ শুদ্ধি হয়। যাৰ ফলত বল বৃদ্ধি হয় আৰু শৰীৰেও অতিৰিক্ত শক্তি লাভ কৰে। প্ৰাণায়ামৰ দ্বাৰা মনৰ চঞ্চল প্ৰবৃত্তি নিয়ন্ত্ৰণ কৰিব পাৰি। যাৰ দ্বাৰা ব্যক্তি গৰাকীয়ে জীৱনত মানসিক শান্তি লাভ কৰিব পাৰে। শৰীৰ সতেজ আৰু শক্তিশালী হৈ থাকে। মুখমণ্ডলৰ উজ্জলতা বৃদ্ধি হয়। পাচন ক্ৰিয়া সম্পূৰ্ণ সুন্দৰভাৱে হয়। যাৰ পৰৱৰ্তী মুহূৰ্তত ব্যক্তিয়ে জীৱনটোত বৃদ্ধা অৱস্থা পলমকৈ লাভ কৰে। প্ৰাণায়ামৰ দ্বাৰাও শৰীৰৰ মেদ বহুলতা আঁতৰ কৰি ব্যক্তিয়ে শৰীৰৰ বহুতো ৰোগ নিৰাময় কৰিব পাৰে। আমি জানো যে যোগে ব্যক্তি এগৰাকীৰ জীৱনটো সুস্থতাৰে গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এই যোগাসন নিৰ্দিষ্ট কিছুমান উদ্দেশ্যৰ ওপৰত সাফল্যমণ্ডিত। তলত এই সম্পৰ্কে উল্লেখ কৰা হ'ল-

(ক) যোগে ব্যক্তি ওজনৰ সুস্থ মানসিকতা গঢ়ি তোলে যাৰ পৰিপ্ৰেক্ষিতত সুস্থ মনৰ সৃষ্টি হয়। আৰু সুস্থ মনৰ দ্বাৰা এজন ব্যক্তি ভাল স্বাস্থ্যৰ অধিকাৰী হৈ উঠে।

(খ) যোগাসনৰ দ্বাৰা ব্যক্তিয়ে ইতিবাচক মনোভাৱ, চিন্তাধাৰা

সৃষ্টি কৰিব পাৰে। যিয়ে সদৰ্থক ভাৱে জীৱনত প্ৰতিটো স্তৰত সফলতা অৰ্জন কৰিব পাৰে।

(গ) যোগাসনৰ দ্বাৰা মনত শান্তি বিস্তাৰ কৰা, তথা আধ্যাত্মিকতাৰ প্ৰতি আকৰ্ষিত কৰা। ব্যক্তিক মানসিক শান্তি প্ৰদান কৰি সুস্থ মানসিকতাৰে আত্ম উপলব্ধি কৰিব পৰা গুণাগুণ এই যোগাসনৰ পৰা পোৱা যায়।

(ঘ) যোগ চৰ্চাৰ ফলত ব্যক্তিৰ শাৰীৰিক-মানসিক, বৌদ্ধিক আৱেগিক আৰু আধ্যাত্মিক উৎকৰ্ষ সাধন হয়। শাৰীৰিক সুস্থতা লাভ কৰাৰ উপৰিও, আৱেগিক দিশত সবল হোৱা, আধ্যাত্মিকতাবোধ সৃষ্টি কৰা দেখা যায়।

(ঙ) যোগাভ্যাসে আমাৰ মাজত আত্ম মৰ্যদা বঢ়ায়। কঠোৰ পৰিশ্ৰম, নিচাযুক্ত সামগ্ৰী গ্ৰহণৰ ফলত হোৱা ৰুগ্ন স্বাস্থ্যৰ ফলত আত্মমৰ্যদা কমি আহে। কিন্তু যোগে আমাক দয়া, সাধুতা, পৰানুভূতি প্ৰদান কৰে।

ইয়াৰোপৰি যোগাসনৰ দ্বাৰা অসংক্ৰমনতা আৰু প্ৰতিৰোধ ক্ষমতা বিকাশ কৰা, কৰ্মদক্ষতা বিকশাই তোলা, দেহ, মন, আত্মাৰ লগত সমন্বয় অনা আদি কৰ্ম সম্পূৰ্ণ কৰে। এই যোগৰ মূলতে ব্যক্তিৰ নিৰোগী জীৱন ভগৱানৰ আশীৰ্বাদপুষ্ট এক জীৱনলৈ পৰিৱৰ্তিত অনা অন্য এক উদ্দেশ্য।

ওপৰোক্ত আলোচনাৰ পৰা বুজিব পাৰো যে যোগাসন ব্যক্তি এজনৰ দৈনন্দিন জীৱনত বাৰুকৈয়ে প্ৰয়োজনীয়। এই যোগচৰ্চা মানৱ জীৱনৰ বিভিন্ন ক্ষেত্ৰত শাৰীৰিক, মানসিক, বৌদ্ধিক আদি দিশৰ সমস্যাৱাজি সমাধানত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বিভিন্ন প্ৰকাৰৰ যোগাভ্যাসৰ যেনে ঃ জ্ঞানযোগ, কৰ্মযোগ, হঠযোগ, ধ্যানযোগ আদিৰ যোগেদি বহুতো ৰোগ নিৰাময় কৰি সুস্থ আৰু স্বাভাৱিক জীৱন লাভ কৰিব পাৰে। বৰ্তমান দেশৰ নৱপ্ৰজন্মই এই যোগাভ্যাসৰ যোগেদি সুন্দৰ স্বাস্থ্যৰ অধিকাৰী হোৱাৰ লগতে বৌদ্ধিক বিকাশ স্মৃতিশক্তি, ধৈৰ্য্যশক্তি আৰু ভাল চৰিত্ৰ গঠন কৰিব পাৰে। আন আন কু-কৰ্ম পৰিহাৰ কৰি জীৱন পৰিক্ৰমটো সুন্দৰকৈ চলাই নিব পাৰে। ব্যক্তি এজনৰ দৈনন্দিন কৰ্মৰ মাজত অধিক ক্লান্ত অনুভৱ কৰে, কিন্তু এই যোগাভ্যাসৰ দ্বাৰা ধৈৰ্য্য আৰু সহনশীলতা বৃদ্ধি কৰি কৰ্মদ্যোমে বৃদ্ধি কৰে। যোগে শাৰীৰিক, মানসিক, আধ্যাত্মিক প্ৰশিক্ষণৰ দ্বাৰা গঠিত হস্তক্ষেপমূলক প্ৰক্ৰিয়াৰ এক শংখলা, যি মানুহক প্ৰয়োজনীয়তা পূৰণ কৰাৰ বাবে সামগ্ৰিক আৰু প্ৰণালীবদ্ধ দৃষ্টিভংগী প্ৰদান কৰে।

সুস্থ জীৱন যাপনত যোগৰ ভূমিকা অতি দৰকাৰী। বৰ্তমান সময়চোৱাত লোক সকল জীৱনৰ সকলো ক্ষেত্ৰত বৃদ্ধি পোৱা ভিন্নমূখী চাপৰ ফলত জীৱন উপভোগ্য কৰা প্ৰক্ৰিয়া অচল আৰু প্ৰত্যাহ্বান মূলক হৈ পৰিছে। সুখী আৰু সুন্দৰ জীৱন অতিবাহিত কৰা দুৰ্বাৰ আকাংক্ষাক সফলভাৱে ৰূপায়িত কৰাৰ বাবে এক কৌশল পূৰ্ণ প্ৰস্তুতি অত্যাৱশ্যকীয়। য'ত যোগাভ্যাস অতি গুৰুত্বপূৰ্ণ। যোগ সাধনৰ বাবে লাগতিয়াল ব্যায়াম কৰা উচিত। সেয়ে যোগাভ্যাসৰ নীতি নিয়মবোৰ পালন কৰি শাৰীৰিক ভংগীমা আসন, প্ৰাণায়াম, মুদ্ৰা, ধ্যান আদিৰ মাজেদি জীৱনৰ সকলো দিশ আৰু শৈলীক স্বাভাৱিক ৰূপত গঢ়ি তুলিব পাৰি। যোগ উদ্দেশ্যপূৰ্ণ জীৱন যাপনৰ বাবে এক পৱিত্ৰ উপায়। যাৰ যোগেদি সুখী আৰু সুস্থ জীৱন যাপন কৰিব পাৰো। ইয়াৰ যোগেদি ব্যক্তিয়ে সত্য, জ্ঞান, আত্মউপলব্ধি লাভ কৰে।

সামৰণিত ইয়াকে ক'ব পাৰি যে বৰ্তমানৰ জটিল জীৱন প্ৰক্ৰিয়াত মানুহে প্ৰতিফলিত ভিন্নচাপৰ সৈতে মোকামিলা কৰি নিপুণতাৰ জীৱনটোক উপভোগ্য আৰু সুনিয়াৰিকৈ আগবঢ়াই নিবলৈ হ'লে যোগাভ্যাস প্ৰতিগৰাকী ব্যক্তিৰে জীৱনশৈলীৰ অংশ হৈ পৰাটো উচিত। সেই হেতুকে ক'ব পাৰো যোগাসন সৈছে সামগ্ৰিক জীৱনৰ প্ৰয়াস। ■

# মূল্যবোধ শিক্ষা আৰু ইয়াৰ প্ৰয়োজনীয়তা

**হুছমা খাতুন**
স্নাতক ষষ্ঠ ষাণ্মাসিক

**আৰম্ভণি ঃ**

বৰ্তমান আমাৰ সমাজৰ পৰা ক্ৰমান্বয়ে নৈতিক, আধ্যাত্মিক তথা সৌন্দৰ্য্যবোধমূলক মানৱীয় মূল্যবোধ হ্ৰাস পাই আহিছে যাৰ ফলস্বৰূপে সমাজৰ মানুহৰ মাজত খিয়লা খিয়লি, অবিশ্বাস, সন্দেহ-প্ৰৱণতা আদি দেখা দিয়াৰ লগতে বিশৃংখলতাৰ সৃষ্টি কৰিছে। বিভিন্ন জাতি, ধৰ্মীয় গোষ্ঠী আদিৰ মাজত সামাজিক দূৰত্ব বাঢ়ি অহাৰ কাৰণে সংঘাতৰো সৃষ্টি হৈছে। এনেধৰণৰ সমস্যা সমাধানৰ ক্ষেত্ৰত শিক্ষাই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। কিন্তু যদি আমি প্ৰাচীন ভাৰতীয় শিক্ষা ব্যৱস্থালৈ লক্ষ্য কৰোঁ তেতিয়া দেখিম যে সেই শিক্ষা ব্যৱস্থাত মূল্যবোধৰ শিক্ষাৰ প্ৰসংগ উত্থাপিত হোৱা নাছিল। মূল্যবোধ শিক্ষা প্ৰদানত গুৰুত্ব প্ৰদান কৰা নাছিল। এই বাবেই যে সেই শিক্ষা ব্যৱস্থাত জীৱনৰ বাবে প্ৰয়োজনীয় বিভিন্ন প্ৰমূল্যক সেই সময়ৰ শিক্ষা ব্যৱস্থাই শিক্ষাৰ্থীৰ সন্মুখত সাৰ্থক ভাৱে দাঙি ধৰিব পাৰিছিল।

কিন্তু বৰ্তমান সময়ৰ শিক্ষা ব্যৱস্থাত মূল্যবোধ শিক্ষা প্ৰদানৰ এক বিশ্বজোৰা জাগৰণৰ সৃষ্টি হৈছে। নতুন প্ৰজন্মক মূল্যবোধ শিক্ষাৰে শিক্ষিত কৰাৰ বাবে সকলো আগ্ৰহী হৈ পৰিছে। মূল্যবোধ শিক্ষাৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰাৰ আগতে মূল্যবোধৰ ধাৰণা সম্বন্ধে জ্ঞাত হোৱাটো প্ৰয়োজন।

মূল্যবোধ শিক্ষা হৈছে এক আকৰ্ষণীয় আৰু অপৰিহাৰ্য বিষয় তথা ব্যক্তিয়ে বাস কৰা সমাজৰ উচ্চ মৰ্যদাৰ লগতে ই সম্বন্ধিত হৈ থাকে। মূল্যবোধে ব্যক্তিৰ জীৱনৰ গুণমান বৃদ্ধি কৰে। মূল্যবোধে ব্যক্তিজনৰ চৰিত্ৰত আৰ্থ আৰু সবলতা প্ৰদান কৰে। মূল্যবোধ ব্যৱস্থা হ'ল সমাজ এখনৰ বাবে মেৰুদণ্ড স্বৰূপ। সমাজভেদে আৰু সময় অনুসৰি মূল্যবোধ বেলেগ বেলেগ হ'ব পাৰে। মূল্যবোধ হ'ল আচৰণ আৰু চিন্তাৰ বিমূৰ্তি আৰু সাধাৰণকৃত ৰূপ যাৰ প্ৰতি মানুহ অত্যন্ত আবেগিক আৰু ইতিবাচক ভাৱে প্ৰতিশ্ৰুতিবদ্ধ হয়।

মূল্যবোধ শিক্ষা সম্পৰ্কে বিভিন্ন দাৰ্শনিক, শিক্ষাবিদ, চিন্তাবিদ আৰু বিশেষজ্ঞ সকলে তলত দিয়া ধৰণে সংজ্ঞা আগবঢ়াইছে-

আলপোৰ্ট (Alport) ৰ মতে - "মূল্যবোধ হ'ল এজন মানুহে অগ্ৰাধিকাৰৰ দ্বাৰা কৰি যোৱা কৰ্মৰাজিৰ ওপৰত বিশ্বাস"।

মূল্যবোধ শব্দটো ইংৰাজী প্ৰতিশব্দ 'Value' । এই 'Value' শব্দটো লেটিন শব্দ 'Valare' ৰ পৰা আহিছে যাৰ অৰ্থ হ'ল- 'To be strong' অৰ্থাৎ শক্তিশালী বা যোগ্য হোৱা। মূল্যবোধৰ বৈশিষ্ট্য সমূহ তলত আলোচনা কৰা হ'ল-

* মূল্যবোধ এক জৈৱ মানসিক প্ৰৱণতা, কিন্তু ইয়াৰ বহিঃ প্ৰকাশৰ নিৰ্দিষ্ট কোনো বস্তুগত বা ধাৰণাগত মাধ্যম নাই।
* মূল্যবোধ ব্যক্তিৰ আচৰণ নিয়ন্ত্ৰণ কৰে। ভিন্ন ভিন্ন পৰিস্থিতিত বিভিন্ন আচৰণ প্ৰদৰ্শন কৰাত ব্যক্তিৰ মূল্যবোধৰ প্ৰতিফলন ঘটে।
* মূল্যবোধৰ বিকাশ সামাজিক পৰিৱেশৰ ওপৰত নিৰ্ভৰশীল। যি সামাজিক পৰিৱেশত ব্যক্তিয়ে বসবাস কৰে সেই সামাজিক পৰিৱেশৰ জৰিয়তে ব্যক্তিৰ মূল্যবোধ প্ৰকাশ পায়।
* মূল্যবোধ পৰিৱৰ্তনশীল। সমাজৰ লগে লগে সমাজৰ

পৰিৱেশৰ পৰিৱৰ্তন ঘটে। সামাজিক মানদণ্ড পৰিৱৰ্তন হয়, যিয়ে মূল্যবোধৰ প্ৰতিফলন ঘটায়।

* মূল্যবোধবোৰ ব্যক্তি এজনৰ জীৱনৰ বাবে মানদণ্ড তাৰ নীতি নিৰ্দেশনা স্বৰূপ যিবোৰৰ যোগেদি ব্যক্তিয়ে নিজৰ জীৱনটো সুস্থ ৰূপত বিকশাই তুলিব আৰু পৰিচালিত কৰিব পাৰে।

* মূল্যবোধ ব্যক্তিৰ অন্তনিহিত বা জন্মগত গুণ নহয়। এইবোৰ ব্যক্তিৰ আৰ্জিত গুণ আৰু সমাজ সংস্কৃতি, প্ৰতিষ্ঠান আৰু ব্যক্তিগত অভিজ্ঞতাৰ দ্বাৰা এইবোৰ নিৰ্ধাৰিত হয়।

মানৱ জীৱনত মূল্যবোধৰ মূল্য অপৰিসীম। মূল্যবোধ অবিহনে সমাজ জীৱনৰ কোনো গুৰুত্ব উপলব্ধি কৰিব নোৱাৰি। আধুনিক সমাজৰ এক জ্ঞাত সত্য হ'ল মানৱীয় মূল্যবোধৰ সংকট। মূল্যবোধে আমাৰ সমাজত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। কিয়নো মূল্যবোধক উন্নত জীৱন-যাপনৰ বাবে মানুহৰ ভিত্তি স্বৰূপে বিবেচনা কৰা হয়। সেয়ে মূল্যবোধৰ প্ৰয়োজনীয়তা সম্পৰ্কে তলত আলোচনা কৰা হ'ল-

- আমাৰ সমাজত মূল্যবোধৰ অভাৱৰ ফলত যুৱ প্ৰজন্মৰ মাজত সঘনাই হত্যা, ধৰ্ষণ, সংঘৰ্ষ আদি অসামাজিক ঘটনাবোৰ ঘটি থকা দেখা যায়। সমাজৰ পৰা এই দুৰ্ঘটনাবোৰ নোহোৱা কৰাৰ বাবে মূল্যবোধৰ প্ৰয়োজন।

* মূল্যবোধে ব্যক্তিৰ ব্যক্তিত্ব গঠন কৰে। সেয়ে ব্যক্তিৰ জীৱনত বিভিন্ন মানৱীয় মূল্যবোধ যেনে দয়া, মমতা ভাতৃত্ববোধ, বন্ধুত্ব, সহযোগিতা আদি গুণসমূহ বিকশাই তোলাৰ ওপৰত গুৰুত্ব দিব লাগে।

* মূল্যবোধে ব্যক্তিৰ চিন্তা-ভাৱনা, অনুভূতি ক্ৰিয়াকলাপ আদি প্ৰভাৱিত কৰে আৰু জীৱনত আনন্দ, তৃপ্তি, সুখ-শান্তি আৰু গুণমান আদিক সংলগ্ন কৰে।

* সমাজ এখনত শান্তি, শৃংখলা বজাই ৰাখিবৰ বাবে মূল্যবোধৰ অতি প্ৰয়োজন।

* মূল্যবোধবোৰ হ'ল নৈতিকতাৰ চেতনা যিবোৰ প্ৰতিটো প্ৰজন্মই নিজৰ লগতে পৰৱৰ্তী প্ৰজন্মৰ কল্যাণৰ বাবে বিকশাই তোলে।

ওপৰত উল্লেখ কৰা কথাষাৰৰ পৰা ক'ব পাৰো যে মূল্যবোধ শিক্ষা ব্যক্তিৰ জীৱনৰ এক অবিচ্ছেদ্য অংশ। ইয়াত মূল্যবোধ সম্বন্ধীয় বিভিন্ন দিশবোৰৰ বিষয়ে বহলাই আলোচনা কৰা হৈছে। ওপৰত কৰা আলোচনাৰ উদাহৰণ স্বৰূপে ক'ব পাৰি যে মূল্যবোধে ব্যক্তিৰ দেহ মানসিক স্বাস্থ্যৰ লগতে সমযোজন আৰু সামাজিক কল্যাণত সহায় কৰে। বৰ্তমান বিশ্বায়নৰ যুগত ব্যক্তিয়ে নিজকে আগুৱাই নিবৰ বাবে মূল্যবোধ অপৰিহাৰ্য। মূল্যবোধ অবিহনে মানৱ জীৱন অসম্পূৰ্ণ।

শিক্ষাৰ উদ্দেশ্য হৈছে এক সংগঠিত সমাজ গঢ়ি তোলা মূল্যবোধ শিক্ষাই এই ক্ষেত্ৰত যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। আনুষ্ঠানিক বা অনানুষ্ঠানিক ভাৱেই হওক মূল্যবোধ শিক্ষাই সততা, বিশ্বাসযোগ্যতা, ন্যায় ইত্যাদি নৈতিক আচৰণ বিকশাই তোলাত সহায় কৰাৰ লগতে সামাজিক দায়বদ্ধতা প্ৰতিপন্ন কৰাত সহায় হয়। আচৰণৰ নিৰ্দিষ্ট নীতি-নিয়ম শিক্ষাৰ্থীয়ে মানি চলিব লগীয়া অনুকূল পৰিৱেশ- এই সকলোবোৰেই মানৱ আচৰণ গঢ় দি তোলাত সহায় কৰে।

ৰবীন্দ্ৰনাথ ঠাকুৰৰ মতে "এজন শিক্ষকে কেতিয়াও প্ৰকৃতভাৱে শিকাব নোৱাৰে যদিহে তেওঁ নিজে শিক্ষা লাভ কৰি নাথাকে।" সেয়েহে আমাৰ শিক্ষা ব্যৱস্থাৰ লক্ষ্য হ'ব লাগে মূল্যবোধ শিক্ষা সকলো পৰ্যায়তে প্ৰদান কৰা যাতে সমাজৰ উপযোগী আদৰ্শ মানৱ গঢ়ি তুলিব পৰা যায়। সেয়েহে মূল্যবোধ শিক্ষাৰ ওপৰত গুৰুত্ব দিব লাগে। ■

# সন্তোষৰ হাঁহি

**বৰষা ৰাভা**
প্ৰাক্তন ছাত্ৰী, ৰংজুলি, গোৱালপাৰা

পুৱাৰ কোমল ৰ'দত শিল এচটাত বহি নিহাৰিকা একান্তমনে গা পিহি আছে। ভৰিৰ ফাটি যোৱা গড়হা দুখন শিলচটাত যিমান পাৰে সিমান ঘঁহিছে, মলিয়ন কলা নখকেইটা লগত লোৱা নেমুৰে বগা ধুনীয়া কৰিবৰ বাবে যেন আপ্ৰাণ চেষ্টা কৰিছে। মাজতে অলপ বৈ আকাশলৈ এপলক চাইছে। আকৌ বাল্টিটোত আঙুলিকেইটাৰে পানীখিনি লিৰিকি বিদাৰি...

"অনুভৱী হিয়াত তোমাৰে শিহৰণ
জোনাকী সন্ধিয়াৰ সেমেকা এই মন
উজাগৰী নিশা তোমাৰে
আগমন...!!"

এই একেটি গানকে ঘূৰাই পকাই বাৰেপতি গাই আছে। কাষত তামোল ঢকুৱাৰে বন্ধা সৰুকৈ এটা গা ধোৱা ঘৰ আছে যদিও বেছিভাগ তাই কুঁৱাৰ পাৰত পৰা সেই শিলচোটাতে বহি গা ধোৱে। শিলটোৰ ইতিবৃত্তৰ কথা তাই নাজানে। জন্ম হোৱাৰে পৰা দেখি আহিছে। সেই শিলচটাতে তাই গা ধোৱে, কাপোৰ ধোৱে, বাচন ধোৱে...। সঘন ব্যৱহাৰৰ ফলত শিলচটা ক্ষয় হৈ মসৃণ হৈছে। এনেতে মাকে চোতালত শুকাই দিয়া তিতা কাপোৰ এখন দাঙি চিঞৰি ক'লে -

ঃ তোৰ গা ধোৱা হ'ব নে আজি? মই ওলালোৱে নহ'লে মালিকৰ আজিও গালি খাব লাগিব!

ঃ এই হ'লেই ৰবা মা!

ঃ ভাতকেইটা বনাই থবি গৰুটোক পানী খুৱাবলৈ নাপাহৰিবি!

ঃ উম হ'ব মা!

জোনাকভৰা এটি সন্ধিয়া। বাৰান্দাত ধিমিক ধিমিককৈ এগচি চাকি, নিহাৰিকাৰ মাকে বাঁহৰ বিচনী এপাত লৈ চোতালৰ একাষত বহি আছে... বিচনীখনে কেৰ্কেৰ্ শব্দ কৰিছে, মিহিকৈ বলা উৰুঙা বতাহজাকে মাজে মাজে আহি চিকিগচিক কোবাইছেহি, ভেকুলী বোৰেও ৰৰকৈ টোৰটোৰাইছে... খুব সম্ভৱ বৰষুণ দিব। ভিতৰৰ পৰা নিহাৰিকা ওলাই আহি মাকৰ কাষতে বহিলে! কিছুসময় পিছত নিৰৱতা ভংগ কৰি নিহাৰিকাই মাকক ক'লে -

ঃ মা বিণিৰ ককায়েকৰ বিয়া চোন আহিলেই, তুমি কি ভাবিছা?

ঃ নভবা নহয় ভাবিছোঁ, তোৰ দেউতাৰে মৃত্যুৰ আগতে দিয়া এযোৰ মেখেলা চাদৰ আছে! মই এবাৰে পিন্ধিছো, তই তাকেই পিন্ধিবি দে সোণ।

ঃ কিন্তু দেউতা ঢুকোৱাটো আজি পাঁচবছৰেই হ'বৰ হ'ল।

ঃ মই ৰামু ককাৰ দোকানত স্ত্ৰী কৰি আনি দিম নহয়, চাবা নতুন যেনেই লাগিব।

ঃ কিন্তু মা মিলিব জানো? ৰিণি, লগৰবোৰৰ লগত, লগৰ সকলোবোৰেই নতুন কাপোৰ লৈছে।

ঃ লাগ বুলিলে কেনেকৈনো দিওঁ সোণ হাজাৰ বাৰশটকীয়া কাপোৰ

ঃ আজি তাই ফোন কৰিছিলে, তাই আজিয়ে যাবলৈ দিছিলে... কেনেবাকৈ জনালো!! সৰুৰে পৰা একেলগে পঢ়িছোঁ, একেলগেই ডাঙৰ হৈছোঁ কেনেকৈনো নাযাও কওঁ, কিন্তু লগৰবোৰৰ লগত মিলাব পৰাকৈ মোৰ দেখোন একোৱেই নাই মা! আজিকালিৰ বিয়াবোৰ জানাই বিয়া নহয় যেন ফেশ্বন

প্ৰতিযোগিতাহে!! অকল কাপোৰযোৰ হ'লেওতো নহয়... কাপোৰযোৰৰ লগত মিলাকৈ ক'তো যে কি লাগে?

ঃ হ'ব দে সোণ, কালি মালিকৰ পৰা দুদিনৰ পইছা আগতীয়াকৈ লৈ তোৰ কাৰণে কিবা আনিম। তাই মাথোঁ মাকৰ চকুলৈ চাই নিমাত হৈ ৰ'ল!

পিছদিনা সন্ধিয়া মাকে কামৰ পৰা আহি বজাৰৰ মোনাখন বাৰান্দাৰ গজালত ওলোমাই থৈ হাত-ভৰি ধুবলৈ কুঁৱাৰ পাৰলৈ গ'ল। নিহাৰিকাই বৰ উৎকণ্ঠাৰে মোনাখন চাই দেখিলে এপেকেট মেৰী বিস্কুট আৰু আলু কেইটামানৰ লগতে ক'লা পলিথিনত কিবা এটা আনিছে। তাই লৰালৰিকৈ খুলি চাই দেখিলে এডাল দহ টকীয়া কাজল লগতে ত্ৰিচটকীয়া ৰঙা লিপষ্টিক এটা, তাইৰ মুখখনিত আধাফুটা হাঁহি এটি বিৰিঙি উঠিল যদিও দুচকু সেমেকি লোতকেৰে উপচি পৰিল।

মাকে গা মচি মচি তাইৰ ওচৰত আহি বৰ উৎকণ্ঠাৰে সুধিলে "চাচোন চা মাজনী লিপষ্টিকটো কেনেকুৱা? কাজলডাল থিকে আছেনে?" কাপোৰযোৰ ৰঙা নহয় জানো তোৰ? সেইবাবে মিলাকৈ ৰঙাটোকে আহিছোঁ মই।

তাই লৰালৰিকৈ সেমেকি থকা চকুহাল মোহাৰি ফুটো নুফুটো হাঁহি এটি মাৰি "বৰ ভাল লাগিছে অ মা"বুলি কৈয়ে ভিতৰলৈ গ'ল!

তাইৰ মাক কাজল আৰু লিপষ্টিকটোৰ মাজতে সীমাবদ্ধ। তাৰ উপৰিও আজিকালি কতো কিমান যে ৰূপসজ্জাৰ সামগ্ৰী আছে তাইৰ মাকে সেইবোৰ চুকিয়ে নাপায়। মনতে ভাবিলে কিমান যে সৰল নিৰ্ভেজাল তাইৰ মা। বিয়াবোৰ যেন আজিকালি একো একোখন ফেশ্বন প্ৰতিযোগিতাহে। সাধাৰণ শ্ৰেণীৰ মানুহক পাত্তাই দিব নোখোজে বহুতে। ফেমিলি বেকগ্ৰাউণ্ড, ফেমিলি ইনকাম, ড্ৰেচআপৰ ওপৰতহে আপোনাক বা মোক সন্মান কৰিব। সাধাৰণ শ্ৰেণীৰ লোকে তেনেকুৱা বিয়াত যাবলৈ দহবাৰ ভাবিব লগাত পৰে। তথাপিও তাই সুখী সেইখিনি লৈয়ে। নাই যদিও দিবলৈ চেষ্টা কৰিছে...। মাকে ইস্ত্ৰী কৰি আনি দিয়া মেখেলা চাদৰযোৰ বেগত ভৰাই ওচৰতে বহি থকা মাকক হাঁহি মাৰি ক'লে "মা কাইলৈ যাবলৈ সাজু কৰিলোঁ সকলোখিনি...।" মাকে যেন এটি দীঘলীয়া উশাহ পালে... তাইৰ সেই হাঁহিকণ চাবলৈয়ে যেন ৰৈ আছিল। মাকে মাথোঁ সন্তোষভৰা হাঁহি মাৰি চাই থাকিল তাইলৈ...। মাকৰ দুওঁঠত সন্তোষৰ হাঁহি বিৰিঙি উঠা দেখি তাইও উশাহ সলালে। তাইও মাকৰ সেই হাঁহিকণ চাবলৈয়ে ৰৈ আছিল...। দুয়ো দুয়োৰে চকুত চাই নিৰৱে মাথোঁ হাঁহিছে। একো নাই যদিও যেন সকলো আছে। ■

# গান্ধীজীৰ সত্যান্বেষণ

**ভাগ্যশ্ৰী ৰয়**
স্নাতক দ্বিতীয় ষান্মাষিক, ৰাজনীতি বিজ্ঞান

ব্যক্তি জীৱনত নিজৰ গুণৰাজি বৰ্ণনা কৰাটো সহজসাধ্য নহয়। নিজৰ ভাল ভাল জ্ঞান অভিজ্ঞতাৰ সমাহাৰ প্ৰকাশ কৰিব পাৰি। কিন্তু বেয়া দিশবোৰ আনৰ সমালোচনাৰ বাবেহে লৈ যায়। পিছে ইয়াৰ ব্যতিক্ৰমধৰ্মী আমাৰ বাপুজী। বাপুজীৰ বিষয়ে সৰুৰে পৰা পঢ়ি আহিছোঁ। ২ অক্টোবৰৰ দিনটোত প্ৰত্যেক বছৰে গান্ধীজীৰ বিষয়ে দিয়া বক্তৃতা শুনি হয়টো সকলোৱে কম-বেছি পৰিমাণে হ'লেও তেওঁৰ বিষয়ে জ্ঞাত। ইয়াৰোপৰি শিক্ষা ব্যৱস্থাৰ আৰম্ভণিৰে পৰা পাঠ্যক্ৰমত গান্ধীজীৰ জীৱন পৰিক্ৰমাৰ কথা অন্তৰ্ভূক্ত হৈ আহিছে। বছৰ বছৰ ধৰি ছাত্ৰ-ছাত্ৰী সকলে গান্ধীজীয়ে সত্য আৰু অহিংস নীতিৰে লাভ কৰা ভাৰতৰ স্বাধীনতা আৰু মানৱ সেৱা ইত্যাদি অৱদানৰ বিৱৰণী পঢ়ি আহিছে। মই ভাবোঁ যে তেখেতৰ জন্ম-মৃত্যুৰ ইতিহাস সকলোৱে জ্ঞাত। গতিকে মই সেইবোৰৰ বিষয়ে বৰ্ণনা কৰি পাঠকৰ সময় অপচয় কৰিব নিবিচাৰোঁ। আৰু যদি কোনোবাই গান্ধীজীৰ জীৱন পৰিক্ৰমাৰ বিষয়ে নাজানে তেখেতসকললৈ মোৰ অনুৰোধ ইউটিউব, গুগল, উইকিপিডিয়া আদি ইন্টাৰনেটত উপলব্ধ ৱেবছাইটবোৰত গান্ধীজীৰ বিষয়ে চাৰ্চ কৰিলে গম পাব যে ভাৰতীয় সমাজত তেখেত আচলতে হয় কোন।

জাতিৰ পিতা মহাত্মা গান্ধীৰ আত্মজীৱনীখন যথেষ্ট ব্যতিক্ৰমধৰ্মী। নিজৰ জীৱনত পোৱা-নোপোৱাৰ, সুখ-দুখৰ, মান-অপমানৰ, কৃতকাৰ্যতা-অকৃতকাৰ্যতাৰ ধাৰাবাহিক বিৱৰণ নহৈ, হৈ পৰিছে সত্যান্বেষণৰ এক দলিলস্বৰূপ। নিজৰ ব্যক্তিগত আৰু সামাজিক জীৱনত ঘটা প্ৰতিটো ঘটনাৰ এক নিৰ্মোহ বিশ্লেষণ আৰু আত্ম সমালোচনা কৰি সমাজক উদ্বুদ্ধ কৰি গান্ধীজীয়ে ৰচনা কৰিছে "মোৰ সত্যৰ অন্বেষণ"। এই পুথিখন ভাৰতীয় সাহিত্যত এক অনন্য নিদৰ্শন । গান্ধীজীয়ে নিজৰ সততা, সভ্যতা আৰু আত্ম বিশ্লেষণৰে লিখা এখন পুথি। যিখন পঢ়িলে এনেকুৱা অনুভৱ হয় যে, সঁচাকৈ বাৰু গান্ধীজী তেনেকুৱা আছিল নে? ইমান কষ্ট, ঘাট-প্ৰতিঘাট, তুচ্ছ-তাচ্ছিল্য, অৱজ্ঞাবোৰ কেনেকৈ সহ্য কৰিছিল? কেনেকৈ বাৰু নিজৰ বেয়া গুণবোৰৰ বিষয়ে লিখিব পাৰিলে? (এয়া মোৰ একান্ত ব্যক্তিগত ধাৰণা)।

গান্ধীজীৰ আত্মজীৱনী 'মোৰ সত্যৰ অন্বেষণ' আচলতে তেখেতৰ 'দক্ষিণ আফ্ৰিকাৰ সত্যাগ্ৰহৰ ইতিহাস'ৰ পৰিপূৰক গ্ৰন্থ। দক্ষিণ আফ্ৰিকালৈ বেৰিষ্টাৰী কৰিবলৈ গৈ গান্ধীজীয়ে তাত দেখিছিল চালানী ভাৰতীয় কুলিসকলৰ অবৰ্ণনীয় দুঃসহ জীৱন আৰু শ্বেতাংগ শাসকসকলৰ ঘোৰ বৰ্ণবিদ্বেষৰ চিকাৰ হৈ ভাৰতীয় ব্যৱসায়ী সকলো এই শোষণ-প্ৰতাৰণাৰ চিকাৰ হৈছিল। 'দক্ষিণ আফ্ৰিকাৰ সত্যাগ্ৰহৰ ইতিহাস'ত দক্ষিণ আফ্ৰিকাত গান্ধীজীয়ে সন্মুখীন হোৱা সংঘৰ্ষৰ কাহিনী বিবৃত হৈছে আৰু সেইবাবে চাগে এই আত্মজীৱনীত চমুকৈ হ'লেও দক্ষিণ আফ্ৰিকাৰ সত্যাগ্ৰহৰ বিৱৰণ লিপিবদ্ধ হৈছে।

মূল গুজৰাটী ভাষাত লিখা গান্ধীজীৰ আত্মজীৱনীখনৰ ইংৰাজী আৰু হিন্দী ভাঙনিৰ আধাৰত যথাসম্ভৱ মূলৰ লগত সঙ্গতি ৰাখি অনুবাদক 'ড° ভূপেন্দ্ৰ ৰায়চৌধুৰী' দেৱে অনুবাদ কৰোঁতে অসমীয়া ভাষাৰ কালিকা

অক্ষুণ্ণ ৰখাৰ যথাসম্ভৱ চেষ্টা কৰিছে। সত্যৰ প্ৰতি গান্ধীজীৰ যি নিষ্ঠা আছিল, সেই একেদৰে সত্যনিষ্ঠা, সময়নিষ্ঠা, কৰ্তব্যনিষ্ঠা, সেৱানিষ্ঠা আৰু ৰাষ্ট্ৰনিষ্ঠা তেখেতৰ আত্মজীৱনীখনত সুন্দৰকৈ প্ৰকাশ পাইছে। এই আত্মজীৱনীখনত বিবৃত গান্ধীজীৰ জীৱনৰ কিছু ধ্যান ধাৰণা প্ৰকাশ কৰিবলৈ চেষ্টা কৰিলোঁ। জাতিৰ পিতা মোহনদাস কৰমচান্দ গান্ধী আজিৰ জগতৰ কাৰণে এক বিস্ময় পুৰুষ। মহামানৱ সত্যৰ পূজাৰীৰ বিষয়ে কিছু লিখোঁতে যদি কিবা অবাঞ্ছিত ভুল-ভ্ৰান্তি হৈ যায় তাৰ বাবে মই পাঠকৰ ওচৰত ক্ষমা বিচাৰিছোঁ।

"গান্ধীজী আছিল ঋষি তুল্য। তেওঁ ইমান নিৰ্মল, ইমান মুক্ত আছিল যে মানুহৰ মাজত সুপ্ত হৈ থকা পশুৰ কামনা তেওঁৰ ভিতৰত বিন্দু মাত্ৰাও নাছিল।"

- ৰোমাঁ ৰোলাঁ। ■

তথ্য সংগ্ৰহ ঃ

মোৰ সত্যৰ অন্বেষণ - অনুবাদক - ড° ভূপেন্দ্ৰ ৰায়চৌধুৰী

# Taste of Nagaland

**Bornali Boro**
**T.D.C 6th Semester**

All that you didn't understand about Nagaland's food decoded. The food of Nagaland is known for its variety and simplicity. Being one of the major states in the North Eastern part of India, it is an important tourist site for its beautiful scenery and most important food. Naga food is considered spicy due to their love for the most famous king chilli (known as raja mircha in the North East). I am going to give you all a brief idea on the ingredients used to make these delicious dishes and a few names of dishes.

**BAMBOO SHOOT:-** It is an important ingredient in almost the whole of the North-East preparation. The Bamboo Shoot is used in both dried and fermented form. It gives a litile sour flavor to the dishes. One of the popular dishes are that use bamboo shoot as an important ingredient is pork with bamboo shoot.

**AXONE (fermented soya bean):-** It is used by almost every household in Nagaland. It comes in powdered form and cake form. There are many uses for these fermen ted soya beans. Some important and popular ones are : it is used along with vegetables for making stew. Most importantly favourite dishes with axone are: smoked pork in Axone, dried river fish with Axone, dried beef and Axone.

**ANISHI (dry colocasid stems and leaves):-** You may know it as 'Kochu'. Anishi is also known as Arbi in Hindi is an important ingredient as well. Its stem and leaves are used to make various stews and add extra flavor. Anishi is mostly used by the Ao tribe of Nagaland . It is best cooked with either fresh pork or smoked pork.

**FERMENTED DRY FISH:-** Now one thing we should remember is most of the food of the North-East contains something fermented. I personally love the North-eastern dishes because of the fermented teste. Dry fish is mainly used for making chatni or is cooked with colocasia (Anishi) 'Kochu' or potatoes or other vagetables.

I have mentiended the ingredients of N.E dishes, now discuss the dishes.The food may not sound appetizing but trust me it too tasty.

**SAMATHU:-** When Axone is used in smoked pork, it is made into a thick curry with the use of a chilli power called samathu which is a vital part of the dish making it more gravy like and most importantly spicy. This dish is prepared mostly in sema/sumi houses in Nagaland and is their signature food which is loved by the people of the tribes. The dish is then slow cooked to give it more flavor and more time to cooked.

**AIKIBEYE:-** It is a dish that comprises of mustärd leaf and colacasia roots (Anishi). 'Kochuthari'. The dish is cooked with very little salt and no species added to give it a bland flavor,making it perfect for being eaten with the tasty spicy non-veg dishes of Nagaland.Very little water is used as this is mostly preferred thick.

**AKINI (Perilla seeds) Chokibo (Snails):-** Doesn't the name say it all as describe in the heading? So, this dish is basically made by roasting and grounding the perilla seeds which is then cooked with paddy field snails. Other things added to the dish while it is being cooked in a littile bit of large piccs of pork and axone.

**BOILED VEGETABLES:-** This is of course " The real dish of Nagaland" Which ever dish you might find yourself eating will always be accompanied by boiled vegetables like spinash,beans,carrot, cabbage, colocasia, leaves etc.

**FISH COOKED IN BAMBOO:-** One of the ways of cooking food is by using bamboo tubes. The fishes are filled inside the tube along with a little bit of spice and allowed to be smoked over fired.Once the fishes are cooked they are ready to be eaten.It you taste this dish you will get a taste of bamboo flavor which will be something different from other dishes.

**BUSH MEAT/DOG MEAT:-** One of the favourite dishes of Naga people is the bush meat.It is considered to be very delicious, by the Naga people. It is cooked in the some process as the pork meat.

**BEEF MEAT:-** Beef meat is eaten by the Naga, but in less quantity. It is cooked by putting red hot chilli and dried vegetables garnish with bamboo shoot and Anishi.

ZUTHO:- Everybody knows what apong is Well, if you don't let me tell you that zutho is a famous rice beer that is made all over the north- east especially famous in Nagaland.

So, now I think you have got some ideas of Naga food. I hope that you would enjoy the on food. Being a food lover, I like to read, write ands taste different food items, I would like to conclude by stating that food items of Nagaland are delicious and tasty. ■

**Reference :**

- Odysseys of plates and patates: Food society and Socielity-n Magaliversas S. Simeon .
- Leaving the land: Idndigenous Migration and Affective labour in India – Kikon Dolly Karlsson G Benget.

# বিজ্ঞানৰ অৰদানৰ মৌলিক প্ৰভাৱ

ৰাজমূল আহমেদ
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

আটাইতকৈ সুন্দৰ ঠাই খন হ'ল আমাৰ ধৰণী খন অৰ্থাৎ পৃথিৱী খন। পৃথিৱীৰ নিৰ্মল বায়ু, পানী আৰু ইয়াৰ প্ৰকৃতিয়ে ইয়াক সুন্দৰ সাজ দিছে।

পূৰ্বতে ধৰণী খন সুন্দৰ হৈ আছিল গছ-গছনি আৰু প্ৰকৃতিৰ প্ৰভাৱত। এতিয়াও পৃথিৱী খন সুন্দৰ হৈ আছে কিন্তু ইয়াৰ কাৰণ মানৱ সভ্যতাৰ বিকাশ। মানৱ সভ্যতা বহুগুণে বিকাশ হৈছে লগতে বিকাশ হৈ আহিছে বৈজ্ঞানিক ধাৰণা। মানুহবোৰে এসময়ত আকাশত উৰি থকা চৰাই দেখিছিল কিন্তু এতিয়া সেই চৰাইবোৰৰ সৈতে উৰি ফুৰিছে। এয়া সম্ভৱ হৈছে একমাত্ৰ বিজ্ঞানৰ বিকাশৰ ফলত। এসময়ত ওখ গছ-গছনি আৰু পৰ্বত-পাহাৰে পৃথিৱী খনক সৌন্দৰ্য্যপূৰ্ণ কৰিছিল কিন্তু এতিয়া এই সৌন্দৰ্য বৰ্তাই ৰাখিছে ওখ ওখ ঘৰ-দুৱাৰ, অট্টালিকাই। নিশাৰ সময়ত যি চন্দ্ৰৰ পোহৰ আহি আমাৰ চকুত পৰিছিল আজি সেই চন্দ্ৰত গৈ মানুহবোৰে পৰ্য্যবেক্ষণ কৰিছে, এয়া একমাত্ৰ বিজ্ঞান বিকাশৰ ফলত।

বিজ্ঞানে সৃষ্টিৰ মূল কিন্তু আজিৰ দিনত বিজ্ঞানে আমাক কি দিছে? সৌন্দৰ্য্যপূৰ্ণ পৃথিৱীৰ লগতে দিছে মৃত্যুৰ আহ্বান। বিজ্ঞানে আমাক পৰমানু বোমা দিছে যিয়ে দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত লাখ লাখ মানুহৰ জীৱন লৈছে। বিজ্ঞানে আধুনিক অস্ত্ৰ দিছে আমাক যিবোৰ এতিয়া মানুহক অত্যাচাৰ কৰা কামত ব্যৱহাৰ হৈ আছে। বিজ্ঞানে দিয়া সামগ্ৰীৰ অসৎ ব্যৱহাৰহে দেখা দি আছে।

বিজ্ঞান সমাজে দিয়া আধুনিক কল-কাৰখানা, পাৰমাণৱিক অস্ত্ৰ, অত্যাধুনিক পৰিবহণ ব্যৱস্থা, আধুনিক যন্ত্ৰ-পাতি ইত্যাদি সকলো সামগ্ৰীয়েই মূল্যৱান। কিন্তু এই বিজ্ঞানৰ অৰদানে পৃথিৱীবাসীক উপকৃত কৰিছে যদিও মৃত্যুৰ সৈতে চিনাকিও কৰিবলৈ গৈ আছে। এই আধুনিক সামগ্ৰীবোৰে সুন্দৰ পৃথিৱীৰ প্ৰকৃতি নষ্ট কৰি আহিছে, যাৰ ফলত বিসংগতিয়ে দেখা দিছে। অত্যাধিক উৎপাদনৰ স্বাৰ্থত খেতি পথাৰত প্ৰয়োগ সাৰে মাটিৰ উৰ্বৰ ক্ষমতা কমাই আনিছে, পানীৰ ধাৰণ ক্ষমতা কমিছে। মানুহৰ উপকাৰৰ বাবে বিজ্ঞানে আগবঢ়োৱা অৰদানবোৰেই পৃথিৱীবাসীক অন্তিম পৰ্যায়লৈ লৈ গৈ আছে। বিজ্ঞানৰ এনে ধৰনৰ প্ৰভাৱৰ ফলত এই সৌন্দৰ্য্যপূৰ্ণ পৃথিৱী এদিন কুৎচিত হৈ পৰিব। এই বিজ্ঞানৰ বিকাশক আমি বিপৰীত মুখি কৰিব নোৱাৰো গতিকে আমি বিজ্ঞানৰ বিকাশৰ সৈতে আগবাঢ়ি যাব লাগিব। বিজ্ঞানৰ এই বিকাশৰ সোঁতত আমি এটা কথা লক্ষ্য ৰাখিব লাগিব যাতে অপকাৰৰ হাৰ উপকাৰতকৈ বহুগুণে কম হয়।

যিসকল বিজ্ঞানীয়ে উপকাৰৰ কথা ভাবি বিজ্ঞান সমাজ আগবঢ়াই লৈ আহিছে সেইসকল বিজ্ঞানীক আমি সদায় শ্ৰদ্ধাৰে স্মৰণ কৰিম। বিজ্ঞানে অন্ধকাৰ সমাজক পোহৰলৈ আনিছে, মানুহৰ চিন্তাৰ বিকাশ ঘটাইছে। এই বিজ্ঞানে নতুন প্ৰজন্মক আধুনিক চিন্তা-ধাৰাৰে সমৃদ্ধ কৰি তুলিছে। বিজ্ঞানে দিয়া পৰমাণু বোমাৰ জৰিয়তে বিপদৰ সৈতে যুজিম, ইয়াৰ দুৰব্যৱহাৰ কৰি সেই বিজ্ঞানী সকলক কেতিয়াও অপমান নকৰোঁ। উন্নত সমাজ, উন্নত জীৱন-যাপনৰ মূলেই হ'ল বিজ্ঞান। ■

# ছাত্ৰ সমাজৰ লক্ষ্য

মণিমা আহমেদ
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

ছাত্ৰ জীৱন অতি মূল্যৱান। এই জীৱন এহাতে জ্ঞান লাভ কৰা আৰু আনফালে কৰ্তব্য আৰু দায়িত্ববোধেৰে উদ্বুদ্ধ হোৱাৰ কাল। ই জীৱন গঢ়াৰ সময়। এই সময়ছোৱাত সময়ৰ সদ্ব্যৱহাৰৰ দ্বাৰা জীৱন মধুময় কৰিব পাৰি। সংযম, শৃংখলা আৰু নিয়মানুৱৰ্তিতাৰ দ্বাৰা পৰিশ্ৰম আৰু অধ্যৱসায়েৰে দেহ-মন আৰু মস্তিষ্কৰ সৰ্বাংগীন বিকাশ কৰাই এই সময়ছোৱাৰ লক্ষ্য হোৱা উচিত। তেতিয়াহে সংসাৰ যুদ্ধক্ষেত্ৰত দক্ষ সৈনিকৰ ভূমিকা গ্ৰহণ কৰিবলৈ যোগ্যতা অৰ্জন কৰিব পাৰি।

ছাত্ৰ-ছাত্ৰী সকলৰ অধ্যায়নেই হ'ল মূল কথা। তপস্যাৰ দৰে অধ্যায়নত মন নিবিষ্ট কৰাৰ কথা ভাৰতীয় আদৰ্শত বাৰে বাৰে কোৱা হৈছে। অধ্যায়নৰ যোগেদিহে মানুহে প্ৰকৃত যোগ্যতা অৰ্জন কৰিব পাৰে। জীৱনৰ বিবিধ অভিজ্ঞতা সুপৰিপক্ক জ্ঞান অধ্যায়নৰ যোগেদিহে লাভ হয়। এই সময়ত দেহত স্বাস্থ্য, মনত অদম্য উৎসাহ, সাহস, বুদ্ধি-বৃত্তি সজাগ হৈ থাকে। এই সময়ছোৱাত পুথিগত বিদ্যা আয়ত্ত্ব কৰাৰ লগে লগে পৰিশ্ৰম আৰু অধ্যৱসায়ৰ যোগেদি পাৰিবাৰিক আৰু সামাজিক নানা ধৰণৰ জনহিতকৰ কাৰ্যত আত্মনিয়োগ কৰি জীৱনক পূৰ্ণ বিকশিত কৰা উচিত। শিক্ষা লাভ বা জ্ঞানাৰ্জন আমাৰ জীৱনব্যাপী সাধনা হ'ব পাৰে কিন্তু শৰীৰ আৰু মনৰ উৎকৰ্ষ সাধন কৰাৰ সময় এইখিনিয়ে। গতিকে এই দুই দিশত ছাত্ৰ সকলে উন্নতি লাভৰ কাৰণে সচেষ্ট হ'ব লাগে।

ছাত্ৰ জীৱন আদৰ্শ অন্বেষণৰ সময়। আদৰ্শবিহীন হ'লে জীৱনত একো উন্নতি লাভ কৰিব নোৱাৰি। ন্যায়, সত্যবাদীতা, পৰোপকাৰী আদি আদৰ্শময় জীৱনৰ সপোন স্বৰূপ। ছাত্ৰ-ছাত্ৰী সকলে এই সু-আদৰ্শ সমূহ পালন কৰিব লাগে। সমাজ আৰু দেশৰ কাৰণে জীৱন উচৰ্গা কৰাৰ প্ৰেৰণা ছাত্ৰ কালতে লাভ কৰি বহু মহাপুৰুষে জীৱনক সুন্দৰ কৰাৰ লগতে সমাজকো সুন্দৰ কৰি তোলা দেখা যায়। তেনে আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হ'ব লাগে। ভৱিষ্যতৰ এজন সু-নাগৰিক হ'বৰ কাৰণে ছাত্ৰ জীৱনত ব্ৰহ্মাচাৰ্য সাধন অতি প্ৰয়োজন। ইয়াৰ যোগেদি মন আৰু শৰীৰ নিৰোগী হয়, দৃঢ়তা অৰ্জন কৰিব পাৰে আৰু গভীৰ মনোনিবেশৰ দ্বাৰা অধ্যায়ন কৰিব পৰা সামৰ্থ লাভ কৰে। এই ব্ৰত পালন কৰিবলৈ হ'লে কু-সঙ্গ পৰিত্যাগ কৰিব লাগিব। টিভি, মোবাইল আদিৰ প্ৰতি অত্যাধিক আকৰ্ষণেও মন অধিক চঞ্চল কৰি তোলে। সেয়ে এইবোৰৰ মাজতে নিজকে বিলাই দিব নালাগে। সংযম, শৃংখলা আৰু নিয়মানুবৰ্তিতাৰ অনুশীলন ছাত্ৰ জীৱনতেই কৰিব লাগে। ভৱিষ্যতৰ সুযোগ্য নাগৰিক ৰূপে দায়িত্ব পূৰ্ণ কৰ্মভাৰ গ্ৰহণ কৰাৰ যোগ্যতা ইয়াৰ যোগেদিয়েই অৰ্জন কৰিব পৰা যায়। ভৱিষ্যতে দেশৰ কৰ্ণধাৰ হ'বলৈ হ'লে এই তিনিটা গুণ কৰ্ষণৰ অতি আৱশ্যক।

ছাত্ৰ-ছাত্ৰী সকলে প্ৰধানকৈ চকু দিব লাগে পঢ়াৰ ওপৰত। পঢ়া কামটো অতি কষ্টসাধ্য আৰু ইয়াৰ একান্ত মনোযোগৰ প্ৰয়োজন। বিভিন্ন বিষয়ত মনোনিবেশ কৰি ইয়াক আয়ত্ব কৰিব নোৱাৰি। তদুপৰি বৰ্তমান সময়ত সামাজিক কামৰ গইনা লৈ বহুত ছাত্ৰই লাহে লাহে ৰাজনীতিতো প্ৰৱেশ কৰা

দেখা যায়। ই জাতিৰ কাৰণে সুস্থ লক্ষণ নহয়। ৰাজনীতি কৰি ক্ষমতা লাভ কৰিলে এজন ডাঙৰ মানুহ হৈ নাযায়। অধ্যায়নৰ যোগেদি এজন উপযুক্ত নাগৰিক নোহোৱাকৈ ৰাজনীতি কৰিবলৈ গ'লে সি অতি তৰল ৰাজনীতিক হে হ'বগৈ। সেয়ে দেশক প্ৰগতিৰ পথেৰে আগুৱাই নিবলৈ শিক্ষা আয়ত্বৰ প্ৰতি সচেষ্ট হোৱা দৰকাৰ।

ছাত্ৰ জীৱনতেই লক্ষ্য স্থিৰ কৰি জীৱন পথত অগ্ৰসৰ হ'ব লাগিব। কেৱল নিজক সৰ্বপ্ৰকাৰে সুখী কৰাৰ আদৰ্শৰ দ্বাৰা পৰিচালিত হৈ জ্ঞান অৰ্জন কৰাটোও ছাত্ৰৰ উদ্দেশ্য হ'ব নালাগে। তেওঁ সেই জ্ঞানৰ যোগেদি যাতে সমাজ আৰু দেশৰ মঙ্গল সাধন কৰিব পাৰে তাৰ প্ৰতি সচেষ্ট হ'ব লাগে। তেতিয়াহে এখন দুৰ্নীতি মুক্ত নিকা সমাজ গঠন হ'ব। ■

# কুলি চৰাই

চুলতানা নাছৰিন
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

অ'কুলি, অ'কুলি,
কুঁউ-কুঁউ-কুঁউ বুলি
আকৌ এবাৰ মাত কুলি,
আকৌ এবাৰ মাত

---

কোনে ক'লে বিহুৰ কথা
কোনে দিলে জান?
লৈ আহিছ শিঙৰ পেঁপা
মউ বৰষা গান।

কবি মিত্ৰদেৱ মহন্তৰ ওপৰোক্ত কবিতা দুফাঁকিয়ে আজিও আমাৰ মনত সোঁৱৰাই দিয়ে এই সহজতে আমাৰ চকুৰ আঁৰত গছৰ ডালত থকা চৰাই জনীৰ চিনাকি সুৰদী মাতটো। সেই কুঁউ-কুঁউ সুৰদী মাতেৰে চিঞৰি ফুৰা চৰাই বিধৰ নামেই কুলি। ইয়াৰ বৈজ্ঞানিক নাম EUDYNAMYS SCOLOPACEA ইহঁতৰ ১২৫ বিধ মান প্ৰজাতি আছে। কুলিৰ মতাটো দেখিবলৈ কাউৰীৰ দৰে কিচকিচীয়া ক'লা যদিও কাউৰীতকৈ লাহী আৰু ফান কোছা দীঘল। মাইকীজনী দেখাত সৰু পাখিৰ ৰং মটীয়া আৰু পাখিবোৰত বগা ফুটফুটীয়া দাগ আছে। চকুৰ মণি দুটা ৰঙা আৰু ঠোঁটটো সেউজীয়া বৰণৰ দেখি। ইহঁতৰ দৈৰ্ঘ্য ১৭ চেমিৰ পৰা ৬৫ চেমি পৰ্যন্ত আৰু ওজন ৩৭ গ্ৰামৰ পৰা ৭০০ গ্ৰাম পৰ্যন্ত হয়।

কুলিয়ে বিভিন্ন গছৰ গুটি ফল-মূল খাই জীৱন ধাৰণ কৰে। কুলি চৰায়ে নিজে বাঁহ নাসাজে। ইহঁত মনে মনে গৈ কাউৰীৰ বাঁহত থকা কণিবোৰ পেলাই দি নিজে কণি পাৰি থৈ আহে। কাউৰীৰ কণিৰ লগত ইহঁতৰ কণি দেখিবলৈ একে। কণিৰ ৰং পাতল সেউজীয়া ওপৰত মুগা দাগ থাকে। কুলি চৰায়ে ১০-১১ টালৈকে কণী পাৰে। কাউৰীয়ে গম নাপাই কুলিৰ কণীবোৰকে উমনি লৈ পোৱালি জোগাই গেলা-পচা বস্তুৰ লগতে মাছ-মাংস আদি খুৱাই ডাঙৰ দীঘল কৰে। পোৱালিবোৰ অলপ উৰিব পৰা হ'লেই মাকে সিহঁতক পলুৱাই লৈ যায়। পিছলৈ মাছ-মাংস বাদ দি কুলি নিৰামিষভোজী হৈ পৰে। ■

# স্মৃতিৰ এখিলা পাত

ছাজিনবি ৰাভা
প্ৰাক্তন ছাত্ৰী

২০১৮ চনৰ মে মাহৰ ২৯ তাৰিখ। এই দিনটোতে সপোনৰ কলেজখনত মই আৰু মোৰ বান্ধৱী পম্পী উপস্থিত হৈছিলোঁ। আমাৰ লগত অহা পম্পীৰ বাইদেউ (প্ৰাক্তন ছাত্ৰী)ক অনুসৰণ কৰি লাজে ভয়ে প্ৰথমটো খোজ দিছিলোঁ। সেইদিনাখন বতৰ ইমান ভাল নাছিল। কিনকিনিয়া বৰষুণ দি আছিল। প্ৰৱেশদ্বাৰেৰে সোমাই শাৰী শাৰী দুয়োপাৰে থকা নাহৰ গছৰ মাজেৰে ছাতিখন যিমান সম্ভৱ মুখখন ঢাকিবলৈ চেষ্টা কৰি বাইদেউৰ পিছে পিছে খোজকাঢ়ি গৈছিলোঁ। ক্লাছৰুমসমূহত ক্লাছ কৰি আছিল বাবে আমি তিনিওজনীয়ে মনে মনে গৈ কাৰ্য্যালয়ৰ পৰা নামভৰ্তিৰ প্ৰপত্ৰখন লৈ আহিছিলোঁ। মোৰ আৰু পম্পীৰ কাৰণে আছিল নতুন পৰিৱেশ, নতুন অভিজ্ঞতা। শাৰী শাৰীকৈ থকা সমানজোখৰ দেৱদাৰু গছ, ডাঙৰ ডাঙৰ সোনাৰু গছ, অৰ্জুন গছ ইত্যাদি গছবোৰ আৰু ফুলৰ বাগিছাকেইখনে মহাবিদ্যালয়খনক আৰু বেছি আকৰ্ষণীয় কৰিছিল।

মৰমৰ স্কুলখন বিদায় দি অহা মনটো বেয়া লাগি আছিল যদিওঁ মহাবিদ্যালয়ত যোৱাৰ হেপাহোঁ কম নাছিল। যেতিয়া স্কুলত আছিলো অপ্ৰিয় হ'লেও সত্য যে মৰমৰ স্কুলখন এৰি এদিন উচ্চ শিক্ষাৰ বাবে ক'ৰবালৈ যাব লাগিব, তেতিয়া মোৰ অতি চিনাকি জৱাহৰলাল নেহেৰু মহাবিদ্যালয়, বকোত যাম বুলি থিৰাং কৰিছিলোঁ। ষষ্ঠমান শ্ৰেণীত থাকোঁতে স্কুলৰ ফালৰ পৰা বিজ্ঞানৰ প্ৰকল্প প্ৰদৰ্শন চাবলৈ মহাবিদ্যালখনত উপস্থিত হৈছিলো, বহুত স্কুলে অংশগ্ৰহণ কৰিছিল। ২০১৩ চনত মহাবিদ্যালয়ৰ গৌৰৱোজ্বল সোণালী জয়ন্তীত আমাৰ স্থানীয় ৰাভাকৃষ্টি দলটোক নিমন্ত্ৰণ কৰাত এই অনুষ্ঠানখনিত উপস্থিত হৈ ৫০ বছৰীয়া বৰ্ণিল ইতিহাসৰ এক ক্ষুদ্ৰাতিক্ষুদ্ৰ অংশ হিচাপে মই নিজকে ধন্য মানিছিলো। দশম মান শ্ৰেণীত আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰই অনুষ্ঠিত কৰা প্ৰতিযোগিতাত আহ্বানক্ৰমে স্কুলৰ ফালৰ পৰা ছবিআঁকা প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে দুজনমানৰ লগতে মোকো নিৰ্বাচিত কৰিছিল। বহুকেইখন স্কুলে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাত বিজয়ী হৈ অধ্যক্ষ মহোদয়ৰ হাতৰ পৰা পুৰস্কাৰ ল'ব পোৱা অভিজ্ঞতা সদায় স্মৰণীয় হৈ থাকিব আৰু বেলেগ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা আমাৰ স্কুলে তিনিটা পুৰস্কাৰ পাবলৈ সক্ষম হৈছিল। আমাতকৈ বাইদেউক (তত্বধায়িকা) বেছি সুখী হোৱা দেখি আৰু বেছি ভাল লাগিছিল। এইবোৰৰ উপৰি ২০১৬-১৭ চনৰ অৰ্থাৎ মই দশম মান শ্ৰেণীত থাকোঁতে মোৰ দাদাই মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ দায়িত্বত আছিল। দাদাৰ পৰাই মহাবিদ্যালয়খনৰ প্ৰতিটো অনুষ্ঠান, প্ৰতিষ্ঠান কাম কাম-কাজৰ বিষয়ে জ্ঞাত হৈছিলোঁ। কেতিয়াবা মহাবিদ্যালয়ৰ কামৰ বাবে দুইদিনলৈকে ঘৰলৈ আহিব নোৱাৰা আৰু পিছত ঘৰলৈ আহি কাম কৰাৰ সময়ত পোৱা অভিজ্ঞতাৰ বিষয়ে ক'লে মহাবিদ্যালয়খনৰে এটা অংশৰ দৰে লাগে আৰু অচিনাকি হ'লেও বহুত চিনাকি যেন লাগে। তদুপৰি, মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলে আমাৰ স্কুলৰ অনুষ্ঠান-প্ৰতিষ্ঠানে আহি তেওঁলোকৰ বহুমূলীয়া ভাষণ দি সাহস, প্ৰেৰণা, জ্ঞান দি আহিছে। এনেবোৰ কাৰণতে মহাবিদ্যালয়খনত অধ্যয়ন কৰাৰ আকৰ্ষিত হৈছিলোঁ। এয়া

আছিল জৱাহৰলাল নেহেৰু মহাবিদ্যালয়ৰ যৎকিঞ্চিত।

যিকি নহওঁক পিছলৈ বিশেষ কাৰণত বিকালী মহাবিদ্যালয়, ধূপধৰাত ২০১৮ চনৰ জুন মাহৰ ৭ তাৰিখে নামভৰ্তি কৰিছিলোঁ। নামভৰ্তিৰ আগদিনাখন অধ্যক্ষা বাইদেউয়ে বিজ্ঞানত লেটাৰ পোৱা বাবে বিজ্ঞান শাখাত নামভৰ্তিৰ বাবে পৰামৰ্শ দিছিল যদিওঁ বিজ্ঞানৰ প্ৰতি দুৰ্বলতা থকাৰ পিছতো মই কলা শাখাত নামভৰ্তি কৰিছিলোঁ স্বপ্নীল আশাৰে। দিনৰ ৯ মান বজাৰ পৰা এটা ডাঙৰ কোঠাত অধ্যাপক-অধ্যাপিকাসকলে এজন এজনকৈ নাম মাতি নামভৰ্তি কৰাইছিল। ছাৰ বাইদেউসকলক দেখি ভালেই লাগিছিল আৰু সেইদিনাই চিনাকি হৈছিলোঁ মোৰ সহপাঠী বহুতো বন্ধু-বান্ধৱীৰ স'তে। মোৰ নামটো আঠ মান ক্ৰমিক নম্বৰত মাতিছিল যদিওঁ প্ৰথম কেইজনমান উপস্থিত নথকাৰ বাবে দ্বিতীয় নম্বৰত হ'বলৈ সক্ষম হৈছিলোঁ। ভালো লাগিছিল (পিছত হ'বলৈ পালে ভাল নালাগে)। পাঁচশ নোটখন দিওতে দুশ থকা ৰাখিলে কিমান পাবি বুলি কৈ ধেমালি কৰা ছাৰ-বাইদেউৰ হাঁহিৰ নষ্টালজিয়ে খুব আপোন আপোন লাগিছিল।

প্ৰথম যেতিয়া ক্লাছ আৰম্ভ হৈছিল তেতিয়া নতুন পৰিৱেশত অসুবিধাৰ সন্মুখীন হৈছিলোঁ। স্কুলত সকলো ক্লাছ এটা ৰূমতে হোৱাৰ পৰিৱৰ্তে এইটো হলৰ পৰা সিটো হললৈ ক্লাছৰ বাবে দৌৰি থাকিব লাগিছিল। কাৰণ, বহুত স্কুলৰ পৰা অহা প্ৰথম বেঞ্চত বহি ভাল পোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম নাছিল। যাৰ বাবে আগত বহিবৰ বাবে প্ৰতিযোগিতা হৈছিল। তাৰোপৰি স্কুলত এখন বেঞ্চত ৪ জনকৈ বহা আৰু ১২০ জন মুঠ সংখ্যাৰ পৰিৱৰ্তে ৫ জনকৈ বহা আৰু ৩৫০ জন মুঠ ছাত্ৰ-ছাত্ৰীৰ ভিতৰত পিছত বহিলে কি পৰিস্থিতি হয় নিশ্চয় বুজিব পাৰিছে। অৱশ্যে সিং ছাৰ, হক ছাৰ, মনালিছা বাইদেউ আদিয়ে সকলো ছাত্ৰ-ছাত্ৰীকে (নতুনকৈ অহা) এটা ৰূমত বহাই মহাবিদ্যালয়খনৰ কিছু ৰীতি-নীতিৰ বিষয়ে জ্ঞাত কৰাইছিল। মিঠাই খাই প্লাষ্টিকৰ পেকেটবোৰ নিজৰ নিজৰ বেগত ভৰাই ঘৰত গৈ ডাষ্টবিনত পেলাই দিয়া বা কলেজৰ ডাষ্টবিনত পেলাই দিয়া বুলি পৰামৰ্শ দিছিল। ছাত্ৰ একতা সভাৰ সদস্যসকলেও নিজৰ পৰিচয় দি নিজৰ ভাষণ আগবঢ়াইছিল আৰু এইটো কাৰ্য সঁচাই প্ৰশংসনীয়। এই কাৰ্যৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ মাজত কিছু পৰিমানে হ'লেও সচেতনতা আৰু শৃংখলতা দেখা পোৱা যায়। এইবাৰ অৰ্থাৎ ২০১৯ চনৰ ছাত্ৰ-ছাত্ৰীৰ মাজত কোনোধৰণৰ আলোচনা হোৱা দেখা নগ'ল। যাৰ ফলত অলপ হ'লেও শৃংখলতাত সন্দেহ হয় আৰু ডাষ্টবিন ব্যৱহাৰ নকৰি য'তে ত'তে মিঠাইৰ পেকেট পেলাই দিয়া পৰিলক্ষিত হৈছিল। ইয়াৰ ক্ষেত্ৰত ইতিবাচক সঁহাৰি পাম বুলি আশা কৰিলোঁ।

লাহে লাহে এদিন, দুদিন পাৰ হৈ ছাৰ-বাইদেউ, বন্ধু-বান্ধৱী আৰু মহাবিদ্যালয়ৰ পৰিৱেশৰ লগত চিনাকি হৈ পৰিলোঁ। প্ৰথমতে ক্লাছৰ সময়ত বুজাই দি কিবা বুজি নাপালে আকৌ এবাৰ বুজাই দিয়া, হাঁহি স্ফুৰ্তি কৰা, মৰম কৰা স্কুলৰ চিনাকি মুখৰ ছাৰ বাইদেউক বৰকৈ মনত পৰিছিল যদিও পিছলৈ তেওঁলোকক (ছাৰ-বাইদেউসকলক) কলেজখনৰ ছাৰ-বাইদেউৰ মাজতে পাবলৈ চেষ্টা বা সক্ষম হ'লো। স্মৃতিৰ মণিকোঠাত সজীৱ হৈ থকা প্ৰথম বৰ্ষটো এটা দিন হ'ল নৱাগত আদৰণি সভা। ইউনিফৰ্ম পিন্ধিবলৈ বাধ্যতামূলক আছিল বাবে ইউনিফৰ্ম পিন্ধি কলেজত উপস্থিত হৈছিলোঁ। প্ৰথম বৰ্ষৰ ছাত্ৰ-ছাত্ৰীৰ পৰা চিনাকিৰ বাবে এজন এজনকৈ মঞ্চলৈ মাতি আছিল। দুজনমানে গৈছিল কিন্তু ভয় আৰু সংকোচৰ বাবেই কোনেও যাব বিচৰা নাছিল। পিছত নাচ-গান হৈছিল, মুকলি সভা হৈছিল য'ত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হৈছিল পিছত আকৌ নাচ-গান, নিমন্ত্ৰিত শিল্পী দিক্ষু শৰ্মাৰ গীত পৰিৱেশনেৰে অনুষ্ঠানৰ সামৰণি হয়। অনুষ্ঠানখন ভালদৰে চলাই নিয়াৰ ক্ষেত্ৰত ঘোষক তথা উপ-সভাপতি জচিজুল ইছলাম দাৰ গুৰুত্বপূৰ্ণ অৱদান আছিল। তেওঁৰ কণ্ঠস্বৰ বহুত ধুনীয়া লগতে কথা কোৱাৰ কৌশলো। উপস্থিত বুদ্ধি খুটুৱাই কথা কোৱা নিঃসন্দেহে তেওঁ এজন দক্ষ ঘোষক। এই লেখাৰ জৰিয়তে তেওঁৰ সুস্বাস্থ্য আৰু উজ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

ক্লাছ, হাঁহি-স্ফুৰ্তি, পঢ়া-শুনাৰ মাজতে আহিল প্ৰথম বৰ্ষৰ চূড়ান্ত পৰীক্ষা। পৰীক্ষা ইমান ভাল হোৱা নাছিল যদিও ফলাফল পাঁচজনে 'A' গ্ৰেড পাবলৈ সক্ষম হৈছিল হোৱাৰ ভিতৰত মইও এজন আছিলোঁ।

দ্বিতীয় বৰ্ষৰ স্মৃতিত সজীৱ হৈ থকা এটা ভাল লগা দিনটো হ'ল নৱাগত আদৰণি সভা। প্ৰথম বৰ্ষৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে চিনাকিৰ সময়ত আমাৰ গ্ৰুপৰ তুলনাত বহুকেইজনে অংশগ্ৰহণ কৰিছিল। তেওঁলোকে সকলোৱে নিজৰ নিজৰ ভাল লগা বা প্ৰতিভা যেনে - গান গোৱা, নাচ, কবিতা আবৃত্তি উপস্থাপন কৰিছিল। নিমন্ত্ৰিত অতিথি আৰু ছাৰ-বাইদেউৰ

বহুমূলীয়া ভাষণ আৰু ড্ৰীমজিৎ, মনজ্যোতি দাদহঁতৰ ডান্সৰ লগতে হৰফুল্ল দাদাহঁতৰ গানে অনুষ্ঠানখন সুন্দৰকৈ চলাই নিয়াত গুৰুত্ব বহন কৰিছিল। জচিজুল ইচলাম দাদাই এই অনুষ্ঠানখনৰ ঘোষকৰ দায়িত্ব আছিল। আশা কৰিছো তেওঁলোকে যেন তেওঁলোকৰ গান গোৱা, নাচ যি নিচা বা প্ৰতিভাক আগুৱাই লৈ যায় লগতে তেওঁলোকৰ সফলতা প্ৰাপ্তি হওঁক মানুহ হিচাপে জীয়াই থাকিব বিচৰা সকলোৰে সীমাহীন প্ৰেৰণাৰ প্ৰতীক।

দ্বিতীয় বৰ্ষৰ চূড়ান্ত পৰীক্ষাত মেট্ৰিক পৰীক্ষাতকৈ চাপটো বেছি হয়। কাৰণ মেট্ৰিকতকৈ বহুত বেছি নম্বৰ উঠাব লাগিব, পাৰিমনে? যদি মই পাওঁ? ইত্যাদি চাপৰ সন্মুখীন হওঁ। ছাৰ-বাইদেউসকলে চেষ্টা কৰিছিল ভালদৰে পঢ়াই ভাল নম্বৰ উঠোৱাৰ বাবে। আচলতে মই ছাৰ- বাইদেউৰ পৰা দূৰত্ব বজাই ৰাখি ভাল নাপাওঁ। তেওঁলোকৰ সৈতে একাত্ম হৈহে ভাল পাওঁ। সেয়েহে ডিপাৰ্টমেণ্টত গৈ নজনাটো জানিবলৈ চেষ্টা কৰি তেওঁলোকৰ সৈতে একাত্ম হ'ব বিচাৰিছিলোঁ। ইয়াৰ বাবে সহায় কৰা সকলো ছাৰ-বাইদেউক বহুত ধন্যবাদ বিশেষকৈ ইতিহাস বিভাগৰ মীনা শৰ্মা বাইদেউ আৰু ধনমণি কলিতা ছাৰ যদিও ছাৰে মাথোঁ এদিন ক্লাছ পাইছিল তথাপি Support কৰাৰ বাবে বহুত ধন্যবাদ । Final Geography practical ত ইছলাম ছাৰ, সিং ছাৰ আৰু অলিন্দ ছাৰে কৰা সহায় আৰু মৰম সদায় মনত ৰ'ব লগতে কম্পিউটাৰ বিভাগৰ সাহা বাইদেউ।

চূড়ান্ত পৰীক্ষাৰ ফলাফল মেট্ৰিক পৰীক্ষাতকৈ (70%) বেছি নম্বৰ উঠাম বুলি প্ৰথমতে দৃঢ় হৈছিলো যদিও পিছত ইচ্ছা একাগ্ৰতা দৃঢ় নোহোৱাৰ বাবে ফলাফল (63%) দুৰ্বল হৈছিল ইমান কম হ'ব বুলি ভবা নাছিলো। ফলাফল দুৰ্বল হোৱাৰ বাবে ছাৰ-বাইদেউক আঘাত দিয়াৰ বাবে ক্ষমা কৰিব। যিকি নহওঁক পৰৱৰ্তী ভাইটি-ভণ্টীসকলোলৈ এটা অনুৰোধ নিৰাশাক প্ৰশ্ৰয় নিদি লক্ষ্য স্থিৰ কৰি তেওঁলোকে আগবাঢ়ি যাওঁক। জীৱনৰ জটিলতাৰ সৈতে মুখামুখি হৈ পলায়ন নকৰি জীৱনৰ স্থিতিৰ প্ৰতি এক প্ৰবল প্ৰত্যাহ্বান ঘোষণা কৰিবলৈ সংকল্প লয় যেন।

# ইচ্ছাশক্তি

ছাজীনাবী ৰাভা
স্নাতক ষষ্ঠ ষান্মাসিক

জীৱনটো সকলোৰে কাৰণে প্ৰিয়। আমি প্ৰত্যেকেই জীৱনত সফল হ'ব বিচাৰো। কিন্তু এই যাত্ৰা মসৃণ নহয়, বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজতো নিজৰ প্ৰৱল ইচ্ছাশক্তি, একাগ্ৰতা, আত্মবিশ্বাস, দৃঢ়তা, ধৈৰ্য, ত্যাগৰ মাজেদি আগবাঢ়িব পাৰিলেহে সফল হ'ব পাৰি।

আমি এনে বহু সফল ব্যক্তি দেখিবলৈ পাওঁ শাৰীৰিক-মানসিক প্ৰতিকূল অৱস্থাকো নেওঁচি নিজকে এজন সফল ব্যক্তি হিচাপে প্ৰতিস্থিত কৰিব পাৰিছে, অসম্ভৱকো সম্ভৱ কৰি দেখুৱাইছে। তেওঁলোকে তেওঁলোকৰ জীৱনলৈ অহা হাজাৰ বাধাবোৰক,নিৰাশাবোৰক নেঁওচি সফলতাৰ দিশত আগুৱাই গৈ আন হাজাৰ হাজাৰ লোকক তেওঁলোকৰ জীৱনত সংগ্ৰাম কৰি যাবলৈ অনুপ্ৰাণিত কৰি থাকে। তেনে দুগৰাকী বিশেষ বৰণ্য ব্যক্তিৰ বিষয়ে তলত উল্লেখ কৰিবলৈ লৈছোঁ।

**লৌহ মানৱী মুনীবা মাজাৰী ঃ**

পাকিস্তানৰ লৌহ মানৱী মুনীবা মাজাৰীৰ জন্ম হৈছিল ১৯৮৭ চনৰ ৩ মাৰ্চত। সৰুৰে পৰা চিত্ৰশিল্পৰে জড়িত মুনীবাই পিতৃৰ পৰা শিকিছিল চিত্ৰকৰ্ম। তেওঁ পৰৱৰ্তী সময়ত ফাইন আৰ্টছৰ স্নাতক ডিগ্ৰী সম্পূৰ্ণ কৰে। কিন্তু জীৱনৰ বিশটা বছৰ অন্য সাধাৰণ যুৱতীৰ দৰে পাৰ কৰা মুনীবা ২০০৭ চনৰ পৰা বন্দী হ'ব লগা হয় হুইল চেয়াৰত। বিয়াৰ তিনি বছৰৰ পিছত এদিন মুনীবাই স্বামীৰ সৈতে মটৰ গাড়ীৰে গৈ থাকোতে এক ভয়াবহ দুৰ্ঘটনাত পতিত হয়। এই দুৰ্ঘটনাত মুনীবা সংকটজনক ভাৱে আহত হয় আৰু হাস্পাতালত ভৰ্তি হ'ব লগা হয়। চিকিৎসকে মুনীবাক জানিবলৈ দিছিল যে তেওঁ আৰু কোনোদিনে খোজ কাঢ়িব নোৱাৰিব, মাতৃত্বৰ ক্ষমতা নাথাকিব আৰু দীৰ্ঘদিন চিকিৎসালয়ত থাকিব লাগিব। মুনীবাৰ মূৰৰ ওপৰত যেন সৰগহে ভাগি পৰিছিল। এনে দুৰৱস্থাৰ সময়তে তেওঁৰ পৰা আতঁৰি গৈছিল স্বামী, বন্ধু-বান্ধৱ, আত্মীয়ই। একমাত্ৰ ভায়েকৰ বাহিৰে মুনীবাৰ কাষত কোনো নাছিল। কয় নহয় বিপদৰ সময়তহে বন্ধুক চিনিব পাৰি। এনে তীব্ৰ শাৰীৰিক-মানসিক যন্ত্ৰণা লৈয়ে দুবছৰ ধৰি চিকিৎসাধীন হৈ আছিল মুনীবা।

কিন্তু ইয়াতেই শেষ নহ'ল। মুনীবাই মনত বান্ধি ল'লে দৃঢ়তা, সাহস। সাহসেৰে যুঁজি চোৱাৰ মানসেৰে আৰম্ভ কৰিলে নতুন জীৱন সংগ্ৰাম। চিত্ৰকলাৰ স্নাতক আৰু শৈশৱৰে পৰা চিত্ৰকৰ হোৱাৰ হেঁপাহ আগত লৈ আৰম্ভ কৰিলে চিত্ৰশিল্পৰ কাম। এখন দুখনকৈ তেওঁৰ ছবি বিক্ৰী হ'ব ধৰিলে। অতি কম সময়তে চিত্ৰশিল্পী হিচাপে তেওঁ জনপ্ৰিয় হৈ পৰিল। সমান্তৰালভাৱে হুইল চেয়াৰত বহিয়েই আৰম্ভ কৰিলে টিভি এংকৰিং। কম সময়তে ঘোষিকাৰ কেৰিয়াৰতো জনপ্ৰিয় ঘোষিকাৰ তালিকাত নাম অন্তৰ্ভুক্ত হ'ল মুনীবাৰ। সদা হাস্যময়ী মুনীবাই মডেলিঙৰ কেৰিয়াৰ আৰম্ভ কৰি সফলতা লাভ কৰে। কেইবাটাও প্ৰতিষ্ঠিত কোম্পানীৰ বিজ্ঞাপনৰ বাবেও কাম পালে তেওঁ। মুনীবা হ'ল পাকিস্তানৰ প্ৰথম গৰাকী বিশেষ ভাৱে সক্ষম মহিলা মডেল, টিভি ঘোষিকা আৰু অনুষ্ঠান কাৰ্যবাহী। বিশেষতঃ শিশু আৰু নাৰীৰ ওপৰত চলা হিংসা, নাৰী সম-অধিকাৰ তথা লিংগ বৈষম্য আঁতৰ কৰাৰ সজাগতা সৃষ্টি কৰাৰ বাবে কৰ্মৰত হৈ আছে। সেয়ে বৰ্তমান পাকিস্তানৰ লৌহ মানৱী হিচাপে পৰিচিত মুনীবাক সংযুক্ত ৰাষ্ট্ৰত পাকিস্তানৰ ৰাষ্ট্ৰীয় দূত হিচাপে নিযুক্ত কৰা হৈছে। ব্ৰিটিছ বাতৰি প্ৰতিষ্ঠান বি বি

চি এ ২০০১ ত বিশ্বৰ এশ প্ৰভাৱশালী মহিলাৰ তালিকাত তেওঁক স্থান দিয়ে। ফ'বছ আলোচনীয়ে ২০১৬ত বিশ্বৰ ত্ৰিশ অনূৰ্দ্ধৰ ত্ৰিশ গৰাকী প্ৰভাৱশালী যুৱ প্ৰতিভাৰ তালিকাত তেওঁক অন্তৰ্ভুক্ত কৰে।

মুনীবাই তেওঁৰ জীৱন দৰ্শন সম্পৰ্কত কয় —'মানুহ শাৰীৰিক ভাৱে প্ৰতিবন্ধী হ'লেও মানসিক ৰূপত সক্ৰিয় হৈ থকালে স্বাধীন ভাৱে চিন্তা কৰি কিবা নহয় কিবা কাম কৰিব পাৰে। জীৱনটো বহুত ধুনীয়া, সৰু সৰু প্ৰত্যাহ্বান, বাধা, দুৰ্ঘটনাবোৰৰ কথা ভাৱি চিন্তি বহি থাকিলে সমস্যাৰো সমাধান নহয়,কামো আগ নাবাঢ়ে। জীৱনত সংঘাত, সমস্যা, দুৰ্ঘটনাবোৰক শক্তিলৈ ৰূপান্তৰ কৰিব পাৰিলে আকাশো হাতৰ মুঠিলৈ আহিব। প্ৰতিজন ব্যক্তিৰে কিবা নহয় কিবা সৃষ্টিশীল প্ৰতিভা থাকে। বহু সময়ত সেই সৃষ্টিশীলতা লুপ্ত অৱস্থাত থাকে। সেই সৃষ্টিশীলতাক নিজে আৱিষ্কাৰ কৰি উলিয়াই আনি কামত খটুৱাব লাগিব। জীৱনত সফলতা আহিবই। জীৱনত আগুৱাবলৈ শৰীৰতকৈ শক্তিশালী হ'ব লাগিব মন।'

**শৰীৰচৰ্চাবিদ প্ৰদীপ কুমাৰ সিং ঃ**

মণিপুৰৰ যুৱক প্ৰদীপ কুমাৰ সিং কলেজীয়া ছাত্ৰ সময়ছোৱাত বন্ধুৰ সংগত এদিন ড্ৰাগছৰ কবলত পৰিল। মণিপুৰত ড্ৰাগছ আসক্তৰ সংখ্যা উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰতে বেছি। বেজীৰে ড্ৰাগছ লওঁতেই তেওঁৰ শৰীৰত প্ৰৱেশ কৰিলে এইডছৰ বীজাণু আৰু এই ভয়ংকৰ ৰোগৰ বিষয়ে ২০০০ চনত জানিব পাৰে। প্ৰচুৰ শাৰীৰিক মানসিক যন্ত্ৰণা লৈ তিনিটা বছৰ তেওঁ মৃত্যুশয্যাত কটালে। শাৰীৰিক যন্ত্ৰণাতকৈ মানসিক যন্ত্ৰণা বেছি হৈছিল যেতিয়া এসময়ৰ বন্ধুয়ে তেওঁক দেখিলেই আঁতৰ হৈছিল আৰু চিকিৎসকেও ভালদৰে সহাঁৰি দিয়া নাছিল। কিন্তু তেওঁৰ কাষত থিয় দিছিল তেওঁৰ পৰিয়ালৰ সদস্যসকল।

এদিন বিছনাত শুই থাকোঁতেই প্ৰদীপ এক আশ্চৰ্যকৰ অভিজ্ঞতাৰ সন্মুখীন হ'ল। প্ৰদীপৰ ভগ্নীয়ে এজোপা মুমূৰ্ষ ফুলগছ নিয়মীয়াকৈ পৰিচৰ্যা কৰিছিল। বচাৰ আশা নথকা গছ জোপাত এসময়ত নতুন কুঁহিপাত মেলিছিল। এদিন পুৱাতেই বিছনাৰ কাষৰ খিৰিকীৰে প্ৰদীপে দেখিছিল যে ফুলগছ জোপাত কেইবাপাহো ফুলে জকমকাই আছে।প্ৰদীপে নিজে নিজক ক'লে গছজোপা যেনেদৰে মৰাৰ পৰা বাচি ফুলেৰে জাতিষ্কাৰ হৈছে, তেনেদৰে মোৰ এই ৰোগে অৰ্থবপ্ৰায় কৰা এই দেহাটোকো মই সুস্থ কৰি তুলিম। হয়তো সেই মুহূৰ্তেই এজন নতুন প্ৰদীপৰ জন্ম হৈছিল।

প্ৰদীপ কুমাৰে শৰীৰচৰ্চাৰে নিজৰ কেৰিয়াৰ নিৰ্মাণ কৰিব খুজিছিল। কিন্তু তেওঁৰ দেহত এইডছৰ বীজাণু থকাৰ বাবে কোনেও প্ৰদীপক প্ৰশিক্ষণ দিবলৈ ইচ্ছা নকৰিলে। প্ৰদীপৰ এটা হাঁহিৰ বাবেই যিকোনো মূল্য দিবলৈ সাজু থকা পৰিয়ালৰ সদস্যসকলে প্ৰদীপক দিবলৈ ধৰিলে মানসিক সাহচৰ্য। প্ৰদীপৰ কোঠা ভৰি পৰিল শৰীৰচৰ্চাৰ বিভিন্ন গ্ৰন্থৰে। কিতাপ পঢ়ি পঢ়ি প্ৰদীপে শৰীৰচৰ্চা শিকিবলৈ ধৰিলে। এইডছৰ ঔষধ সমূহ অতি শক্তিশালী হোৱাৰ বাবেই প্ৰদীপৰ শৰীৰ দুৰ্বল হৈ পৰিছিল। কিন্তু জীৱনটোক ঈশ্বৰৰ পৰা পুনৰ খুজি ল'বলৈ সাজু হোৱা প্ৰদীপে শৰীৰৰ যত্ন ল'লে অতি একাগ্ৰতাৰে। তেওঁ পুষ্টিকৰ আহাৰ গ্ৰহণ কৰিলে। সকলো ধৰনৰ নিচাজাতীয় দ্ৰব্যৰ পৰা নিজকে আঁতৰাই ৰাখিলে।

দৃঢ় সংকল্পেৰে আগবঢ়া প্ৰদীপ কুমাৰে ২০০৭ চনত মিঃ মণিপুৰ খিতাপ অৰ্জন কৰিলে। পৰৱৰ্তী সময়ত তেওঁ মিঃ ছাউথ এছিয়া সন্মান লাভ কৰিলে আৰু লাভ কৰিলে মিঃ ইণ্ডিয়াৰ সন্মানো। ২০১২ চনত তেওঁ মিঃ ৱৰ্ল্ড প্ৰতিযোগিতাত ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। প্ৰায় দুটা দশক এইডছৰ সৈতে জীয়াই থকা মানুহজন এতিয়া মণিপুৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰালয়ৰ এজন শাৰীৰিক প্ৰশিক্ষক। এইডছৰ বিষয়ে সজাগতাৰ সৃষ্টিৰ বাবে মণিপুৰত এইডছ কনট্ৰল ছছাইটিয়ে তেওঁক ব্ৰেণ্ড এম্বেছাডৰ নিযুক্তি দিছে। তেওঁৰ মতে এইচ আই ভিয়ে এজন ব্যক্তিক হত্যা নকৰে। হত্যা কৰে সমাজেহে। তেওঁৰ যুদ্ধ কেৱল এইডছৰ বীজাণুৰ বিৰুদ্ধে নহয়, তেওঁৰ যুদ্ধ মানুহৰ মানসিকতাৰ বিৰুদ্ধে।

মুনীবা মাজাৰী, প্ৰদীপ কুমাৰ সিংৰ দৰে এনে বহু সফল ব্যক্তিৰ উদাহৰণ আছে যিয়ে অনেকৰ বাবে হৈ পৰিছে প্ৰেৰণাৰ আলোক। প্ৰচণ্ড মনোবলে সকলো বাধাৰ প্ৰাচীৰ ভাঙিব পাৰে। মহাত্মা গান্ধীয়েও কৈছিল,- 'শক্তি শাৰীৰিক ক্ষমতা বা সামৰ্থ্যৰ পৰা নাহে, ই আহে মাথোঁ অদম্য ইচ্ছাশক্তিৰ পৰা।' মানুহে নিজৰ শক্তি আৰু ঐকান্তিক প্ৰচেষ্টাৰ ফলস্বৰূপে অসম্ভৱ যেন লগা কাৰ্যকো সম্ভৱ কৰি তুলিব পাৰে। ■

# নাৰীবাদ

সংগীতা দাস
স্নাতক দ্বিতীয় ষাণ্মাসিক

পুৰুষবাদ বুলি কোনো শব্দ নাই। কিন্তু নাৰীবাদ বুলি এটা শব্দ হৈছে। সকলো ক্ষেত্ৰত নাৰী আৰু পুৰুষৰ অধিকাৰ সমান। সৰলভাৱে এই মতবাদেই নাৰীবাদ। কোনো বৈষম্য নথকাকৈ নাৰী-পুৰুষৰ দুয়োৰে বাবে সমান অধিকাৰৰ দাবীটোৱে নাৰীবাদৰ মূল কথা। পিছে নাৰীবাদ শব্দটোতে নাৰীৰ গুৰুত্ব বেছি হৈ থকাৰ কাৰণে নাৰীবাদ নিজেই বৈষম্যপূৰ্ণ হোৱা বুলিও এটা অনুভৱ হয়। মানুহে সমাজ পাতি বসবাস কৰাৰ দিনৰে পৰাই পুৰুষ আৰু মহিলাৰ মাজত কৰ্মবিভাজনৰ এক অঘোষিত নিয়মৰ সূচনা হয়। সভ্যতাৰ অগ্ৰগতিৰ লগে লগে এই কৰ্মবিভাজনে বিভিন্ন ৰূপ লয়,যাৰ ফলত নাৰী আৰু পুৰুষৰ পৰিচয় সম্পৰ্কে সমাজসৃষ্ট কিছুমান নিয়মৰ সূত্ৰপাত ঘটে।

'নাৰী পুৰুষৰ অধীন' ক্ৰমশঃ এনে কিছুমান ধাৰণা সমাজে পোষণ কৰিববৈলে আৰম্ভ কৰাৰ ফলত নাৰীৰ অধিকাৰ, স্বতন্ত্ৰতা আদি বিষয়ত বিশদ চৰ্চা তথা বিতৰ্কৰ সূচনা হয়। নাৰীবাদে সমাজৰ সকলো শ্ৰেণীৰ নাৰীক তেওঁলোকৰ অধিকাৰৰ প্ৰতি সজাগ কৰি শিক্ষা, সম-অধিকাৰ, সবলীকৰণ আৰু পুৰুষ-নাৰীৰ মাজত থকা বৈষম্য দূৰ কৰি এক প্ৰগতিশীল সমাজ ব্যৱস্থাৰ সৃষ্টিক আধাৰ হিচাপে লৈ আগবাঢ়িব বিচাৰে। যি নহওক, নাৰীবাদ শব্দটোৰ উদ্ভাৱনৰ বাস্তৱিক পৰিস্থিতি এইটোৱে যে, অতি পুৰণি কালৰ পৰাই পুৰুষে নাৰীক সদায় নিজৰ অধীনত ৰাখি নিজৰ স্বাৰ্থত ব্যৱহাৰ কৰি আহিছে। পুৰুষে নাৰীক কেতিয়াও নিজৰ সমকক্ষ বুলি নাভাৱে। জাতিভেদ প্ৰথাৰ আটাইতকৈ নিম্ন স্থানত থকা শ্ৰেণীটোৰ সৈতে একেলগে ৰখা নাৰীক পুৰুষে কেৱল নিজৰ সুখ-সম্ভোগৰ আহিলা হিচাপে এটা পুতলা বা তেনেধৰণৰ খেলনা বস্তুৰে পাব পৰা মূল্যাংকণহে দিয়ে। এটা সময়লৈকে পৃথিৱীৰ সকলো নাৰীয়ে তেওঁলোকে পুৰুষৰ পৰা পোৱা অৱহেলা, অত্যাচাৰ তথা অপমানক তেওঁলোকৰ 'ভাগ্য' বা পৃথিৱীত জন্ম হৈ তেওঁলোকে পাব পৰা সুখ-দুখৰ ন্যায্য অংশ বুলিয়েই গ্ৰহণ কৰি লৈছিল। কিন্তু লাহে লাহে পৰিৱৰ্তনৰ বতাহ বলিববৈলে ধৰিলে। পুৰুষৰ অৱদমনৰ বিৰুদ্ধে নাৰী সমাজ জাগ্ৰত হ'বলৈ ধৰিলে। বহুতো সাহসী তথা বিদুষী নাৰীয়ে পুৰুষৰ অন্যায় অৱদমনৰ পৰা মুক্তি বিচাৰি সমান অধিকাৰৰ দাবীত আন্দোলন আৰম্ভ কৰিলে। পশ্চিমত আৰম্ভ হৈ ক্ৰমান্বয়ে গোটেই পৃথিৱীত বিয়পি পৰা এই নাৰীবাদী আন্দোলনে অসমকো স্পৰ্শ নকৰাকৈ নাথাকিল। নাৰী আৰু পুৰুষৰ মাজত সমান অধিকাৰৰ ক্ষেত্ৰত একো পাৰ্থক্য নাথাকিলেও বা থকাটো কেতিয়াও উচিত নহ'লেও আন কেইটামান ক্ষেত্ৰত থকা পাৰ্থক্য কিন্তু অতি স্পষ্ট। বহুত পুৰুষে এতিয়াও ভাৱে যে নাৰী কেতিয়াও পুৰুষৰ লগত সমমৰ্যদা পাবৰ যোগ্য নহয়। কিন্তু তেওঁলোকে এই কথা উপলব্ধি নকৰে যে,দেহ একে নহ'লেও নাৰীৰ মনৰ শক্তি পুৰুষতকৈ বহুগুণে বেছি। বৰং কোনো ক্ষেত্ৰত বেছিহে। বিভিন্ন পৰীক্ষাত শীৰ্ষস্থান অধিকাৰ কৰি আহিছে, কেৱল পৰীক্ষাতেই নহয় সাহিত্য, সংগীত, কলা, বিজ্ঞান-প্ৰযুক্তি, ৰাজনীতি, অৰ্থনীতি, খেলা-ধূলা আদি সকলো ক্ষেত্ৰতে নাৰীৰ পাৰদৰ্শিতা তথা প্ৰতিভাৰ প্ৰদৰ্শন অভুতপূৰ্ব, বিস্ময়কৰ। নাৰী মহাকাশলৈ গৈছে, নাৰীয়ে বিমান চলাইছে, ক্ৰিকেট খেলিছে, পৰ্বতাৰোহণ কৰিছে, বক্সিং আদি। নাৰী পৃথিৱীৰ দেশৰ ৰাষ্ট্ৰপতি হৈছে, প্ৰধানমন্ত্ৰী হৈছে আদি। পৃথিৱীৰ বেছিভাগ প্ৰতিভাশালী

ব্যক্তিয়েই নিজৰ প্ৰতিভা বিকাশৰ সময়ত বিভিন্ন ধৰণৰ বাধা-বিঘিনি তথা অভাৱনীয় দৰিদ্ৰতাৰ সন্মুখীন হৈছিল। গতিকে কোনোবাই বাধা দিয়াৰ কাৰণেহে হ'বলৈ ইচ্ছা কৰা কিবা এটা জীৱনত হ'ব নোৱাৰিলে হ'লে আক্ষেপ কৰা জনৰ আচলতে সেইটো হোৱাৰ প্ৰতিভাই নাই। নাৰীবাদৰ লগতে নাৰীমুক্তিৰ প্ৰসংগ এটাও সঘনে উচ্চাৰিত হয়। বহুত পুৰুষে পথাৰত হাল বাই কৃষি কৰিছে, বহুতে কাৰখানাত, ঠিক তেনেদৰে বহুতো নাৰীয়ে ভুঁই ৰুইছে,ধান দাইছে আদি। পৃথিৱীৰ ধৰ্মীয় মৌলবাদী সকলৰ 'কোমল লক্ষ্য' নাৰী। তেওঁলোকে নাৰীক বিদ্যালয়লৈ যাব নিদিয়ে, গান-নাচ কৰিবলৈ নিদিয়ে আদি। ধৰ্ষণৰ বাবে নাৰীকেই দোষী বুলি বিবেচনা কৰা হয়,কম কাপোৰ পিন্ধি পুৰুষক প্ৰলুব্ধ কৰাৰ বাবে। পুৰুষে নাৰীক উপাসনা গৃহত প্ৰৱেশ কৰাৰ অধিকাৰ নিদিলেও তেওঁলোকে দূৰৰ পৰাই উপাসনা গৃহৰ ভিতৰখন চাই সন্তুষ্টি লাভ কৰে। প্ৰৱেশ কৰিবলৈ নিদিয়া উপাসনা গৃহত পুৰুষক কাকুতি-মিনতি কৰি প্ৰৱেশৰ অধিকাৰ বিচৰাতকৈ ধৰ্মকে অপ্ৰয়োজনীয় বুলি উপলব্ধি কৰি তাক ত্যাগ কৰিব পাৰিলেহে নাৰীমুক্তিৰ প্ৰকৃত অৰ্থ ওলাব।এই ক্ষেত্ৰত অসমীয়া নাৰীয়ে পুৰুষতকৈ এখোপ আগবাঢ়ি থাকি পৃথিৱীৰ ভিতৰতে প্ৰথম ধৰ্মহীন নাৰী জাতি হোৱাৰ অভিলেখ স্থাপন কৰিব। অধিকাৰৰ ক্ষেত্ৰত নাৰী, পুৰুষ সমান হ'বলৈ চেষ্টা কৰিব লাগিব। কিন্তু কেতিয়াবা কোনো ক্ষেত্ৰত নাৰী পুৰুষতকৈ বেছি হ'ব পৰাটোহে গৌৰৱৰ কথা। ■

# নাৰী আৰু আমাৰ সমাজ

ভানুপ্ৰিয়া কলিতা
স্নাতক চতুৰ্থ ষান্মাসিক

নাৰী ভাৰতৰ প্ৰথম প্ৰধান মন্ত্ৰী জৱাহৰলাল নেহেৰুৱে কৈছিল - "A man educated only he is educated , but a woman educated her whole family educated ", অৰ্থাৎ এজন মানুহ শিক্ষিত হ'লে তেতিয়া নিজেই শিক্ষিত হয়, কিন্তু যদি এজনী নাৰী শিক্ষিত হয় তেন্তে তেওঁৰ গোটেই পৰিয়ালটো শিক্ষিত হয়।

সঁচাকৈয়ে তাৎপৰ্যপূৰ্ণ কথা। নাৰী প্ৰকৃতিৰ এক অপূৰ্ব সৃষ্টি। নাৰী মমতাময়ী, নাৰী কৰুণাময়, নাৰী মহিয়সী। এখন সমাজত পুৰুষৰ শিক্ষাৰ যিমান প্ৰয়োজন, নাৰীৰ বাবেও শিক্ষাৰ সমানে প্ৰয়োজন। অতীজৰে পৰা মানৱ সমাজৰ নানা উত্থান,পতন সমস্যা সমাধানৰ মূলতে নাৰী। মানৱ জীৱন, সাহিত্য সংস্কৃতি, ধৰ্ম, দেশ তথা সমাজৰ প্ৰগতিত নাৰীয়ে এক ভূমিকা পালন কৰি অহা দেখা যায়। প্ৰাচীন কালৰে পৰা নাৰীৰ ভূমিকা যথেষ্ট গুৰুত্বপূৰ্ণ। নাৰীয়ে কালী, দুৰ্গা, সৰস্বতী, দেৱী সকলো। নাৰী হিচাপে ঝাঁন্সিৰ ৰাণী লক্ষ্মীবাঈ, জয়মতী, কনকলতা, মাদাৰ টেৰেছা, সৰোজিনী নাইডু, মূলা গাভৰু, ইন্দিৰা গান্ধী আদিয়ে দেশৰ বাবে সক্ৰিয় ভূমিকা পালন কৰি গৈছে। নাৰীৰ বাবে সৃষ্টিও হয় আৰু নাৰীৰ বাবে ধ্বংস ও হ'ব পাৰে । এই পৃথিৱীত নাৰীয়ে কৰিব নোৱাৰা কাম একো নাই। এয়াই হৈছে নাৰী জাতি।

**বৰ্তমান সমাজত নাৰীৰ দায়িত্ব আৰু কৰ্তব্য ঃ**

বিনন্দীয়া পৃথিৱীত বাস কৰা জীৱৰ ভিতৰত মানুহ নামৰ জীৱবিধে দাবী কৰে যে আমি শ্ৰেষ্ঠ। অতীজৰে পৰা মানুহৰ চিন্তাধাৰা, বিচাৰ, বুদ্ধিয়েই সকলো জীৱতকৈ শ্ৰেষ্ঠ বুলি প্ৰমাণিত হৈ আহিছে। মানৱ জীৱনত আমি সমাজত ঘটি থকা বিশৃঙ্খল বিকৃত ঘটনাবোৰক লৈ প্ৰায়ে কিয় অপমানিত অনুভৱ কৰিবলগীয়াত পৰো। দৈনন্দিন সমাজত ঘটি থকা যিবিলাক অপ্ৰীতিকৰ দুৰ্ঘটনা আমি দেখিবলৈ পাওঁ বা শুনিবলৈ পাওঁ। তাত এচাম ব্যক্তিয়ে মহিলাক পন্য সামগ্ৰীৰ দৰে ব্যৱহাৰ কৰি আহিছে।ই মানুহৰ আকৃতি ধাৰণ কৰি পশুৰ প্ৰকৃতিৰ ব্যৱহাৰ কৰে। নাৰীৰ প্ৰতি অসৎ ব্যৱহাৰ কৰা পুৰুষৰ এনে দৃষ্টিভংগীৰ বাবেই আজিৰ সমাজত এনে অশান্তিৰ সৃষ্টি হৈছে। নাৰীৰ ওপৰত চলা নিৰ্যাতনেই সাম্প্ৰতিক সময়ৰ আটাইতকৈ প্ৰত্যাহ্বানকাৰী এটা সামাজিক সমস্যা ৰূপে থিয় দিছে। তাৰ প্ৰতিকাৰৰ বাবে সমাজ জীৱনৰ অংশীদাৰ ৰূপে প্ৰতিগৰাকী মহিলাৰ দায়িত্ব আৰু কৰ্তব্য আছে, কাৰণ বিভিন্ন ৰূপত নাৰী নিৰ্যাতন চলি আছে ,আনকি এই নিৰ্যাতনৰ পৰা কন্যা শিশুও বাদ পৰা নাই।

**যৌন নিৰ্যাতন ৰোধ কৰা ঃ**

কন্যা শিশুৰ ওপৰত হোৱা যৌন নিৰ্যাতন ৰোধ কৰাৰ ক্ষমতা কেৱল মহিলাৰ হে আছে আৰু সেই মহিলাগৰাকী হয় মাক বা মাতৃস্থানীয় যিকোনো মহিলা। যোল্ল বছৰৰ তলৰ কন্যা সন্তানক শিক্ষা যিমান জৰুৰী যৌন সুৰক্ষা দিয়া তাতোকৈও জৰুৰী। তেতিয়াহে কন্যা শিশু যৌন নিৰ্যাতনৰ পৰা সুৰক্ষিত হ'ব। আজিকালি প্ৰায়বিলাক সামাজিক অনুষ্ঠানত কিশোৰী বা নাবালিকাই শালীনতা বৰ্জিত সাজপাৰ পৰিধান কৰা দেখিবলৈ পোৱা যায়। এইধৰনৰ সাজপাৰে এখন সমাজৰ অধঃপতনৰ চৰিত্ৰক প্ৰতিফলন কৰে। গতিকে যিকোনো

সামাজিক বা সাংস্কৃতিক অনুষ্ঠানত কিশোৰী সকলৰ সাজপাৰ ৰুচি সম্পন্ন হৈছে নে নাই তাৰ প্ৰতি অৱশ্যেই মহিলা সকলে তদাৰক কৰিব লাগে। কাৰণ ৰুচি বৰ্জিত সাজপাৰে পুৰুষক অশালীন আচৰণৰ বাবে প্ৰলুব্ধ কৰিব পাৰে। এই ধৰণৰ শালীনতা বৰ্জিত সাজপাৰ আৰু আচৰণ কুৰুচিপূৰ্ণ মন্তব্য বা যৌন নিৰ্যাতনৰ কাৰণো হ'ব পাৰে। গতিকে মহিলা সকলে সদায় নিজৰ কন্যা বা কিশোৰী সকলৰ সাজপাৰ যাতে সুৰুচিপূৰ্ণ হয় তাৰ প্ৰতি দৃষ্টি দিব লাগে।

আধুনিক সমাজত নাৰী সাংসাৰিক, সামাজিক, ৰাজনৈতিক আদি দিশৰ লগতে ক্ৰীড়া আৰু চলচ্চিত্ৰ নিৰ্মাণ জগতত নিজকে প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হৈছে। আজিৰ নাৰী স্বাধীনমনা, স্বাধীনতা প্ৰিয়। যি পুৰুষৰ সমানেই আধুনিকভাৱে মূৰ দাঙি থিয় হ'বলৈ সক্ষম হৈছে। কিন্তু একে সময়তে আধুনিকতাৰ নামত সমাজৰ আন এচাম নাৰীৰ মাজত গঢ়ি উঠা বিকৃত ৰুচিবোধোৰো নুই কৰিব নোৱাৰি।

**আধুনিকতা ঃ** বৰ্তমান এচাম আধুনিক নাৰীৰ বাবে 'আধুনিকতা'ৰ সংজ্ঞা হৈছে পশ্চিমীয়া সাজপাৰৰ লগতে পশ্চিমীয়া আদব-কায়দাৰ অন্ধ অনুকৰণ। অত্যাধুনিকতাৰ ভুল সংজ্ঞাৰে পৰিচালিত হৈ এই নাৰী সকলে আধুনিকতা, মুক্তমনা হ'বলৈ গৈ নিজৰ নাৰীত্বকে পদে পদে লাঞ্চীত কৰিছে। অশোভনীয় সাজ-পোছাকে মানুহক আধুনিক কৰিব নোৱাৰে। আধুনিকতা প্ৰকাশিত হয় আধুনিক চিন্তাধাৰা আৰু বিচাৰ-বিবেচনাৰ মাজেৰে। নাৰীয়ে নাৰী হিচাপে নিজৰ মৌলিক গুণ তথা অধিকাৰ সমূহক জলাঞ্জলী নিদিয়াকৈ ভাল দিশটোক আকোঁৱালি ল'লেহে নতুন প্ৰজন্মক নতুন চিন্তাৰে গঢ় দি এখন সুস্থ সমাজ গঢ় দিব পাৰিব।

**নাৰীৰ মন ঃ** প্ৰতিগৰাকী নাৰীৰ মনোভাৱ, মনবোৰ দৃঢ় আৰু বহল তথা মমতাৰে পৰিপূৰ্ণ হ'ব লাগে। এগৰাকী কন্যাক এজন ভাল ল'ৰাৰ লগত বিয়া দিয়াতকৈও কেনেকৈ শিক্ষা-দীক্ষাৰে এগৰাকী স্ব-নিৰ্ভৰশীল ছোৱালী কৰি তুলিব পাৰি তাৰ ওপৰতহে বেছি গুৰুত্ব প্ৰদান কৰিব লাগে। নাৰীক যাতে নগ্নসদৃশ দৃশ্যত কোনো বিজ্ঞাপনত মুকলি কৰি পণ্যদ্ৰব্য পৰিণত নকৰে তাৰ বাবে প্ৰতিগৰাকী নাৰী নিজেই অধিক সচেতন হোৱাতো অত্যন্ত জৰুৰী।

**যৌন উৎপীড়ন ঃ** আজিৰ সমাজত যৌন উৎপীড়নৰ ঘটনা অত্যন্ত ভাৱে বৃদ্ধি হোৱাতো বহুতো নাৰী কম-বেছি পৰিমাণে জগৰীয়া, কিয়নো কিছুমান এনে ধৰনৰ পোছাক পিন্ধি ওলাই আহে যাক দেখি পুৰুষ সকলে বেয়া মন্তব্য দিবলৈ কোনো কুণ্ঠাবোধ নকৰে। গতিকে এই ক্ষেত্ৰত সকলো নাৰী সংযমী হ'ব লাগে। নাৰী সকল নৈতিক আৰু আধ্যাত্মিক দৃষ্টিকোণৰ পৰা উন্নত হ'লেহে ঘৰ তথা সমাজ খনৰ নৈতিক অৱস্থা উন্নত হ'ব। নাৰী আৰু পুৰুষৰ মানসিক উৎকৰ্ষ যিমানেই অধিক হয় সমাজখনো সিমানেই শৃংখলাবদ্ধ আৰু শান্তিপূৰ্ণ হয়। নাৰীয়ে নিজকে সকলো ক্ষেত্ৰতে সবল কৰিবলৈ হ'লে প্ৰথমে নিজৰ মানসিক চিন্তা-ধাৰাৰ পৰিৱৰ্তন আনিব বা কৰিব লাগিব।

অন্ধবিশ্বাস, কু-সংস্কাৰ বা কিছুমান নীতি-নিয়মৰ পৰা মুক্ত হৈ স্বাধীনতা লাভ কৰিব পাৰিলেহে নাৰী সফল হ'ব। বৰ্তমান সময়ত সাহস, ধৈৰ্য আৰু একাগ্ৰতাৰে নাৰীয়ে সমাজত আদৰ্শৰ বাট দেখুৱাবলৈও সক্ষম হৈছে। নিজৰ সুৰক্ষা আৰু অধিকাৰলৈও সমাজৰ প্ৰতিগৰাকী নাৰী অত্যন্ত সচেতন। নাৰীয়ে আধ্যাত্মিক চিন্তা-চৰ্চাৰ মাজেৰে নিজৰ মনক সংস্কাৰমুখী কৰি জনকল্যাণ মূলক কামবোৰৰ দায়িত্ব লৈ সমাজখনক শাৰীৰিক, মানসিকভাৱে এক উচ্চ স্তৰলৈ যোৱাটোও বৰ্তমান কালৰ নাৰী সমাজৰ এটা নৈতিক দায়িত্ব। এখন দেশৰ নাৰীসকল শিক্ষিত হ'লেহে দেশৰ সৰ্বাংগীন উন্নতি হ'ব। বৰ্তমান সমাজ ব্যৱস্থা অতি জটিল। আধুনিকতাৰ পৰশ লাগি সমাজে নিত্য নতুন ৰূপত গতি কৰিছে। এই আধুনিক সমাজত প্ৰতিগৰাকী নাৰীৰে কৰ্তব্য আৰু দায়িত্ব আছে তেওঁলোকে নিজে আগবাঢ়ি যোৱাৰ লগতে আনকো আগুৱাই নিয়া উচিত।

# বিশেষ আকৰ্ষণ ৰূপম দত্ত

**বন্দিতা দাস**
স্নাতক প্ৰথম বৰ্ষ
বিকালী মহাবিদ্যালয় ধূপধৰা

আজি কলেজত কিবা হৈ আছে নেকি ও, কলেজৰ পৰিৱেশ কিছু সলনি দেখিছোঁ। কিবা আয়োজন চলি আছে নেকি বাৰু? সকলোৱে দেখোন Auditorioum ৰ ফালে গৈ আছে। লগৰ কেইজনক কলোঁ আমিও যাওঁ বল কি হৈ আছে চাই আহো। গৈ দেখিলোঁ তাত কিবা অনুষ্ঠান আৰম্ভ হ'বলৈ গৈ আছে। অসমীয়া বিভাগৰ দাদা বাইদেউ সকল আছে। পিছতহে গম পালোঁ যেনিবা ইয়াত পাঁচ দিনীয়া বৰগীত আৰু সত্ৰীয়া নৃত্যকলা প্ৰশিক্ষণ দিয়া হ'ব। জনিব পাই আমিও তাতেই থাকিলো আৰু অলপ পিছতেই অসমীয়া বিভাগৰ ছাৰ-বাইদেউ আৰু অধ্যক্ষ ছাৰ লগতে সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষক শ্ৰীযুত ৰবীন্দ্ৰ ৰাভা দেৱ আৰু তেওঁৰ ছাত্ৰ বিমল দা আৰু ছাত্ৰী সংগীতা বা আহিছে। এই অনুষ্ঠানটোৰ বিষয়ে অসমীয়া বিভাগত বহু দিনৰ পৰাই আলোচনা হৈ আছিল এই কথা ব্যক্ত কৰিলে আমাৰ অতি মৰমৰ অসমীয়া বিভাগৰ মুৰব্বী তথা অধ্যাপিকা ভূঞা বাইদেউয়ে। তেওঁলোকৰ প্ৰচেষ্টাত ছাত্ৰ-ছাত্ৰী যে বৰগীত আৰু সত্ৰীয়া নৃত্যৰ বিষয়ে কিছু হ'লেও আভাস পাব। এই বৰগীত আৰু সত্ৰীয়া নৃত্যৰ প্ৰসংগত ৰাভা দেৱ ছাৰে বৰ সুৱলাকৈ ক'লে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱৰ দ্বাৰা বিৰচিত গীত সমূহে বৰগীত। অসমৰ সাহিত্যৰ গৌৰৱ। বৰগীত বা সত্ৰীয়া নৃত্য পাঁচ দিনত লাভ কৰিব পৰা শিক্ষা নহয়। এই শিক্ষা প্ৰায় ৬ বছৰীয়া শিক্ষা হয়। তথাপিও ছাৰে আমাক মাত্ৰ পাঁচ দিনতে শিকাবলৈ প্ৰস্তুত হৈছে আমিও সাজু হৈছোঁ তেওঁৰ কথা শুনি। তাৰ পিছতেই অধ্যক্ষ ছাৰে ক'লে এই বৰগীত আৰু সত্ৰীয়া নৃত্যৰ কৰ্মশালা অনুষ্ঠিত কৰাৰ উদ্দেশ্যেৰ লগতে আছে ১২-০২-২০২১ তাৰিখে অসমৰ এজন বিশিষ্ট ব্যক্তি আহিব আমাৰ মহাবিদ্যালয়ত তেওঁ হ'ল উপন্যাসিক ৰূপম দত্ত ওৰফে সীমান্ত দত্ত। এই কথা ছাৰৰ মুখৰ পৰা মই স্থিৰ হৈ থাকিব নোৱাৰা হৈছিলোঁ কাৰণ মই নিজৰ কাণ খনকে বিশ্বাস কৰিব নোৱাৰা হৈছিলোঁ। মই কি কৰিম কি নকৰিম যেন লাগিছিল প্ৰতিদিনে তেওঁৰ নাম কৈ কৈ লগৰ কেইজনক বিৰক্ত কৰিছিলোঁ মই, অৱশেষত যেনিবা তেওঁক ওচৰৰ পৰা লগ পাম তাৰেই প্ৰাৰ্থনা কৰিছিলোঁ ভগৱানক। আনন্দত আত্মহাৰা হৈছিলোঁ মই। বহুত হেপাহ আৰু আগ্ৰহেৰে বাট চাই ৰ'লো সেই দিনটো লৈ। মন আকুলতাৰে ভৰি পৰিছিল তেওঁক লগ পাবলৈ আৰু কিতাপ খন পঢ়িবলৈ। সেই সময়তে খবৰ পালোঁ আমাৰ কলেজৰ অধ্যাপক তথা ভূগোল বিভাগৰ মুৰব্বী তেওঁ এইবাৰ অৱসৰ গ্ৰহণ কৰিছে। সেই যে তেওঁ এখন কিতাপৰ দোকানৰ লগতে ছাত্ৰ-ছাত্ৰীক যে পঢ়িবৰ বাবে এক সুকীয়া ব্যৱস্থা কৰিছে। অৱসৰ প্ৰাপ্ত হ'লেও ছাৰ আমাৰ মাজত থাকি আমাক লগ পাই থাকিবলৈ আমাৰ মাজত থাকি শিকাবৰ কাৰণে এই কিতাপৰ মাজলৈ আহিছে। মই তালৈ গলোঁ আৰু তাৰ পৰাই যে মই এই বিছাৰি থকা মোৰ চকুত ভাহি থকা কিতাপ খন আনিলোঁ। কিতাপখনৰ আৰম্ভণিৰ পৰাই আকৰ্ষণীয়তা...

এই খন এখন নতুন বিষয়ৰ উপন্যাস "লাইভ অৱ এ ড্ৰাইভাৰ কেৱিনৰ ইপাৰে" পঢ়ুৱৈৰ মনত কৌতুহল আৱেগ,

আনন্দৰ সৃষ্টিৰ লগতে কৰ্ম, পৰিশ্ৰম, ত্যাগ প্ৰকাশ পাইছে তেওঁৰ লিখনিৰ পৰা। এটা পৃষ্ঠা পঢ়ি শেষ নহওঁতেই আৰু আন এটা পৃষ্ঠাৰ বাবে আৱেগৰ জোৱাৰ উঠে। কেতিয়াও ড্ৰাইভাৰৰ চিতত বহি পোৱা নাই কিন্তু কিতাপখন পঢ়িয়েই গাড়ী চলোৱা যেন লাগিছে। কিতাপখন পঢ়ি থাকোঁতেই মনলৈ ভাৱ আহিছে কবিতাৰ কথা। ভবা মতেই কাম ৰাতি ১২ বাজিলে কেনেকৈ লিখোঁ মনত কৌতুহলৰ সৃষ্টি হ'ল আৰু লিখিব আৰম্ভ কৰিলোঁ -

"মবমৰ ৰূপম দা"....... শিৰোনামেৰে আৰম্ভ কৰিলোঁ।

মবম হেঁপাহ বোৰ কলম কাগজক সাক্ষী কৰি কবিতা লিখিলোঁ।

খুলিলো ফেচবুক দেখিলোঁ তেওঁক

খুলিলো ইউটিউব দেখিলোঁ তেওঁক...

ৰাতিপুৱা সোনকালে উঠি ওলাই মিলি ধূপ জ্বলাই দিনটো শুভাৰম্ভৰে পাৰ হওঁক বুলি প্ৰাৰ্থনা কৰিলোঁ।

বহু হেঁপাহ লৈ কলেজ পালোঁ গৈ। আজি কলেজৰ ৰূপ পৰিৱৰ্তন। আহিয়েই মই বুকুত লুকাই ৰাখিছোঁ হেজাৰটা মান প্ৰশ্ন।

ইমান দিনৰ পৰা অধীৰ আগ্ৰহেৰে বাট চাই থকা ব্যক্তিগৰাকী আজি সন্মুখত পাম। কিমান যে আনন্দ পাইছোঁ শব্দ বা ভাষাৰে লিখিব নোৱাৰিম।

সকলোৱে আগ্ৰহেৰে অপেক্ষাত আছে তেওঁলৈ বুলি...

সময় এক বজাৰ লগে লগে আমাৰ আজিৰ বিশেষ আকৰ্ষণৰ ব্যক্তি ৰূপম দত্তৰ অনুষ্ঠান আৰম্ভ হ'ল। পাঁচ দিনীয়া কৰ্মশালাৰ বৰগীত আৰু সত্ৰীয়া নৃত্যৰ প্ৰদৰ্শনেৰে মুকলি কৰিলে আমাৰ আজিৰ এই অনুষ্ঠান বিশেষ আকৰ্ষণ ৰূপম দত্ত। তেওঁ অহাৰ লগে লগে যেন অনুভৱ হৈছিল মই সপোন দেখি আছোঁ নেকি? তেওঁৰ আগমনে যেন কলেজ খনত এক জীপাল পৰিৱেশৰ সৃষ্টি কৰিছিল। সকলোৱে মনত আনন্দ উল্লাহ আৰৱি ধৰিছিল। হিৰো হৈ আহিছিল আমাৰ ৰূপম দা। আহিয়েই সকলোকে মিচিকিয়াই হাঁহি এফাঁকি মাৰি সোমাই আহিল। সত্ৰীয়া নৃত্য শেষ হোৱাৰ পিছত তেওঁ যেতিয়া মঞ্চত উঠিছিল সকলোৱে উল্লাহতে ৰূপম দা ৰূপম দা বুলি চিঞৰি উঠিল। তেওঁৰ প্ৰতিটো শব্দই চুই গৈছিল বিকালীৰ পৰিৱেশ। তেওঁৰ প্ৰতিটো শব্দই চুই গৈছিল মোৰো হৃদয়। স্তব্ধ হৈছিলোঁ তেওঁৰ বক্তৃতাত। চুই গৈছিল সকলোৰে মন। অংগী-ভংগীৰে তেওঁৰ মনৰ ভাব ইমান সহজ সৰল ভাৱে আকৰ্ষিত কৰিলে সকলোৰে মন। ৰূপম দা সঁচাকৈয়ে ৰূপ হয়, তেওঁৰ কথাই সকলোৰে মন চুই গৈছে তেওঁ সহজ সৰল ভাৱে এজন ককায়েকৰ দায়িত্ব পালন কৰিলে তেওঁৰ ভাই-ভনীৰ কাৰণে বহুত কথা শিকালে...। কিশোৰ কিশোৰী বয়সৰ দুৰ্বলতাৰ পৰা হাত সাৰিবলৈ শিকাই দিলে। উদঙাই দিলে এই সময়ৰ আকৰ্ষিত মন মোবাইল ফোনৰ বিষয়ে ফেচবুক হোৱাটছেপৰ মানসিকতা। ছোৱালী সকলক সাহসী নাৰীৰ পৰিচয় দিবলৈ শিকালে। সমাজৰ নৈতিকতা প্ৰদৰ্শক কৰি আমাক আগুৱাই যাবলৈ আশীৰ্বাদ দিলে। তেওঁ আমাৰ মনত উদয় হোৱা প্ৰতিটো প্ৰশ্নৰ উত্তৰ পোনপটীয়াকৈ দি সকলোকে অবাক কৰি তুলিলে। তেওঁৰ মনৰ ভাব কিতাপৰ আকৰ্ষণীয়তা পৰস্পৰৰ লগত কথা পতাৰ ধৰণ আদি অতি কম সময়তে শিকাই দিলে। তেওঁৰ কথাত আছিল প্ৰচুৰ স্পষ্টবাদীতা। ড্ৰাইভাৰে প্ৰতিটো ৰাতি উজাগৰি পাৰ কৰি পথৰ যাত্ৰী কঢ়িয়াই নিয়ে নিৰ্দিষ্ট ঠাইলৈ। তথাপিও যেন তেওঁলোকে কেতেৰা মাতৰ পাত্ৰ হৈ পৰে। তেতিয়া যেন ড্ৰাইভাৰবোৰৰ শীতল তেজ ৰুদ্ৰ হৈ উঠে।

"এজন প্ৰকৃত ড্ৰাইভাৰে জানি বুজি এটা পৰুৱাও মাৰিব নোখোজে"

এজনৰ কাৰণেই যেন গোটেই ড্ৰাইভাৰে হাঁহিয়াতৰ পাত্ৰ লগতে কটু কথা শুনিব লগীয়া হয়।

"লাইভ অৱ এ ড্ৰাইভাৰ" উপন্যাস খনত তেওঁ বহুত কথাই শিকালে...

এজনৰ কাৰণে সকলো জগৰীয়া নহয়। কামৰ সৰু বৰ নাই। কাম কৰিবলৈ লাজ কৰিব নালাগে। জীৱনত সফল হ'বলৈ ডাঙৰ একো কৰাৰ প্ৰয়োজন নাই। তেওঁৰ মানসিকতা সঁচাকৈয়ে অতুলনীয়। সঁচাকৈয়ে তেওঁ অনেকৰ মাজত এজন এনে ব্যক্তি যাৰ কথা কৈ বা লিখি শেষ কৰিব নোৱাৰি। ■

# ভাৰত ৰত্ন

নাছৰিন চুলতানা
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

আমাৰ দেশে প্ৰদান কৰা সৰ্বোচ্চ অসামৰিক সন্মান হ'ল "ভাৰত ৰত্ন" সাহিত্য, কলা, বিজ্ঞান, সমাজসেৱা, ৰাজনীতি আদি সমাজৰ বিভিন্ন দিশলৈ আগবঢ়োৱা উল্লেখযোগ্য অৰিহণাৰ বাবে এই সন্মান প্ৰদান কৰা হয়। গণৰাজ্য দিৱসৰ দিনা ভাৰতৰ ৰাষ্ট্ৰপতিয়ে এই সন্মান প্ৰদান কৰে। এই বঁটাৰ বাবে জীৱিত বা মৃত যিকোনো ব্যক্তিকে নিৰ্বাচিত কৰিব পাৰে। ১৯৫৪ চনৰ ২ জানুৱাৰীৰ পৰা এই বঁটাৰ প্ৰচলন কৰা হয়। এই সন্মান আমাৰ দেশৰ উপৰিও বিদেশী ব্যক্তিকো প্ৰদান কৰা হয়।

এই বঁটাটো বিশেষ ভাৱে তৈয়াৰী। পদকটো দেখাত আঁহত গছৰ পাতৰ আকৃতিৰ। ইব্ৰঞ্জেৰে তৈয়াৰী। পদকটোৰ সন্মুখৰ ফালে সূৰ্যৰ ছবি খোদিত কৰা থাকে। সূৰ্যৰ তলত "ভাৰত ৰত্ন" কথাষাৰ হিন্দী ভাষাত লিখা থাকে। পদকটোৰ ওলোটা পিঠিত ভাৰতৰ জাতীয় প্ৰতীকটো খোদিত হৈ থাকে। এই ভাৰতীয় প্ৰতীকটোৰ তলত হিন্দী ভাষাত "সত্যমেৱ জয়তে" কথাৰ লিপিবদ্ধ হৈ থাকে। পদকটোৰ দৈৰ্ঘ্য ২.৩০ ইঞ্চি, প্ৰস্থ ০.৪৪ ইঞ্চি আৰু ০.১৩ ইঞ্চি ডাঠ থাকে। ■

# এজন সৈনিকৰ জীৱন কাহিনী

**ৰিপন নাথ**
প্ৰাক্তন ছাত্ৰ

ঘৰৰ ডাঙৰ ল'ৰা বিটুপন। সেয়ে সকলোৰে মৰমৰ। ঘৰৰ পৰিয়াল মা-দেউতা আৰু ভন্টী এজনী। দেউতাক খেতিয়ক আৰু মাকে ঘৰৰ কাম কৰে। বিটুপনৰ ঘৰৰ আৰ্থিক অৱস্থা বেছি ভাল নহয়। ভাই-ভনী দুয়োজনে গাওঁৰ প্ৰাথমিক বিদ্যালয়ত পঢ়ে, সৰুৰে পৰা বিটুপন খেল-ধেমালিত পাৰ্গত কিন্তু পঢ়া-শুনাত অলপ দুৰ্বল । অশেষ কষ্টৰ মাজেৰে বিটুপন লাহে লাহে ডাঙৰ হ'ল আৰু দেউতাকক পথাৰৰ কামত সহায় কৰিব পৰা হ'ল। দেউতাকো বুঢ়া হ'বলৈ ধৰিলে ঘৰৰ দায়িত্ব বিটুপনে ল'ব লগা হ'ল লাহে লাহে। তথাপি বিভিন্ন বাধা, কষ্ট, যন্ত্ৰণাক নেওচি গাওঁৰ হাইস্কুলৰ পৰা মেট্ৰিক পাছ কৰে। কলেজত নাম ভৰ্তি কৰিবলৈ টকা নাই হাতত। দেউতাকে ধান দহ মন বজাৰত বিক্ৰী কৰি নাম ভৰ্তি কৰাই দিয়ে । এনেদৰে বহু যন্ত্ৰণাৰ মাজেৰে কলেজীয়া জীৱন আৰম্ভ কৰে । কলেজ বন্ধ থাকিলে পথাৰত বিটুপনে কাম কৰাৰ লগতে মাজে সময়ে গাওঁৰ ধানৰ মিল এটাত কাম কৰিও পঢ়াৰ খৰচ উলিয়াইছিল, দেউতাকৰ অলপ সকাহ হওক বুলি ভাবি।

এদিনাখন বিটুপন কলেজৰ পৰা আহি দেখে? দেউতাকে চোতালত কিবা দুখ মনে চিন্তা কৰি বহি আছে। মাকে কাপোৰযোৰ খুলি বিটুপনক পাকঘৰত ভাত খাবলৈ কৈ ভাত সাঁজিব গ'ল। বিটুপনে দেউতাকক দুখ মনে বহি থকা দেখি সুধিলে ? কি হৈছে অ' পিতাই। এনেকে দুখ মনে বহি আছা যে? দেউতাকে ক'লে নাই হোৱা একো বোপাই, এনে বহি আছোঁ। যা ভাত কেইটামান খোৱাগৈ। দেউতাকৰ কথা শুনি ভাত খাবলৈ গ'ল পাকঘৰত । ভাত খোৱা হোৱাৰ পিছত বিটুপন আহি দেউতাকৰ ওচৰত বহিলে। মাকে বাৰান্দাতে বহিল। বিটুপনে সুধিলে দেউতা ভাত খাইছা নে নাই ? ভন্টী অহা নাই নেকি স্কুলৰ পৰা ? দেউতাকে, খাইছো বোপাই ভাত। মাক, ভন্টী আহি পোৱা নাই তাইৰ টিউচন বোলে প্ৰায় তিনি বাজিব আবেলি। হঠাৎ দেউতাকৰ প্ৰশ্ন বিটুপনলৈ, বোপাই তই ডাঙৰ হ'লে কি কৰিম বুলি ভাবিছা ? নিৰৱে ওলপ উত্তৰ বিটুপনৰ, দেউতা মই আৰ্মীত চাকৰি কৰিম। নিজ মাতৃভূমিক ৰক্ষা কৰিম। লগতে ঘৰৰ অৱস্থাও ভাল কৰিম। দেউতাকে ক'লে, তই জানো পাৰিবি ইমান কষ্ট কৰিবলে। এজন সৈনিক হ'বলৈ হ'লে বুকুত অদম্য সাহস, ধৈৰ্য, বুদ্ধি, ত্যাগ, দুখ-কষ্ট সহিব লাগিব তই জানো পাৰিবি ইমানবোৰ কৰিবলৈ। দেউতা পাৰিম মই মোৰ সম্পূৰ্ণ বিশ্বাস আছে নিজৰ ওপৰত । কাৰণ ঘঁহতে ঘঁহতে বোলে শিলো ক্ষয় যায়। মাথোঁ দেউতা তুমি মোক আশীৰ্বাদ কৰিবা। মাকে ক'লে বাবা নালাগে তই আৰ্মী হ'বলে ঘৰৰ একমাত্ৰ ল'ৰা । ঘৰতে থেতি-বাতি কৰি পাৰিবি দে খাব তই। বিটুপনে সৰুৰে পৰা জেদি। পুতেকৰ জেদ সুলভ আচৰণ দেখি। মাকেও ক'লে দে বোপাই তই যি ভাল দেখো তাকে কৰ।

অৱশেষত এদিন বিটুপনৰ উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ৰিজাল্ট আহিল । বিটুপন সুখ্যাতিৰে উত্তীৰ্ণ হ'ল প্ৰথম বিভাগত । ঘৰখনত আনন্দৰ ঢল উঠিল। এনেদৰে কিছুদিন পাৰ হ'ল। সি তাৰ লক্ষ্য অনুসৰি অনুশীলন আৰম্ভ কৰি থাকিল । হঠাৎ এদিন খবৰ পালে যে বঙাইগাওঁত আৰ্মীৰ জি.ডি. ৰ বাবে অপেন ৰেলি হ'ব। খবৰ পাই বিটুপন আনন্দত নাচি উঠিল। এনেদৰে প্ৰস্তুতিৰ মাজতে ইন্টাৰভিউৰ তাৰিখ মৰ্মে বিটুপন নিজৰ বয় বস্তু লৈ ইন্টাৰভিউ দিবলৈ গ'ল। যাই দেখে যে বহুত কেণ্ডিটেত।

মনত ভয় আৰু শংকা যদিও আত্মবিশ্বাস গভীৰ। যথা সময়ত বিটুপন ফিল্ডত সোমাল। শাৰীপাতি থিয় দিলে লাইনত, জীৱনৰ প্ৰথম যুঁজত। ১৬০০ মিটাৰ দৌৰৰ বাবে সময় ল'লে প্ৰায় ৪.৩০ মিনিট।

হুইচেলৰ শব্দ কঁপি উঠিল। 'আপ লোগ সব ৰেডী হো যাও' - এজন আৰ্মী বিষয়াই সকিয়াই দিলে। আৰু এবাৰ হুইচেল বাজিল ৰেডী এক, দো, তিন ... দৌৰ আৰম্ভ হ'ল। দৌৰৰ সময় শেষ হ'ল বিটুপন নিজৰ লক্ষ্যত উপস্থিত হ'ল। তাৰ কিছু দিন পিছত আন আন শাৰীৰিক, মানসিক পৰীক্ষাসমূহ দিলে। সকলোবোৰ পৰীক্ষা ভালেই হ'ল। বিটুপনৰ মনত বৰ আনন্দ সি প্ৰথম বাৰতেই চাকৰি পাব তাৰ বিশ্বাস।

এমাহ মানৰ পিছত এদিন ডাকঘৰৰ পিয়নজনে বিটুপনৰ ঘৰ বিচাৰি আহিল। বিটুপন ঘৰত আছিল। পিয়নক দেখি বিটুপন আগবাঢ়ি আহিল। পিয়নজনে ক'লে বিটুপন মিঠাই খুৱাব লাগিব তোৰ চাকৰি হ'ল। এক ভাবিব নোৱাৰা আনন্দত বিটুপন আহ..হা... মা.. দেউতা... ভন্টী মোৰ চাকৰি হ'ল। এতিয়া আৰু চিন্তা নাই। সকলোৱে আনন্দত চকুলো টুকিলে। মাক আৰু দেউতাকে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালে।

আজি বিটুপন ঘৰৰ সকলোকে এৰি চিলংলৈ যাব তাতে তাৰ আৰ্মীৰ হেড কোৱাটাৰত ট্ৰেইনিং হ'ব। বিটুপন যাবলৈ ওলাল। মাকে খুৱাই বুৱাই বিটুপনক দুগালত চুমা খাই সাবটি ধৰিলে। মাকে ক'লে বোপাই ভালদৰে থাকিবি। বিটুপনে মা-দেউতাকৰ ভৰি চুই সেৱা জনালে আৰু চকুলো টুকিলে। মা-দেউতা ভন্টী তিনিওটা চকুলো টুকি বিটুপনক বাছ ষ্টেচনলৈ আগবঢ়াই থবলৈ গ'ল। দুদিন পিছত আৰম্ভ হ'ব ট্ৰেইনিং। পুতেকে জনালে মা-দেউতাকক খবৰটো।

এনেদৰে সময় পাৰ হ'ল আৰু বিটুপনৰও ট্ৰেইনিং এদিন সম্পূৰ্ণ হ'ল আৰু এমাহৰ বাবে চুটি লৈ ঘৰলৈ আহিল। এনেদৰে ঘৰলৈ আহি পৰিয়ালৰ সকলোৰে লগত হাঁহি ধেমালি কৰি থাকোঁতে সময়বোৰ পাৰ হ'ল আৰু চুটি শেষ হ'ল। বিটুপনৰ পষ্টিং হ'ল কাশ্মীৰত। দেউতাকৰ পষ্টিংৰ কথা শুনি মনত দুখ কাৰণ কাশ্মীৰ সীমান্তত প্ৰায়েই সংঘটিত হৈ থাকে পাকিস্তানী আই.এচ.আই. সন্ত্ৰাসবাদীৰ লগত সংঘৰ্ষ। পিছদিনা মাক-দেউতাকৰ আশীৰ্বাদ লৈ বিটুপন যাব ওলাল সীমান্তত। কাৰণ পিছদিনা ৰাতিৰ পৰাই ডিউটি আৰম্ভ। এনেদৰে এমাহ পাৰ হ'ল। হঠাৎ এদিন ৰাতি দুটা বজাত ডিউটি কৰি থকা অৱস্থাত পাকিস্তানী সন্ত্ৰাসবাদীয়ে ঘেৰাও কৰি নিৰ্বিচাৰে গুলি চালনা কৰিলে। বিটুপনৰ লগৰ সাৰথিসকল তেজেৰে লুতুৰি-পুতুৰি হৈ ধলি পৰিল। অৱশেষত বিটুপনে তিনিজন সন্ত্ৰাসবাদী হত্যা কৰি নিজে সেই নৰপিশাচৰ হাতত প্ৰাণ আহুতি দিব লগীয়া হ'ল। মৃত্যুৰ আগমূহূৰ্তত মুখেৰে ভাৰত মাতা কি জয় ধ্বনি দিয়ে গ'ল।

ৰাতিপুৱা ৭ বজাত নিউজ চেনেলৰ বাতৰিত এক হৃদয় বিদাৰক খবৰ আহিল যে সীমান্তত পাক সন্ত্ৰাসবাদীৰ সৈতে পৰাক্ৰমে যুঁজি পাঁচ ভাৰতীয় সৈন্যই মৃত্যু বৰণ কৰিলে। তাৰে ভিতৰত এজন বীৰ জোৱান অমৰ শ্বহীদ হয়, নাম বিটুপন। খবৰটো প্ৰথমে ভনীয়েকে গম পায়। কিন্তু আৰু দেউতাকক ক'ব পৰা নাছিল। অৱশেষত গাওঁ তথা সমগ্ৰ অঞ্চল জনাজাত হয়। দেউতাকে বজাৰৰ পৰা আহোতে গাওঁৰ এজন জেষ্ঠ পুৰুষৰ মুখত কথাটো গম পালে। ঘৰ আহি দেখে যে দুয়ো কান্দি আছে । ঘৰখনত দুখে নধৰা হ'ল।

তিনিদিন পিছত বিটুপনৰ মৃতদেহ ভাৰতীয় সৈন্য বাহিনীয়ে শ্ৰদ্ধা সহ-সন্মানেৰে তেওঁলোকৰ জীপ গাড়ীত নিজ বাসগৃহত আনিলে। মানুহে মানুহ নধৰা হ'ল। সমগ্ৰ অঞ্চলতে শোকৰ ছাঁ পৰিল। ডাঙৰ ডাঙৰ ভাৰতীয় সৈন্য বাহিনীৰ বিষয়া তথা লগতে তেওঁৰ সহপাঠী, আৰক্ষী বিষয়া সকলো বিটুপনৰ বাসগৃহত উপস্থিত হ'ল। লগতে সেই অঞ্চলৰ বিধায়ক মহোদয়ও উপস্থিত হয়। ভাৰতীয় সৈন্য বাহিনীৰ নিয়ম নীতি তথা সমাজৰ নীতি নিয়ম অনুযায়ী বিটুপনক দিনৰ দুই বজাত নৈৰ পাৰত চিতা জ্বলায়। সকলোৰে এটাই কামনা বিটুপন তুমি য'তে নাথাকা কিয় সদায় যাতে সুখত থাকা।

এনেদৰে বিটুপনৰ জীৱন কাহিনী শেষ হ'ল। তেওঁৰ নিজৰ আশা পূৰণ হ'ল কিন্তু মাক- দেউতাকৰ আশা পূৰণ কৰিব নোৱাৰিলে। সৈনিকৰ জীৱন সঁচাকৈয়ে আন মানুহতকৈ বহুত পৃথক। সেয়েহে আমি সকলো মানুহে সৈনিক আৰু খেতিয়কক সন্মান কৰা উচিত কাৰণ খেতিয়কে অন্ন দান কৰে আৰু সৈনিকে আমাক সুৰক্ষা প্ৰদান কৰে। জয় জোৱান জয় কিষাণ, জয় ভাৰত। ■

# এজন সৈনিকৰ জীৱন কাহিনী

**ৰিপন নাথ**
প্ৰাক্তন ছাত্ৰ

ঘৰৰ ডাঙৰ ল'ৰা বিটুপন। সেয়ে সকলোৰে মৰমৰ। ঘৰৰ পৰিয়াল মা-দেউতা আৰু ভন্টী এজনী। দেউতাক খেতিয়ক আৰু মাকে ঘৰৰ কাম কৰে। বিটুপনৰ ঘৰৰ আৰ্থিক অৱস্থা বেছি ভাল নহয়। ভাই-ভনী দুয়োজনে গাওঁৰ প্ৰাথমিক বিদ্যালয়ত পঢ়ে, সৰুৰে পৰা বিটুপন খেল-ধেমালিত পাৰ্গত কিন্তু পঢ়া-শুনাত অলপ দুৰ্বল । অশেষ কষ্টৰ মাজেৰে বিটুপন লাহে লাহে ডাঙৰ হ'ল আৰু দেউতাকক পথাৰৰ কামত সহায় কৰিব পৰা হ'ল। দেউতাকো বুঢ়া হ'বলৈ ধৰিলে ঘৰৰ দায়িত্ব বিটুপনে ল'ব লগা হ'ল লাহে লাহে। তথাপি বিভিন্ন বাধা, কষ্ট, যন্ত্ৰণাক নেওচি গাওঁৰ হাইস্কুলৰ পৰা মেট্ৰিক পাছ কৰে। কলেজত নাম ভৰ্তি কৰিবলৈ টকা নাই হাতত। দেউতাকে ধান দহ মন বজাৰত বিক্ৰী কৰি নাম ভৰ্তি কৰাই দিয়ে । এনেদৰে বহু যন্ত্ৰণাৰ মাজেৰে কলেজীয়া জীৱন আৰম্ভ কৰে । কলেজ বন্ধ থাকিলে পথাৰত বিটুপনে কাম কৰাৰ লগতে মাজে সময়ে গাওঁৰ ধানৰ মিল এটাত কাম কৰিও পঢ়াৰ খৰচ উলিয়াইছিল, দেউতাকৰ অলপ সকাহ হওক বুলি ভাবি।

এদিনাখন বিটুপন কলেজৰ পৰা আহি দেখে? দেউতাকে চোতালত কিবা দুখ মনে চিন্তা কৰি বহি আছে। মাকে কাপোৰযোৰ খুলি বিটুপনক পাকঘৰত ভাত খাবলৈ কৈ ভাত সাঁজিব গ'ল। বিটুপনে দেউতাকক দুখ মনে বহি থকা দেখি সুধিলে ? কি হৈছে অ' পিতাই। এনেকৈ দুখ মনে বহি আছা যে? দেউতাকে ক'লে নাই হোৱা একো বোপাই, এনে বহি আছোঁ। যা ভাত কেইটামান খোৱাগৈ। দেউতাকৰ কথা শুনি ভাত খাবলৈ গ'ল পাকঘৰত । ভাত খোৱা হোৱাৰ পিছত বিটুপন আহি দেউতাকৰ ওচৰত বহিলে। মাকে বাৰান্দাতে বহিল। বিটুপনে সুধিলে দেউতা ভাত খাইছা নে নাই ? ভন্টী অহা নাই নেকি স্কুলৰ পৰা ? দেউতাকে, খাইছো বোপাই ভাত। মাক, ভন্টী আহি পোৱা নাই তাইৰ টিউচন বোলে প্ৰায় তিনি বাজিব আবেলি। হঠাৎ দেউতাকৰ প্ৰশ্ন বিটুপনলৈ, বোপাই তই ডাঙৰ হ'লে কি কৰিম বুলি ভাবিছা ? নিৰৰে ওলপ উত্তৰ বিটুপনৰ, দেউতা মই আৰ্মীত চাকৰি কৰিম। নিজ মাতৃভূমিক ৰক্ষা কৰিম। লগতে ঘৰৰ অৱস্থাও ভাল কৰিম। দেউতাকে ক'লে, তই জানো পাৰিবি ইমান কষ্ট কৰিবলে। এজন সৈনিক হ'বলৈ হ'লে বুকুত অদম্য সাহস, ধৈৰ্য, বুদ্ধি, ত্যাগ, দুখ-কষ্ট সহিব লাগিব তই জানো পাৰিবি ইমানবোৰ কৰিবলৈ। দেউতা পাৰিম মই মোৰ সম্পূৰ্ণ বিশ্বাস আছে নিজৰ ওপৰত । কাৰণ ঘঁহতে ঘঁহতে বোলে শিলো ক্ষয় যায়। মাথোঁ দেউতা তুমি মোক আশীৰ্বাদ কৰিবা। মাকে ক'লে বাবা নালাগে তই আৰ্মী হ'বলে ঘৰৰ একমাত্ৰ ল'ৰা । ঘৰতে থেতি-বাতি কৰি পাৰিবি দে খাব তই। বিটুপনে সৰুৰে পৰা জেদি। পুতেকৰ জেদ সুলভ আচৰণ দেখি। মাকেও ক'লে দে বোপাই তই যি ভাল দেখো তাকে কৰ।

অৱশেষত এদিন বিটুপনৰ উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ৰিজাল্ট আহিল । বিটুপন সুখ্যাতিৰে উত্তীৰ্ণ হ'ল প্ৰথম বিভাগত । ঘৰখনত আনন্দৰ ঢল উঠিল। এনেদৰে কিছুদিন পাৰ হ'ল। সি তাৰ লক্ষ্য অনুসৰি অনুশীলন আৰম্ভ কৰি থাকিল । হঠাৎ এদিন খবৰ পালে যে বঙাইগাওঁত আৰ্মীৰ জি.ডি. ৰ বাবে অপেন ৰেলি হ'ব। খবৰ পাই বিটুপন আনন্দত নাচি উঠিল। এনেদৰে প্ৰস্তুতিৰ মাজতে ইন্টাৰভিউৰ তাৰিখ মৰ্মে বিটুপন নিজৰ বয় বস্তু লৈ ইন্টাৰভিউ দিবলৈ গ'ল। যাই দেখে যে বহুত কেণ্ডিটেত।

মনত ভয় আৰু শংকা যদিও আত্মবিশ্বাস গভীৰ। যথা সময়ত বিটুপন ফিল্ডত সোমাল। শাৰীপাতি থিয় দিলে লাইনত, জীৱনৰ প্ৰথম যুঁজত। ১৬০০ মিটাৰ দৌৰৰ বাবে সময় ল'লে প্ৰায় ৪.৩০ মিনিট।

হুইচেলৰ শব্দ কঁপি উঠিল। 'আপ লোগ সব ৰেডী হো যাও' - এজন আৰ্মী বিষয়াই সকিয়াই দিলে। আৰু এবাৰ হুইচেল বাজিল ৰেডী এক, দো, তিন ... দৌৰ আৰম্ভ হ'ল। দৌৰৰ সময় শেষ হ'ল বিটুপন নিজৰ লক্ষ্যত উপস্থিত হ'ল। তাৰ কিছু দিন পিছত আন আন শাৰীৰিক, মানসিক পৰীক্ষাসমূহ দিলে। সকলোবোৰ পৰীক্ষা ভালেই হ'ল। বিটুপনৰ মনত বৰ আনন্দ সি প্ৰথম বাৰতেই চাকৰি পাব তাৰ বিশ্বাস।

এমাহ মানৰ পিছত এদিন ডাকঘৰৰ পিয়নজনে বিটুপনৰ ঘৰ বিচাৰি আহিল। বিটুপন ঘৰত আছিল। পিয়নক দেখি বিটুপন আগবাঢ়ি আহিল। পিয়নজনে ক'লে বিটুপন মিঠাই খুৱাব লাগিব তোৰ চাকৰি হ'ল। এক ভাবিব নোৱাৰা আনন্দত বিটুপন আহ..হা... মা.. দেউতা... ভন্টী মোৰ চাকৰি হ'ল। এতিয়া আৰু চিন্তা নাই। সকলোৱে আনন্দত চকুলো টুকিলে। মাক আৰু দেউতাকে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালে।

আজি বিটুপন ঘৰৰ সকলোকে এৰি চিলংলৈ যাব তাতে তাৰ আৰ্মীৰ হেড কোৱাটাৰত ট্ৰেইনিং হ'ব। বিটুপন যাবলৈ ওলাল। মাকে খুৱাই বুৱাই বিটুপনক দুগালত চুমা খাই সাবটি ধৰিলে। মাকে ক'লে বোপাই ভালদৰে থাকিবি। বিটুপনে মা-দেউতাকৰ ভৰি চুই সেৱা জনালে আৰু চকুলো টুকিলে। মা-দেউতা ভন্টী তিনিওটা চকুলো টুকি বিটুপনক বাছ ষ্টেচনলৈ আগবঢ়াই থবলৈ গ'ল। দুদিন পিছত আৰম্ভ হ'ব ট্ৰেইনিং। পুতেকে জনালে মা-দেউতাকক খবৰটো।

এনেদৰে সময় পাৰ হ'ল আৰু বিটুপনৰও ট্ৰেইনিং এদিন সম্পূৰ্ণ হ'ল আৰু এমাহৰ বাবে চুটি লৈ ঘৰলৈ আহিল। এনেদৰে ঘৰলৈ আহি পৰিয়ালৰ সকলোৰে লগত হাঁহি ধেমালি কৰি থাকোঁতে সময়বোৰ পাৰ হ'ল আৰু চুটি শেষ হ'ল। বিটুপনৰ পষ্টিং হ'ল কাশ্মীৰত। দেউতাকৰ পষ্টিংৰ কথা শুনি মনত দুখ কাৰণ কাশ্মীৰ সীমান্তত প্ৰায়েই সংঘটিত হৈ থাকে পাকিস্তানী আই.এচ.আই. সন্ত্ৰাসবাদীৰ লগত সংঘৰ্ষ। পিছদিনা মাক-দেউতাকৰ আশীৰ্বাদ লৈ বিটুপন যাব ওলাল সীমান্তত। কাৰণ পিছদিনা ৰাতিৰ পৰাই ডিউটি আৰম্ভ। এনেদৰে এমাহ পাৰ হ'ল। হঠাৎ এদিন ৰাতি দুটা বজাত ডিউটি কৰি থকা অৱস্থাত পাকিস্তানী সন্ত্ৰাসবাদীয়ে ঘেৰাও কৰি নিৰ্বিচাৰে গুলি চালনা কৰিলে। বিটুপনৰ লগৰ সাৰথিসকল তেজেৰে লুতুৰি-পুতুৰি হৈ ধলি পৰিল। অৱশেষত বিটুপনে তিনিজন সন্ত্ৰাসবাদী হত্যা কৰি নিজে সেই নৰপিশাচৰ হাতত প্ৰাণ আহুতি দিব লগীয়া হ'ল। মৃত্যুৰ আগমুহূৰ্তত মুখেৰে ভাৰত মাতা কি জয় ধ্বনি দিয়ে গ'ল।

ৰাতিপুৱা ৭ বজাত নিউজ চেনেলৰ বাতৰিত এক হৃদয় বিদাৰক খবৰ আহিল যে সীমান্তত পাক সন্ত্ৰাসবাদীৰ সৈতে পৰাক্ৰমে যুঁজি পাঁচ ভাৰতীয় সৈন্যই মৃত্যু বৰণ কৰিলে। তাৰে ভিতৰত এজন বীৰ জোৱান অমৰ শ্বহীদ হয়, নাম বিটুপন। খবৰটো প্ৰথমে ভনীয়েকে গম পায়। কিন্তু আৰু দেউতাকক ক'ব পৰা নাছিল। অৱশেষত গাওঁ তথা সমগ্ৰ অঞ্চল জনাজাত হয়। দেউতাকে বজাৰৰ পৰা আহোতে গাওঁৰ এজন জেষ্ঠ পুৰুষৰ মুখত কথাটো গম পালে। ঘৰ আহি দেখে যে দুয়ো কান্দি আছে। ঘৰখনত দুখে নধৰা হ'ল।

তিনিদিন পিছত বিটুপনৰ মৃতদেহ ভাৰতীয় সৈন্য বাহিনীয়ে শ্ৰদ্ধা সহ-সন্মানেৰে তেওঁলোকৰ জীপ গাড়ীত নিজ বাসগৃহত আনিলে। মানুহে মানুহ নধৰা হ'ল। সমগ্ৰ অঞ্চলতে শোকৰ ছাঁ পৰিল। ডাঙৰ ডাঙৰ ভাৰতীয় সৈন্য বাহিনীৰ বিষয়া তথা লগতে তেওঁৰ সহপাঠী, আৰক্ষী বিষয়া সকলো বিটুপনৰ বাসগৃহত উপস্থিত হ'ল। লগতে সেই অঞ্চলৰ বিধায়ক মহোদয়ও উপস্থিত হয়। ভাৰতীয় সৈন্য বাহিনীৰ নিয়ম নীতি তথা সমাজৰ নীতি নিয়ম অনুযায়ী বিটুপনক দিনৰ দুই বজাত নৈৰ পাৰত চিতা জ্বলায়। সকলোৰে এটাই কামনা বিটুপন তুমি য'তে নাথাকা কিয় সদায় যাতে সুখত থাকা।

এনেদৰে বিটুপনৰ জীৱন কাহিনী শেষ হ'ল। তেওঁৰ নিজৰ আশা পূৰণ হ'ল কিন্তু মাক- দেউতাকৰ আশা পূৰণ কৰিব নোৱাৰিলে। সৈনিকৰ জীৱন সঁচাকৈয়ে আন মানুহতকৈ বহুত পৃথক। সেয়েহে আমি সকলো মানুহে সৈনিক আৰু খেতিয়কক সন্মান কৰা উচিত কাৰণ খেতিয়কে অন্ন দান কৰে আৰু সৈনিকে আমাক সুৰক্ষা প্ৰদান কৰে। জয় জোৱান জয় কিষাণ, জয় ভাৰত। ■

# বন্ধু - মোৰ অনুভৱ

**সুমন কুমাৰ**
স্নাতক ষষ্ঠ ষাণ্মাসিক

আগতে বন্ধু আছিল একেলগে খেলা-ধূলা কৰা, একেলগে গাঁৱত ফুৰা-চকা বা বিদ্যালয়-মহাবিদ্যালয়ত একেলগে পঢ়া লোকৰ মাজত। তাবোপৰি, বিভিন্ন সূত্রে সুসম্পৰ্ক গঢ়ি এই সম্বন্ধ স্থাপন হৈছিল।

বন্ধুৰ সেই পৰিসৰ এতিয়া বৃদ্ধি পাইছে। চচিয়েল মিডিয়াযোগে বিভিন্নজনৰ মাজত বন্ধুত্ব হয়। নেদেখাকৈ নজনাকৈ গঢ়লৈ উঠে সম্পৰ্ক। বন্ধুত্বৰ পূৰ্বৰ মাদকতা এতিয়া যেন ক'ৰবাত হেৰাই গৈছে।

মানুহৰ স্বাৰ্থৰ মাজত বন্ধুত্বৰ পবিত্ৰ সম্পৰ্কৰ মৰ্যদা আৰু বিশ্বাসযোগ্যতা হেৰাই গৈছে। বন্ধু মানে এক পাৰস্পৰিক চেনেহৰ মাজত গঢ় লৈ উঠা এই সম্পৰ্কক কোনোৱে নুই কৰিব নোৱাৰে। সকলোৰে থাকে বন্ধু। সুখ-দুখৰ সংগী হয় এই বন্ধু। বন্ধুৰ সৈতে জড়িত হৈ থকা আৱেগ, আনন্দ, বুজাবুজি কেতিয়াবা কেতিয়াবা বিষাদো হৈ পৰে। বিশ্বাস আৰু শ্ৰদ্ধা নাথাকিলে বন্ধুত্বৰ কোনো মূল্য নাই। যেনেকৈ বিপদৰ মুহূৰ্তত বন্ধুৰ কাষত, আনন্দৰ মুহূৰ্ততো বন্ধুৰ ওচৰত।

বন্ধু মানে বিশ্বাস আৰু আশা। বন্ধু মানে সকলো কথা ক'ব পৰা এজন ব্যক্তি। কিন্তু তাৰ মাজতে এই সম্বন্ধৰ গহণা লৈ বন্ধুৱে প্ৰতাৰণা কৰে। এয়া বন্ধুক অতিবিশ্বাস কৰাৰ ফলত হয়। ■

সেই নিৰ্ভেজাল মৰমবোৰ ইয়াতেই আছে। ইজনে সিজনক লগ পালে জীৱনকে পাহৰিব খোজে। কান্ধত কান্ধ থৈ সুখ-দুখৰ কথা পাতি দুয়ো আপোন পাহৰা হ'ব পাৰে। জীৱনৰ এই সম্পৰ্ক কেৱল তেওঁৰ সৈতেহে সম্ভৱ । আত্মীয় নহয় তেওঁ আত্মীয়তকৈ আপোন। প্ৰিয়জন নহ'লেও প্ৰিয়জনতকৈ বেছি বিশ্বাসী।

এক আকুলতাৰ মৰমৰে বিশ্বাসৰ ভেটি গঢ় লোৱা এই সম্বন্ধত আছে ত্যাগ আৰু ভালপোৱাৰ প্ৰতিশ্ৰুতি। ইয়াৰ অনুভৱ হয় তেতিয়া, যেতিয়া কাৰোবাৰ ক'ব খোজা কথাবোৰ বুকুতে ৰৈ যায় ।

তেওঁ নুবুজিলে বুজিব কোনে? মৰম, ধেমালি আৰু স্বাৰ্থহীন সম্পৰ্কৰ মাজত আবদ্ধ হৈ থাকে চিৰকাল। বয়স বাঢ়ি যায়, সম্পৰ্ক হেৰাই নাযায়। বহুদিন সংস্পৰ্শত নাথাকিলেও মনৰ ভিতৰত থাকি যায় ভাল লগা দিনৰ স্মৃতিবোৰ।

বন্ধু- এক ভাল লগা শব্দ। এক গভীৰ সম্পৰ্ক। বিশ্বাস, আন্তৰিকতা, সহযোগিতা আৰু প্ৰতিশ্ৰুতিৰে ভৰা এই সম্পৰ্কত নাথাকে কোনো হিচাপ। জীৱনৰ বাবে বন্ধুহেনো অক্সিজেন। অতি প্ৰিয়জনৰ আগতো ক'ব নোৱাৰা কথা বন্ধুৰ আগত ক'ব পাৰি। বন্ধুৰ সৈতে সময় কেনেদৰে পাৰ হয় ধৰিবই নোৱাৰি।

# সৰা পাতৰ শব্দ

অংকনা চক্ৰৱৰ্তী
স্নাতকোত্তৰ তৃতীয় ষাণ্মাসিক

কৰবীয়ে আহি পাওঁ পাওঁ হওঁতেই গাড়ীখন এৰিলে । আজিও তাই অকণমান পলম হ'ল। আঙুলিৰ নখৰ মূৰত পানী থকাৰ দৰেই অকণমান সময়ৰ পলম। নহ'বনো কিয়! সেই গাঁওৰ তিনিআলি কেঁচা ৰাস্তাটোৰে ডেৰ কিলোমিটাৰ মান দূৰত্ব। তাতেই আকৌ পকা ৰ'দ, ধুলিৰ ভেঙুচালি। আহোতে তাতেই তাইৰ সময়কণ গুচি যায়।

বাছ ষ্টেচনত ৰাস্তাটো পাৰ হৈ ৰবিনদাৰ দোকানৰ পৰা স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ কাৰনে চকলেট কিনিবলৈ অহাৰ দৰে আজিও আহিছিল অভ্যাসবশতঃ।

অ কৰবী আজি কোনটো চকলেট দিম- ৰবিনদায়ে দূৰৰ পৰা মাত লগালে।

ৰবিনে জানে আন দিনাৰ দৰে আজিও তাই কিবা নহয় কিবা এটা ল'বই স্কুলৰ ছাত্ৰ-ছাত্ৰী কেইটাৰ বাবে।

কৰবী ঃ Dairy milk, kit-ket, Milky bar.

তোৰ চাগে মাহৰ দৰমহা খিনি সদায় সদায় এইবোৰ কিনিয়েই আধা শেষ হৈ যায়।- ধেমেলীয়া সুৰত হাঁহি হাঁহি ৰবীনে ক'লে।

কৰবীও হাঁহিলে- দে ৰবীনদা যাওঁ দে মই, পলম হৈ যাব নহ'লে স্কুললৈ মোৰ।

'দে যা যা।'

কৰবীয়ে বাছত উঠি আকৌ বেগৰ পৰা Senitizer টো উলিয়াই হাতখনত Senitizer সানি ল'লে। ইপিনে মুখত মাস্ক।

উপায়ো নাই! কৰ'ণাৰ সময়।

অকণমান সাৱধান নহ'লেও নচলিব। ভয়ে লগা হৈছে সদায় সদায় ইমান মানুহ আক্ৰান্ত হ'ব লাগিছে। কিমান যে কত মানুহ মৰি আছে, তাৰো হিচাপ নাই। তাৰেই কিছুমান সুস্থও হৈছে। ইমানতে বাছখন ব্ৰেক মাৰি ৰখাই দিলে। কৰবীয়ে ইটো সিটো নানানটো কথা ভাবি ভাবি স্কুল পালেগৈ। বাছৰ পৰা নামি স্কুললৈ গ'ল।

এনেকৈয়ে কেইবাদিনো গ'ল কৰবিয়ে সদায় স্কুলত অহা যোৱা কৰে। তাই সদায় লক্ষ্য কৰে ৰবীনদাৰ দোকানখন কেইবাদিনো ধৰি খোলা নাই।

ব্যস্ততা আৰু নিজৰ জীৱনৰ নানান টা কথাৰ দোমোজাত পৰি তাই খবৰ এটা লবলৈও আহৰি পোৱা নাই।

ৰবীন হ'ল ঢেঁকিয়াজুলি গাঁওৰ এজন ডেকা। ঘৰত মাথো তিনিটায়ে প্ৰাণী। ৰবীন, তাৰ এটা সৰু ভায়েক আৰু বুঢ়ী মাক জনী। এখন সৰু দোকানেই ৰবীনৰ পৰিয়ালৰ জীৱিকাৰ এক পথ।

'আজি বতৰটো বৰ সেমেকা; অকণমান ডাৱৰ আৰু নিৰিবিলি শান্ত পৰিৱেশ। কৰবিয়ে কৈ উঠিল।

কৰবি আৰু তাইৰ স্কুলৰ লগৰ লগত কিবা এটা কামত ঢেঁকিয়াজুলি গাঁৱত যাব লগা হ'ল।

এইখনেই ৰবিনৰ গাঁও। কিন্তু তাইৰ এই কথাৰ একো উম নাই। কাম সামৰি প্ৰায় আবেলি ৫ বাজিছিল। কেঁচা বাটৰ হেঙুলিয়া আবেলিৰ পৰশত তাই দূৰৰ পৰা দেখিলে চুবুৰি আৰু তাত এজাক মানুহৰ দম।

হালধীয়া পখীয়ে বাওঁ ধান খায়

হেঙুলী বেলিৰ নিচুপ কঁপনিত
প্ৰাণ পক্ষীটি উৰি যায়
যেন পদূলিত তলসৰা পাতৰ শব্দই
নিৰবতাৰ বা বোলাই।
নিস্তব্ধতা।

দুকুৰি একুৰি মানুহ কিন্তু কেৱল নিস্তব্ধতা ।
নিস্তব্ধতাৰ আঁৰে আঁৰে ভাঁহি আহে উচুপনি কিন্তু এই উচুপনি কাৰ !!
কৰবীয়ে ধৰিব নোৱাৰিলে কি হৈ আছে, মাথো নিৰৱ হৈ গ'ল তাই, ভৰিৰ খোজ থমকি ৰ'ল।

# জিন্তী নামৰ ছোৱালীজনী

**নিশিতা কলিতা**
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

এতিয়াও কিছুমান ঠাইত ল'ৰা-ছোৱালীক সমান অধিকাৰ দিয়া নহয়, ল'ৰাতকৈ ছোৱালীক কম বুলি ভাবে, ল'ৰা জনৰ সমান শিক্ষা ছোৱালীজনীক দিয়া নহয়। ছোৱালীজনীক ঘৰৰ বোজা বুলি ভাবে।

ঠিক তেনেকুৱাই হৈছিল জিন্তী নামৰ ছোৱালী জনীৰ লগত। তাইৰ জন্ম হৈছিল অসমৰে এখন সৰু গাঁওত। তাইৰ দেউতাকৰ নাম আছিল নিৰেন আৰু মাকৰ নাম আছিল ৰীণা। তেওঁলোকৰ এটা পুত্ৰ সন্তানো আছিল। তাৰ নাম আছিল জিতু। আচলতে জিন্তী আৰু জিতু নিৰেন আৰু ৰীণাৰ যমজ সন্তান। নিৰেন আৰু ৰীণাই জিন্তীক ইমান মৰম নকৰিছিল কিন্তু জিতুক তেওঁলোকে বহুত মৰম কৰিছিল। তেওঁলোকে জিন্তীক কেৱল ঘৰুৱা কাম বনহে কৰিব দিছিল।

আচলতে জিন্তীৰ মাক-বাপেকে ভাবিছিল যে - "ছোৱালী মানুহে ইমান পঢ়া-শুনা কৰি কি কৰিব? এনেও বিয়া হৈ গুচিয়ে যাব। ঘৰুৱা কাম বনহে শিকিব লাগে।" নিৰেন আৰু ৰীণাই ১৬ বছৰ বয়সতে জিন্তীক বিয়া দিলে।

জিতুক কিন্তু তেওঁলোকে বহুত পঢ়া-শুনা কৰালে। অৱশেষত জিতুয়ে এটা ভাল চাকৰিও পালে আৰু সি চাকৰি কৰিবলৈ বিদেশলৈ গ'ল। জিতুয়ে তাৰ মাক-বাপেকৰ অলপো খবৰ নলোৱা হ'ল। তাৰ মাক-বাপেকে খাইছে নে নাই, ভালে আছে নে নাই, এটা ফোন কৰিও খবৰ লোৱা নাছিল।

জিন্তীক কিন্তু তাইৰ স্বামীৰ ঘৰখনে বহুত মৰম কৰিছিল। সেইবাবে তাইক বিয়াৰ পিছতো পঢ়া বাদ দিব দিয়া নাছিল। পিছত তাই এটা ভাল চাকৰিও পালে। আৰু তাইৰ নিজৰ স্বামীৰ ঘৰখনৰ লগতে নিজৰ মাক-বাপেকৰো যত্ন লৈছিল।

পিছত নিৰেন আৰু ৰীণাই নিজৰ ভুল অনুভৱ কৰিলে আৰু জিন্তীক ক্ষমা খুজিলে আৰু তাই ক্ষমা কৰিও দিলে। ■

# তোমাৰ আজিও খং কমা নাই নেকি ?

**প্ৰিয়ংকা বনিক্য**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

এয়া চোৱা কাণত ধৰিছো কেতিয়াও কাজিয়া নকৰোঁ আৰু মই। এবাৰ মাতা না মোক।
চোৱাচোন তোমাৰ প্ৰিয় ফুলপাহ আনিছো আজি, এতিয়া মাত এষাৰ দিয়া চোন মোক।

আজিও সি তাইৰ সমাধিত তাইৰ প্ৰিয় ৰঙা গোলাপপাহ থৈ তাইৰ অভিমান ভাঙিবলৈ চেষ্টা কৰি আছে। আজি দুবছৰ ধৰি সি চেষ্টা কৰিয়েই আছে, কিন্তু তাইৰ সহাৰি হে নাপায় । কেনেকৈ পাব? সেই দুবছৰৰ আগত সিহঁতৰ আটাইতকৈ ভাল লগা দিনটোতে যে তাই তাক এৰি চিৰদিনৰ কাৰনে গুছি গ'ল । সেইদিনা সিহঁতৰ প্ৰেমে তিনিটা বছৰত ভৰি দিছিল । গোটেই দিনটো তেওঁলোকে একেলগে কটাইছিল। অঘটনটো ঘটিছিল সিহঁত উভতি অহাৰ সময়ত। কিবা সৰু কথা এটাত দুয়োৰে কাজিয়া লাগিছিল আৰু সি খঙতে তাইক এৰি ৰাস্তা পাৰ হৈ গুছি আহিছিল। সি এবাৰো তাৰ পিছে পিছে তাৰ অভিমান ভাঙিবলৈ আহি থকা তাইৰ ফালে নাচালে। যেতিয়া চালে তেতিয়া সকলো শেষ হৈ গৈছিল । তেজেৰে ৰাঙলী হৈ পৰি আছিল তাৰ প্ৰিয় মানুহজনী। গাড়ী এখনে মহতিয়াই থৈ গুছি গৈছিল তাইক। সেইদিনাৰ পৰা সি তাইৰ সমাধিৰ ওচৰতে থাকি তাইৰ অভিমান ভাঙিবলৈ চেষ্টা কৰি থাকে। সকলোৱে তাক পাগল বুলি কয়। কিন্তু মানুহেটো নাজানে সি যে তাৰ সোনৰ অভিমান ভাঙিবলৈ হে চেষ্টা কৰি আছে। আৰু কৰি যাব গোটেই জীৱন। ■

# বিষাদৰ আঁৰৰ সাফল্য "চুটি গল্প"

**মিতুল দাস**
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

নকুল এজন দশম শ্ৰেণীত পঢ়ি থকা ছাত্ৰ। সন্ধিয়া কেৰাচিন তেলৰ চাকিৰ পোহৰত নকুলে একান্ত মনে পঢ়ি আছে। অহা কালি তাৰ শ্ৰেণী পৰীক্ষা, সেয়ে সি মনোযোগেৰে পঢ়ি আছে যাতে পৰীক্ষা ভাল হয়।

নকুলৰ ঘৰত তাৰ মাক আৰু দেউতাকেই আছে। দেউতাকে দিন হাজিৰা কৰি কোনো মতে ঘৰখন চলাই আছে। নকুলে পঢ়ি থকা মাকে ওচৰতে বহি চাই আছে। তেতিয়া ৰাতি প্ৰায় ৮ বাজিছে। ওচৰতে বহি থকা মাকক নকুলে সুধিলে-

ঃ মা, ইমান ৰাতি হ'ল দেউতা এতিয়ালৈকে আহি পোৱা নাই যে...?

ঃ নাজানো অ' বোপা! কিয় বা ইমান দেৰি কৰিছে। আজি তিনিদিন মানেই হ'ল দেউতাৰেও কোনো কামত যোৱা নাই। এই ফালে ঘৰত চাউল এমুঠিও নাই। অলপ চাউল আৰু কিবা পাচলি আনিলে ভাল আছিল।

ঃ মা, মোৰ পঢ়ি পঢ়ি টোপনি লাগিছে। একাপ চাহ খাব পৰা হ'লে ভাল আছিল।

ঃ কিহেৰে খাবা বাবু? চাহ খাবলৈ চোন একোৱেই নাই।

ঃ খালী চাহেই হ'ব দিয়া মা।

ঃ আনিছোঁ ৰহ -। বুলি কৈ মাকে পাকঘৰলৈ গ'ল। মাকে নকুলৰ কাৰণে চাহ বনাবলৈ চৌকাত জুই ধৰিলে।

চাহখিনি উতলিবলৈ দি, মাকে নকুলৰ দেউতাক আহিল নে নাই এবাৰ পদূলি মুখলৈ চাই পঠিয়ালে। নাই, এতিয়ালৈকে মানুহটোৰ খবৰেই নাই। নকুলৰ মাকে ভাবে! ইমানটো দেৰি নকৰে তেখেতে। মাকে নকুলক চাহ দিলে। খালী ৰঙা চাহ কাপ খাই নকুলৰ গাটো অলপ ভাল লাগিল। চাহখিনি খাই নকুলে আৰু এঘণ্টামান পঢ়িলে। দেউতাক এইফালে আহি নাপালেই। নকুলে ঘড়ীটোলৈ চালে, সময় তেতিয়া ৯ বাজি ১৫ মিনিট। কিছু সময় পঢ়াৰ পিছত মাকে তাক পাকঘৰৰ পৰা মাত লগালে -

ঃ বাবু, অ বাবু! এইফালে আহচোন।

ঃ গৈছোঁ ৰহ - বুলি কৈ নকুল পাকঘৰত মাকৰ ওচৰলৈ গ'ল।

ঃ কিয় মাতিছিলা মা?

ঃ দিনৰে কেইটামান ভাত আৰু অকণমান দালি আছে। তাকে খাই ল'। বাপেৰে নাহিবই
নেকি আজি।

ঃ আৰু তুমি কি খাবা মা?

ঃ মোৰ এতিয়া ভোক নাই দে, তুমি খাই লোৱা।

নকুলে ভাত খাই টোপনি গ'ল। মাকে দেউতাকলৈ বাট চাই চাই আমনি লাগিলে। ৰাতিও বহুত হ'ল। সময় ১১ বাজি ৪৫ মিনিট হ'ল। মাকৰ টোপনিও ধৰিলে। মাকে এগিলাচ পানী খাই চিন্তিত মনেৰে শুই থাকিল। ৰাতিপুৱা বহুতো মানুহৰ চিঞৰ-বাখৰ আৰু হুলুস্থুলত নকুল টোপনিৰ পৰা সাৰ পালে। বিছনাৰ পৰা উঠি আহি দেখিলে যে চোতালত বহুত মানুহৰ ভিৰ। সকলোৱে চিঞৰ-বাখৰ কৰিছে আৰু মাকে চোতালত বাগৰি বাগৰি কান্দিছে। মাকৰ সন্মুখত পৰি আছে বগা কাপোৰেৰে ঢাকি থোৱা এজন ব্যক্তি। ওচৰলৈ ভালকৈ চাই দেখিলে সেইজন দেখোন নকুলৰ দেউতাক। নকুলৰ আৰু বুজিবলৈ বাকী নাথাকিল। তেওঁৰ দেউতাক আৰু এই পৃথিৱীত

নাই। ওচৰতে থকা মাকক নকুলে সাৱটি ধৰি হুক-হুকাই কান্দিবলৈ ধৰিলে। সিহঁতৰ গাঁৱৰ ওচৰৰে যতীন খুড়াকে ক'লে যে, ৰাতিয়ে হয়টো কোনোবা গাড়ীয়ে খুন্দিয়াইছে। ড্ৰাইভাৰ হয়টো ভয়তে পলাইছে আৰু বাপেক তেনেকৈ গোটেই ৰাতি ৰাস্তাৰ কাষত পৰি ৰ'ল। যদি উচিত সময়ত বাপেকৰ চিকিৎসালয়ত লৈ যোৱা হ'লে তেন্তে নিশ্চয় বচাৰ আশা আছিল। যেতিয়া ৰাতিপুৱা যতীন খুড়াক মৰ্নিং ৱাক কৰিবলৈ গৈছিল তেতিয়াহে বাপেকক মৃত অৱস্থাত পাইছিল।

মৃত দেহটো শ্মশানলৈ লৈ যোৱা হ'ল। বাপেকৰ গাত অগ্নি সংযোগ কৰিলে নকুলে। তাৰপিছত সকলো নীতি-নিয়মেৰে শ্মশানৰ কাম শেষ কৰি সকলো ঘৰলৈ উভতিল। দেউতাক নোহোৱা হোৱাৰ পৰা নকুলহঁতৰ বহুত কষ্ট হ'ব ধৰিলে । মাকে এতিয়া লোকৰ ঘৰে ঘৰে কাম কৰে, কাম নকৰিলে খাবলৈ ভাত মুঠি নাপায়। মাকে বোৱাৰী পুৱাতে উঠি ঘৰৰ সমস্ত কাম-বন কৰি নকুলৰ বাবে ভাত ৰান্ধি তিনিঘৰ মানুহৰ ঘৰত কাম কৰে।

ঃ নকুল অ নকুল। স্কুললৈ ওলাইছো নে?

- একে শ্ৰেণীৰ মানবে আহি তাক মাত লগালে ।

ঃ গৈছোঁ ৰহ। বুলি কৈ নকুলে কিতাপ পত্ৰখিনি লৈ দুৱাৰ জপাই এডাল ৰছীৰে গাঁথি মাৰি মানৱৰ লগত স্কুললৈ যাবলৈ ওলাল। এইবাৰ শ্ৰেণী পৰীক্ষা নকুলে দিব নোৱাৰিলে তাৰবাবে নকুলে প্ৰধান শিক্ষকলৈ এখন আবেদন পত্ৰ লিখিছে। প্ৰধান শিক্ষকেও ইতিমধ্যে সকলো কথা জানে যে পৰীক্ষাব দিনাখনেই নকুলৰ দেউতাকৰ মৃত্যু হৈছিল।

গধূলি নকুলে পঢ়াত বহিছে । মাকে তাৰ পঢ়া চাই আছে । দিনটো লোকৰ ঘৰত কাম কৰি মাকৰ আৰু কাম কৰিবলৈ শক্তি নাই। তথাপি নিজে নাখালেও মাকে নকুলক খোৱাত কোনো অসুবিধা দিয়া নাই। মাকৰ বিশ্বাস নকুল এদিন বহুত ডাঙৰ মানুহ হ'ব আৰু তেওঁলোকৰ সকলো দুখ কষ্ট দূৰ হ'ব। নকুলেও পঢ়াত বহুত মন দিছে। সিওঁ মনে মনে ভাৱে এদিন সি পঢ়ি শুনি বহুত ডাঙৰ মানুহ হ'ব আৰু তেতিয়া সি মাকক বহুত সুখত ৰাখিব। মাকৰ অসহায় মুখখনি তাৰ চকুত ভাঁহি উঠে। মাকৰ মুখখনেই যেন তাৰ প্ৰেৰণাৰ উৎস। মনতে ভাৱে সি মাক অলপ সুখ দিব পৰা হ'লে। এইফালে মেট্ৰিক পৰীক্ষাৰ সময় চমু চাপি আহিছে। স্কুলত নকুলৰ মানৱৰ বাহিৰে আন কোনো বিশেষ বন্ধু নাই। সহপাঠীবোৰৰ লগত বৰ মিল নাই যদিও মানৱৰ লগত তাৰ বৰ মিল। পিতৃহাৰা দুখীয়া ঘৰৰ সন্তান হিচাপে নকুলক আনে বৰ বেছি পাত্তাও দিব নোখোজে। সিওঁ উপজাচি কাৰো ওচৰলৈ নাযায়। আত্মসন্মান তাৰ বাবে গুৰুত্বপূৰ্ণ।

এনেকৈ দিন যায় ৰাতি হয়। নকুলে মেট্ৰিকৰ দেওনা পাৰ কৰিলে বৰ সফলতাৰে। তাৰ সাফল্যত মাক, শিক্ষক-লগৰীয়াসকল আটায়ে আনন্দিত হ'ল। এতিয়া মাকৰ মহা চিন্তা হ'ল যে স্কুলৰ খৰচেই মাকে বহন কৰিব নোৱাৰে আৰু এতিয়া কলেজৰ খৰচ পাতি কেনেকৈ বহন কৰিব। সেইকাৰণে মাকে নকুলক ক'লে যে সি আৰু পঢ়িব নালাগে, কলেজত গ'লে বহুত পইচা লাগিব। মোৰ উপাৰ্জনৰ দ্বাৰা সেই অভাৱ পূৰ নহ'ব। তেতিয়া নকুলে ক'লে যে -

ঃ মা মই পঢ়িম আৰু কলেজত গ'লে বেছি পইচা নালাগে নহয়। দুই এটা টিউচন কৰিম। তাৰোপৰি স্কুলৰ নগেন ছাৰেও কিবা সহায় লাগিলে ক'ব দিছে।

ঃ জানো বাছা! যি ভাল দেখ' কৰ। মইনো কি বুদ্ধি দিম, অজ্ঞানী মানুহ।

এতিয়া নকুলে কলেজলৈ যাব ধৰিলে। ঘৰৰ পৰা কলেজ কিছু দুৰত। ঘৰৰ পৰা কলেজলৈ দহ টকা বাছৰ ভাড়া। অহা যোৱা মুঠতে বিশ টকা। দিনটো একো নোখোৱাকৈ থাকে। ঘৰত ৰাতিপুৱা মাকে ৰান্ধি দিয়া গৰম ভাত কেইটা খাই কলেজলৈ যায় আৰু দিনটো একো নাখায়। নকুলৰো মন যায় কলেজৰ কেণ্টিনত আনৰ দৰে ম'ম', চাওমিন, বাৰ্গাৰ আদি খাবলৈ। কিন্তু কণা বিধাতাই নকুলক সেইকণ সুখ নিদিলে। নকুলৰ এতিয়া বৰ কষ্ট হ'ব ধৰিলে। নগেন ছাৰে ঠিক কৰি দিয়া টিউচন কেইটাৰে যি পইচা পায় তাৰে কলেজৰ বাছ ভাড়াখিনিহে মাথোঁ ওলায়। নদীক যেনেকৈ ভেটা দি ৰাখিব নোৱাৰি, জুইক যেনেকৈ সেমেকা কাপোৰেৰে ঢাকিব নোৱাৰি, তেনেদৰে প্ৰতিভাকো আৱদ্ধ কৰি ৰাখিব নোৱাৰি। মনত যদি পঢ়াৰ প্ৰতি ইচ্ছা থাকে, একাগ্ৰতা থাকে তেতিয়া কোনো অভাৱ অনাটনে সাফল্যৰ পথত হেঙাৰ হ'ব নোৱাৰে। অৰ্থনৈতিক মূল বিষয় হিচাপে পঢ়া নকুলে সুখ্যাতিৰে গ্ৰেজুৱেচন সম্পূৰ্ণ কৰিলে। অৰ্থনীতিত এম.এ. পঢ়াৰ কথা ভাবিছিল কিন্তু ভবা মতে নহ'ল। এদিন নকুলে কলেজৰ পৰা আহি দেখিলে যে মাক বিছনাত শুই আছে। ওচৰলৈ আহি নকুলে মাকক সুধিলে-

ঃ মা, কি হ'ল তোমাৰ। গা বেয়া লাগিছে নেকি?

ঃ ৰাতিপুৱাৰ পৰা জানো কি হ'ল! পেটটো বৰ বিষাই আছে, পেটৰ বিষয় থাকিব পৰা নাই।
ঃ ভাত খালা নে নাই মা?
ঃ নাই মন যোৱা নাই। তুমি খাই লোৱা, মই পিছত খাম দে।

মাকৰ অসুখৰ কথাটো শুনি নকুলৰ বহুত বেয়া লাগিল। সি জানে মাকে প্রয়োজনতকৈ বেছি পৰিশ্রম কৰিব লাগে। নিজৰ ঘৰৰ সমস্ত কামৰ লগতে আনৰ ঘৰৰ কামো কৰিব লাগে। তাৰ বাবে হয়টো মাকৰ পেটৰ বিষ হৈছে। মাকক আৰু সি ইমান কষ্ট দিব নোৱাৰে। সি যেনেকৈ নহওঁক কৰোবাত চাকৰি এটাৰ যোগাৰ কৰিবই লাগিব। নিজৰ কষ্টৰ লগতে মাকক এই বয়সত সি কষ্ট দিব নোৱাৰে। নকুল সৰুৰে পৰা ভাগ্যৰ লগত যুদ্ধ কৰি ভাগৰি নপৰা ল'ৰা। জনা হ'বৰে পৰা অভাৱৰ লগত নকুল বাস কৰি আহিছে। নকুলে মাকৰ ওচৰতে বহি আছে। সি মাকক সুধিলে —
ঃ অলপ ভাল পাইছানে মা?
ঃ অ বাবু... অলপ আগতকৈ বিষ কমিছে।

গধূলি হ'বৰ হৈছে। মাকে বিছনাৰ পৰা উঠিলে। আজি মাকৰ আনৰ ঘৰত কাম কৰিব যোৱা নহ'ল। সেইবাবে কালি অলপ সোনকালে যোৱাৰ কথা ভাবিলে। নকুলে পঢ়িব বহিছে যদিওঁ পঢ়াত মনোযোগ বহা নাই। মাকে লাহে লাহে ভাত বনাব ধৰিছে। নকুলে পঢ়াৰ পৰা উঠি মাকৰ ওচৰলৈ গ'ল।
ঃ কি হ'ল অ বাবু? পঢ়িব এৰি ইয়ালৈ আহিলা যে।
ঃ নাই মা পঢ়িব মন যোৱা নাই। সেইবাবে তোমাৰ ওচৰলৈ আহিলোঁ। পেটৰ বিষ ভাল পাইছানে মা?
ঃ পাইছোঁ দে।...

এনেদৰে দুয়ো বহুত কথা পাতিলে। মাক আৰু নকুলে ভাত খাই একেলগে দুয়োটাই এখন বাঁহৰ চাঙতে শুলে। নকুল এতিয়া ডাঙৰ হৈছে। দুয়োকে চাঙখনে নটা হৈছে। বাগৰ সলালে চাঙখন কেৰ-মেৰ কৰি উঠে। এনেতে নকুলে মাকক মাত লগালে -
ঃ মা টোপনি গ'লা নেকি?
ঃ নাই।
ঃ মা মই এটা কথা ভাবিছোঁ। মই যদি চাকৰি পাওঁ তেতিয়াও মোৰ লগতে শুবি নে?
ঃ আগে হওঁক দে বাচা। কণা বিধাতাই সেইকণ সুখ মোৰ কপালত লিখা নাই হ'বলা।

পিছদিনা ৰাতি পুৱা তেওঁলোকৰ গাঁৱৰ নগেন ছাৰে হাতত বাতৰি কাকত এখন লৈ নকুলহঁতৰ ঘৰলৈ আহিছে। নকুলে চাহ খাই এইমাত্র পঢ়াত বহিছে।
ঃ নকুল.. অ নকুল...। নগেন ছাৰে চোতালৰ পৰা নকুলক মাত লগালে। নকুলে ছাৰৰ মাত বুজি পাই বাহিৰলৈ ওলাই আহিল। ছাৰ আহক বুলি কৈ নকুলে ছাৰক বহিবলৈ দিলে। নকুল ছাৰৰ ওচৰতে থিয় হৈ থাকিল। মাকৰ ওচৰলৈ আহিল। নকুলে ছাৰক ক'লে —
ঃ ছাৰ কিবা কাম আছিল নেকি ?
ঃ কাম মানে, এইটো চোৱা...। বাতৰি কাগজখনত কিবা এটা টপিক আঙুলিয়াই ছাৰে ক'লে -
ঃ ইয়াত এটা বিজ্ঞাপন দিছে আৰু তাত ভাৰতীয় অৰ্থনীতি সেৱাৰ বাবে প্রতিযোগিতা মূলক পৰীক্ষাৰ বাবে আবেদন পত্র বিচাৰিছে। তুমি এই পৰীক্ষাত অংশগ্রহণ কৰা। মোৰ বিশ্বাস তুমি নিশ্চয় উত্তীৰ্ণ হ'বা।
ঃ বৰ টান পৰীক্ষা হ'ব নেকি ছাৰ?
ঃ হ'ব পাৰে। পঢ়িব লাগিব, কষ্ট কৰিব লাগিব। কষ্টৰ ফল সদায় মিঠা।
ঃ মা পৰীক্ষাটো দিম নে?
ঃ তুমি যদি দিব খোজা দিয়া। ভালদৰে পঢ়িলে নিশ্চয় পাৰিবা দিয়া।
ঃ ছাৰ, ঠিক আছে তেনেহলে মই পৰীক্ষাটো দিম দিয়ক ।
ঃ বৰ ভাল। তুমি নিশ্চয় পাৰিবা।

ছাৰে ফৰ্মখন কাগজৰ পৰা কাটি লৈ যাৱতীয় নথি পত্ৰসমূহ গাঁঠি দি আবেদন কৰিলে। এতিয়া নকুল কেৱল পঢ়াত ব্যস্ত। নকুলে বৰ কষ্ট কৰিছে। বন্ধু-বান্ধৱ তথা তাৰ শিক্ষকসকলৰ পৰা বিভিন্ন কিতাপ-পত্ৰ, আলোচনী আদি আনি পৰীক্ষাৰ বাবে সাজু হ'ব ধৰিছে। অবাবত কেতিয়াও সি সময় নষ্ট নকৰে। আজৰি সময় পালে জিলা পুথিভঁৰালটোতে সোমাই থাকে । মাকেও নকুলক ভাল পুষ্টিকৰ খাদ্য খোৱাৰ বাবে যত্ন কৰিছে। সময়বোৰ পাৰ হৈ গৈ আছে। যথাসময়ত নকুলে পৰীক্ষা দিলে। সি যিমান বেয়া হ'ব বুলি সিমান বেয়া হোৱা নাই। ভাল হৈছে পৰীক্ষা ভবাতকৈ। সংৰক্ষণত পৰিলেটো কথাই নাছিল। সময়ত পৰীক্ষাৰ খবৰ ওলাল। নকুল মৌখিক পৰীক্ষাৰ বাবে নিৰ্বাচিত হৈছে। মৌখিক পৰীক্ষা হ'ব দিল্লীত। বহুতো দুখ কষ্টৰ সন্মুখীন হৈ দিল্লীত মৌখিক পৰীক্ষাও দিলে। ভাল হৈছে

পৰীক্ষা।

নকুলৰ মৌখিক পৰীক্ষাৰ খবৰো ওলাল মাত্ৰ পোন্ধৰ দিনৰ পিছত। সি 'আই. ই. এছ.' হ'ল। অৰ্থাৎ ইণ্ডিয়ান ইক'নমিক চাৰ্ভিচৰ বিষয়া হ'ল। পিছদিনা তাৰ ফটোসহ বাতৰি অসমৰ প্ৰতিখন বাতৰি-কাকতত প্ৰকাশ পালে। নকুল ওৰফে মানস প্ৰতিম কাশ্যপ বাতৰিৰ শিৰোনামা হ'ল।

প্ৰতিভাই পৰিধি নামানে। মনত যদি ইচ্ছা, আগ্ৰহ, মনোবল থাকে তেওঁ নিশ্চয় সাফল্যৰ পথত আগবাঢ়িব। অভাৱ, অনাটন, দৰিদ্ৰতাই কেতিয়াও সাফল্যৰ পথত হেঙাৰ হ'ব নোৱাৰে। নকুলে তাকে প্ৰমাণ কৰি দেখুৱালে। ■

# হাঁহিমুখীয়া মানুহ জন

**জুৰিমা দাস**
স্নাতক তৃতীয় ষান্মাষিক

এটা উজ্বল ৰাতিপুৱা। খিৰিকী খনৰ ফাকেৰে ৰাতিপুৱাৰ কোমল ৰ'দ কোঠাটোৰ ভিতৰত সোমাইছেহি। প্ৰতিদিনৰ দৰেই চৰাইটোৱে খিৰিকী খনত খুত-খুটাই তেওঁক জগাবলৈ চেষ্টা কৰিছে। কিন্তু আনদিনাৰ দৰে আজি যেন তেওঁ চৰাইটোলৈ গুৰুত্বই দিয়া নাই। অলসভাৱে পৰি আছে বিছনা খনত। আজি কেইমাহমান আগৰ পৰাই তেওঁৰ বুকুখনত এটি বিষ অনুভৱ কৰিছে। কাকো বুজাব নোৱাৰা এই বিষ। কিন্তু আজি তেওঁক সেই বিষটোয়ে বৰকৈ আমনি কৰিছে। কিবা এক অবুজ বেদনাই তেওঁক বাৰে বাৰে খেদি আছে। চকুৰ আগত এনে কিছুমান দৃশ্য এখন এখনকৈ ভাহি উঠিছে যাৰ বাবে তেওঁৰ চকু দুটিও চলচলীয়া হৈ উঠিছে। তেওঁ যেন আজিৰ দিনটোৰ সন্মুখীন হ'বলৈ অকণমান ভয় খাইছে। কিন্তু তেওঁ ইমান দুৰ্বল নহয়। মনটোক সান্তনা দি তেওঁ বিছনাৰ পৰা উঠি বহিল।

আজি তেওঁৰ চাকৰি জীৱনৰ শেষ দিন। তেওঁ হয়তো কেতিয়াও ভবা নাছিল যে - "চাকৰি জীৱনৰ প্ৰথম দিনটোৰ আনন্দতকৈ অন্তিম দিনৰ যন্ত্ৰনাটো বহুগুণে বেছি হ'ব। চাওঁতে চাওঁতে তেওঁৰ জীৱনৰ এই ৩৫ টা বছৰ কেনেকৈনো পাৰ হ'ল তেওঁ গমকে নাপালে।" লাহে লাহে তেওঁ বহাৰ পৰা উঠি খিৰিকীখন মেলি দিলে। খিৰিকীখন মেলাৰ লগে লগে বাহিৰৰ চেঁচা বতাহজাকে তেওঁক আৱৰি ধৰিলে। অকণমান খিৰিকীখনৰ কাষত বৈ তেওঁ নিজকে প্ৰস্তুত কৰিলে আন দিনাৰ সেই হাঁহিমুখীয়া মানুহ জন হ'বলৈ।

কলেজৰ কেম্পাছত সোমাইয়েই তেওঁৰ মনটো আকৌ এবাৰ দুৰ্বল হৈ পৰিল। ভাবি পোৱা নাই, সকলোৱে আগত বিশেষকৈ তেওঁৰ বিভাগৰ সহকৰ্মী অধ্যাপক-অধ্যাপিকা তথা ছাত্ৰ-ছাত্ৰী সকলৰ আগত কেনেদৰে সন্মুখীন হ'ব। হঠাৎ পিছফালৰ পৰা তেওঁক যেন কোনোবাই মাতিছে, তেওঁৰ তেনেকুৱা অনুভৱ হ'ল। মনৰ ভ্ৰম বুলি ভাবি তেওঁ আগবাঢ়িয়ে থাকিল। কিন্তু এইবাৰ স্পষ্টকৈয়ে তেওঁৰ কাণত পৰিল। সিং চাৰ বুলি যেন তেওঁক কোনোবাই মাতিছে। হয়, ইমান সময় কৈ থকা এই ব্যক্তি জনেই হ'ল সিং চাৰ। সকলোৰে মাজত তেওঁ সিং চাৰ হিচাপেই খ্যাত হৈ পৰিছে কলেজ খনত। তেওঁ ঘূৰি চাই দেখে সেইজন ব্যক্তিক, যিজন ব্যক্তিৰ হাতত কলেজখন থকা বাবে তেওঁ একো চিন্তা নোলোৱাকৈয়ে আজি অৱসৰ ল'ব পাৰিব। সেইজন ব্যক্তিয়েই হ'ল কলেজখনৰ অধ্যক্ষ মহোদয়। বেছিদিন হোৱা নাই তেওঁ কলেজখনলৈ অহা। তথাপি তেওঁ সকলোৰে আপোন হৈ পৰিছে। আজি অধ্যক্ষ চাৰেও যেন সিং চাৰৰ লগত আগৰ দৰে কথা পাতিব পৰা নাই। দুয়ো নিমাত হৈয়ে আগলৈ আগবাঢ়িল। সিং চাৰক তেওঁৰ বিভাগৰ কোঠাটোৰ সন্মুখত থৈ অধ্যক্ষ চাৰ গুচি গ'ল গৈ।

আনফালে আকৌ ভূগোল বিভাগৰ ছাত্ৰ-ছাত্ৰী আৰু দুজনমান অধ্যাপক লগ লাগি এক গোপন মেলত ব্যস্ত। লাহে লাহে এজন এজনকৈ আহি মেল খন ডাঙৰেই হ'ল। তেওঁলোকৰ মেলৰ মূল উদ্দেশ্য হ'ল সৰুকৈ হ'লেও সিং চাৰৰ কাৰণে এখন সভা পাতিব লাগে। ডাঙৰকৈ কৰিব নোৱাৰি কাৰণ স্নাতক মহলাৰ তৃতীয় ষান্মাষিকৰ দুপৰীয়া এক বজাৰ পৰা পৰীক্ষা আছে। গতিকে তেওঁলোকৰ হাতত যে আৰু বেছি সময় নাই সেই কথা অনুমান কৰি সিং চাৰক একো গম নিদিয়াকৈয়ে সকলোৱে খৰধৰকৈ কামত লাগি গ'ল।

কেইজনমানে বজাৰ কৰিলে, কেইজনমানে য'ত সভাখন অনুষ্ঠিত কৰা হ'ব সেই কোঠাটোও আটক ধুনীয়াকৈ সজালে। কাৰো যেন অন্য কথাত মন দিবলৈ সময়েই নাই। এফালে আকৌ দুজনী ছাত্ৰীয়ে দোকানে দোকানে প্লাষ্টিকৰ গিলাচ বিছাৰি হায়ৰান। সিহঁতে হেনো ফুলৰ দানি সজাব। অৱশেষত যেনিবা বিচাৰি পালে। দুয়োজনীয়ে দুটা ফুলৰ দানি বনাই দুখন মেজত সজাই থৈ হাত ধুবলৈ ওলাই গ'ল। কিন্তু ঘূৰি আহি দেখে যে ফুলৰ দানি উধাও। চাৰিওফালে সিহঁতে বিচাৰিলে অৱশেষত দেখিলে কোঠাটোৰ এটি কোণত ফুলৰ দানি দুটা কোনোবাই এনেকৈ থৈছে যে সেই দুটাৰ একো কামেই নাই। লগে লগে দুয়োজনীৰেই মন দুটা সেমেকি গ'ল। ইমান কষ্টেৰে সিহঁতে বনাইছিল, ভাল নালাগিল বুলিয়েনো এনেকুৱা কৰিব লাগেনে। তথাপি সিহঁতে মন দুটাক বুজালে যে সেই দুটা তাত থাকিলে দেখাত বেয়াহে দেখিলে হে কোঠাটো। গতিকে সেই দুটা তাত নি থোৱাই ভাল হৈছে। তাতহে নি থৈছে পেলাইটো দিয়া নাই। কিন্তু অলপ সময় পিছত সান্ত্বনা পাই থকা মন দুটাই চিঞৰি উঠিল- ফুল দানি দুটা তাত নাই, কোনোবাই খিৰিকীৰে দলিয়াই দিলে। দুয়ো দুয়োৰে মুখলৈ চাই সেমেকা হাঁহি মাৰি নিমাত হৈ বহি থাকিল। লাহে লাহে সকলোৰে কাম সম্পূৰ্ণ হৈ গ'ল। এতিয়া সিং চাৰেহে তেওঁৰ কাম খিনি শেষ কৰি সভাখনলৈ আহিব লাগে। কলেজলৈ অহাৰ পৰাই চাৰে কিতাপ-পত্ৰ ঠিক-ঠাক কৰাত ব্যস্ত। যাতে তেওঁ কলেজখন এৰি যোৱাৰ পিছত একো খেলি-মেলি নহয়। কিন্তু ছাত্ৰ-ছাত্ৰী সকলে হে একো বুজি পোৱা নাই তেওঁনো কি কামত ইমান ব্যস্ত হৈ আছে। সকলোৱে তাকে ভাবি-গুণি তেওঁক আদৰিবলৈ বাৰান্দাত ৰৈ থাকিল। আৰু এটা সময়ত তেওঁ কাম শেষ কৰি বাহিৰলৈ ওলাই আহিল। আহিয়েই সকলোকে তেনেকৈ শাৰী পাতি ৰৈ থকা দেখি তেওঁৰ যেন মনটো আনন্দৰে ভৰি পৰিল। কোঠাটোৰ ভিতৰত সোমাইয়ে এক ছেকেণ্ডৰ কাৰণে পাহৰি গ'ল তেওঁৰ বুকুৰ বিষটো। সেইখিনি সময়তে মাত্ৰ তেওঁ মনৰ পৰা হাঁহিছিল। আৰু সভাখন আৰম্ভ হোৱাৰ লগে লগে তেওঁৰ সেই হাঁহিটো সলনি হৈ গৈ কৃত্ৰিম হাঁহিলৈ পৰিণত হ'ল। তেওঁ যেন হাঁহি থাকিবলৈ অভিনয় হে কৰিব লগা হৈছে। কিয়নো তেওঁৰ বুকুৰ বিষটো ক্ৰমাৎ বাঢ়িছিল। কষ্ট হৈছিল হাঁহিটো উলিয়াব, তথাপি তেওঁ সেই কষ্ট লুকুৱাই ৰাখি হাঁহি থাকিব চেষ্টা কৰিছিল। কিন্তু তেওঁৰ হাঁহিটোৱেই যে ছাত্ৰ-ছাত্ৰী সকলৰ মনত আঘাত দি আছিল তেওঁ সেই কথা গমেই নাপালে। সিহঁতে চাৰৰ কৃত্ৰিম হাঁহিটো সহ্য কৰিব পৰা নাছিল। সিহঁতে বিচাৰিছিল তেওঁ মনৰ পৰা হাঁহক, আন দিনাৰ সেই হাঁহিমুখীয়া মানুহ জনক বিচাৰিছিল আৰু এনেকৈয়ে সকলোৱে এটা শোকাবহ পৰিৱেশৰ মাজেৰে সভাখন সমাপ্ত কৰিলে। ছাত্ৰ-ছাত্ৰী সকলে চাৰৰ ভৰি চুই আশীৰ্বাদ ল'লে। চাৰে যিমানেই আশীৰ্বাদ দিয়ে সিমানেই তেওঁৰ চকুযোৰ চলচলীয়া হৈ পৰে। অৱশেষত নদীৰ পাৰ ভাঙি বৈ অহাৰ দৰেই বৈ আহিল তেওঁৰ চকুলো। সকলোকে আশীৰ্বাদ দি তেওঁ চকুলো মচি মচি কোঠাটোৰ পৰা ওলাই গ'ল।

এটা সময়ত কলেজখন নিজম পৰি গ'ল। তেৰোঁ ঘৰলৈ আহিল। লাহে লাহে বেলিটোও পশ্চিমাকাশত ৰঙা ফোটটোৰ দৰে হৈ উঠিছে। আবেলিৰ চাহ কাপ খাই তেওঁ মোবাইলটো হাতত তুলি ল'লে ফেচবুক চাওঁ বুলি। আজি-কালি ফেচবুকত তেওঁৰ মনটো বেছিকৈয়ে বহিছে। এইকথা অৱশ্যে তেওঁৰ ছোৱালীজনীয়ে লক্ষ্য নকৰা নহয়। তাই কেতিয়াবা কয়-দেউতা, তুমি কিন্তু ফেচবুকৰ প্ৰতি বেছি আসক্ত হৈ গৈ আছা। আৰু তেতিয়া ছাৰে মিচিকিয়াই হাঁহি মাৰি কয়-দায়িত্ববোৰ কমিব গৈ আছে যে, আৰু আজি সঁচাকৈয়ে তেওঁৰ বহুত দায়িত্ব কমিল। কথাটো মনত পৰি তেওঁ মোবাইলটো থৈ দিলে। আৰু এটা হুমুনিয়াহ কাঢ়ি দূৰৈত জিলিকি থকা পশ্চিম আকাশৰ ৰঙা সূৰ্যটো একেথৰে চাই ৰ'ল। ■

# উশাহবোৰ জী আছে

মৌমিতা ৰয়
প্ৰাক্তন ছাত্ৰী, অসমীয়া বিভাগ

শব্দবোৰৰ লগতেই মোৰ
জন্মান্তৰৰ চিনাকি
কোনে বুজিব
হাঁহি এটি গধূৰ হৈ
কবিতা লিখাৰ আঁৰৰ কাহিনী

অভিমানী মনটোৱে বহুবাৰ
হাহাকাৰ কৰি সুধিছে
মোৰ উশাহবোৰৰ বয়স কিমান ?
তথাপি আজিও উশাহবোৰ জী আছে
সময়ৰ বলুকাৰাশিত...

বিশ্বাসবোৰ হেৰাই গ'লে
জ্বলি নাযায় প্ৰতাৰকৰ মৰু!
পিছে মই জ্বলি জ্বলি পুনৰ জী উঠিছোঁ
(নিজৰ বাবে)...

কোনে জানে বিষাদৰ সুৰ এটি
জীৱনৰ কোন ঘাটত আকৌ বৈ আছে
তথাপি জীৱনক ভালপোৱা মানুহে
পিছলৈ চাই বৈ দিব নোখোজে... ■

# ভাৰতৰ সেনা

দ্বীপান্বিতা দাস
স্নাতক প্ৰথম ষান্মাষিক

হে মহামানৱ দেশৰক্ষাকাৰী ভাৰতৰ সেনা
দেশৰ বাবে, স্বজাতিৰ হকে,
ত্যাগ আৰু আদৰ্শৰ মন্ত্ৰৰে
বলিদান দিছা তোমাৰ সত্বাৰ।
তোমাৰ সাহসতে সাজি আমি
গৌৰৱেৰে একেলগে উচ্চস্বৰে গাওঁ
বন্দে মাতৰম্! বন্দে মাতৰম্!
বিপদৰ ঘণ্টা তোমাৰ প্ৰতি ক্ষণতে বাজে
দেশদ্ৰোহীৰ কৱলত জীৱন আৰু মৃত্যুৰ
প্ৰতি ক্ষণে ক্ষণে টনাটনি।
স্বদেশ প্ৰেমৰ শলিতা জ্বলাই,
ভয়, শংকাৰ এন্ধাৰ আঁতৰাই,
অসীম শান্তিৰ উল্লাস বিয়পাই,
স্বদেশ তুলিছা পোহৰাই।
দুৰ্গম জীৱনৰ পথযাত্ৰী তুমি
তোমাক শতবাৰ প্ৰণাম। ■

# আধৰুৱা

**পবিতা ৰাভা**
স্নাতক তৃতীয় ষান্মাষিক

তুমি সুখী হোৱাৰ জোখেৰে
কিছু মৰম দিছিলোঁ,
তুমি দেখোন তাতেও সন্তুষ্ট নহয়।
আৰুনো কিমান দিয়া
বেদনাৰ বোজা,
হে মোৰ হৃদয় দেৱতা।
এতিয়া মই কোন পৃথিৱীত আছোঁ,
মই নিজে নাজানো,
যদিও বা বহুতৰে পৰা বহু দূৰত,
তথাপি মই যেন নিজৰ নিচেই ওচৰত।

ফৰকাল নীলা আকাশখন
বহুদিন দেখা নাই
দূৰৈৰ সেউজীয়া পাহাৰ খনিত
বহুদিন প্ৰভাতি সূৰুযৰ হেঙুলী
ৰহণে হাত বাউল দি মতা নাই!

জীৱনৰ জখলা বগাব নাজানিলোঁ,
সকলোৱে যেন আগুৱাই গ'ল,
মইহে থমকি ৰ'লো,
তুমি জীৱনলৈ অহাৰ আগতে
ইমান কঠিন চাগে কেতিয়াও হোৱা নাছিল
নিশাবোৰৰ সংজ্ঞা বুটলোতে।

ভালপাওঁ বুলি নক'বা,
ভাল যে পোৱা মই বুজিছোঁ
দেৰিকে হ'লেও,
মই বুজি নোপোৱা বুলি ভাবি
তুমি অভিমান কৰিছিলা,
কিন্তু মোৰ ভালপোৱা তুমি হয়তো বুজি নাপালা।

দুখীয়া বুলি নাহাঁহিবা মোক
মনৰ দুখীয়া নহওঁ
পৰি আছে মাটি চপৰা
মইয়ো ধন ঘটিব পাৰো। ■

# ল'ৰালি

অংকিতা সূত্ৰধৰ
স্নাতক তৃতীয় ষান্মাসিক

উভতাই যদি আনিব পাৰিলোঁহেতেন
বাৰিষাৰ সেই ল'ৰালি,
কচুপাতৰ ছাতি আৰু
চোতালত বোকাৰে লুতুৰি।

আইতাৰ নিচুকনি
ক'কাৰ যাদুকৰী ধেমালি
দেউতাৰ বুকুৰ উম
আইৰ সেই চিনাকি চিটিপনি।

পাম জানো ঘূৰাই
সেই নিস্বাৰ্থ ল'ৰালি
কলগছৰ ভূৰত উঠি
প্ৰাণ খুলি মৰা হাঁহি।

আপুৰুগীয়া জাকৈত
কাৰৈ, গৰৈৰ চটফটনি,
চোতালৰ সাধু কথা
আৰু ঢকুৱাৰ বিচনী।

উহঃ ক'ত পাম বিচাৰি
বুকুৰ আপোন সেই ল'ৰালি...

আনি দেচোন পাৰ যদি...
মোক মোৰ সেউজীয়া ল'ৰালি
সজীৱ হৈ উঠক শৈশৱৰ চিনাকী ধেমালি।। ■

# নিস্তব্ধ নিশা

লখিমী বেগম
স্নাতক প্ৰথম ষান্মাসিক

নিস্তব্ধ নিশাৰ পৃথিৱীত
অকলে সাৰে আছোঁ মই।
এই নিশাৰ আজিৰ লগৰী
মোৰ কলম ডাল।
কলম ডালৰ নীলা চিয়াঁহীৰে,
বগা কাগজত লিখি গৈছোঁ সপোনবোৰ।
এনেকুৱা সপোন যিবোৰ বাস্তৱ কৰাৰ আছে
দুৰ্বাৰ হেঁপাহ।

পাৰিম জানো এই নিশাৰ সপোনবোৰক
বাস্তৱ কৰিব?
পাৰিম জানো এই নিশাৰ অন্ধকাৰ বাটেৰে
পোহৰলৈ খোজ দিব?

শান্তিৰ মাজতে অশান্তিৰ পৰিৱেশত,
মুখা পিন্ধা ভদ্ৰ লোকেৰে,
গঠিত এই নিশাৰ পৃথিৱীখনৰ পৰা
পাৰিম জানো আঁতৰি আহিব?

সূৰ্যৰ কিৰণময়ী দলিচাত খোজ দিয়ে,
নিজৰ সপোনক বাস্তৱ কৰাৰ
আকৌ এটি নতুন সপোন দেখিলোঁ,
এই নিস্তব্ধ নিশাৰ পৃথিৱীত।। ■

# নাৰী

ধীতামনি কলিতা
স্নাতক পঞ্চম ষান্মাসিক

নাৰী তুমি মমতাময়ী
তুমি মাতৃ তুমি ভগ্নী
তুমিয়েই হোৱা অৰ্ধাঙ্গিনী
তুমি দয়াশীলা তুমি সহনশীলা
নাৰী তুমি অনন্যা।
লক্ষ্মীৰ ৰূপত তুমি অন্নদাত্ৰী
সৰস্বতীৰ ৰূপত তুমি
বিদ্যাৰ অধিষ্ঠাত্ৰী
দুৰ্গাৰ ৰূপেৰে তুমি অসুৰ বধিলা
কালিকা ৰূপেৰে তুমি
ৰক্তপান কৰিলা
তথাপি ৰাখিব পাৰিলানে তুমি
নাৰীত্বৰ মান
তুমি ধৰনী তুমি আইমাতৃ
তোমাৰ কোলাতেই দুচকু মেলি
তথাপি সন্মান দিয়েনে তোমাক
এই পৃথিৱীত আইমাতৃ বুলি
যুগ যুগান্তৰ সাক্ষী আজি
তোমাৰ মমতাৰ
স্নেহবন্ধনেৰে আৱৰি ৰাখিছা
এই সংসাৰ
নাৰী তুমি মহীয়সী
যদিও পোৱা নাই তুমি
তোমাৰ নাৰীত্বৰ মান
তথাপি কৰিছা তুমি
সৰ্বোচ্ছ দান। ■

# শৰতৰ সুবাস

অনুপম দৈমাৰী
স্নাতক প্ৰথম ষান্মাসিক

অ' শৰৎ
তই আকৌ আহিলি।
সুন্দৰৰ ৰূপ কথাত জোনাকৰ মায়া পিন্ধি,
জোনাকী বাটত শাৰদৰ ৰাগি সানি।

এইবাৰ মই এই কাহিনীবোৰ ছবিৰে সজাম,
সেই বাট আঁকিম,
যিবাটে তই আহ, এখন আকাশ আহে
আৰু এজাক শালিকী চৰাই,
ঠিক পিছে পিছে উৰি আহে,
গান গাই গাই ...। ■

# স্মৃতি

দিশা ৰাভা
স্নাতকোত্তৰ তৃতীয় ষান্মাষিক

তোমাৰেই ছায়াত,
স্মৃতিৰ দুবাহুত শুই
আমাৰ কাহিনী লিখোঁ...
হাঁহি থকা সময়ত
কান্দি থকা সময়ত
অকল তোমাৰেই মাত শুনো।
ভৰিৰ খোজত বিচ্ছেদৰ বেদনা
স্মৃতি তোমাৰ বন্ধ দুচকুত,
তোমাৰ পৰা নিলগত হৃদয়,
তোমাৰ স্মৃতিৰ ধপধপনিয়ে
নিশা নিশা জগাই ৰাখিছে।
এই নিস্তব্ধ নিশা
কাক শুনাও হৃদয়ৰ বেদনা ?
মৌন হৈ ৰৈ গৈছে কথাবোৰ
মই কেনেকৈ কওঁ
হৃদয়ৰ স্মৃতিৰ বেদনা ? ■

# বতাহ

ভাৰ্গৱ পাটগিৰী
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

শৰতৰ আবেলি কহুঁৱাবোৰ,
হালিছে-জালিছে
আনন্দত মতলীয়া হৈ

কি যে মিঠা বতাহ বলিছে
এজনী চঞ্চলা গাভৰু ছোৱালী হৈ।
তাইৰ যেন ৰ'ৱলৈকে নাই আহৰি।

অকলে অকলে বলি থকা বতাহজাকৰ লগত
মই খেলো নিজানত
দুহাতত দুপাখি লগাই।

নাজানো কি আনন্দৰ বতৰা
লৈ আহে বতাহজাকে
যিয়ে সকলোৰে দেহ-মন জুৰাই।

প্ৰকৃতিৰ এই মায়াজালে
সকলোকে লয় কোচত
মিঠা মিঠা হাঁহি বিলাই।

বতাহ তুমি প্ৰকৃতিৰ অপূৰ্ব সৃষ্টি।
বতাহ তুমি এনেকৈয়ে বৈ থকা নিৰবধি
সকলোৰে দেহ-মন শীতল কৰি। ■

# শৰৎ

**সাগৰিকা নাথ**
স্নাতক প্ৰথম ষান্মাসিক

পদূলীৰ শেৱালীজোপাৰ সুৱাসে সোঁৱৰালে,
শৰৎ আকৌ আহিল বুলি।
নৈ পাৰৰ কহুৱাবোৰ যেন উলাহত নাচিছে,
পুৱাৰ মৃদু চেঁচা বতাহজাকে মন চুই গৈছে।
নিয়ৰৰ টোপালবোৰৰ ৰুণজুন শব্দ
যেন বনকুঁৱৰীয়ে নুপুৰ পিন্ধিছে।
সেউজীয়া ধাননিবোৰক যেন,
নিয়ৰে বগা চাদৰেৰে আবৰিছে মৰমেৰে।
শৰতৰ প্ৰতিটো আবেলি যেন মনপৰশা,
প্ৰতিটো সন্ধিয়া কোমল জোনাকেৰে ভৰা।
নিভাঁজ জোনাকৰ আঁৰে আঁৰে জোনাকীৰ নাচোন,
তৰাবোৰৰ লগত জোনৰ নিবিড় বান্ধোন।
নিস্তব্ধ আলিবাটত কুঁৱলীয়ে বাট ভেটি ধৰে বাটৰুৱাক,
শেৱালীৰ স্নিগ্ধ সুৱাসে আমোল-মোলাই থাকে,
গাওঁৰ প্ৰতিটো পদূলি।
সঁচাকৈ ...
শৰতৰ প্ৰতিটো পুৱা, আবেলি, সন্ধিয়া
মোৰ বৰ প্ৰিয়।
ইয়াতেই বিচাৰি পাওঁ মই মোৰ ভাল লগা সময়বোৰ। ■

# শাওনৰ অস্তিত্ব

**অন্তিমা ৰাভা**
স্নাতক প্ৰথম ষান্মাসিক

দল মেটেকাৰে ভৰা
শাওনৰ পথাৰৰ বোকাপানীৰ বুকুত
বিচাৰি পাওঁ সপোন ঠিকনাৰ
এটি চিনাকী সুৰুঙা।

মেঘে ডবা কোবায়, টোপ টোপকৈ সৰা
বৰষুণ জাকে ধুই নিয়ে
অৰুণৰ ৰঙত ৰাঙলী ৰঙা ৰঙা চিঙা পৰা দেহ।
নোৱাৰো বুজাব দুটি ওঁঠৰ ভাষাৰে
বোকাময় পথাৰৰ বতৰা।
হেৰুৱাব নোখোজো আজি
কেচ্ কেচ্ কঠিয়াৰ শব্দ
চিনা চিনা কেঁচা মাটিৰ গোন্ধ।

দোপ দোপ দোপ এয়া কি?
দূৰৈত যান্ত্ৰিকতাৰ একুৰা জুই!
থাকিব জানো মূৰত জাপি কান্ধত নাঙল,
হাবিমুৰীয়া লুঙলুঙীয়া বাটৰ অস্তিত্ব
লীন যাব নেকি এই সেউজী দলিচা
দুপৰ দিনত মূৰৰ ওপৰৰ প্ৰখৰ ৰ'দত
পথাৰৰ মাজত তামোলেৰে বোলোৱা ওঁঠৰ
ৰাঙলী বোল? ■

# বিশ্বাস

আখতাৰা বেগম
স্নাতক পঞ্চম ষান্মাসিক

পৃথিৱীখন সেউজীয়া।
পৃথিৱীখন মৰমীয়াল।
তুমি কৈছিলা বাবেই,
বিশ্বাস কৰোঁ।
পৃথিৱীখন সুন্দৰ, উৰ্বৰা আৰু শান্ত
পৃথিৱীখনে প্ৰেমৰ গীত শিকায়,
তুমি কৈছিলা বাবেই বিশ্বাস কৰোঁ।
ইতিহাস ভৰি থকা আমাৰ দেশ
মন্দিৰৰ ঘণ্টাধ্বনিয়ে
মছজিদক চুই যায়।
আজান শুনি তৰাবোৰে ভুমুকি মাৰে।
আমাৰ প্ৰিয়জনে
সত্য কোৱাৰ অপৰাধত
ফাঁচিকাঠত ওলমিছিল।
যাৰ বাবে শান্তিৰ অন্বেষণ হৈছিল।
শুনা, এইবিলাক তাহানিৰ কথা
তুমি চোৱা এবাৰ!
পৃথিৱীখনত কি চলি আছে?
যন্ত্ৰণাত যৌৱন বাগৰিছে।
এচামে ধৰ্মক লৈ বিবাদ কৰিছে।
আজি মানুহ মানেই আতংক
মানুহ মানেই সন্দেহ।
মানুহ বৰ্বৰ, অত্যাচাৰী ৰূপ লৈছে।
চোৱা পৃথিৱীখন তেজপিয়া হ'ল।
কোনোবাই নিজৰ মংগলৰ বাবে
নিৰীহৰ তেজ কপালত পিন্ধিলে।
তোমাৰ বিশ্বাস জীয়াই ৰাখিম বুলি,
পৃথিৱীৰ প্ৰান্তে প্ৰান্তে বিচাৰিছোঁ
এটোপাল মানৱতা।
এয়া অসম্ভৱ ...
তুমিয়ে আকৌ মোৰ বিশ্বাসৰ
অইন নাম দিয়া। ■

# গাভৰু বিকালী

প্ৰদ্যুম্ন দাস
চতুৰ্থ ষান্মাসিক

মই বিকালীয়ে কৈছোঁ
অহোহু মই বিকালীৰ দেৱালে দেৱালে
বসন্ত বিচাৰি ফুৰা
এজন ছাত্ৰ প্ৰেমিকে কৈছোঁ

এয়া বিকালীৰ সন্মুখত মই
এয়া বিকালীৰ চঞ্চল বাট দুভৰি
কঁপি উঠিছে
কঁপি উঠিছে
মোৰ ঘিশচিত আগমনৰ গুঞ্জৰত

বিকালী!
তোমাৰ ওঁঠৰ ছিৰি
কিমান যে বগাই ফুৰোঁ
মোৰ পৰিপক্ক চুম্বনৰ আঘাত লাগি
ঠেকা খাই উঠে
তোমাৰ বুকুৰ প্ৰতিটো শ্ৰেণীকোঠাত
হেজাৰ যুগৰ সেউজীয়া স্বাক্ষৰতা

বিকালী!
তোমাৰ এটি চকু পুথিভঁড়ালৰ দৰে
কত যে কি মায়াৱী পুথি সাঁচি ৰখা তাত
আনটো চকু প্ৰজ্ঞাৰ
যিয়ে মোৰ দুচকুত অহৈতুক বাণ মাৰে
তমোস্নাৰ

বিকালী তোমাৰ
এখলপীয়া অট্টালিকাৰ কান্ধত
মই থিয় দিওঁ
দুহাত মেলি
এই যে তোমাৰ মধুকালীন
সদ্যস্নাতা কুন্তলৰ বিভ্ৰাজে
লৈ আহে
তোমাৰেই ঊনচল্লিশ বছৰীয়া
গাভৰু গাভৰু গোন্ধ

মই আহত হৈ
তোমাৰ কৃষ্ণচূড়াৰ কোলাৰ পৰাই কৈছোঁ
মই যে তোমাৰ প্ৰেমত খাটাং পৰিছোঁ
বহুবাৰ ...

মই বিকালিয়ানে কৈছোঁ
আকৌ এবাৰ ... ■

# EXAMINATION FEVER

**Deepshikha Khakhalary**
**B.A 4TH Semester**

Tension, tension, tension,
Hurry so much to study,
But a substitute we home.
Read, recall and revise.

In mathematics equation
In physics reflections,
In biology reactions,
In chemistry reaction.

We try to learn history and economics,
But difficult to solve the mysteries
Mug up Hindi, English and Civics
But we soon forget these.

Its' examination fever
Gripping us from all over,
So, let us sit tight
and keep studying forever. ■

# Life

**Priyanka Das**
B.A 4th sem

In the quiet of the night,
A new life has taken flight
A precious child, so pure and bright,
Now sleeps soundly, a peaceful sight.

Innocent eyes, yet to see
The beauty of life and all it can be
A heart so full of love and glee,
A soul so pure and free.

As the dawn breaks and the sun rises high,
A new day begins, with a new born's cry.
The world rejoices, as time flies by,
A child born, a blessing from above,
A symbol of hope, messenger of love.

A future filled with wonder and joy
A life to cherish, a precow toy
So let us celebrate, this windrow birth
With all the love and joy it's worth. ■

# Nature's Beauty

**Gopesh Nath**
B.A 6th sem

Nature, oh Nature, how grand thou art,
From mountain to ocean hearts.
With skies so blue and fields so green,
A sight so lovely, it's almost sublime.

The rustling leaves, the chirping birds,
The gentle breeze that calms our nerves.
The golden sun, the silver moon,
Each element in harmony in this earthly tune.

The roaring rivers, the gentle streams,
The morning mist, a painter's dream.
The blooming flowers, the buzzing bees,
The hummingbirds, a sight to please.

Oh Nature, how perfect, how divine,
A treasure trove, an endless mine.
May we preserve and cherish thee,
For all eternity, forever free. ■

# दैखंखोला रावसानि रहुगा खुगा रावनि सोदोब बिहुंखौ यानथाय गोनां रावजों रुजुनाय

**अपराजिता बसुमतारी**
बारग' फरायसा

जागायनाय :

